
# সূত্ৰধাৰ

১৬-৩১ ডিচেম্বৰ ১৯৯১ □ ছয় টকা







## উগ্ৰপন্থীৰ জিঘাংসাৰ বলি

---

K. Kalita pathsala

## বিষয়-সূচী

সূত্ৰধাৰ

তৃতীয় বছৰ দ্বাবিংশ সংখ্যা
১৬-৩১ ডিচেম্বৰ, ১৯৯১
VOL III No 22
16-31 December, 1991

প্ৰচ্ছদ নিবন্ধ

হিংসাৰ দাবানল নুমাই কোনে ৬

হত্যা অত্যন্ত ভয়ানক আৰু মৰ্মন্তুদ। ইয়াৰ বাবে ভাহি উঠা কান্দোনৰ সুৰবোৰো একে। যিসকল 'মানৱ' তেওঁলোকেহে শুনে এই একেই কান্দোনৰ সুৰ। কিন্তু "দানৱে" তাৰ মাজতো কিদৰে প্ৰভেদ বিচাৰে তাৰেই এক বিশ্লেষণ কৰিছে অনিৰুদ্ধ দত্তই।

বিশেষ নিবন্ধ

ব্যৰ্থ ৰাজনীতিবিদৰ স্বপ্ন আৰু স্বাধীন অসমৰ প্ৰশ্ন ১২

অসমত বৃটিছৰ ১২১ বছৰীয়া উপনিবেশিক শাসনৰ অন্তত সমগ্ৰ ভাৰতবৰ্ষৰ এক অঙ্গ ৰাজ্যৰূপে স্বাধীনতা লাভ কৰাৰ প্ৰায় ৪০ বছৰৰ পাছত অসমৰ জাতি গঠনৰ ঐতিহাসিক প্ৰক্ৰিয়া সম্পূৰ্ণ নৌ হওঁতেই "স্বাধীন অসম"ৰ এক দাবী উত্থাপন কৰা হৈছে। এই দাবীৰ যুক্তিযুক্ততাৰ ভিত্তি যে তেনেই অমূলক তাকেই ঐতিহাসিক ভিত্তিত প্ৰতীয়মান কৰিব বিচাৰিছে সনাতন সূত্ৰধাৰে তেখেতৰ এই চিন্তাগধূৰ প্ৰবন্ধত।

দৃষ্টিভঙ্গী

অভ্যুত্থানৰ ঘন্টাধ্বনি ঃ ঘনচিৰিকাৰ কিৰিলি ১৫

আবেগিক ধ্বনিৰে কোনো কোনো বুদ্ধিজীৱী ৰাজপথলৈ ওলাই আহিছে। দুখনমান সংবাদ পত্ৰতো একে প্ৰতিধ্বনি। কোনোৱে ইয়াক 'গণ অভ্যুত্থানৰ ঘন্টাধ্বনি' বুলিও অভিহিত কৰিব বিচাৰিছে। সময়ৰ কাঠগড়াত ইয়াৰ বিচাৰ কেনেধৰণৰ হ'ব তাৰে এক পৰ্যালোচনা আগবঢ়াইছে মুনীন চৌধুৰীয়ে।

প্ৰতিবেদন
শইকীয়া চৰকাৰ আৰু নাঙঠ সাংবাদিক □ ৰিপুঞ্জয় ৰাজখোৱা ৯

মুকলি মঞ্চ
বিষয় ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয় ২২

বিশেষ নিবন্ধ
সাংস্কৃতিক বীজ আৰু মাটি ঃ □ নলীন বৰঠাকুৰ ৫৪

ৰাজনীতি
লি পেঙৰ ভাৰত ভ্ৰমণে নতুন দিশৰ উন্মোচন কৰিব □ হিতেন মহন্ত ১৭

শব্দ চিত্ৰ ক্ৰমশঃ
মৃত্যুৰ দুৱাৰদলিত জীৱনৰ জয়গান □ হেমন্ত বৰ্মন ২৯

বিশেষ নিবন্ধ
অসম ঃ বৰ্ত্তমান আৰু ভৱিষ্যত □ সুজিৎ চৌধুৰী ৩৫

দৃষ্টিকোণ
বহিৰাগতৰ সমস্যা □ হোমেন বৰগোহাঞি ৩৯

গ্ৰন্থ জগত
উপন্যাসত কনকলতা ন-পুৰণি কবিতা □ নলিনীধৰ ভট্টাচাৰ্য্য ৫১

সাময়িকী
আলফা ঃ আন্তৰ্জাতিক চক্ৰৰ পুতলা □ গীতাৰ্থ পাঠক

চিঠি ৪
সম্পাদকীয় ৫
কবিতা ৩৪
গল্প ৪৬
সংবাদ প্ৰবাহ ২১
উপন্যাস ৫৮
গ্ৰন্থবাৰ্ত্তা ৪৫

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি

সম্পাদনা সহকাৰী
মালবিকা পাঠক

মুখ্য প্ৰতিবেদক
হৰেন বৃঢ়াগোহাঞি

কলা নিৰ্দেশক
চম্পক বৰবৰা

কাৰ্যধ্যক্ষ
অনিল কুমাৰ গগৈ

পৃথ্বী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ আনন্দ কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্বনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিত: □ ফোন- ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Calcutta:-
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 241221, 248571

Delhi:-
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

Bombay:-
Mr. Subhajit Mitra
12, Shankar Jyoti 10th Road.
Chembur
Bombay-400071
Ph. 555, 4491

### জাননী

কাগজ আৰু ছপা সমগ্ৰীৰ দাম বৃদ্ধিৰ বাবে আমাৰ একান্ত অনিচ্ছা সত্বেও "সূত্ৰধাৰ"ৰ মূল্য বঢ়াবলৈ আমি বাধ্য হৈছো। অহা ১ জানুৱাৰী ১৯৯২ (চতুৰ্থ বছৰ প্ৰথম সংখ্যা) প্ৰতিসংখ্যা "সূত্ৰধাৰ"ৰ মূল্য ৭ (সাত) টকা হ'ব। আশা কৰো আমাৰ পঢ়ুৱৈ সমাজে আমাৰ অসুবিধাৰ সৈতে সমভাগী হ'ব।

চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ

## 'মানীৰ মান'

যোৱা ন নবেম্বৰ সংখ্যাৰ 'আজিৰ অসম' দৈনিক কাকতত ড° হীৰেণ গোহাঁই দেৱে প্ৰসংগক্ৰমে শিতানত মানীৰ মান শিৰোনামা দি শৰৎচন্দ্ৰ সিংহ আৰু হোমেন বৰগোহাঞিক টানি অনা কথাখিনি আমাৰ দৰে বহুতৰ চকুত পৰিছে নিশ্চয়। বিষয়টো ১-১৫ নবেম্বৰ সংখ্যাৰ 'সূত্ৰধাৰ' নামৰ আলোচনীখনত প্ৰকাশ পোৱা বিশিষ্ট ব্যক্তিৰ মতামত সম্পৰ্কীয়। আলফা সমস্যা কেনেকৈ সমাধান হোৱা উচিত এই মতামতৰ শিতানটো যুগুত কৰিছিল সবিতা লহকৰে। প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহই Acumen বুলি অৰ্থ কৰা শব্দটো Equitment বুলি ছপা হ'ল। ভুলটো হয়তো শৰৎচন্দ্ৰ সিংহৰ নাইবা সবিতা লহকৰৰ। হোমেন বৰগোহাঞি আলোচনী-খনৰ সম্পাদক বুলিয়েই ড° গোহাঁইদেৱে বৰগোহাঞিদেৱকো সমালোচনাৰ মাজলৈ টানি অনা দেখা গ'ল। ড° গোহাঁইৰ অভিযোগ – সিংহ আৰু বৰগোহাঞিয়ে উঠি অহা চামক এটা ভুল শব্দ শিকালে।

আচলতে চাবলৈ গলে হোমেন বৰগোহাঞিৰ দৰে এগৰাকী প্ৰজ্ঞা সম্পন্ন ব্যক্তিৰ সম্পাদনাত প্ৰকাশ হোৱা আলোচনীত এনে এটা ভুল শব্দ ছপা হ'ব নেলাগিছিল। পিছে এই কথাও ঠিক যে এখন কাকত বা আলোচনীৰ সম্পাদকে কিছু কথা বিভাগীয় সম্পাদকৰ ওপৰতে এৰি দিবলৈ বাধ্য হয়। ছপাৰ বাবে সাজু হোৱা প্ৰতিটো লেখাৰ প্ৰতিটো শব্দৰ ওপৰত চকু ফুৰাবলৈও কেতিয়াবা সম্পাদক এগৰাকীৰ সময় নথকাটো স্বাভাৱিক কথা। সবিতা লহকৰৰ দৰে এগৰাকী অভিজ্ঞ ব্যক্তিক এইকণ স্বাধীনতা দিয়াটোও একো আচৰিত কথা নহয়। যদি শৰৎচন্দ্ৰ সিংহই কথাখিনি লেখা আকাৰে প্ৰেৰণ কৰিছিল আৰু তেতিয়াই ভুল শব্দটো সন্নিবিষ্ট হ'ল তেনেহলে আমি এই কথা কব পাৰো যে সিংহ ডাঙৰীয়াৰ দৰে এজন অভিজ্ঞ লোকে Equitment (Acumen)ৰ পৰিবৰ্তে অসমীয়া প্ৰতিশব্দও ব্যৱহাৰ কৰিব পাৰিলেহেঁতেন। হোমেন বৰগোহাঞিৰ দৰে এজন বিজ্ঞ সমালোচক সম্পাদকৰ পৰা অসমৰ সকলোৱেই নিখুঁত সম্পাদনা আশা কৰে। কাৰণ এসময়ত তেখেতে নাগৰিকৰ পাতত শব্দৰ ভুল শুদ্ধৰ পাঠ শিকাইছিল আৰু কৈছিল চাহ বাগানৰ দুজনমান লেখকৰ লেখাহে পোনে পোনে ছপা যন্ত্ৰলৈ পঠাব পাৰি। সবিতা লহকৰ আৰু শৰৎচন্দ্ৰ সিংহ যেহেতু চাহবাগানৰ লোক নহয় গতিকে বৰগোহাঞি ডাঙৰীয়াই লেখাটোত চকু ফুৰাব লাগিছিল।

আনহাতে আমাৰ শ্ৰদ্ধেয় ড° হীৰেণ গোহাঁইদেৱেও জানে সংশোধনী, প্ৰতিবাদ বা স্পষ্টীকৰণ সমূহ আচলতে মূল লেখা ছপা হোৱা কাকততে পৰিবেশন কৰিব লাগে। কিন্তু সূত্ৰধাৰত প্ৰকাশ হোৱা এটা ভুলৰ বিষয়ে ড° গোহাঁইৰ আপত্তিটো সূত্ৰধাৰতে ছপা হ'ব লাগিছিল। 'আজিৰ অসমৰ' পাঠকে আকৌ অনুসন্ধিৎসা পূৰণৰ বাবে সেই সংখ্যাৰ সূত্ৰধাৰ যোগাৰ কৰিব লগা হ'ল। Equitment শব্দটো ছপাৰ প্ৰমাদৰ বাবে যিয়েই দায়ী নহওক কিয় আমাৰ বহুতো বিজ্ঞ লেখকে অসমীয়া ভাষাৰ মাজত ইংৰাজী শব্দ ব্যৱহাৰ কৰাৰ বিলাস বৰ্জন কৰিব পৰা নাই – যি ভ্ৰান্তি বিলাসৰ পৰা ড° গোহাঁইদেৱো মুক্ত নহয়। অসমীয়া ভাষাত এনে শব্দ নাইনে যাক ইংৰাজী ভাষাৰ শব্দৰ অৰ্থ প্ৰকাশক ৰূপে যথাৰ্থভাৱে ব্যৱহাৰ কৰিব পৰা যায়। টেবুল, স্কুলৰ দৰে কিছুমান শব্দক আমি ভাষাত সোমোৱাই লোৱাৰ দৰে অসমীয়াত যথাৰ্থ প্ৰতিশব্দ নথকা ইংৰাজী শব্দ বিশেষক আমাৰ ভাষাত অন্তৰ্ভুক্ত কৰি লব পাৰো – কিন্তু Acumen শব্দটো তেনে পৰ্যায়ত নপৰে। বিজ্ঞ লোক সকলে আমাৰ দৰে ক্ষুদ্ৰ মগজুৰ লোকক মাজে মাজে বিভ্ৰান্ত কৰি থকাৰ ভালেমান উদাহৰণ আছে। হীৰেণ আৰু হোমেনৰ পিছত লেখা উপাধিৰ গোহাঁই আৰু গোহাঞি[illegible]তে কোনটো শুদ্ধ তাৰো তথ্যসমৃদ্ধ সিদ্ধান্ত হোৱাটো উচিত বুলি আমি ভাবো।

নৱকান্ত বৰদলৈ
মৰিগাওঁ

## ভাৰতৰ কমিউনিষ্ট আন্দোলন

মাৰ্ক্সে কৈছিল– পৃথিৱীত সমাজতন্ত্ৰৰ পাছতে সাম্যবাদ অৱশ্যম্ভাৱী। ই ইতিহাসৰ এক স্বতঃসিদ্ধ সত্য। কিন্তু মাৰ্ক্সীয় বীক্ষাৰ মতেই ই এটা পৰিস্থিতিৰ ফল আৰু এই পৰিস্থিতিৰ মোকাবিলা কৰাটোৱো হ'ল সাম্যবাদী সকলৰ মহান সাফল্য।

ভাৰতবৰ্ষতো সমাজবাদ প্ৰতিষ্ঠাৰ বাবে ১৯২০ চনতে ভাৰতৰ কমিউনিষ্ট পাৰ্টি গঠন হৈছিল। বিশ্বৰ শ্ৰদ্ধেয় সমাজতান্ত্ৰিক নেতা, শিক্ষক ষ্টেলিনৰ সান্নিধ্যও ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ জন্মদাতা সকলে পাইছিল জন্মলগ্নতে। এই সকলৰ ভিতৰত মুজফৰ আহমদ, মানবেন্দ্ৰ ৰায়, বি-টি ৰণদিভে, প্ৰমোদ দাসগুপ্ত, এছ-এ ডাংগে আদি স্বনামধন্য নেতা সকলে সমাজতন্ত্ৰৰ সপোনেৰে মৃত্যুক সাবটি ললে আৰু নাম্বুদ্ৰিপদ, ৰাজেশ্বৰ ৰাও, বাসবপুন্নিয়া আদি নেতা সকলে সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ আশাত সংগ্ৰামত ব্ৰতী হৈ আছে।

কিন্তু ১৯২০-ৰ পৰা ১৯৯০ লৈকে সুদীৰ্ঘ ৭০ বছৰৰ পাছতো সমাজতান্ত্ৰিক সংগ্ৰামৰ প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও কমিউনিষ্ট আন্দোলন দেশত সোচ্চাৰ হৈ নুঠাতহে এই আন্দোলনটোৰ সম্পৰ্কে পৰ্যালোচনা কৰা অতি প্ৰয়োজন হৈছে। মাৰ্ক্সৰ নিজৰ চকুৰ আগতেই ফৰাচী শ্ৰমিকৰ প্যেৰি কমিউন বিফল হৈছিল। তেখেতে ফৰাচী শ্ৰমিক সকলৰ প্যেৰি কমিউনৰ ভৱিষ্যত অতি চমু বুলিও নিশ্চিত কৰিছিল। কিয়নো, শ্ৰমিক সকল ক্ষমতা দখলৰ বাবে নিজেই দক্ষ নাছিল আৰু সময়ো উপযুক্ত হৈ উঠা নাছিল। কিন্তু ৰাচিয়া, চীন, উত্তৰ কোৰিয়া, কিউবা, ভিয়েটনাম আদি দেশত সমাজতান্ত্ৰিক সংগ্ৰাম সফল হ'ল।

সমাজতান্ত্ৰিক সংগ্ৰামত উত্থান পতনো এটা স্বাভাৱিক ঘটনা। উত্থান আৰু পতনৰ মাজেৰেই বা দ্বন্দ্বৰ বিকাশৰ মাজেৰেই সমাজতান্ত্ৰিক সংগ্ৰাম সফল হয়। অৰ্ধসামন্তীয় আৰু অৰ্ধ পুঁজিবাদী ভাৰততো সমাজতান্ত্ৰিক সংগ্ৰাম আগুৱাই নিয়াৰ বাবে প্ৰচুৰ আৰ্থিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক দ্বন্দ্ব আছে। কিন্তু এই দ্বন্দ্ববোৰক বিকশাই তোলাত সমাজতান্ত্ৰিক সকল বিফল হৈছে। কাৰণ ৯০ কোটি জনসংখ্যালৈ গতি কৰা এই দেশত কমিউনিষ্টৰ সংখ্যা তেনেই কেই লাখমানহে। গৰীব কৃষকৰ লগত জমিদাৰ সকলৰ আৰু শ্ৰমিকৰ লগত পুঁজিপতি সকলৰ ধৰ্ম, বৰ্ণ, সম্প্ৰদায় আদি মৌলবাদীৰ লগত বস্তুবাদী দৰ্শনৰ সাংস্কৃতিক দ্বন্দ্বক পূৰ্ণ পৰ্যায়ত বিকশাই তোলাত ব্যৰ্থ হৈছে।

দ্বিতীয়তে অসংগঠিত হৈ থকা নিষ্পেষিত জনগণক সংগঠিত কৰাতকৈ কমিউনিষ্ট সকলৰ মাজতেই আদৰ্শগত আৰু কৌশলগত পাৰ্থক্য থকাত স্ববিৰোধো বেছি কমিউনিষ্ট সকলৰ মাজতেই। ভাৰতত সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ ৰণকৌশল ভিন ভিন ধৰণেই তেওঁলোকে স্থিৰ কৰিছে। চি পি এম দলৰ মতে এই ৰণকৌশল হ'ল জনগণতান্ত্ৰিক বিপ্লৱ। চি পি আই দলৰ মতে জাতীয় বিপ্লৱ আৰু আৰ চি. পি আইকে ধৰি উগ্ৰ কমিউনিষ্ট সকলৰ মতে হ'ল সশস্ত্ৰ সংগ্ৰাম। প্ৰত্যেকেই নিজৰ পথৰ বিশুদ্ধতা প্ৰমাণ কৰিবলৈ ইটোৱে সিটোক বাওঁপন্থী, সোঁপন্থী, দক্ষিণপন্থী প্ৰতিক্ৰিয়াশীল আদি বিশ্লেষণেৰে আত্মৰক্ষাৰ্থে বিতৰ্কৰ সৃষ্টি কৰিছে। আত্ম সমালোচনাৰে সংগঠিত হোৱা প্ৰক্ৰিয়াক স্থবিৰ কৰি তুলিছে। জনগণক সংগঠিত কৰাৰ নিজৰ দায়িত্বত হেঁয়াহি প্ৰদৰ্শন কৰিছে। মাৰ্ক্সীয় বীক্ষাত ইয়াকেই শিশুসুলভ বিশৃংখলা বোলা হৈছে।

মনীষী মাৰ্ক্সৰ মতেই সাম্যবাদ কেৱল তত্ত্বৰ বাবে এটা তত্ত্ব নহয়। অনুশীলনৰ সৈতে সাব্যস্ত কৰা এক নতুন সমাজ ব্যৱস্থা। অনুশীলন মানেই হ'ল নিৰ্দিষ্ট কৰ্মসূচীৰ ৰূপায়ণ। নিজৰ সাংগঠনিক শক্তিৰেহে সাম্যবাদী সকলে সাম্যবাদ প্ৰতিষ্ঠা কৰিব পাৰিব। গতিকে প্ৰতিজন কমিউনিষ্টেই অধ্যয়ন, সংগঠন আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতি প্ৰচুৰ ধ্যান দিব লাগিব।

কমিউনিষ্ট সকলে প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে নিজৰ সংগ্ৰাম পৰিচালনা কৰি এখন মানৱতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ বাবে ত্যাগ কৰে বাবেই ইতিহাসত তেওঁলোকক বিপ্লৱী বুলি কোৱা হয়। পুঁজিবাদ উৎখাত কৰা বিপ্লৱ হবলৈ হ'লে এটা বিপ্লৱী পৰিবেশ, বিপ্লৱী বাহিনী আৰু এটা বিপ্লৱী তত্ত্ব লাগে। ভাৰতীয় কমিউনিষ্ট সকলৰ অভাৱ দুটা। বাহিনী আৰু পৰিবেশৰ। এই দুয়োটাই নিজৰ বাবেই কম হৈছে। বিপ্লৱৰ পৰিস্থিতি এটা গঢ় লৈ উঠা নাই বুলি যেনেকৈ নিশ্চিত কৰিছে তেনেকৈ পৰিবেশ গঢ় দিয়াত নিজে যে সময়ৰ সদ্ব্যৱহাৰ কৰিব পৰা নাই তাকো পাহৰি আছে। বিপ্লৱৰ সময়ৰ ব্যৱধান বাঢ়ি যোৱা ইয়ো এটা অন্যতম কাৰণ।

পৃথিৱীৰ লিখিত ইতিহাস আৰম্ভ হোৱাৰ পৰা ইৰাকৰ কুৱেইট দখললৈকে মধ্যপ্ৰাচ্যৰ ইৰাক আৰু আমেৰিকাৰ নেতৃত্বত অহা মিত্ৰ বাহিনীৰ মাজৰ যুদ্ধখনলৈকে প্ৰমাণ হৈছে মাৰ্ক্সবাদেই হ'ল একমাত্ৰ বিশ্বদৰ্শন, যাৰ দ্বাৰা এক মানৱীয় সভ্যতা পৰিবৰ্তিত বিশ্বত সম্ভৱ।

এই একেই উজ্জ্বল ইতিবাচকৰ শুভলগনৰ শুভ মুহূৰ্তৰ এক স্বৰ্ণময় সমাজৰ আশাৰে তত্ত্ব আৰু তথ্যৰ ব্যাপকতাৰে অধিক বিশ্লেষণ আৰু বিতৰ্কৰ ঢৌ সৃষ্টি নকৰি ভাৰতত সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে এক সুসংগঠিত আৰু সফল বিপ্লৱৰ প্ৰতীক্ষাত কমিউনিষ্ট আন্দোলনৰ সফলতাৰ বাবে নিম্নোক্ত পৰামৰ্শ কেইটি উত্থাপন কৰিলো।

১। বস্তুবাদী আৰু ভাববাদী দৰ্শনৰ সংস্কৃতিৰ মাজৰ পাৰ্থক্য আৰু সুফল তথা কুফল সম্পৰ্কে দ্বন্দ্বৰ বিকাশ ঘটাওক। সৰ্বহাৰা আৰু পুঁজিবাদী সমাজৰ দ্বন্দ্ববোৰক পূৰ্ণ পৰ্যায়ত বিকশাই তোলক।

২। বৈজ্ঞানিক আৱিষ্কাৰ সমূহে মানুহৰ মানসিক জগতখনো দ্ৰুতগামী কৰিছে। ইপ্সিত লক্ষ্য পূৰণৰ বাবে দৃঢ়তাৰে কাম কৰাৰ দৃষ্টিটো বৃদ্ধি হ'ল। দীৰ্ঘদিনীয়া জিৰণিৰে দীঘলীয়াকৈ একেটা কামতে আবদ্ধ হৈ থকাৰ পৰিবেশো নাইকিয়া হৈ পৰিছে। লক্ষ্য পূৰণত সময়ৰ প্ৰয়োজন হ'লেও দৃঢ়তাৰে তাক সোনকালে সমাধা কৰাৰহে প্ৰচেষ্টা বেছি। পুঁজিবাদী সমাজত পুঁজিবাদৰ সমাধিৰ বাবে পুঁজিপতিৰ অজ্ঞাতেই এই প্ৰক্ৰিয়া বিকশিত হৈছে। এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ ভাৰতৰ কমিউনিষ্ট সকলে কৌশলগত বিভাজন হ্ৰাস কৰি নিৰ্দিষ্ট কৌশল উদ্ভাৱন কৰি ঐক্যবদ্ধ হব লাগে। বিশ্লেষণগত বিভাজন বহু সময়ত তৰাং হৈ পৰে।

৩। কমিউনিষ্ট সকলে মাৰ্ক্সবাদক তত্ত্বৰ বাবে তত্ত্বজ্ঞান নকৰি প্ৰয়োগৰে সৈতে সাম্যবাদৰ বিশ্বজনীনতা প্ৰমাণ কৰিবলৈ ধোদৰ সমষ্টি নহৈ, অধ্যয়ন, ত্যাগ আৰু সৰ্বোচ্চ সামাজিক সচেতনতাৰে সাংগঠনিক শক্তি বৃদ্ধি কৰি ষ্টেলিনে ক'বৰ দৰে 'বেলেগ ধাতুৰে গঢ়া' মানুহ হবলৈ যত্ন কৰক।

৪। বিপ্লৱী পৰিবেশ আৰু বাহিনী গঠন কৰি বিপ্লৱৰ সময়ৰ ব্যৱধান হ্ৰাস কৰাটোযে কমিউনিষ্ট সকলৰেই প্ৰাথমিক দায়িত্ব তাকো উপলব্ধি কৰিবলৈ যত্ন কৰক।

সমীৰণ চেতিয়া







# আপুনি সন্ত্ৰাসবাদৰ পক্ষে নে বিপক্ষে?

অসমৰ পৰা সেনাবাহিনী প্ৰত্যাহাৰ কৰাৰ দাবীত এটা আন্দোলন গঢ়ি উঠা দেখা গৈছে। এই আন্দোলনৰ লগত অসমৰ বৃহত্তৰ জনসাধাৰণ এতিয়াও জড়িত হৈ পৰা নাই। ই খাইকৈ চহৰীয়া বুদ্ধিজীৱীসকলৰ মাজতেই সীমাবদ্ধ। অৱশ্যে দুই এটা ৰাজনৈতিক দলেও এই দাবীৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। নীতিগতভাৱে আমিও এই দাবী সমৰ্থন কৰো। কিন্তু সেই বুলি আমাৰ সমৰ্থন চৰ্তহীন নহয়। আমি দেখিবলৈ পাইছো যে উগ্ৰপন্থী সকলৰ বিৰুদ্ধে সামৰিক অভিযান চলি থাকোতেই বহুতো নিৰপৰাধ মানুহে উগ্ৰপন্থীৰ নৃশংস আক্ৰমণত প্ৰাণ হেৰুৱাব লগা হৈছে। মানৱ-অধিকাৰৰ অক্লান্ত প্ৰবক্তা সকলৰ চকুত এই মানুহবোৰৰ জীৱনৰ কোনো মূল্য নাই, কাৰণ তেওঁলোকে ইতিমধ্যেই ঠিক কৰি পেলাইছে যে মানুহৰ মৌলিক অধিকাৰ সমূহৰ তালিকাৰ পৰা জীয়াই থকাৰ অধিকাৰটো বাদ দি পেলাব লাগে। অন্ততঃ সেইবোৰ মানুহৰ জীয়াই থকাৰ অধিকাৰ – যিবোৰক তেওঁলোকে নিজৰ ৰাজনৈতিক প্ৰতিপক্ষ বুলি ভাবে। সেই কাৰণে মানৱ-অধিকাৰৰ এই সকল প্ৰবক্তাই পুলিচে এজন সন্দেহ-ভাজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিলেও চিঞৰ-বাখৰ কৰি গছৰ পাত সৰুৱায়, কিন্তু উগ্ৰপন্থীৰ আক্ৰমণত দিনৰ পিছত দিন নিৰীহ অসহায় মানুহ মৰি থাকিলেও এটা মৃদু প্ৰতিবাদ পৰ্যন্ত কৰাৰ প্ৰয়োজন অনুভৱ নকৰে। সি যি কি নহওক, এতিয়া আমাৰ প্ৰশ্ন হ'লঃ যিসকল ব্যক্তি বা সংগঠনে সেনাবাহিনী প্ৰত্যাহাৰ কৰাৰ দাবীত সভা-সমিতি কৰি প্ৰস্তাৱ লৈছে বা বিভিন্ন প্ৰকাৰৰ আন্দোলনৰ কৰ্মসূচী হাতত লৈছে, তেওঁলোকে জনসাধাৰণক এই বুলি প্ৰতিশ্ৰুতি দিব পাৰিবনে যে উগ্ৰপন্থীৰ বিৰুদ্ধে সামৰিক অভিযান বন্ধ কৰাৰ পিছত অসমত উগ্ৰপন্থীৰ কাৰ্যকলাপো লগে লগে বন্ধ হ'ব? তেওঁলোকে এই বুলি প্ৰতিশ্ৰুতি দিব পাৰিবনে আৰু সেই প্ৰতিশ্ৰুতি পালনৰ কাৰণে উগ্ৰপন্থীৰ হৈ জামিন থাকিবলৈ ৰাজী হবনে যে সামৰিক অভিযান বন্ধ হোৱাৰ পিছত উগ্ৰপন্থীৰ হাতত এজন মাত্ৰ মানুহেও প্ৰাণ হেৰুৱাব লগা নহ'ব? যদি তেওঁলোকে এনেকুৱা কোনো প্ৰতিশ্ৰুতি দিব নোৱাৰে, তেন্তে তথাকথিত মানৱ-অধিকাৰৰ নামত সেনাবাহিনী প্ৰত্যাহাৰৰ দাবী কৰিবলৈ তেওঁলোকৰ কোনো অধিকাৰ নাই। যোৱা সংখ্যা 'সূত্ৰধাৰ'ত (১-১৫ ডিচেম্বৰ) বিশিষ্ট সাংবাদিক ধীৰেন্দ্ৰনাথ বেজবৰুৱাই এটা প্ৰশ্নোত্তৰত স্পষ্টভাৱে লিখিছে – 'গণতান্ত্ৰিক শাসন-ব্যৱস্থাৰ বাহিৰত মানৱ অধিকাৰৰ প্ৰশ্ন উত্থাপন কৰাটো অবান্তৰ আৰু অবাস্তৱ।' বেজবৰুৱাৰ এই অভিমত আমি আখৰে আখৰে সমৰ্থন কৰো। সেই কাৰণে যি সকল লোকে মানৱ-অধিকাৰৰ দাবীত আন্দোলন কৰিব খোজে, তেওঁলোকে সৰ্বপ্ৰথমে এই কথা ঘোষণা কৰিব লাগিব যে তেওঁলোকে গণতন্ত্ৰত বিশ্বাস কৰে আৰু সন্ত্ৰাসবাদকেই গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ শত্ৰু বুলি গণ্য কৰে। সেইটো নকৰালৈকে মানৱ-অধিকাৰৰ নাম মুখত লবলৈ তেওঁলোকৰ কোনো অধিকাৰ নাই। আজি অসমত আটাইতকৈ জৰুৰী প্ৰশ্ন এইটো নহয় যে আপুনি অসমৰ স্বাধীনতাৰ দাবী সমৰ্থন কৰে নে নকৰে? আটাইতকৈ জৰুৰী প্ৰশ্ন এইটোও নহয় যে আপুনি সেনাবাহিনীৰ প্ৰত্যাহাৰৰ দাবী সমৰ্থন কৰে নে নকৰে? আটাইতকৈ জৰুৰী প্ৰশ্নটো হ'ল – আপুনি সন্ত্ৰাসবাদৰ সপক্ষে নে বিপক্ষে? এই প্ৰশ্নত প্ৰত্যেকেই নিজৰ স্থিতি স্পষ্টভাৱে ঘোষণা কৰিব লাগিব। ই এটা পৰম সন্তোষৰ কথা যে যিসকল নেতৃস্থানীয় লেখক, সাংবাদিক, বুদ্ধিজীৱী আৰু পণ্ডিতক অসমৰ মানুহে শ্ৰদ্ধা কৰে আৰু বিবেকৰ কণ্ঠস্বৰ বুলি ভাবে, তেওঁলোক সকলোৱেই সন্ত্ৰাসবাদৰ বিৰুদ্ধে দ্ব্যৰ্থহীন ভাৱে নিজৰ মত প্ৰকাশ কৰিছে। কিন্তু নিজকে মানৱ-অধিকাৰৰ প্ৰবক্তা বুলি জাহিৰ কৰা কিছুমান মানুহে কিন্তু আজিলৈকে সেইটো কৰা নাই। ফলত তেওঁলোকৰ মুখত মানৱ-অধিকাৰৰ কথা 'ভূতৰ মুখত ৰাম নাম'ৰ নিচিনাহে হৈছে। অসমত কিন্তু আজি এই প্ৰশ্ন কোনেও এৰাই যাব নোৱাৰিবঃ আপুনি সন্ত্ৰাসবাদৰ পক্ষে নে বিপক্ষে?

OSCD

# হিংসাৰ দাবানল নুমায় কোনে

অনিৰুদ্ধ দত্ত

তেওঁলোকৰ কোনোজন কোঙা, কোনো গৰাকীৰ কোলাত কেঁচুৱা, কোনো গৰাকী বৃদ্ধা, আকৌ কোনো গৰাকী গাভৰু। প্ৰত্যেকেই এজন এজনকৈ মঞ্চৰ ওপৰলৈ উঠি কঁপা কঁপা হাতেৰে মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ হাতৰ পৰা গ্ৰহণ কৰিছিল নিযুক্তিৰ প্ৰমাণপত্ৰ নতুবা বিত্তীয় অনুদানৰ চৰকাৰী বেংক-চেক। কিন্তু কোনো জনেই থিৰেৰে থাকিব পৰা নাছিল, কাৰোবাৰ দুচকুৰেদি ওলাই আহিছিল তপত চকুলো, কোনো গৰাকী উচুপি উঠিছিল আৰু কোনো গৰাকীয়ে হুৰাওৰাওকৈ কান্দি মাটিত ঢলি পৰিছিল। অনুষ্ঠানটোত উপস্থিত সহস্ৰাধিক মানুহৰ চকুও সেমেকি উঠিছিল। অস্বস্তিৰ এক অস্ফুট পৰিবেশে মানুহবোৰক যেন গিলি পেলাইছিল।



তেজপুৰৰ ওচৰৰ চালনিবাৰীত, বন্ধু-বান্ধৱৰ পৰা ধাৰ ঋণ কৰি তাৰাচাঁদে জীৱিকা এটা বিচাৰি লৈছিল। এদিন উগ্ৰপন্থী আহিল আৰু · নিৰস্ত্ৰ অসহায় মানুহজনক গুলিয়াই বগৰাই পেলালে।

ঠিক এনেকৈয়ে। এনেকৈয়ে আৰম্ভ হৈছিল যোৱা ১০ ডিচেম্বৰৰ দিনা বিশ্বজোৰা মানৱ অধিকাৰ দিৱসৰ উদ্‌যাপন – গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত। স্বাধীনোত্তৰ অসমত পোনপ্ৰথমবাৰৰ বাবে অসম চৰকাৰে 'মানৱ অধিকাৰ' দিৱস পালন কৰিছিল। অনুষ্ঠানটোত ভাষণ দি, মুখ্য মন্ত্ৰী শইকীয়া, প্ৰথিতযশা সাহিত্যিক মেদিনীমোহন চৌধুৰী, চৈয়দ আব্দুল মালিক, প্ৰবীণ সাংবাদিক সতীশ চন্দ্ৰ কাকতি, প্ৰবীণ ৰাজনীতিজ্ঞ ধৰণীধৰ বসুমতাৰী আৰু একালৰ সশস্ত্ৰ আন্দোলনৰ দুৰ্ধৰ্ষ সেনা আৰু বৰ্তমানে সংযুক্ত কমিউনিষ্ট পাৰ্টিৰ (ইউ চি পি আই) প্ৰবীণ নেতা সুৰেন্দ্ৰনাথ ভট্টাচাৰ্যকে ধৰি সকলোৱেই একেমুখে মানৱ অধিকাৰৰ অন্যতম শত্ৰু হিচাপে চিহ্নিত কৰি গৰিহণা দিছিল সন্ত্ৰাসবাদক।

বিশ্ব জুৰি বিভিন্ন ঠাইত বিভিন্ন সংগঠনৰ উদ্যোগত সেই দিনা মানৱ অধিকাৰ দিৱস পালিত হৈছিল। অসমত ৰাজ্য চৰকাৰেও সেই দিৱস পালন কৰিছিল, জীয়াই থকাৰ যি ন্যূনতম মানৱ অধিকাৰ তাৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু অংগীকাৰ নিবেদন কৰি। সভালৈও আহিছিল অসংখ্য মানুহ। তাৰ মাজত আছিল বিগত কালছোৱাত উগ্ৰপন্থীৰ হিংসা আৰু সন্ত্ৰাসৰ বলি হোৱা পৰিয়ালসমূহ। আততায়ীৰ গুলিত নিহত হোৱা বিপুল মহন্তৰ পৰিয়ালৰ পৰা আৰম্ভ কৰি উজান বজাৰত হোৱা বোমা বিস্ফোৰণত নিহত হোৱা পৰিয়াল কেইটালৈকে। কামৰূপৰ ৫৬টা পৰিয়ালৰ লোকে সেইদিনা চৰকাৰী অনুদান গ্ৰহণ কৰিছিল। অকালতে বৈধব্যৰ অভিশাপ লবলৈ বাধ্য হোৱা শিক্ষিতা গাভৰু আৰু লগতে যুৱকৰ মুঠ ১৩ জনে গ্ৰহণ কৰিছিল চৰকাৰী চাকৰিৰ নিয়োগপত্ৰ।

এই পৃথিৱীখনত জীয়াই থকাৰ অধিকাৰৰ পৰা যি সকল লোকক বিগত কালছোৱাত বিনাদোষত, বিনাবিচাৰেৰে সন্ত্ৰাসবাদীসকলে বঞ্চিত কৰিলে সেই সকলৰ পৰিয়ালৰ প্ৰতি দৰদ আৰু কিঞ্চিত


আৰ্থিক অনাটনেৰে জুৰুলা স্বপন সাথী বৰ্মনৰ ঘৰ আছিল বৰপেটা ৰোডত। জীৱিকাৰ সন্ধানত আহি পাইছিলহি জামুগুৰি। তাতেই এদিন ধুমুহাৰ দৰে আহি উগ্ৰপন্থীয়ে তেওঁক নিৰ্মমভাৱে গুলিয়াই হত্যা কৰিলে


সৰ্বেশ্বৰ দাসো আছিল ৰঙগৰী কৈৱৰ্ত গাঁৱৰ দুখীয়া মাছমৰীয়া। আঠোটাকৈ সন্তান আৰু সহধৰ্মিনীক লৈ নিৰহ-নিপানী জীৱন-যাপন কৰিছিল কিন্তু একো জগৰ নথকা সত্ত্বেও তেওঁ উগ্ৰপন্থীৰ গুলিত এদিন নিহত হব লগা হ'ল।

সাহায্যৰ হাত আগবঢ়োৱাৰ মাজেদি ..জ্য চৰকাৰে নিঃসন্দেহে এক অভিনৱ ধৰণেৰেই মানৱ অধিকাৰ দিৱস উদ্‌যাপ· কৰিলে। লুকাই লাভ নাই যে ৰাজ্যখনত সৈন্যবাহিনীৰ অপাৰেশ্যনৰ সময়ত, পৈশাচিক কামনাৰ বলি হৈ মৃত্যু হোৱা বুলি অভিযোগ উঠা সূতাৰ গাঁৱৰ গাভৰু ৰাজু বৰুৱাৰ পৰিয়ালৰ প্ৰতি· একেই দৰদ আৰু একেধৰণেৰেই সাহায্যৰ হাত আগবঢ়াবলৈ ৰাজ্য চৰকাৰটো পিছহোঁহকি অহা পৰিলক্ষিত হোৱা নাছিল। দৰদ কিম্বা কিঞ্চিত সাহায্যেৰে যে অকাল মৃত্যুৰ ক্ষতি জুখিব নোৱাৰি সঁচা। মৃত্যু ইমানেই নিৰ্মম, হত্যা ইমানেই পৈশাচিক যে তাৰ কোনো তাৎক্ষণিক নিৰাময় নাই। এইবোৰক প্ৰতিৰোধ কৰিবলৈকে প্ৰয়োজন মানৱাধিকাৰ আন্দোলন। সেই আন্দোলনৰ সপক্ষে থিয় দি ... চৰকাৰটোৱে সাহসৰেই পৰিচয় দি...।

বহু সংখ্যক লো... সন্ত্ৰাসবাদীৰ কবলত পৰিল যোৱা কালছোৱাত। বড়ো উগ্ৰপন্থীৰ পৰা আৰম্ভ কৰি আলফা সন্ত্ৰাসবাদী সকলোবোৰৰেই হাত ৰাঙলী হ'ল ভ্ৰাতৃহত্যাৰ তেজেৰে। নিৰ্বিচাৰ হত্যাৰ এনে তাণ্ডৱ বন্ধ কৰিবলৈ বুলি অহা সেনাবাহিনীৰ হাততো দোষী-নিৰ্দোষী

লোকৰ অপমৃত্যু হৈছে কিম্বা ঘূণীয়া হৈছে। এনে এক সৰ্বনাশী সময়ৰ অৱসান ঘটাবলৈ হলে জীয়াই থকাৰ অধিকাৰৰ সপক্ষে, মানৱাধিকাৰৰ সপক্ষে সমগ্ৰ সমাজে নিঃসন্দেহে গৰ্জি উঠিব লাগিব। নহলে নিস্তাৰ নাই।

মানৱাধিকাৰৰ নামত কিছু সংখ্যক বুদ্ধিজীৱী, নাগৰিকে ৰাজ্যখনত এক ৰাজনৈতিক আন্দোলন গঢ়ি তোলাৰ প্ৰচেষ্টা সম্প্ৰতি পৰিলক্ষিত হৈছে। ১০ ডিচেম্বৰৰ দিনা উক্ত শিবিৰৰ পৰা গুৱাহাটীত কেন্দ্ৰীয়ভাবে সমাবেশ কৰাৰ পৰিকল্পনা কৰি শেষ মুহূৰ্তত বাতিল কৰি দিলেও দুই এঠাইত তেনে সভা-সমাবেশ হ'ল। ইয়াৰ আগতেও উক্ত সংগঠনৰ তৰফৰ পৰা মৌন শোভাযাত্ৰা সংগঠিত কৰাৰ প্ৰচেষ্টা কৰিছিল আৰু ঠায়ে ঠায়ে গ্ৰেপ্তাৰো বৰণ কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ কথা যে শিবিৰটো এক সংকীৰ্ণ ৰাজনৈতিক দৃষ্টিভংগীৰেহে পৰিচালিত হৈছে, মানুহৰ জীয়াই থকাৰ অধিকাৰৰ প্ৰতি সমদৃষ্টি অৰ্জন কৰাত ব্যৰ্থ হৈছে। অৱশ্যে এই কথা সঁচা যে পোনতে যি ৫৮ জন বুদ্ধিজীৱী, সাংবাদিকে উক্ত শিবিৰ গঠনৰ বাবে আহ্বান দিছিল, সেই সকলৰ ভালেকেইগৰাকী ব্যক্তিয়ে ইতিমধ্যে লগ এৰা দিলে। আনকি প্ৰথমখন অধিবেশনতে সেই সকলৰ অধিকাংশ অনুপস্থিত আছিল। আকৌ লক্ষ্যনীয় যে সেনাৰ অত্যাচাৰত মানৱাধিকাৰ পদদলিত হৈছে বুলি উক্ত শিবিৰটোৱে ৰাউচি জুৰিলেও, সন্ত্ৰাসবাদীৰ গুলিত নিহত হোৱা সকলৰ প্ৰতি কণমানো সমবেদনা জনাব পৰা নাই অথবা নিৰ্বিচাৰ হত্যা-ধ্বংস আদিৰো নিন্দা কৰিব পৰা নাই। তেখেত সকলক সন্ত্ৰাসবাদী শিবিৰ অৰ্থাৎ আল্‌ফাৰ তৰফৰ পৰা ওলগ জনোৱা হৈছে সঁচা, কিন্তু সৰ্বসাধাৰণ ৰাইজৰ হৃদয় জয় কৰাৰ কথা বাদেই স্পৰ্শকে কৰিব পৰা নাই।



তেজপুৰ চহৰৰ ওচৰতে থকা চফল যুৱক মহম্মদ জামালখান। দেউতাকে উপায়ুক্তৰ কাৰ্যালয়ত সৰু চাকৰি এটা কৰে। [illegible] জামালক আল্‌ফাই অপহৰণ কৰি লৈ যায় আৰু তাৰ পিছত এনেদৰে কটা মূৰটো আনি পদূলি মুখত পেলাই থৈ যায়।



যোৰহাটৰ ভোগচুক গাঁৱৰ অৰুণ ৰাজখোৱা আছিল নীৰৱ সমাজকৰ্মী। নৃশংসভাৱে তেওঁৰ হাত ভৰি কাটি, মৰটো ঠেলো কৰি এদিন উগ্ৰপন্থীয়ে পেলাই থৈ যায়।

এনে অৱস্থাত ৰাজ্য জুৰি হিংসাৰ বিৰুদ্ধে প্ৰবল জনমত গঢ়ি তুলিব নোৱাৰিলে মানৱাধিকাৰ বাৰম্বাৰ পদদলিত হৈ থাকিবলৈ বাধ্য। ব্যক্তি সন্ত্ৰাসে আমন্ত্ৰণ কৰি অনা সেনাৰ সন্ত্ৰাসো চলি থাকিব। শেষত এটা কথাই মনত ৰখা প্ৰয়োজন যে মানৱ অধিকাৰৰ সপক্ষে মাত মাতিবলৈ হলে পোনতে মানৱ হ'ব লাগিব, দানৱ নহয়। চৰকাৰী-বেচৰকাৰী হিংসাৰ কবলত যি সকলৰ মৃত্যু হৈছে তেওঁলোকৰ আত্মীয়-স্বজন সকলৰ কান্দোনৰ সুৰ সম্পূৰ্ণ একে। মানৱে একেই কান্দোনৰ সুৰ শুনে। একমাত্ৰ দানৱেহে নুশুনে। ■





# শইকীয়া চৰকাৰ আৰু নাঙঠ সাংবাদিক

যোৱা ৮ ডিচেম্বৰৰ তাৰিখে নতুন দিল্লীত সাংবাদিকসকলৰ দায়িত্ব সম্পৰ্কে এখন আলোচনা চক্ৰ অনুষ্ঠিত হৈছিল। ভূপালৰ মাখনলাল চতুৰ্বেদীৰ নামত থকা সাংবাদিকতা জাতীয় বিশ্ববিদ্যালয়খনে এই আলোচনা চক্ৰখনৰ আয়োজন কৰিছিল।

ইয়াত ভাষণ দি বক্তাসকলে সাংবাদিকতাৰ মূল্যবোধৰ ওপৰত আস্থাহীনতাই গা কৰি উঠাত উদ্বেগ প্ৰকাশ কৰে আৰু সাংবাদিকতাৰ বৃত্তিগত মূল্যবোধ অক্ষুণ্ণ ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

আলোচনা চক্ৰত প্ৰেছ কাউঞ্চিল অব্ ইণ্ডিয়াৰ চেয়াৰমেন ন্যায়াধীশ শ্ৰী আৰ এছ ছাৰকাৰিয়াইও অংশ গ্ৰহণ কৰিছিল। তেওঁ কয় যে সংবাদ, মতামত, ৰাজহুৱা স্বাৰ্থজড়িত বিষয়ৰ তথ্যপাতি শুদ্ধকৈ, পৰিষ্কাৰভাবে, পক্ষপাতহীন হৈ বিনম্ৰতাৰে সুন্দৰকৈ পৰিবেশন কৰাটোৱেই সাংবাদিকতাৰ মৌলিক উদ্দেশ্য হোৱা উচিত আৰু সাংবাদিকসকলৰ কাৰণে সেয়াই জনসেৱা। ভাষণ প্ৰসংগত ন্যায়াধীশ শ্ৰীছাৰকাৰিয়াই সংবাদ সেৱাৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰি কয় যে সংবাদপত্ৰ আৰু সাংবাদিকসকলে হিংসাত্মক কাৰ্যকলাপ, সশস্ত্ৰ লুটপাত আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাতৰি পৰিবেশন কৰোতে সদায় মনত ৰখা উচিত যাতে তেনে কাৰ্যকলাপ বা তেনে অপৰাধী নিহত হোৱাৰ ঘটনাই জনমানসত বীৰত্বৰ ৰূপত স্থান নাপায়।

প্ৰেছ কাউঞ্চিলৰ অধ্যক্ষ গৰাকীৰ ভাষাত– 'Newspapers and Journalists should avoid presenting acts of violence, armed robberies and terrorist activities or their deaths in action with security forces of the state in a manner that glorifies their acts or deaths in the eyes of the public.'

তেওঁ এই বুলিও সাংবাদিকসকলক সোঁৱৰাই দিয়ে যে– 'All sides of the core issue or subject should be reported and publication of inaccurate, baseless, graceless, misleading or distorted material should be avoided.'

আলোচনা চক্ৰখনত 'হিন্দুস্তান টাইমছ'ৰ সম্পাদক শ্ৰীএইছ কে ডুৱাই সভাপতিত্ব কৰিছিল। তেওঁ সাংবাদিকসকল নিৰপেক্ষ হোৱাৰ ওপৰত গুৰুত্ব দিয়ে আৰু সাংবাদিকতাৰ মানদণ্ড উচ্চ আৰু অক্ষুণ্ণ ৰখাৰ বাবে আহ্বান জনায়। তেওঁ বৃত্তিগত সাধুতা আৰু নিষ্ঠা ৰক্ষাৰ মৌলিক দায়িত্বৰ প্ৰতি সাংবাদিক সকলৰ দৃষ্টি আকৰ্ষণ কৰে। তেওঁ কয়, 'The prime responsibility of the press is to maintain professional honesty and sincerity so that the high standard of Journalistic execllence is maintained,' তেওঁ লগতে কয় যে– 'The paramount Job of the press is to draw a distinction between remour and accurate information and the media must take reasonable steps to ensure score for expression of all shades of opinions.'

আলোচনা চক্ৰত বিশিষ্ট সাংবাদিক শ্ৰী বি জি ভাৰ্গিজে ভাষণ প্ৰসংগত সংবাদপত্ৰৰ স্বাধীনতাৰ বিষয়ত সম্প্ৰতি হৈ থকা হৈ-চৈৰ বিষয়ে উল্লেখ কৰি কয় যে সংবাদ পত্ৰৰ স্বাধীনতাৰ বিষয়তকৈও জন-সাধাৰণৰ তথ্য লাভৰ অধিকাৰ অধিক গুৰুত্বপূৰ্ণ। তেওঁ কয়, 'The right of the public to information is more important than freedom ot the press.'

আন এগৰাকী বিশিষ্ট সাংবাদিক শ্ৰীপ্ৰেম ভাটিয়াইও আজিকালি সংবাদপত্ৰৰ নেতৃত্ববিহীন ভূমিকাৰ বাবে খেদ প্ৰকাশ কৰি কয় যে 'Most of today's newspapers lack leadership though there is profound proliferation of publications.'

আলোচনা চক্ৰত দেশখনৰ সাম্প্ৰতিক পৰিস্থিতিত সাংবাদিকসকলৰ সামগ্ৰিক স্থিতিয়েই যে প্ৰতিফলিত হৈছিল তাত সন্দেহ নাই। এনে এটা অৱস্থা সম্প্ৰতি অসমতো গা কৰি উঠা দেখা গৈছে। ভাৰতীয় গণতন্ত্ৰৰ এই চতুৰ্থ লাই খুঁটাডাল আজি আমাৰ ৰাজ্যখনতো থৰক বৰক হৈ পৰা পৰিলক্ষিত হৈছে। সাংবাদিকতাৰ জগতখন অসমৰ ক্ষেত্ৰত যেন ভাৰসাম্যহীন হৈ পৰিছে। সত্যতকৈ মৰ্যাদাৰ প্ৰশ্নই অসমৰ সাংবাদিকতাৰ জগতখনকেই যেন বিপৰ্যস্ত কৰি পেলাইছে। তেওঁলোকৰ দুই এজন ইতিমধ্যে সন্ত্ৰাসবাদীৰ গুলিতো নিহত হৈছে। ৰাষ্ট্ৰযন্ত্ৰৰ বুটজোতাৰ গচকত পৰি জীৱ যোৱাৰ উপক্ৰম হৈছে। সেই বুটজোতাৰ গচক অৱশ্যে ব্যাপকহাৰত সকলো সাংবাদিকৰ ওপৰত যে পৰা নাই সেই কথাও সত্য। সন্ত্ৰাসবাদীৰ গুলিলৈ ভয় খোৱা এচামে সেই গুলিৰেই জয়গানত ৰাষ্ট্ৰযন্ত্ৰৰ অন্য এক নাম সন্ত্ৰাস বুলি চিঞৰ-বাখৰ লগাইছে। বিবেক আৰু যুক্তিৰ যুদ্ধত পৰাজিত সকলে এতিয়া তথাকথিত অস্তিত্ব ৰক্ষাৰ যুঁজত নিষ্ঠাবান হৈ পৰিছে বুলি আজি বজাৰে-সমাৰে সাধাৰণ শ্ৰেণীৰ লোকে মুকলিকৈ ক'বলৈ আৰম্ভ কৰিছে।

জন প্ৰতিক্ৰিয়াৰ সেই সম্ভেদ 'সংগ্ৰামী' (?) সাংবাদিক চামে নাপালেও চৰকাৰৰ ঘৰে ঠিকেই পাইছে। সেই বু-বু বা-বাবোৰ শুনিয়েই চৰকাৰৰো হাতৰ মুঠি স্বাভাৱিক ভাবে টান হৈ পৰিছে। সাংবাদিক সকলৰ চিঞৰ-বাখৰৰ মাজত যিদিনা অসমৰ বাতৰি কাকতৰ সম্পাদকীয় স্তম্ভ উকা হৈ পৰিল সেই দিনাই একেবোৰ খবৰ কাগজতে প্ৰথম পৃষ্ঠাতেই এনে এটা বিজ্ঞাপন ওলাল যে পঢ়ুৱৈ সমাজে বাতৰি কাকত কেইখনত সেই দিনা কি কি খবৰ ওলাল পাহৰি বিজ্ঞাপনটোহে চকু থৰ কৰি পঢ়াত ব্যস্ত হৈ পৰিল। যোৱা ৮ ডিচেম্বৰত গুৱাহাটীত হৈ যোৱা সদৌ অসম সাংবাদিক অভিবৰ্তনত সেয়েহে হবলা দুজনমান সম্পাদক সাংবাদিকে কৈ পেলালে যে হিতেশ্বৰ শইকীয়াৰ চৰকাৰে এফালৰ পৰা আমাৰ কোট, চোলা, পেন্ট আদি খুলি পেলাইছে, আণ্ডাৰওৱেৰটোহে কেৱল বাকী আছে।



OKDISCD

অৰ্থাৎ যি কণ মূল্যবোধ বা মৰ্যাদা ৰক্ষা কৰিব পৰা অৱস্থাত বাকী আছেগৈ সেইখিনিকে ৰক্ষা কৰাটো সম্প্ৰতি অন্যতম কৰ্তব্য।

ঘটনাবোৰ চালি জাৰি চালে দেখা যায় যে অসমৰ সমগ্ৰ সাংবাদিকসকল আজি কেইজনমান সাংবাদিক সম্পাদকৰ ভুল নেতৃত্বৰ গ্লানি বাহক [illegible]ৰাৰ উপক্ৰম হৈছে। বাতৰি কাকতৰ পৃষ্ঠা আক্ৰমণ বা প্ৰতি আক্ৰমণৰ বিবৃতি বা সিদ্ধান্ত প্ৰকাশৰ কাহিনী তথা ইতিহাসেৰে পূৰ্ণ কৰি জনসাধাৰণক সুৰসুৰাই দিয়াটো সহজ কিন্তু তাৰ বিনিময়ত সত্যক ঢাকি ৰখাটোহে বৰ টান।

কোনো ধৰণৰ চৰকাৰী চেষ্টা বা অপচেষ্টাক সমৰ্থন নকৰাকৈ বা আলোচনা নকৰাকৈ এটা কথা আজি অসমত স্পষ্টভাৱে কব পৰা হৈছে যে ৰাজ্যখনৰ বৰ্তমান অৱস্থাত সাংবাদিকসকলৰ [illegible]মালোচনা তথা আত্মবিশ্লেষণৰহে অধিক প্ৰয়োজন হৈছে। নতুন দিল্লীৰ আলোচনা চক্ৰত বিশিষ্ট সাংবাদিকসকলে অভিমত প্ৰকাশ কৰাৰ দৰে বিচাৰ কৰি চাবৰ হৈছে যে তেওঁলোক কিমান নিৰপেক্ষ আৰু বৃত্তিগত ভাবে নিষ্ঠাবান হৈ আছে। সংবাদপত্ৰৰ স্বাধীনতা ৰক্ষা কৰিবলৈ যাওঁতে জনসাধাৰণৰ অধিকাৰ কিমানখিনি ৰক্ষা কৰা হৈছে?

এই প্ৰসংগটো আহি পৰিছে অলপতে ৰাজ্য চৰকাৰে সাংবাদিকসকলৰ প্ৰতি দিয়া এক জাননীৰ পৰিপ্ৰেক্ষিতত। জাননীখনৰ মতে সাংবাদিকক চৰকাৰে দিয়া পৰিচয় পত্ৰ দুৰ্ব্যৱহাৰ কৰি এচাম সাংবাদিকে ব্যক্তি স্বাৰ্থ বা দুষ্ট স্বাৰ্থ আদায়ত ব্ৰতী হৈছে। গতিকে চৰকাৰে প্ৰকৃত সাংবাদিকসকলক নতুনকৈ পৰিচয় পত্ৰ দিয়াৰ সিদ্ধান্ত লৈছে। চৰকাৰৰ মতে, সাংবাদিক বুলি দাবী কৰা এচাম ব্যক্তি বৃত্তিগত ভাবে সাংবাদিক নহয়, তেওঁলোক চৰকাৰী চাকৰিয়ালহে। তাৰ প্ৰমাণো চৰকাৰৰ হাত আছে বুলি কোৱা হৈছে। সাংবাদিকতাৰ নামত কেতবোৰ লোকে সন্ত্ৰাসবাদৰ পৰা সমাজ বিৰোধী কাৰ্যকলাপলৈকে লিপ্ত হৈ পৰাৰ তথ্যও চৰকাৰৰ হাতত আছে বুলি চৰকাৰী মহল এটাই দাবী কৰিছে। সাংবাদিকতাকেই বৃত্তি বুলি লোৱাসকলৰ কাৰণে নিঃসন্দেহে ই এক উদ্বেগজনক অৱস্থা। সেই উদ্বিগ্নতা ইতিমধ্যে দুই এক নবীন প্ৰবীণ আৰু জ্যেষ্ঠ সাংবাদিকে প্ৰকাশ কৰিছেই।

অনুসন্ধানৰ পৰা জানিব পৰা মতে গুৱাহাটীৰ প্ৰেছ ক্লাবত হোৱা সভা আৰু ৰাজ্যিক অভিবৰ্তনখনত তেনে দুই এক লোকেও নিজকে সাংবাদিক বুলি পৰিচয় দি তেওঁলোকৰ ওপৰত অত্যাচাৰ তথা হাৰাশাস্তি হোৱা বুলি কন্দাকটাও কৰি গ'লহি। অত্যাচাৰ বা হাৰাশাস্তি কোনো সভ্য সমাজে যিদৰে মানি লব নোৱাৰে সেই দৰে মানি লব নোৱাৰে ভণ্ডামি তথা বৃত্তিগত প্ৰতাৰণাক।

এইখিনিতে চৰকাৰে লোৱা এক সুযোগৰ বিষয়ে উল্লেখ কৰিব পাৰি। যোৱা জুলাই মাহত উজনি অসমৰ প্ৰশাসনীয় কৰ্তৃপক্ষ এটাৰ পৰা অসম চৰকাৰে এখন গোপন পত্ৰ পাইছিল য'ত চৰকাৰী চাকৰিয়ালে সাংবাদিকতা কৰাৰ আৰু গোপনে প্ৰশাসনৰ ভিতৰৰ খবৰ কাকতলৈ সৰবৰাহ কৰি থকাৰ ইংগিত দিয়া হৈছিল। পত্ৰখনত উদাহৰণ স্বৰূপে কেতবোৰ নামো সন্নিবিষ্ট কৰি দি কোৱা হৈছিল যে তেওঁলোকৰ ভুল বাতৰি যোগানে আনহে নেলাগে সাম্প্ৰদায়িক সংহতিৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে। ফলস্বৰূপে ৰাজ্য চৰকাৰে যোৱা ৬ ডিচেম্বৰ তাৰিখে জনসংযোগৰ জৰিয়তে প্ৰেছ বাৰ্তা এটাত ৰাজ্য চৰকাৰৰ সিদ্ধান্তৰ কথা সমগ্ৰ অসমবাসীক জনাই দিলে। প্ৰেছ বাৰ্তাটোত এই বুলি কোৱা হ'ল– "ৰাজ্যৰ ঠায়ে ঠায়ে সাংবাদিকক হাৰাশাস্তি কৰা বুলি একাংশ বাতৰি কাকতত যোৱা কেইবাদিনো ধৰি প্ৰকাশিত কেতবোৰ বাতৰি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। দুই এটাৰ বাদে আনবোৰ বাতৰিত সংশ্লিষ্ট সাংবাদিকৰ নাম উল্লেখ নকৰাৰ বাবে অভিযোগ সমূহৰ সত্যাসত্য নিৰ্ণয় কৰিব পৰা হোৱা নাই। নাম উল্লেখ থকা বাতৰি সম্পৰ্কত অনুসন্ধান কৰি দেখা গৈছে যে ভালেমান ক্ষেত্ৰত সাংবাদিক বুলি অভিহিত লোক সকল সাংবাদিকেই নহয় আৰু ক্ষেত্ৰ বিশেষে বিভিন্ন কাৰণত চৰকাৰী কৰ্মচাৰীৰ ওপৰত চৰকাৰে লবলগীয়া হোৱা অনুশাসনমূলক ব্যৱস্থাকো সাংবাদিকৰ ওপৰত আতিশয্য হিচাপে দাঙি ধৰা হৈছে।

এই সন্দৰ্ভত 'আজিৰ অসম' কাকতৰ ৩ ডিচেম্বৰৰ সংখ্যাৰ প্ৰথম পৃষ্ঠাত 'মাজুলীত সাংবাদিকক হাৰাশাস্তি' বুলি তিনি কলম জোৰা শিৰোনামাৰে প্ৰকাশিত বাতৰিটোৰ বিষয়ে উল্লেখ কৰিব পাৰি। বাতৰিটোত কোৱা হৈছে যে মাজুলীৰ দুই এক সাংবাদিকক চৰকাৰে চাকৰিৰ পৰা নিলম্বিত কৰিছে আৰু তাৰ উদাহৰণ স্বৰূপে দুই এজন সাংবাদিকৰ নামো উল্লেখ কৰিছে। চৰকাৰে চৰকাৰী চাকৰিয়ালকহে নিলম্বিত কৰিব পাৰে। অৰ্থাৎ বাতৰিটোত আওপাকে স্বীকাৰ কৰা হৈছে যে নিলম্বিত হোৱা তথাকথিত 'সাংবাদিক' কেইজন প্ৰকৃততে সাংবাদিক নহয়, চৰকাৰী চাকৰিয়ালহে। চৰকাৰী চাকৰিয়ালৰ ওপৰত লোৱা কোনো অনুশাসনমূলক ব্যৱস্থাক সাংবাদিকৰ ওপৰত হাৰাশাস্তি বুলি কোৱাটো নিঃসন্দেহে অবান্তৰ, অশোভনীয় আৰু সাংবাদিকতাৰ বাবেও মৰ্যাদা হানিকৰ।

উক্ত বাতৰিতে মাজুলীৰ মাধৱ হাজৰিকা নামৰ 'সাংবাদিক' এগৰাকীৰ পৰিচয় পত্ৰখন সেনাই কাঢ়ি লোৱা আৰু এতিয়ালৈকে ঘূৰাই নিদিয়া বুলি অভিযোগ কৰা হৈছে। অনুসন্ধান কৰি মাজুলীত সেই নামৰ কোনো সাংবাদিক থকা বুলি জানিব পৰা নগ'ল। অৱশ্যে এটা চৰকাৰী কাৰ্যালয়ত এল ডি এচিষ্টেন্ট হিচাপে চাকৰি কৰা মাধৱ চন্দ্ৰ হাজৰিকা নামৰ চৰকাৰী কৰ্মচাৰী এজনে দুখন সাপ্তাহিকৰ সংবাদদাতা বুলি দাবী কৰাৰ অভিযোগ এটা যোৱা জুলাই মাহতে পোৱা গৈছিল। আনহাতে সংশ্লিষ্ট কাকত কেইখনৰ সম্পাদক কেইগৰাকীয়ে লিখিতভাৱে জনায় যে মাধৱ চন্দ্ৰ হাজৰিকাৰ তেখেতসকলৰ কাকতৰ লগত কোনো ধৰণৰ সম্পৰ্ক নাই। চৰকাৰী সেৱা আচৰণ বিধি মতেও কোনো চৰকাৰী কৰ্মচাৰীয়েই কোনো বাতৰি কাকতৰ সংবাদদাতা হব নোৱাৰে। এনে অৱস্থাত উক্ত চৰকাৰী কৰ্মচাৰীজনৰ হাতত কোনো সাংবাদিক পৰিচয় পত্ৰও থাকিব নোৱাৰে আৰু যদি আছিল, সেইখন ভুৱা সাংবাদিক পৰিচয় পত্ৰহে হব লাগিব। এনেবোৰ দৃষ্টান্তৰ বাবেই বৰ্তমান চলি থকা সাংবাদিক পৰিচয় পত্ৰ সমূহ বাতিল কৰাৰ চৰকাৰী সিদ্ধান্ত এটা অলপতে ঘোষণা কৰা হৈছে।

ৰাজ্য চৰকাৰে ভাবে যে সাংবাদিকক হাৰাশাস্তি কৰা বুলি কোনো সংগঠনে বা বাতৰি কাকতে ৰাজহুৱা ভাবে অভিযোগ তোলাৰ আগতে সংশ্লিষ্ট লোক একোজন প্ৰকৃত সাংবাদিক হয় নে নহয় এই বিষয়ে নিশ্চিত হৈ লোৱা উচিত। আশা কৰা হৈছে যে উল্লিখিত আৰু তেনে ধৰণৰ বিভ্ৰান্তিকৰ উদ্দেশ্যপ্ৰণোদিত বাতৰিয়ে ৰাইজৰ মনত সৃষ্টি কৰিব পৰা অনাহক বিভ্ৰান্তি এই স্পষ্টীকৰণে নাইকিয়া কৰিব।"

আনহাতে সাংবাদক সকলৰ চলিত পৰিচয় পত্ৰ সমূহ বাতিল কৰি দিয়া জাননীখন হুবহু এনে ধৰণৰ আছিল–

## সাংবাদিকলৈ অনুৰোধ

"ৰাজ্য চৰকাৰে জানিব পাৰিছে যে কোনো সময়ত বাতৰি কাকতৰ হৈ কাম কৰোতে চৰকাৰৰ পৰা সাংবাদিক পৰিচয়-পত্ৰ লৈ যোৱা ভালেসংখ্যক লোকে সাংবাদিকতা এৰি যোৱাৰ পিছতো তেনে পৰিচয় পত্ৰ ওলোটাই দিয়াৰ পৰিবৰ্তে বিভিন্ন ধৰণে ব্যৱহাৰ কৰি আছে। চৰকাৰী চাকৰিত যোগ দিয়া কিছুসংখ্যক লোক, ব্যৱসায়ী, বিভিন্ন ৰাজনৈতিক দলৰ পূৰ্ণকালীন সদস্য আৰু আনকি উগ্ৰপন্থী সংগঠনৰ কৰ্মীকে ধৰি ভালেমান অসাংবাদিকৰ হাতত তেনে পৰিচয় পত্ৰ ৰৈ যোৱাৰ আৰু অপব্যৱহাৰ হোৱাৰ দৃষ্টান্ত চৰকাৰৰ হাতলৈ আহিছে। ভালেকেইজন সাংবাদিকৰ পৰিচয়-পত্ৰ ৰহস্যজনক ভাবে হেৰোৱাৰ ঘটনাও বিভিন্ন আৰক্ষী থানাত পঞ্জীভুক্ত হোৱাটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰু তেনে পৰিচয় পত্ৰ আন কোনো অবাঞ্ছিত লোকে কৰ্তৃত্ববিহীন ভাবে আৰু অসৎ উদ্দেশ্যত ব্যৱহাৰ কৰিছে বা কৰিবগৈ পাৰে বুলি স্বাভাৱিকতে চৰকাৰৰ সংশয় উপজিছে। সেয়ে তেনে ঘটনাত বাধা দিবলৈ আৰু বিশেষকৈ ৰাজ্যখনৰ বৰ্তমান পৰিস্থিতিত প্ৰকৃত সাংবাদিক সকলৰ লগতে সাংবাদিকতাৰ মহান বৃত্তিৰ মৰ্যাদা ৰক্ষাৰ স্বাৰ্থত এই ক্ষেত্ৰত জৰুৰীভাৱে এটা ব্যৱস্থা গ্ৰহণ কৰাটো অপৰিহাৰ্য হৈ পৰিছে।

সংশ্লিষ্ট সকলো দিশ বিচাৰ-বিবেচনা কৰি ৰাজ্য চৰকাৰে তৎকালীনভাবে বলবৎ হোৱাকৈ বৰ্তমানে চলি থকা সকলো সাংবাদিক পৰিচয়-পত্ৰ বাতিল কৰি প্ৰকৃত সাংবাদিকসকলক নতুন আৰ্হিৰ বিশেষভাবে প্ৰস্তুত কৰা পৰিচয়-পত্ৰ দিবলৈ থিৰাং কৰিছে। সেই মতে বৰ্তমানে চলি থকা আৰ্হিৰ সাংবাদিক পৰিচয় পত্ৰ সমূহক এতিয়াৰ পৰা কোনো ধৰণৰ স্বীকৃতি দিয়া নহব। গতিকে সেই পৰিচয় পত্ৰসমূহ ততালিকে তথ্য আৰু জনসংযোগ বিভাগৰ বাতৰি সৰবৰাহ শাখাৰ উপ-সঞ্চালকৰ হাতত গটাই দিবলৈ আৰু নতুন আৰ্হিৰ পৰিচয় পত্ৰৰ বাবে নতুনকৈ প্ৰপত্ৰ পূৰণ কৰি দাখিল কৰিবলৈ সকলো সাংবাদিকক আৰু সংবাদ-দাতাকে সবিনয়ে অনুৰোধ জনোৱা হ'ল। আগতে যি কোনো সময়ত চৰকাৰৰ পৰা নিয়া সাংবাদিক পৰিচয়-পত্ৰ প্ৰত্যাৰ্পণ কৰিবলৈ আৰু তেনে পৰিচয়-পত্ৰ হেৰালে পৰিচয়-পত্ৰৰ ক্ৰমিক সংখ্যাসহ আৰক্ষী থানাত এজাহাৰ দি সেই বিষয়ে ততালিকে জনাবলৈ সাংবাদিকসকলক তেওঁলোকৰ নিজৰ স্বাৰ্থতে বিশেষভাবে অনুৰোধ জনোৱা হ'ল, কিয়নো অন্যথা তেনে কোনো পৰিচয়-পত্ৰৰ ব্যৱহাৰ-অপব্যৱহাৰৰ ঘটনা ঘটিলে স্বাভাৱিকতে পৰিচয়-পত্ৰৰ প্ৰকৃত গৰাকীজনো তাত অনাহকতে জড়িত হৈ পৰিবগৈ।"

মন কৰিব লগীয়া কথা যে উজনি অসমৰ প্ৰশাসনীয় বিষয়া এগৰাকীয়ে চৰকাৰী কৰ্মচাৰীয়ে গোপন নামত সাংবাদিকতা কৰি থকা বুলি যিখন চিঠি যোৱা জুলাই মাহত চৰকাৰৰ ঘৰলৈ পঠিয়াইছিল, সেইখন চিঠিত থকা ব্যক্তি সকলৰ দৃষ্টান্তমূলক তালিকাত উল্লিখিত দুই একে আকৌ গুৱাহাটীত হৈ যোৱা সাংবাদিকৰ অভিবৰ্তনৰ সময়ত নিজৰ প্ৰকৃত বৃত্তিৰ বিষয়ে ৰাজহুৱা ঘোষণাও দিছিলহি। প্ৰকৃত বৃত্তিৰ স্বীকাৰোক্তি দিও তেওঁলোকে নিজকে সাংবাদিক বুলিও দাবী কৰাৰ প্ৰয়াস কৰিছিল। সিমানেই নহয় চৰকাৰে তেওঁলোকৰ দৰে সাংবাদিকক হাৰাশাস্তি কৰা বুলি কন্দা-কটাও কৰা পৰিলক্ষিত হৈছিল।

জানিব পৰা মতে উক্ত ব্যক্তি গৰাকী আছিল এজন শিক্ষক আৰু এটা বাওঁপন্থী ৰাজনৈতিক দলৰ কৰ্মী। তেওঁক যোৱা নিৰ্বাচনৰ সময়ত নিৰ্বাচনী দায়িত্ব বহণ কৰিবলৈ দিয়া হৈছিল। কিন্তু তেওঁ মুখ্য নিৰ্বাচনী বিষয়ালৈ তাঁৰবাৰ্তা কৰি জনাই দিছিল যে তেওঁ বাওঁপন্থী দল এটাৰ কৰ্মী গতিকে তেওঁক নিৰ্বাচনী দায়িত্ব বহণ কৰিবলৈ দিব নালাগে। মুখ্য নিৰ্বাচনী বিষয়াই উক্ত কৰ্মচাৰীজনৰ কাণ্ড দেখি তবধ মানিছিল আৰু তেওঁৰ নিলম্বিতকৰণৰ নিৰ্দেশ দিছিল। সেইটোও জানো সাংবাদিকক কৰা হাৰাশাস্তি?

আন এজন আকৌ গাঁও পঞ্চায়ত এখনৰ সম্পাদক। যোৱা বানপানিৰ সময়ত তেওঁক সাত কুইন্টল চাউল বিতৰণ কৰিবলৈ দিয়া হৈছিল। চাউলখিনি তেওঁ নিয়ম মতেই বিলালে। তাৰ পিছত তেৱেঁই বাতৰি পৰিবেশন কৰিলে যে ৰাইজক অখাদ্য চাউল দিয়া হৈছে বুলি। বিধান সভাত সেই বাতৰিক লৈ হৈ চৈও হ'ল। অনুসন্ধান কৰি দেখা গ'ল যে চাউলখিনিক লৈ স্থানীয় লোকৰ অভিযোগ নাছিল। গতিকে সম্পাদকজনৰ নিলম্বিতকৰণ হ'ল।

আৰু এজনৰ কাহিনী। তেওঁ স্বীকাৰ কৰা মতে, তিনিখন কাকতৰ লগত সংবাদ যোগানৰ কাম চৰকাৰী কৰ্মচাৰীজনে কৰে। ভুল খবৰেৰে প্ৰশাসনৰ ভাবমূৰ্তি নষ্ট কৰাৰ অভিযোগ তেওঁৰ বিৰুদ্ধে চৰকাৰৰ ঘৰত উঠিছে আৰু তেওঁৰ ওপৰত নিলম্বিত কৰণ বলবৎ হৈছে।

অভিবৰ্তনত নিৰ্যাতিত বা হাৰাশাস্তি হোৱা বুলি কেইবা গৰাকীও সাংবাদিকে অভিযোগ তোলে। কেইবা গৰাকীয়ে আকৌ খবৰ ওলোৱাৰ দৰে হাৰাশাস্তি বা নিৰ্যাতন হোৱা নাই বুলিও কৈ যায়হি।

প্ৰকৃত সাংবাদিকৰ ওপৰত বিনা কাৰণত নিৰ্যাতন হোৱাটো বা হাৰাশাস্তি হোৱাটো কোনেও সমৰ্থন কৰিব নোৱাৰে কিন্তু সাংবাদিকতাৰ মূল্যবোধক ব্যক্তি স্বাৰ্থৰ কামত খটুওৱাব খোজাসকলৰ প্ৰতি সহানুভূতি বা সমৰ্থন জ্ঞাপনৰ কাৰণ থাকিব নোৱাৰে।

উল্লেখ নকৰিলেও চলে যে সাংবাদিকতাৰ বাট সদায় ফুলেৰে সুশোভিত হৈ নেথাকে। এই বাটত অনেক ধৰণৰ ৰিস্ক বা বিপদ-বিঘিনি থাকেই। সেইবোৰ কথা জানি-শুনিও একাংশ সাহসী লোকে এই বৃত্তিটো গ্ৰহণ কৰে। বিপদ-বিঘিনিবোৰ চৰকাৰী বেচৰকাৰী উভয় মহলৰ পৰাই আহে। সেই সকলোবোৰকে নেওচা দি পাৰদৰ্শিতা দেখুৱাব পৰা সকলহে প্ৰকৃত সাংবাদিক। তেনে সকলে পঢ়ুৱৈ সমাজৰ পৰাও পায় অসীম শ্ৰদ্ধা। কিন্তু যিসকলে সাংবাদিকতা বৃত্তিৰ সা-সুবিধা লৈ ঠিকা-ঠুকলি চলায়, ব্যৱসায় কৰে আৰু আনকি দালালিও কৰে সেইসকলে সাংবাদিকতাৰ বৃত্তিটোকে কালিমালিপ্ত কৰে। যিসকলে চৰকাৰী চাকৰি কৰি থাকিও নিজকে সাংবাদিক বুলি জাহিৰ কৰিব খোজে, সেই সকলো সাংবাদিকতাৰ নামত একো একোটা কলংক। সাংবাদিকসকলৰ মাজৰ পৰা এনে দুৰ্জন শক্তিবোৰক বাছি উলিয়াবলৈ অসমৰ চাৰকাৰটোক সুবিধাকন দিয়াৰ আগতে সাংবাদিকসকলে নিজেই তাৰ আগতে তেখেত সকলৰ মাজৰ পৰা এনে লোকক বহিষ্কাৰ কৰি পেলোৱাৰ প্ৰয়োজন আছিল। কিন্তু অসমত সেয়া হোৱা দেখা নগ'ল। সেয়ে সঁচা অৰ্থত সাংবাদিক বনাম চৰকাৰ– এই যুঁজখনত এইবাৰ গৰিষ্ঠসংখ্যক সাংবাদিক নাঙঠ হ'ল।

ৰিপুঞ্জয় ৰাজখোৱা

বিশেষ নিবন্ধ

# ব্যৰ্থ ৰাজনীতি বিদৰ স্বপ্ন আৰু 'স্বাধীন অসম'ৰ প্ৰশ্ন

সনাতন সূত্ৰধাৰ

"Events strikingly similar, but occurring in a different historical milieu, lead to completely dissimilar results......"

আলফাই উত্থাপন কৰা অসমৰ স্বাধীনতাৰ দাবীৰ পৰিপ্ৰেক্ষিতত কাৰ্ল মাৰ্ক্সৰ ঊনবিংশ শতিকাৰ মাজ ভাগতে সকীয়াই থৈ যোৱা ওপৰোক্ত কথাষাৰ বাৰে বাৰে মনলৈ আহিছে। ইতিহাসৰ বেলেগ বেলেগ সময়ত সংঘটিত হোৱা দুটা ঘটনাৰ মাজত যিমানেই সাদৃশ্য থকাটো পৰিলক্ষিত নহওক কিয়, দুয়োটা ঘটনাই বিশেষ আৰু বেলেগ ঐতিহাসিক প্ৰেক্ষাপটত সংঘটিত হোৱাত দুয়োটাৰেই পৰিণতি সম্পূৰ্ণ ৰূপে পৃথক হবলৈ বাধ্য। সাম্প্ৰতিক অসমৰ স্বাধীনতাৰ দাবীৰ ক্ষেত্ৰতো এই কথাষাৰৰ যথাৰ্থতা প্ৰমাণিত হোৱাৰ সম্ভাৱনা উজ্জ্বল হৈ আহিছে।

ঔপনিবেশিক বৃটিছ-ভাৰত সাম্ৰাজ্যৰ অংশ ৰূপে অসমে মুঠতে ১২১ বছৰ কাল অতিবাহিত কৰিছিল (১৮২৬-১৯৪৭)। আৰু স্বাধীনতাৰ পৰৱৰ্তী কালত ভাৰতবৰ্ষৰ অংগ ৰাজ্য ৰূপে অসমে অদ্য পৰিমিত ৪৪ বছৰ কাল অতিবাহিত কৰিলে। স্বাধীনতাৰ বিগত এই ৪৪ বছৰ জাতি এটা বা দেশ এখনৰ বাবে কম নহয়। এই ৪৪ বছৰত অসমীয়া মানুহে পৰাধীনতাৰ ক্লেদাক্ত গ্লানিময় সময়ৰ কথা পাহৰি স্বাধীনতাৰ প্ৰভাতী সূৰুযৰ ৰৌদ্ৰোজ্জ্বল পোহৰত অৱগাহন কৰি, মহাভাৰতীয় সভ্যতা সংস্কৃতিৰে মহা মহত্বৰ সাধনাত ব্ৰতী হৈছে। সামগ্ৰিকভাবে এতিয়া অসমীয়া মানুহ পৰাধীনতাৰ গ্লানিৰে পূতি গন্ধময় পৰিবেশত বাস কৰা নাই। আৰু সেয়ে স্বাধীনতা আন্দোলনৰ প্ৰয়োজনো নাই।

এটা ভিন্ন ঐতিহাসিক পৰিপ্ৰেক্ষিতত ভাৰতীয় জনসাধাৰণে দেশৰ উদীয়মান বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্বত বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে স্বাধীনতা সংগ্ৰাম কৰি ভাৰতবৰ্ষক ঔপনিবেশিক শোষণৰ পৰা ৰাজনৈতিক আৰু অৰ্থনৈতিক ভাবে মুক্ত স্বাধীন কৰাৰ দৰে, আজি আকৌ এটি ভিন্ন ঐতিহাসিক পৰিপ্ৰেক্ষিতত ভাৰতৰ পৰা অসমক স্বাধীন কৰিবলৈ ওলালে এই আন্দোলন বা সংগ্ৰামৰ পৰিণতিও বেলেগ তথা ক্ষতিকাৰক যে হব সি ধ্ৰুৱপ।

বৰ্তমান ভাৰতবৰ্ষখন যেনেকৈ এখন বহুজাতিক দেশ, তাৰ অংগ ৰাজ্য অসমখনো তেনেকৈ এখন বহুজাতিৰ ৰাজ্য। কিয়নো অসমো ভালেমান জাতি-উপজাতিৰ গৃহভূমি। আমি পূৰ্বৰ প্ৰবন্ধতেই কৈ আহিছো যে ভাৰতবৰ্ষত জাতি গঠনৰ প্ৰক্ৰিয়া বৃটিছ সাম্ৰাজ্যবাদ বিৰোধী, স্বাধীনতা সংগ্ৰামৰ অংগাংগী আৰু সমান্তৰাল ভাবে চলিছিল। প্ৰখ্যাত ঐতিহাসিক বিপন চন্দ্ৰই তেওঁৰ এটি অত্যন্ত মননশীল ঐতিহাসিক প্ৰবন্ধত ভাৰতৰ স্বাধীনতা আন্দোলন আৰু জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে লিখিছেঃ "A nation is a process of becoming and a national movement is the process through which the people or population of a colony are formed into a nation or a people, and through which they acquire a vision of their society as a nation and of themselves being a people or nation. Without the anti–imperialist struggle the people of a colony are just inhabitants of a 'geographical expression' or a region of the map". এই অৰ্থত অসমীয়া জাতিও ভাৰতীয় মহাজাতিৰ অংগ ৰূপে গঢ় লৈ উঠিছে। ভাৰতীয় মহাজাতিৰ এক নিৰৱচ্ছিন্ন অংগ হিচাপেই ই গঠন হৈছে, সংবৰ্দ্ধন আৰু পৰিবৰ্দ্ধনৰ পথত আগবাঢ়িছে। অৱশ্যে স্বীকাৰ কৰিব লাগিব যে অসমত জাতি গঠনৰ ঐতিহাসিক প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা নাই, আৰু বিগত অসম আন্দোলনৰ সময়ৰ পৰা এই প্ৰক্ৰিয়া স্তিমিত হৈ পৰিছে আৰু তাৰ পৰিবৰ্তে 'ethnic nationalism and confrontation'-য়ে ক্ষয়ংকৰী ৰূপত গা কৰি উঠিছে। কাজেই অখণ্ডিত অসমৰ স্বাধীনতাৰ প্ৰশ্ন আকাশ-কুসুম হৈ থাকিবলৈ বাধ্য (হৈছে)।

সম্পূৰ্ণ দুটা শতিকা ধৰি বিশাল ভাৰতবৰ্ষক পদানত কৰি ৰখা ইংল্যান্ড বা বৃটিছ জাতিৰ ৰাষ্ট্ৰ চৰিত্ৰ আছিল পুঁজিবাদী। আৰু যিহেতু সামন্তবাদৰ বিপৰীতে পুঁজিবাদৰ বিকাশৰ বাবে গণতন্ত্ৰ আছিল অপৰিহাৰ্য সেয়ে আভ্যন্তৰীণ ভাবে সেই দেশৰ শাসন ব্যৱস্থা আছিল গণতান্ত্ৰিক। বৃটিছ পদানত ভাৰতবৰ্ষত কিন্তু বৃটিছৰ এই গণতান্ত্ৰিক ব্যৱস্থা তথা পৰম্পৰা আছিল অনুপস্থিত। তাৰ পৰিবৰ্তে আছিল বৃটিছ পুঁজিবাদৰ স্বাৰ্থত ভাৰতবৰ্ষৰ জনসাধাৰণৰ ওপৰত নিষ্ঠুৰ অমানৱীয় অৰ্থনৈতিক শোষণ আৰু ৰাজনৈতিক দমন নিপীড়ন। কাজেই ভাৰতবৰ্ষত বৃটিছৰ এই চৰিত্ৰৰ প্ৰতি দৃষ্টি ৰাখিয়েই ভাৰতীয় জাতীয়তাবাদৰ পিতৃ পুৰুষ দাদা ভাই নৌৰজীয়ে (ভাৰতবৰ্ষত) বৃটিছ শাসনক "Un–British" বুলি অভিহিত কৰিছিল। অসমত 'ভাৰতীয়' বুলি আছুতীয়া শাসন ব্যৱস্থা এটা নাই, কাজেই তাক "Un–Indian" বুলি কোৱাৰো থল নাই।

ভাৰতবৰ্ষ আছিল বৃটিছৰ উপনিবেশ। বৃটিছৰ আমোলত ইয়াৰ সমুদায় আয়, ভূমি ৰাজহ, অন্যান্য কৰ-কাটল, বাণিজ্যিক সা-সুবিধা আৰু লভ্যাংশ, কেঁচামাল, খাদ্য-সামগ্ৰী আদায় আৰু আহৰণ কৰি বৃটিছ জাতিৰ উত্তৰোত্তৰ উন্নতিৰ বাবে নিজ দেশলৈ হোৰাহোৰে চালান দিছিল। সিহঁতৰ নিজৰ দেশৰ স্বাৰ্থতেই ভাৰতবৰ্ষৰ খনি আৰু শিল্প, কৃষি আৰু আভ্যন্তৰীণ আৰু বৈদেশিক বাণিজ্য, যাতায়াত আৰু পৰিবহণ, বেংক আৰু বীমা কোম্পানী সমূহৰ মুনাফা আয় সকলো ইংল্যান্ডলৈ লৈ গৈছিল। ভাৰতবৰ্ষত প্ৰশাসনৰ উচ্চ পদ বিলাকত হাজাৰ হাজাৰ উচ্চ মধ্যবিত্ত আৰু মধ্যবিত্ত ইংৰাজ লোকক মকৰল কৰি তাৰ যোগেদিও কোটি কোটি টকা ইংল্যান্ডলৈ লৈ যোৱাৰ ব্যৱস্থা কৰিছিল।

ভাৰতবৰ্ষৰ জনসাধাৰণৰ পৰা আদায় কৰা ৰাজহৰ সহায়তেই সমগ্ৰ বিশ্বতে সূৰ্য অস্ত নোযোৱা বৃটিছ সাম্ৰাজ্য গঢ়ি তোলাৰ বাবে সামৰিক অভিযানৰ খৰচ উলিয়াইছিল। অৱসৰপ্ৰাপ্ত চৰকাৰী (বৃটিছ) বিষয়া সকলৰ পেঞ্চনৰ ধনো ভাৰতবৰ্ষৰ ৰাজহৰ পৰাই ইংল্যান্ডলৈ নিয়াৰ নিকপকপীয়া ব্যৱস্থা কৰিছিল। ভাৰতবৰ্ষৰ জনসাধাৰণৰ উন্নয়নৰ কাৰণে খৰচ কৰা মুঠ ধনৰ পৰিমাণ আছিল অত্যন্ত নগণ্য। তাৰ উপৰি ভাৰতবৰ্ষক ব্যৱহাৰ কৰা হৈছিল বৃটিছ শিল্পজাত সামগ্ৰী পণ্যৰ এখন আছুতীয়া সংৰক্ষিত বজাৰ হিচাপে। ভাৰতীয় সকলক মুঠতে পেটে ভাতে খাই জীয়াই থাকিব পৰা এটি জাতি হিচাপে ৰাখিছিল। এইটো আছিল ভাৰতবৰ্ষত চলোৱা বৃটিছৰ ঔপনিবেশিকতাবাদৰ নগ্ন ৰূপ। বৃটিছ আমোলৰ ভাৰতবৰ্ষৰ খ্যাতনামা অৰ্থনৈতিক ইতিহাসবিদ ৰমেশ চন্দ্ৰ দত্তই সেয়ে আক্ষেপেৰে কৈছিলঃ "Taxation raised by a king, says the Indian poet, is like the moisture of the earth sucked up by the sum, to be returned to the earth as fertilising rain; but the moisture raised from the Indian soil now descends as fertilising rain largely on other lands, not on India". ১৯০১ চনৰ তথ্য-পাতিৰ ওপৰত নিৰ্ভৰ কৰি তেওঁ কৈছিলঃ "One–half of the nett revenues of India, which are now forty–four millions sterling, flows annually out of India. Verily the moisture of India blesses and fertilises other lands". অন্য দেশ বুলি তেওঁ ইংল্যান্ডকে বুজাইছে।

আৰু সেই কাৰণেই খোদ বৃটিছ চিন্তাবিদ জন ষ্টুৱাৰ্ট মিলে ভাৰতবৰ্ষক বৃটিছ জাতিৰ স্বাৰ্থৰ খাতিৰত নিয়োজিত এক 'Human cattle–farm' বুলি অভিহিত কৰিছিল। তেওঁৰ ভাষাত: "The government of a people by itself has a meaning and a reality; but such a thing as government of one people by another does not, and cannot, exist. One people may keep another for its own use, a place to make money in, a human cattle–farm to be worked for the profits of its own inhabitants".

অসমত স্বাধীনতাৰ পিছৰ পৰাই ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰতে এটি থলুৱা চৰকাৰ চলি থকাৰ ব্যৱস্থাও আছে, সকলোবোৰ ভাৰতীয় অংগৰাজ্যত থকাৰ দৰে। কাজেই অন্য এটা জাতিৰ স্বাৰ্থত অন্য এটা জাতিৰ ওপৰত চৰকাৰ এখন থকাৰ যি অৱস্থা ঔপনিবেশিক আমোলত থাকে, বা ভাৰতবৰ্ষত আছিল, তেনে শাসন অসমত নাই। অন্ততঃ স্বাধীনোত্তৰ এই বিগত ৪৪ বছৰত।

গতিকে উপনিবেশ বুলিলে আমি এনে এটি আৰ্থ-সামাজিক আৰ্থ-ৰাজনৈতিক অৱস্থাকে বুজো য'ত পদানত দেশৰ মানুহে নিজৰ দেশৰ ৰাজনৈতিক অৰ্থনৈতিক তথা প্ৰশাসনিক নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত কোনো ক্ৰিয়াশীল তথা সদৰ্থক ভূমিকা পালন কৰিব নোৱাৰে, তাত অংশীদাৰ হব নোৱাৰে, বৰং তেওঁলোক সকলো দিশতে শোষিত নিষ্পেষিত হৈ থাকে। লগতে অবহেলিত হৈ থাকে তেওঁলোকৰ অৰ্থনৈতিক উন্নয়নমূলক কাম-কাজ বিলাকো।

বৃটিছ আমোলত সমগ্ৰ ভাৰতবৰ্ষতে বৃটিছৰ জাতিগত শোষণ চলিছিল। ১৯৪৭ চনৰ স্বাধীনতাই ভাৰতবৰ্ষৰ জাতি সমূহৰ ওপৰত থকা বৃটিছৰ জাতিগত শোষণৰ অৱসান ঘটালে। দেশৰ সাম্ৰাজ্যবাদ বিৰোধী স্বাধীনতা আন্দোলনৰ নেতৃত্ব দিছিল দেশৰ উদীয়মান বুৰ্জোৱা শ্ৰেণীয়ে। কাজেই আন্দোলনৰ শ্ৰেণী চৰিত্ৰ আছিল বুৰ্জোৱা। স্বাধীনতা আন্দোলনৰ প্ৰভুত্বকাৰী তত্ত্ব বা মতাদৰ্শ আছিল বুৰ্জোৱা আৰু আন্দোলনৰ নেতৃত্বশীল বুৰ্জোৱা শ্ৰেণীটোৱে দেশৰ আৰ্থ-সামাজিক উন্নয়নৰ কাৰ্যসূচী বা আঁচনিও বুৰ্জোৱা বিশ্ব তথা সমাজ দৃষ্টিৰ পৰিমণ্ডলৰ ভিতৰতেই সীমিত কৰি ৰাখিছিল। আৰু সেয়ে অৱধাৰিত ভাবেই দেশত আকৌ অসমান অৰ্থনৈতিক তথা পুঁজিবাদী বিকাশৰ পথ অব্যাহত থাকিল, আৰু অব্যাহত থাকিল বৃটিছৰ জাতিগত শোষণৰ পৰিবৰ্তে জনসাধাৰণৰ ওপৰত দেশীয় শ্ৰেণী শোষণৰ প্ৰাধান্য আৰু তীব্ৰতা।

স্বাধীনোত্তৰ কালত ভাৰতীয় জনসাধাৰণৰ ওপৰত চলি থকা শ্ৰেণী শোষণৰ প্ৰক্ৰিয়াক ঔপনিবেশিক শোষণৰ সৈতে ৰিজাব নোৱাৰি বা তাক সম-পৰ্যায়ৰ বুলিও ক'ব নোৱাৰি। আজি অসমক দিল্লীয়ে শোষণ কৰিছে বুলি যি অভিযোগ তুলি অসমৰ স্বাধীনতাৰ প্ৰশ্ন তথা দাবী উত্থাপন কৰা হৈছে সেইটো ভাৰতবৰ্ষৰ স্বাধীনোত্তৰ কালৰ আৰ্থ-সামাজিক বিকাশৰ বিভ্ৰান্তিকৰ আৰু উদ্দেশ্য প্ৰণোদিত ব্যাখ্যা বিশ্লেষণৰ ওপৰত নিৰ্ভৰ কৰি কৰা হৈছে।

আজি ভাৰতবৰ্ষৰ ৰাষ্ট্ৰ চৰিত্ৰ হ'ল অৰ্ধ-সামন্তবাদী আৰু অৰ্ধ-পুঁজিবাদী। দেশৰ অৰ্থনৈতিক উৎপাদন আৰু বিতৰণ ব্যৱস্থাও এতিয়াও অৰ্ধ-সামন্তবাদী আৰু অৰ্ধ-পুঁজিবাদী পদ্ধতি আৰু সম্পৰ্ক অব্যাহত আছে। ৰাষ্ট্ৰ শাসনৰ ক্ষেত্ৰতো অৱধাৰিত ভাবেই সামন্তবাদী আৰু পুঁজিবাদী শ্ৰেণীসমূহ হ'ল সহযোগী মিত্ৰ আৰু পৰস্পৰৰ সুহৃদ। মুঠ কথাত বৃহৎ ভূস্বামী আৰু বৃহৎ তথা একচেটিয়া পুঁজিপতি শ্ৰেণীয়েই হ'ল দেশৰ কোটি কোটি লোকৰ ভাগ্য-ভৱিষ্যতৰ নীতি নিৰ্ধাৰক।

আমাৰ দেশৰ বৃহৎ ভূস্বামী আৰু একচেটিয়া পুঁজিপতি শ্ৰেণীৰ এটি দ্বৈত চৰিত্ৰ আছে, সিহঁত এফালে দেশৰ ৰাষ্ট্ৰীয় সংহতি আৰু অখণ্ডতাৰ ৰখীয়া আৰু আনফালে কোটি কোটি জনগণৰ নিৰ্মম শোষক নিষ্পেষক। কাজেই যেতিয়া দেশৰ একাংশত ৰাষ্ট্ৰীয় সংহতি আৰু অখণ্ডতাৰ প্ৰতি কোনো প্ৰত্যাহ্বানৰ সৃষ্টি হয়, ভাবুকিয়ে দেখা দিয়ে, তেতিয়া বৃহৎ ভূস্বামী আৰু একচেটিয়া পুঁজিপতি শ্ৰেণীয়ে দেশৰ অন্যান্য অংশৰ শোষিত নিষ্পেষিত সকলৰ সাহায্য সমৰ্থনত, প্ৰত্যাহ্বান ভাবুকিৰ সৃষ্টি কৰা সকলক নিৰ্মম ভাবে দমন কৰে। ফিজোৰ নেতৃত্বত চলা নগা আৰু লালডেংগাৰ নেতৃত্বত পৰিচালিত 'মিজো নেচনেল ফ্ৰ'ন্ট'ৰ বিদ্ৰোহৰ ব্যৰ্থ ইতিহাসেই ইয়াৰ জ্বলন্ত সাক্ষী।

অসমক দিল্লীয়ে শোষণ কৰিছে– এই তত্ত্বটো পুনৰ কৈছো, বিভ্ৰান্তিকৰ বিশ্লেষণৰ পৰিণতি। কিয়নো দিল্লীয়ে শোষণ কৰিছে বুলি কওঁতে এক বিমূৰ্ত শোষণকাৰীক বুজোৱা হৈছে, ফলত মূৰ্ত শোষকসকল দৃষ্টিৰ অগোচৰত থাকি গৈছে। আৰু যদি দিল্লীত থকা কেন্দ্ৰীয় চৰকাৰটোক বুজোৱা হৈছে তেনেহ'লে অসমীয়া মানুহো সেই চৰকাৰটোৰ কাম কাজৰ সৈতে অৱধাৰিত ভাবেই জড়িত হৈ আছে আৰু সেই অৰ্থত অসমীয়া মানুহো

OKDISCD

দেশৰ জনসাধাৰণৰ ওপৰত কৰা শোষণ কাৰ্যত জড়িত থকাৰ অপৰাধত অপৰাধী। তেনেহ'লে একাংশ অসমীয়া মানুহে এক বৃহৎ অংশৰ অসমীয়া মানুহৰ বিৰুদ্ধেই স্বাধীনতা আন্দোলন কৰিব নালাগিবনে? তেনে পৰিস্থিতিয়ে অসমত গৃহ যুদ্ধৰ অৱতাৰণা অথবা প্ৰতি হিংসা পৰায়ণ তীব্ৰ ৰক্তাক্ত সংঘৰ্ষৰ সৃষ্টি নকৰিবনে? তেতিয়া জানো স্বাধীনতাৰ প্ৰশ্নটোৱেই বিড়ম্বনাপূৰ্ণ হৈ নপৰিব!

বৰ্তমান আমাৰ ৰাজ্য অসমখন কেউফালৰ পৰা স্থলভাগেৰে পৰিবেষ্টিত অৰ্থাৎ geopolitically এখন land-locked ৰাজ্য। অসমৰ এটি সামুদ্ৰিক বন্দৰ নাই, সমুদ্ৰলৈ যোৱাৰ কোনো outlet নাই। বৰ্তমান বিশ্বত স্বাধীন ৰাষ্ট্ৰ হিচাপে বৰ্তি থাকিবলৈ হ'লে এইটো এটা অপৰিহাৰ্য উপাদান। বৰ্তমান বিশ্বত এখন দেশ বা ৰাষ্ট্ৰৰ অৰ্থনৈতিক উন্নয়নৰ বহুলাংশে নিৰ্ভৰ কৰে বহিৰ্বাণিজ্যৰ ওপৰত আৰু সেই বহিৰ্বাণিজ্য নিৰ্ভৰ কৰে আকৌ সামুদ্ৰিক বন্দৰৰ স্থিতি আৰু নিশ্চয়তাৰ ওপৰত। ধৰি ললো অসম খনিজ আৰু বনজ সম্পদত চহকী আৰু চাহ শিল্পতো আগবঢ়া। তৰ্কৰ খাতিৰত হ'লেও এইটোও ধৰি ললো যে অসমে এখন land-locked দেশ হিচাপে ভাৰতৰ পৰা স্বাধীনতাও পালে। তেনেহ'লে এই ৰাজ্যখনৰ বহিৰ্বাণিজ্য দেশৰ আমদানি ৰপ্তানি কেনেকৈ চলিব? অসমৰ উৎপাদিত সামগ্ৰীখিনি বিশ্ব বজাৰলৈ ওলাই যোৱাটোৱেই দেখোন এক সমস্যা হব। আৰু চুবুৰীয়া ৰাজ্য সমূহ অতিক্ৰম কৰি যাওঁতে যাওঁতে তাৰ মূল্যও গৈ মানুহৰ ক্ৰয় ক্ষমতাৰ বাহিৰত থাকিবগৈ, ফলত আন্তঃৰাষ্ট্ৰীয় বজাৰৰ পৰা এই "স্বাধীন" দেশখনৰ সামগ্ৰী অনায়াসেই বিতাড়িত হৈ পৰিব। আনহাতে 'স্বাধীন অসম'লৈ আমদানিকৃত সামগ্ৰীৰ দামো জনসাধাৰণৰ ক্ৰয় ক্ষমতাৰ বাহিৰতেই থাকি যাব।

স্বাধীনোত্তৰ এই সুদীৰ্ঘ ৪৪ বছৰীয়া কালছোৱাত অসমত দিল্লীৰ ঔপনিবেশিক শাসন শোষণ চলা নাই, চলা বুলি কোৱাটো ক্ষমতাভিলাষী অথচ কোনো ব্যৰ্থ ৰাজনীতিকৰ কল্পনা প্ৰসূত ভিত্তিহীন তত্ত্ব। অসমত বৃটিছৰ ১২১ বছৰীয়া ঔপনিবেশিক শাসন শোষণৰ কালছোৱাত মাত্ৰ দুখন সাধাৰণ শিক্ষাৰ কলেজ স্থাপিত হৈছিল, প্ৰথমখন আছিল ১৯০১ চনত চৰকাৰৰ দ্বাৰা স্থাপিত গুৱাহাটীৰ কটন কলেজ আৰু দ্বিতীয়খন ১৯৩০ চনত বেচৰকাৰী ভাবে স্থাপিত যোৰহাটৰ জগন্নাথ বৰুৱা কলেজ। বিশ্ববিদ্যালয়, ইঞ্জিনিয়াৰিং কলেজ, কৃষি কলেজ, মেডিকেল কলেজ (ডিব্ৰুগড়ত ঊনবিংশ শতিকাৰ শেহৰ পিনে ব্যক্তিগত উদ্যোগত স্থাপিত বেৰি হোৱাইট মেমোৰিয়েল মেডিকেল স্কুল)। ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নাছিল, যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাৰ সুচল নাছিল। অসমত নাছিল এটা হাইকোৰ্ট। স্বাধীনোত্তৰ কালৰ ৪৪ বছৰত অসমত ৩ খন বিশ্ববিদ্যালয়, এটি হাইকোৰ্ট, ৩ খন মেডিকেল কলেজ, ৩ খন ইঞ্জিনিয়াৰিং কলেজ, এখন ডেন্টেল কলেজ, প্ৰায় ২৫০ খনমান সাধাৰণ কলেজ, এখন পশু চিকিৎসা মহাবিদ্যালয়, এতিয়ালৈ ব্ৰহ্মপুত্ৰৰ ওপৰত দুখন দলং সম্পূৰ্ণ হৈছে, এতিয়া তৃতীয়খনৰ নিৰ্মাণ কাৰ্য অব্যাহত আছে, দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু এখন আই আই টি স্থাপনৰ প্ৰাৰম্ভিক কাম-কাজৰ সূচনা হৈছে, ৰেলপথ আৰু ৰাষ্ট্ৰীয় ঘাই পথ আৰু অন্যান্য আলি-পদূলি নিৰ্মাণ আদিৰ ক্ষেত্ৰতো দ্ৰুত উন্নয়ন সাধিত হৈছে। আশানুৰূপ নহ'লেও কেইবাটাও শিল্প উদ্যোগো গঢ়ি উঠিছে। অসমত দিল্লীৰ ঔপনিবেশিক শোষণ চলি থকা হেঁতেন এই বিলাক সম্ভৱ নহ'লহেঁতেন।

ষাঠিৰ দশকৰ মাজভাগৰ পৰা অসমত দ্ৰুতভাবে Urbanisation প্ৰক্ৰিয়া আৰম্ভ হৈছে। এক বৃহৎ পৰিমাণৰ লোক নগৰৰ বাসিন্দা হৈছে, নগৰৰ সংখ্যা দ্ৰুতভাবে বাঢ়িছে। এই প্ৰক্ৰিয়াইও অসমত দিল্লীৰ ঔপনিবেশিক শোষণৰ কথা অস্বীকাৰ কৰে।

আজি অসমত বিভিন্ন শিতানৰ পৰা চৰকাৰৰ ভঁৰাললৈ যিখিনি ৰাজহ আহে তাৰে ৰাজ্যখনৰ সমুদায় বাৰ্ষিক খৰচখিনি কোনো পধ্যেই নহয়গৈ, কেন্দ্ৰীয় চৰকাৰৰ মোটা অংকৰ সাহায্য নহ'লে অন্যান্য উন্নয়নমূলক কামৰ কথা বাদেই সাধাৰণ প্ৰশাসনৰ খৰচখিনিৰেই টনাটনি। অসমে 'স্বাধীনতা' পালে এই বাৰ্ষিক ঘাটি টকাখিনি ক'ৰ পৰা আহিব? তাৰ উপৰি স্বাধীনতা পোৱাৰ পিছত এই অসম নামৰ দেশখনক প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ বাবে এটি সামৰিক বাহিনী আৰু সেই অনুপাতে অস্ত্ৰ শস্ত্ৰৰো প্ৰয়োজন হব আৰু তাৰ বাবে লাগিব অপৰ্যাপ্ত পৰিমাণৰ টকা। আল্‌ফাৰ হাতত থকা AK-47 বন্দুক কেইটাই একো কামত নিদিব। এতিয়াই তথাকথিত ভাৰতীয় সৈনিকৰ তথাকথিত অভিযানৰ আগত আল্‌ফাৰ বন্দুক কেইটাই কামত দিয়া নাই; অন্য নিৰীহ জনসাধাৰণৰ কথা বাদেই তেওঁলোকে নিজকেই ৰক্ষা কৰিব পৰা নাই।

স্বাধীন ৰাষ্ট্ৰ তথা দেশ এখনৰ বাবে অপৰিহাৰ্য এটিও গুৰু উদ্যোগ অসমত নাই। আন নালাগে এখন সাধাৰণ দাড়ি খুৰাব পৰা ব্লেড নতুবা ফটা চোলাটো চিলাই লব পৰাকৈ বেজী তৈয়াৰ কৰিব পৰা উদ্যোগ এটিও নাই। মটৰ গাড়ী, চাইকেল, হিৰো হুন্ডা, মটৰ চাইকেল, উৰা জাহাজ, পানী জাহাজ, ৰেলৰ ইঞ্জিন তথা ৰেল গাড়ী তৈয়াৰ কৰিব পৰা কাৰখানাও নাই।

কলা-কৃষ্টি, শিল্প সাহিত্য সংস্কৃতি ইতিহাসৰ বিজ্ঞানৰ ভাল কেন্দ্ৰ এটি নাই, গৱেষণাৰ বাবে দৌৰিব লাগে দিল্লী, কলিকতা, বোম্বাইলৈ। চিনেমাৰ এটি ষ্টুডিঅ' নাই। চিকিৎসাৰ বাবে শ শ মানুহ এতিয়াও প্ৰতিদিনে দৌৰি আছে ভেলোৰ, মদ্ৰাজ, বোম্বাই, কলিকতা, দিল্লী, হায়দৰাবাদলৈ। অসমত এতিয়াও এজন আন্তৰ্জাতিক খ্যাতিসম্পন্ন সাহিত্যিক নাই, এজন অৰ্থনীতিবিদ নাই, নাই এজন বৈজ্ঞানিক তথা ইতিহাসবিদ।

আজি যিটো শক্তিয়ে অসমৰ স্বাধীনতাৰ দাবী উত্থাপন কৰিছে, তেওঁলোকৰ প্ৰতি সমাজৰ একাংশৰ যি সমৰ্থনৰ কথা একাংশ সংবাদসেৱী আৰু বুদ্ধিজীৱীয়ে প্ৰচাৰ কৰিছে আৰু নিজৰ সমৰ্থনকে জনসাধাৰণৰ সমৰ্থন বুলি ক'বলৈ প্ৰয়াস পাইছে, সেইটোও সম্ভৱ হৈছে বন্দুকৰ ভীতিৰ বাবেহে, আদৰ্শৰ প্ৰতি নিষ্ঠাৰ বাবে নহয়।

বৃটিছ সাম্ৰাজ্যবাদ বিৰোধী ভাৰতীয় জাতীয় স্বাধীনতা আন্দোলনে যি গণতান্ত্ৰিক পৰম্পৰা আৰু ঐতিহ্যৰ সৃষ্টি কৰি বিভিন্ন ধৰ্ম আৰু ভাষা-ভাষীৰ লোকৰ মাজত ঐক্য সম্প্ৰীতিৰ ভেটি নিৰ্মাণ কৰি আস্থা আৰু সহনশীলতাৰে স্বাধীনতা আন্দোলনক শক্তিশালী কৰি সাফল্যৰ পিনে অগ্ৰসৰ হোৱাত সহায় কৰিছিল, স্বাধীনতা সংগ্ৰামৰ দৰে এক জটিল আৰু বিপদ সংকুল কাম কৰিবলৈ যাওঁতে আল্‌ফা সেই দিশত বিষম ভাবে বিফল হৈছে। অসমত বসবাসকাৰী বিভিন্ন জনগোষ্ঠী যেনে– বড়ো, ৰাভা, কছাৰী, মিচিং, দেউৰী, কাৰ্বি, তিৱা, আহোম, নেপালী, কোঁচ, কলিতা, ৰাজবংশী, ন-পমুৱা মুছলমান, চাহ বাগিচাৰ জনগোষ্ঠী সমূহৰ বনুৱা সকল, পুৰাতন ভাৰতীয় কৃষ্টি সভ্যতা সংস্কৃতি ঐতিহ্যৰ পৰম্পৰাৰ প্ৰতি অনুগত বৰ্ণহিন্দু সম্প্ৰদায়ৰ এক বৃহৎ ব্যাপক অংশৰ মানুহ স্বাধীন অসমৰ প্ৰতি আস্থাশীলতো নহয়েই, আগ্ৰহীও নহয়।

আমাৰ চুবুৰীয়া ৰাজ্যসমূহৰ ৰাজনৈতিক দৃষ্টিভংগীও এই ক্ষেত্ৰত বিচাৰ্য। অসমক চাৰিওফালৰ পৰা পৰিবেষ্টিত কৰি ৰখা চুবুৰীয়া ভাৰতবৰ্ষৰ অন্যান্য অংগৰাজ্য সমূহৰ যেনে অৰুণাচল প্ৰদেশ, নাগালেন্ড, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰাৰ বাৰ্ষিক আয় তথা ৰাজহৰ পৰিমাণ ৰাজ্য কেইখনৰ বাৰ্ষিক খৰচৰ তুলনাত তেনেই নগণ্য। আৰু সেয়ে বৃহৎ পৰিমাণৰ কেন্দ্ৰীয় সাহায্যৰ প্ৰতি তেওঁলোক সদায় মুখাপেক্ষী। আনহাতে সেই ৰাজ্য কেইখনতেই সৃষ্টি হৈছে অসমীয়া বিৰোধী মানসিকতাক ভিত্তি কৰি, অসমীয়া সকলৰ আগ্ৰাসী ভূমিকা তথা প্ৰভুত্বকাৰী মনোভাৱৰ প্ৰতিবাদ ৰূপে। পাৰ্বত্য জনজাতিসকলৰ মনোভাব এতিয়াও অসমত সমতলৰ অসমীয়া সকলৰ প্ৰতি সহানুভূতিশীল নহয়। কোনো এখন স্বাধীন দেশ বা ৰাষ্ট্ৰই চুবুৰীয়া ৰাজ্য বা দেশৰ চিৰকলীয়া বৈৰিতাৰ সন্মুখীন হৈ জীয়াই থাকিব নোৱাৰে। তাতে আকৌ অসমক ঘেৰি থকা ৰাজ্য সমূহে ভাৰত ৰাষ্ট্ৰৰ পৰা ওলাই আহি স্বাধীন ৰাষ্ট্ৰ গোট ৰূপে প্ৰতিষ্ঠা লাভ কৰাৰো বাস্তৱিক অৱস্থা নাই।

অসম যে পৰাধীন এই কথাষাৰ অসমীয়া মানুহৰ মনৰ কথা নহয়। মুষ্টিমেয় কেইজনমান ব্যৰ্থ ৰাজনীতিকৰ ক্ষোভৰ কথা সৰ্বসাধাৰণ ৰাইজৰ মনৰ ভাষা হব নোৱাৰে। সমগ্ৰ দেশৰ লগতে অসমেও আজি যি স্বাধীনতা আৰু সাৰ্বভৌম অধিকাৰ লাভ কৰি আহিছে তাৰেই আধাৰত বৃটিছ সাম্ৰাজ্যবাদ বিৰোধী স্বাধীনতা আন্দোলনৰ নেতৃত্ব দিয়া ভাৰতীয় বুৰ্জোৱা শ্ৰেণীয়ে আধৰুৱা আৰু অসমাপ্ত কৰি থোৱা গণতন্ত্ৰ আৰু সমাজতন্ত্ৰৰ সংগ্ৰামৰ নেতৃত্ব দিয়াটো সেই সংগ্ৰামৰ অংশীদাৰ হোৱাটোহে সাম্প্ৰতিক ইতিহাস ৰাজনীতিৰ সবাতোকৈ গুৰুত্বপূৰ্ণ দাবী। বিচ্ছিন্নতাবাদী আন্দোলনে প্ৰকৃতাৰ্থত সমাজতন্ত্ৰ আৰু গণতন্ত্ৰৰ সংগ্ৰামৰ পথ অৱৰোধ কৰি বুৰ্জোৱা তথা ৰাষ্ট্ৰীয় স্বৈৰতন্ত্ৰৰ পথ প্ৰশস্ত কৰে। বিচ্ছিন্নতাবাদৰ ধ্বনি দি এঘৰীয়া অকলশৰীয়া হৈ পৰা আল্‌ফাই সমাজতন্ত্ৰৰ বাবে সংগ্ৰামৰ গণতান্ত্ৰিক পথ গ্ৰহণ কৰিলে, নেতৃত্ব লৈ ওলাই আহিলে তেওঁলোকে অসমৰ কিয় সমগ্ৰ ভাৰতবৰ্ষৰে শোষিত নিষ্পেষিত শ্ৰেণীৰ কোটি কোটি লোকৰ সহায় সমৰ্থন লাভ কৰিব। ■

দৃষ্টিভংগী

# অভ্যুত্থানৰ ঘন্টাধ্বনিঃ ঘনচিৰিকাৰ কিৰিলি

মুনীন চৌধুৰী

প্ৰতিবাদে ৰাজপথ পাইছে। প্ৰায়ভাগ চহৰকে স্পৰ্শ কৰিছে। দায়িত্ব কান্ধ পাতি লৈ ওলাই আহিছে 'জনগণৰ' বুদ্ধিজীৱী সকল। সাংবাদিক সকলো বদ্ধপৰিকৰ। ইতিমধ্যে আবেগৰ বান অনাৰ বাবেও দুখনমান কাকতে চেষ্টাৰ ত্ৰুটি কৰা নাই। বয়োজ্যেষ্ঠ সাংবাদিক এগৰাকীয়ে প্ৰথমে 'খেল আৰম্ভ হোৱা' বুলি অনুমান কৰিছিল। এতিয়া 'গণ অভ্যুত্থানৰ ঘন্টাধ্বনি' বজা বুলি কৈছে। কথাবোৰ কিমান ভালৰ বাবে, কিমান কালৰ বাবে সেয়া নিৰূপণ কৰিব সময়ে। সময়ৰ কাঠগড়াত সকলোৱে থিয় হ'বই লাগিব। ইতিমধ্যে বহুতক থিয় হৈ দন্ড গ্ৰহণ কৰাও দেখিছো।

গণতান্ত্ৰিক অধিকাৰৰ সুৰক্ষা লাগে। মানৱীয় প্ৰমূল্য অক্ষত হৈ থাকিব লাগে সাধাৰণ মানুহৰ জীৱন যাত্ৰাক – দৈনন্দিনতাক অথৰ্ব কৰিবলৈ মিলিটাৰী আনিব নালাগে। বা এই জাতীয় 'সন্ত্ৰাসৰ' বিৰুদ্ধে প্ৰত্যেকে জাঙুৰ খাই উঠিব লাগে। এনেধৰণৰ কথাবোৰ মিছা বুলি কোৱাৰ সামৰ্থ্য আমাৰ নাই। একেদৰে কিন্তু এই কথাটোও সত্য বুলি ধাৰণা হয় – যে আজিৰ পৃথিৱীত প্ৰত্যেকৰে ভিন্ন মতাদৰ্শত বিশ্বাস কৰাৰ অধিকাৰ আছে। সি হয়তো হিটলাৰীয় হ'ব পাৰে বা বৌদ্ধীয় মতাদৰ্শও হ'ব পাৰে। আমাৰ ধাৰণাটো একেবাৰে দলিয়াই দিব পৰা বিধৰ নহয় বোধহয়।

অলপতে ৰাষ্ট্ৰসংঘকো অসমৰ শেহতীয়া বতৰাবোৰ জনোৱা হ'ল। ইতিমধ্যে আন্তৰ্জাতিক অন্যান্য মঞ্চ সমূহতো জোৰদাৰ প্ৰচাৰ চলোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰা দেখা গৈছে।

আজিৰ পটভূমিত দকৈ ভাবিবলগীয়া কথা কিছুমানত কম গুৰুত্ব দিয়া যেন অনুভৱ হৈছে। কথাবোৰ দকৈ নাভাবিলে '৮৪ চনত অসম আন্দোলনৰ নেতৃত্বৰ দি দুৰ্দশা হৈছিল তাৰ পুনৰাবৃত্তি হোৱাৰ সম্ভাৱনা আছে। অসম-প্ৰেমী বুদ্ধিজীৱী বা ডেকা লেখক সকলৰ চিন্তা টুলুঙা বুলি আমি কব খোজা নাই। মাত্ৰ ভবা কথাবোৰহে কৈছো। তেওঁলোকে 'তাত্ত্বিক' দৃষ্টিভংগী ললেই হ'ল।

অসমৰ মানুহৰ চিন্তাৰ পৰিধি আৰু অসমীয়া মানুহৰ চিন্তাৰ পৰিধি আজিৰ পটভূমিত একে অৰ্থত ব্যৱহাৰ কৰা নাযায় বুলি আমাৰ ধাৰণা। ক্ষোভৰ বহিৰ্প্ৰকাশৰ ক্ষেত্ৰতো মূল সুঁতিৰ অসমীয়াৰ লগত 'উপসুঁতি'ৰ মানুহবোৰৰ তফাৎ বিদ্যমান বুলিয়েই ভাবো। যোৱা অৰ্ধ শতাব্দী ধৰি, বিপদত নপৰিলে এই 'উপসুঁতি'ৰ মানুহৰ কথা কোৱা-ভবাৰ নজিৰো দেখা নাযায়।

৫১ লাখৰো অধিক জনসংখ্যাৰে ব্যপ্ত ইছলাম সমাজৰ কথাটো লোৱা যাওক। ১৯৮৩ চনৰ ১৯ ফেব্ৰুৱাৰী তাৰিখে নেলীত এই শতিকাৰ সৰ্ববৃহৎ হত্যাকান্ডটো সংঘটিত হৈছিল। চৰকাৰী হিচাপ মতে তিনি হেজাৰ আৰু বেচৰকাৰী হিচাপ মতে সাত হেজাৰ ইছলাম ধৰ্মী লোকক কটা হ'ল। এই মানুহবোৰ কোনো 'ভাৰতীয় ৰাষ্ট্ৰ'ৰ মানুহে কাটিব অহা নাছিল। হোমেন বৰগোহাঞিদেৱৰ এষাৰ বাক্য মনত আছে 'সিদিনা কিয় অসমীয়া সকলে বীৰত্বৰ চৰম বৰ্বৰতা দেখুৱালে নিৰীহ, নিৰস্ত্ৰ সংখ্যালঘু সম্প্ৰদায়ৰ হেজাৰ হেজাৰ শিশু, বৃদ্ধা নাৰী আৰু বৃদ্ধক নৃশংসভাবে অত্যাচাৰ কৰি। তাতকৈও ডাঙৰ কথা, কিয় সিদিনা সমগ্ৰ

অসমীয়া সমাজে এই নৰমেধ যজ্ঞৰ দৰে মহাপাপৰ বিৰুদ্ধে গৰ্জি নুঠিল।' – এতিয়া এই ইছলাম সমাজখনক মূল সুঁতিৰ অসমীয়া সমাজে মানৱতাবাদ ৰক্ষাৰ বাবে মাৰ বান্ধিবলৈ কলেই অতীত হ'ব ধৰা কথাবোৰে বুকুত আকৌ গাজনি নুতুলিবনে? লক্ষীমপুৰ জিলা 'বড়ো ছাত্ৰ সংস্থা'ই গণপৰিষদ চৰকাৰৰ দিনতে প্ৰকাশ কৰা প্ৰচাৰ পত্ৰ আমাৰ হাতত আছে। তেওঁলোকে লিখিছে – "Evidently to malign ABSU's movement, Assamese Govt. Administration, Police Force, AASU, AJYCP and AGP supporters are conspiring to wage a civil war against the Bodos and commit large scale massacre and genocide of Bodos. The incident of Guhpur and Simaluguri had proven the State Govt. brutel attitude towards the Bodos." প্ৰচাৰ পত্ৰখনতো আমাৰ হাততেই পৰা নাই। বড়ো জনগোষ্ঠীৰ হাতেই ঘাইকৈ পৰিছে। আৰু মূল সুঁতিৰ অসমীয়া সকলৰ নাম কেনেদৰে উল্লেখ কৰিছে দেখিছেনে? অৰ্থ এই বুলি নাভাবিব, যে তেওঁলোকে আজি 'পৰিবৰ্তনকামী জনগণ'ৰ আশা-আকাংক্ষাৰ অন্যতম কৰ্ণধাৰ হ'ব খোজা হেতুকে আমি বদনামী কৰিব খুজিছো। উদ্ধৃতিটোত যদি বিতৃষ্ণা আছে সেয়া তেওঁলোকৰহে। আমাৰ কথা হ'ল 'আত্ম নিয়ন্ত্ৰণৰ বাবে আৰম্ভ হোৱা এই সংগ্ৰামক আমি দৃঢ়ভাবে সমৰ্থন কৰো আৰু নিজকে অংশীদাৰ বুলি দাবী কৰো' বুলি স্পষ্টভাবে কোৱা বুদ্ধিজীৱী সকলে এই বিতৃষ্ণা উপশমৰ বাবেও দৰৱ জাতি দিব লাগে।

মিছিং সকলৰ কথালৈ আহক। মিছিং সমাজৰ মধ্যবিত্ত শ্ৰেণীটো বা উচ্চ শিক্ষিত সমাজখনৰ এনে এগৰাকী লোক নাই যি অসমীয়া ভাষাটো নাজানে। '৭৪ চনত বড়ো সকলে কৰাৰ দৰে তীব্ৰতৰ আন্দোলনো এওঁলোকে কৰা নাই। অথচ তেওঁলোকে যেতিয়া লিপি গ্ৰহণ কৰিবলগীয়া হ'ল – তেতিয়া বিচাৰি পালে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ ৰোমান লিপিকহে। (তেওঁলোকে ৰোমান লিপিৰ সোতৰটা বৰ্ণ লৈছে।) এই কেণাটোৰ উঁহ ক'ত বিচৰা নাযায়নে?

Tribe শব্দৰ অভিধানিক অৰ্থটো চাওক। মূল সুঁতিৰ অসমীয়া সমাজৰ লগত প্ৰায়বোৰ ক্ষেত্ৰতে একীভূত হোৱা কোচ-ৰাজবংশী সকলে আজি নিজকে Scheduled Tribe বুলি স্বীকৃতি দিয়াৰ দাবী তুলিছে। ভাষাৰ স্বীকৃতিৰ দাবীত যোৱা কিছুদিন ধৰি বন্ধ পৰিকৰ হৈ লাগি আছে দেউৰী, তিৱা আদি জনগোষ্ঠী সমূহে। তেওঁলোকে বা কি লিপি গ্ৰহণ কৰিব খোজে? 'ভাৰতীয় ৰাষ্ট্ৰ'ৰ বিৰুদ্ধে 'গণ অভ্যুত্থান' হোৱাত আমাৰ বাৰু আপত্তি নাই বুলি কলো। পিছে 'লোণ নোহোৱাকৈ থেকেৰা ভাতত দিলে' খোৱাটো দুৰূহ। মানৱীয় দৃষ্টিভংগীৰে আমি এই 'ইতৰ' জাতৰ মানুহবোৰক নেচাওঁ বুলি তেওঁলোকৰ এটা ঠেহ আছে। অসমীয়া সমাজৰ নেতৃস্থানীয় অংশটোৱে তেওঁলোকৰ বেলিকা 'বান্দৰে পিঠা ভগোৱা খেলখন' বহুদিন ধৰি খেলি থকা বুলি অভিযোগবোৰ উঠিছে অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ তথ্যবোৰ পঢ়ি। অথচ অসমৰ জনজাতীয় জনগোষ্ঠী সমূহৰ মাজত জনজাতীয় জীৱন প্ৰণালীৰ অৱশিষ্টহে আছে। তেওঁলোক সম্পূৰ্ণ অৰ্থত জনজাতি বা Tribe হৈ নাই। তৎসত্ত্বেও ক্ষোভ। ক্ষোভৰ বিস্ফোৰণো ঘটিছে। গণ অভ্যুত্থান সফল কৰিব লাগিলে এই নৃগোষ্ঠীবোৰ জানো আমাৰ লগত থাকিব নেলাগিব? এন এছ ছি এন, পি এল এ যাৰে সাযুজ্যত নহওক কিয় কামফেৰা ততালিকে কৰিব লাগে। 'আত্মনিয়ন্ত্ৰণ প্ৰাপ্তিৰ পিছত' জাতীয় সম্পাদকীয়বোৰত এইবোৰ কথা লিখা নাই বাবেহে লিখিলো। আমাৰ ধাৰণা চহৰ বা আধা চহৰবোৰত বা লক্ষীৰাম বৰুৱা সদনত (কেইশমান মানুহে) বজ্ৰমুঠি মাৰিলেইতো কাম নিসিজে। হাজাৰ হওক অসমৰ মানুহ এচামক নিলগত ৰাখিলে স্বাধীন অসমৰ বাসিন্দা বুলিবলৈ কি থাকিব? তেওঁলোকৰ কোনো কোনোৰ সমৰ্থন ভিক্ষাৰীৰ দৰে খুজিব লাগিবও পাৰে। অন্ততঃ যি সকলৰ তেজ অসমীয়া মানুহৰ গাত আজিও লাগি আছে। আমি কোৱা কথাবোৰৰ অৰ্থ সম্ভৱত অস্পষ্ট হৈ থকা নাই। যোৱা পহিলা নৱেম্বৰত কোকৰাঝাৰ পুনৰ গৰম হৈছে। আৰু কেতিয়া ক'ত গৰম হয় ঠিক নাই। ইয়াৰ এক উচিত মীমাংসা নোহোৱা পৰ্যন্ত আজিৰ অসমীয়া মানুহৰ আকাংক্ষাৰ সতে অসমৰ মানুহৰ আকাংক্ষাক সাঙোৰা অসম্ভৱ কথা। '৮৪ চনত আছুৰ দুৰ্যোগৰ ফলত আটাইতকৈ বেছি হাৰাশাস্তি হৈছিল এখন দৈনিক কাকতৰ সম্পাদকজন। এইবাৰ এনেকুৱা সম্পাদকবোৰেই ৰাজপথৰো নেতা। এওঁলোকৰ দুৰ্যোগ আমি নিবিচাৰো।

আমাৰ মনৰ কথাখিনি লিখি থকা সময়ত এটা ভুল ধাৰণা সোমাইছিল। সেয়া হ'ল ৮ নৱেম্বৰৰ প্ৰতিবাদকাৰী সকলোকে আমি 'ভাৰতীয় ৰাষ্ট্ৰৰ বিৰুদ্ধে গণ অভ্যুত্থানকাৰী' বুলি ভাবিছিলো। পিছে কথাষাৰ সঁচা নহয়। তাজ্জব কাৰবাৰ – একেলগে বিদ্ৰোহ ঘোষণা কৰে, ৰাজপথ পায়, পুলিচৰ সন্মুখীন হয় অথচ এটা ফৈদে পূবলৈ গ'লে আনটোৱে পশ্চিমলৈ যায়। অসমীয়া মানুহ সঁচাই বিচিত্ৰৰ। প্ৰতিবাদী সমদলত ভাগ লোৱা আৰু বিজয়া দশমী বা ৰাস চাবলৈ যোৱা একে কথানে? চাওক, সন্মিলিত সংগ্ৰাম সমিতিয়ে কৈছে – 'আলোচনাৰ জৰিয়তে অসমৰ জ্বলন্ত সমস্যাসমূহ কেন্দ্ৰীয় চৰকাৰে পোনপটীয়াকৈ ৰাজনৈতিকভাবে সমাধান কৰক।' বুজা যায়, তেওঁলোকে (১) অভ্যুত্থান নিবিচাৰে, (২) স্বাধীন অসমো নেলাগে, (৩) ইয়াত ঔপনিবেশিক শোষণ জাতীয় উষ্মাও নাই। তেওঁলোকে অইন এক প্ৰস্তাৱ যোগে দাবী কৰিছে 'হিংসাবৰ্জিত পৰিবেশৰ'। উত্তম কথা। দ্বিতীয় ফৈদটোৰ নেতৃত্বত আছে সাহিত্যিক, সাংবাদিক, বুদ্ধিজীৱী। তেওঁলোকে পাঁচোটা প্ৰস্তাবৰ প্ৰতিটোতে ভাৰতীয় ৰাষ্ট্ৰৰ বিৰুদ্ধে উষ্মা প্ৰকাশ কৰিছে। প্ৰথম ফৈদৰ 'হিংসাবৰ্জিত পৰিবেশৰ' দাবীয়ে আল্ফা তথা ৰাষ্ট্ৰযন্ত্ৰ উভয়কে অস্পষ্টভাবে জগৰীয়া কৰিছে আৰু আনটো ফৈদে আল্ফাক প্ৰকাৰান্তৰে পৰিবৰ্তনকামী জনগণ বুলি কৈছে। আল্ফাক বেআইনী বুলি ঘোষণা কৰাতো এওঁলোক ক্ষুব্ধ। কলিকতীয়া বিপ্লৱীয়ে আলোচনা অনৰ্থক বুলি কৈছে বাবে বুদ্ধিজীৱী সকলৰ প্ৰস্তাৱতো আলোচনাৰ স্থান নাই। (পৰৱৰ্তী সময়ত উক্ত সমিতিৰ অন্যতম কৰ্ণধাৰ বাতৰি কাকতৰ সম্পাদক এগৰাকীয়ে আলোচনাৰ পক্ষপাতী অংশক ভৰ্ৎসনাও কৰিছে।) তথাপিও ঐক্য? এনেকুৱা ঐক্যও সম্ভৱ? এই বৈপৰীত্যৰ ঐক্য বুজিবলৈ কাৰ ওচৰ চাপিম? দেশপ্ৰেমৰ এই তাজ্জব কাণ্ডবোৰ বয়োজ্যেষ্ঠ সাংবাদিকজনে দেখা নাইনে?

তথাপিও কৈছো – গণ অভ্যুত্থান হওক। ঘন্টাৰ শব্দ অকল অসমীয়া মানুহে শুনিলেই নহ'ব। মেলেছৰ পৰা ইতৰলৈ প্ৰত্যেকেই শুনাকৈ বজাওক। মাত্ৰ এটাই অনুৰোধ, অভ্যুত্থানৰ ঘন্টাধ্বনি যেন ঘনচিৰিকাৰ কিৰিলিলৈ ৰূপান্তৰ নহয়। ■





ৰাজনীতি

# লি পেঙৰ ভাৰত ভ্ৰমণে নতুন দিশৰ উন্মোচন কৰিব

হিতেন মহন্ত

চীন দেশৰ প্ৰধান মন্ত্ৰী লি পেং এই প্ৰবন্ধ লিখাৰ সময়তে ভাৰতত ভৰি দিছেহি। সুদীৰ্ঘ ৩১ বছৰৰ মূৰত চীন দেশৰ প্ৰধান মন্ত্ৰী এজনৰ ভাৰত ভ্ৰমণ নিঃসন্দেহে বিশ্বৰ ৰাজনীতিত এক যুগান্তকাৰী ঘটনা। কিয়নো ১৯৬২ চনৰ অক্টোবৰত চীন দেশে ভাৰত আক্ৰমণ কৰাৰ পিছৰে পৰা দুয়োখন দেশৰ মাজত কেইবা যুগ ধৰি চলি থকা মৈত্ৰীৰ বান্ধোন ছিঙি গৈছিল। বিগত ৩0 বছৰে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক উত্তেজনা, পাৰস্পৰিক অবিশ্বাস আৰু তিক্ততাৰে অতিবাহিত হৈছিল। এফালে ভাৰত-ছোভিয়েত মৈত্ৰী আৰু আনফালে চীন-পাকিস্তানৰ মিত্ৰতা স্থাপনে যোৱা ৩0 বছৰে দক্ষিণ-পূব এছিয়াৰ ৰাজনীতিত প্ৰাধান্য বিস্তাৰ কৰিছিল।

চীন দেশৰ সৈতে (যাক্ ১৯৪৯ চনৰ পিছত ৰঙাচীন বুলিও কোৱা হয়) ১৯৫৯ চন পৰ্যন্ত ভাৰতৰ সম্পৰ্ক অতি মধুৰ আছিল। ১৯৪৯ চনত চীন দেশত প্ৰয়াত কমিউনিষ্ট নেতা মাও জে দুঙৰ নেতৃত্বত সাম্যবাদী চৰকাৰে শাসনভাৰ লোৱাৰ লগে লগে নতুন শাসকগোষ্ঠীক ভাৰতে স্বীকৃতি প্ৰদান কৰিছিল। আনকি ভাৰতে চীন দেশক ৰাষ্ট্ৰসংঘৰ সদস্য অন্তৰ্ভুক্ত কৰাৰ সপক্ষে মাত মাতিছিল। ১৯৫৩ চনত চীন দেশে তিব্বত অধিগ্ৰহণ কৰাৰ সময়তো ভাৰতে বিশেষ আপত্তি কৰা নাছিল আৰু ১৯৫৪ চনত চীন দেশৰ সৈতে তিব্বতী বাণিজ্য চুক্তি সম্পাদন কৰিছিল। দুয়োদেশে পঞ্চশিলা অৰ্থাৎ পাঁচটা আন্তৰ্জাতিক নীতি মানি চলাৰ বাবে অংগীকাৰবদ্ধ হৈছিল। এই পাঁচটা নীতি হ'ল – এখন দেশে আন দেশৰ ভৌগোলিক সীমা আৰু সাৰ্বভৌমত্বৰ প্ৰতি সন্মান প্ৰদৰ্শন, আক্ৰমণৰ পৰা বিৰত, আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰা, সমতা আৰু পাৰস্পৰিক লাভ আৰু শান্তিপূৰ্ণভাবে সহঅৱস্থান।

কিন্তু ১৯৫৯ চনৰ অভ্যুত্থানত তিব্বতৰ ধৰ্মীয় নেতা দালাই লামাক ভাৰতত আশ্ৰয় লবলৈ অনুমতি দিয়াৰ লগে লগে চীন আৰু ভাৰতৰ মাজৰ সম্পৰ্কত উত্তেজনাৰ সৃষ্টি হয়। দালাই লামাক আশ্ৰয় গ্ৰহণ কৰিবলৈ দিয়াটো চীন দেশে সহজ ভাবে ল'ব নোৱাৰিলে। আচলতে চীন দেশ আৰু ভাৰতৰ মাজৰ সম্পৰ্কত ঘুনে ধৰাৰ এয়েই হ'ল আৰম্ভণি। অৱশ্যে ১৯৬0 চনত তেতিয়াৰ চীন দেশৰ প্ৰধান মন্ত্ৰী চৌ এন লায়ে ভাৰত ভ্ৰমণলৈ আহিছিল। সেয়ে হলেও ১৯৬২ চনৰ অক্টোবৰত চীন দেশে অতৰ্কিতে ভাৰত আক্ৰমণ কৰে। চীন দেশৰ এই অতৰ্কিত আক্ৰমণক ভাৰতে বাধা দিব পৰা নাছিল আৰু চীনৰ সৈন্য ভাৰতৰ সীমাৰ ভিতৰত বহুদূৰলৈ সোমাই আহিছিল। অৱশ্যে কিছুদিনৰ পিছতে অৰ্থাৎ ডিচেম্বৰত চীন দেশে তেওঁলোকৰ



ৰাষ্ট্ৰপতি ভৱনত চীন দেশৰ প্ৰধান মন্ত্ৰী লি পেঙক সম্ভাষণ জনাইছে ভাৰতৰ প্ৰধান মন্ত্ৰী পি ভি নৰসিংহ ৰাও এ।

সৈন্যবাহিনী নিজ ইচ্ছাৰে ভাৰতৰ মাটিৰ পৰা উঠাই লৈ যায়। সেয়ে হলেও চীন আৰু ভাৰতৰ সীমা নিৰ্ধাৰণ কৰা মেকমোহন লাইন চীনে মানি চলিবলৈ অস্বীকাৰ কৰে। তেতিয়াৰ পৰা চীন আৰু ভাৰতৰ মাজত মৈত্ৰী বান্ধোনৰ পৰিবৰ্তে সংঘৰ্ষৰ ৰাজনীতিয়ে গা কৰি উঠে।

ভাৰতৰ সৈতে সম্পৰ্ক বেয়া হোৱাৰ পিছতেই চীন দেশে চুবুৰীয়া দেশ পাকিস্তানৰ সৈতে মধুৰ সম্পৰ্ক স্থাপনৰ পাতনি মেলে। ১৯৬৩ চনত চীন দেশে পাকিস্তানৰ সৈতে সীমান্ত চুক্তি সম্পাদন কৰে। এই চুক্তি অনুসৰি পৰস্পৰে ভূমি হস্তান্তৰ কৰে আৰু স্থল পথেদি যোগাযোগ স্থাপনৰ বাট মুকলি কৰে। আচলতে ভাৰত বিৰোধী মনোভাবৰ বাবেই চীন আৰু পাকিস্তানৰ মাজত বন্ধুত্ব গাঢ় হৈ উঠে। ভাৰতৰ বিৰুদ্ধে পাকিস্তানকেই আটাইতকৈ বিশ্বাসী মিত্ৰ হিচাপে চীনে গণ্য কৰে। এই সন্দৰ্ভতে প্ৰখ্যাত ৰাজনৈতিক সমীক্ষক অধ্যাপক টইঁবিয়ে মন্তব্য কৰিছিল এই দৰে 'চীন আৰু পাকিস্তানৰ উমৈহতীয়া স্বাৰ্থটো হ'ল জাতীয় স্বাৰ্থ। দুয়োখন দেশৰ উমৈহতীয়া শত্ৰু হ'ল ভাৰত।' ইয়াৰ উপৰিও আমেৰিকা যুক্তৰাষ্ট্ৰত জন ফিটজাৰেল্ড কেনেডী শাসন ক্ষমতালৈ অহাৰ বিষয়টোৱেও চীন আৰু পাকিস্তানক মিত্ৰতা স্থাপনৰ বাবে ওচৰ চপাই আনিছিল। কিয়নো কেনেডীয়ে ভাৰতক অৰ্থনৈতিক অ্যাৰু সামৰিক সাহায্য দিবলৈ সিদ্ধান্ত কৰিছিল। ফলস্বৰূপে চীনে পাকিস্তানক এনেদৰে সমৰ্থন কৰিবলৈ আগবাঢ়ি আহিল যে আনকি কাশ্মীৰৰ দৰে ভাৰতৰ আভ্যন্তৰীণ সমস্যাৰ ক্ষেত্ৰতো চীনে মাত মাতিবলৈ ধৰিলে। ১৯৬৪ চনত চীনে খোলাখুলিকৈ ঘোষণা কৰিলে যে কাশ্মীৰৰ সমস্যাক কাশ্মীৰৰ জনসাধাৰণক সমাধান কৰিবলৈ দিয়া উচিত। অৰ্থাৎ প্ৰকাৰান্তৰে চীনে কাশ্মীৰ পাকিস্তানৰ সৈতে চামিল হোৱাটো বিচাৰিলে। ১৯৬৫ চনত ভাৰত আৰু পাকিস্তানৰ যুদ্ধৰ সময়ত চীনে পাকিস্তানৰ প্ৰতি অকুণ্ঠ সমৰ্থন জনাইছিল। সেই দৰে ১৯৭১ চনত ভাৰত আৰু পাকিস্তানৰ যুদ্ধৰ সময়তো চীনে পাকিস্তানক সম্পূৰ্ণ সহায় আৰু সমৰ্থন আগবঢ়াইছিল।

সি যি কি নহওক ১৯৭৭ চনত কেন্দ্ৰত জনতা পাৰ্টি শাসন ক্ষমতালৈ অহাৰ পিছৰে পৰা জনতা পাৰ্টিৰ চৰকাৰে চীনৰ সৈতে পুনৰ স্বাভাৱিক সম্পৰ্ক স্থাপন কৰিবলৈ চেষ্টা চলায়। এই উদ্দেশ্যে তেতিয়াৰ বৈদেশিক মন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে চীন দেশ ভ্ৰমণো কৰে। ইয়াৰ পিছৰে পৰা দুয়োখন দেশৰ মাজত সম্পৰ্ক স্থাপনৰ উদ্দেশ্যে মাজে সময়ে কূটনৈতিক পৰ্যায়ত আলোচনা-বিলোচনা হোৱাৰ লগতে সাংস্কৃতিক আদান-প্ৰদানো আৰম্ভ হয়। অৱশ্যে স্বাভাৱিক সম্পৰ্ক স্থাপনৰ বাবে শীৰ্ষ পৰ্যায়ত গুৰুত্বপূৰ্ণ আলোচনা হোৱা নাই।

কিন্তু ১৯৮৮ চনত প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে চীন দেশলৈ যায়। প্ৰায় তিনিটা দশক ধৰি দুয়োখন দেশৰ মাজত বৈৰী মনোভাব চলি থকাৰ পিছত এখন দেশৰ প্ৰধান মন্ত্ৰী এজনে পোনপ্ৰথম বাৰৰ বাবে আনখন দেশলৈ যায়। দুয়োখন দেশৰ মাজত স্বাভাৱিক সম্পৰ্ক স্থাপনৰ উদ্দেশ্যে আচলতে ৰাজীৱ গান্ধীয়ে আধাৰশিলা স্থাপন কৰিছিল বুলি ক'ব পাৰি। আনকি চীনৰ প্ৰধান মন্ত্ৰী লি পেঙেও এতিয়া স্বীকাৰ কৰিছে যে ১৯৮৮ চনৰ ৰাজীৱ গান্ধীৰ ভ্ৰমণে দুয়োখন দেশৰ মাজত সম্পৰ্ক স্থাপনৰ মাজত থকা প্ৰাচীৰ ভাঙি পেলায়। তেতিয়াৰ পৰা চীনে ভাৰতক সন্দেহৰ চকুৰে চাবলৈ এৰি বন্ধুৰ দৃষ্টিৰে চাবলৈ আৰম্ভ কৰে। অৱশ্যে এই ক্ষেত্ৰত ভাৰতৰ কমিউনিষ্ট পাৰ্টি আৰু ভাৰতৰ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টি এই ৰাজনৈতিক দল দুটাৰ ভূমিকাও নথকা নহয়। এই ৰাজনৈতিক দল দুটাৰ প্ৰতিনিধি দলে মাজে সময়ে চীন দেশ ভ্ৰমণ কৰি ভাৰতৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপন কৰাৰ বাবে চীনৰ নেতৃবৰ্গৰ ওচৰত হেঁচা প্ৰয়োগ কৰি আহিছে।

আনহাতে বিশ্বৰ পৰিৱৰ্তিত ৰাজনীতি বিশেষকৈ ছোভিয়েত ৰাছিয়া আৰু পূৰ্ব-ইউৰোপৰ কমিউনিষ্ট দেশ সমূহত সম্প্ৰতি হোৱা পৰিবৰ্তনে ভাৰতৰ সৈতে মধুৰ সম্পৰ্ক স্থাপন কৰিবলৈও চীনৰ নেতৃবৰ্গক এক প্ৰকাৰ বাধ্য কৰাইছে বুলি ক'ব পাৰি। চীনৰ নেতৃবৰ্গই এতিয়া নিশ্চয় উপলব্ধি কৰিছে যে চীন আৰু ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰে সংঘৰ্ষৰ নীতি পৰিহাৰ কৰি বন্ধুত্বপূৰ্ণ মনোভাবেৰে কাম কৰি গলেহে দুয়োখন দেশৰ জনসাধাৰণ উপকৃত হ'ব।

চীনৰ প্ৰধান মন্ত্ৰী লি পেঙৰ এই ভ্ৰমণৰ ফলত ভাৰত আৰু চীন দেশৰ মাজৰ সম্পৰ্ক স্বাভাৱিব কৰাৰ লগে লগে কেইটামান নতুন দিশৰ উন্মোচন হ'ব। ভাৰতৰ সৈতে চীন দেশৰ সম্পৰ্ক স্বাভাৱিক হৈ উঠাৰ লগে লগে পাকিস্তানে ভাৰতৰ প্ৰতি থকা মনোভাব কিছু পৰিমাণে হলেও সলনি কৰিব লাগিব। অন্ততঃ পাকিস্তানে ভাৰতৰ বিৰুদ্ধে ইমানদিনে দেখুৱাই অহা যুদ্ধং দেহি মনোভাব কিছু পৰিমাণে হলেও সংযত কৰিব লাগিব। কিয়নো এইটো অপ্ৰিয় হলেও সত্য যে চীনৰ পৰা পাই থকা সহায় আৰু অকুণ্ঠ সমৰ্থনৰ বাবেই পাকিস্তানে ভাৰতৰ বিৰুদ্ধে যুদ্ধং দেহি মনোভাব প্ৰদৰ্শন কৰি আহিছিল। অৱশ্যে ছোভিয়েত ৰাছিয়াই ভাৰতৰ সৈতে চীনৰ সম্পৰ্ক স্থাপনৰ বিষয়টো কেনেদৰে গ্ৰহণ কৰে, সেই বিষয়টোৰ ওপৰতো ভাৰত-পাকিস্তানৰ সম্পৰ্ক নিৰ্ভৰ কৰিব। সেয়ে হলেও ভাৰতৰ বিৰুদ্ধে পাকিস্তানৰ নেতৃবৃন্দই সুৰ সলনি কৰিবই লাগিব। এইটোৱে দক্ষিণ-পূব এছিয়াৰ ৰাজনীতি সলনি কৰাৰ লগতে অঞ্চলটোত স্থায়ী শান্তি স্থাপনৰ বাট মুকলি কৰাৰ সম্ভাৱনা আছে। ভাৰত আৰু চীনৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপনৰ বিষয়টো প্ৰধান মন্ত্ৰী লি পেঙৰ দৃষ্টিভংগীৰ ওপৰত বাৰুকৈয়ে নিৰ্ভৰ কৰিছে। কিয়নো লি পেঙ কঠোৰ পন্থী বুলি জনাজাত। চীনত টিয়ানমেন স্কোৱাৰৰ ছাত্ৰ বিদ্ৰোহ তেওঁৱেই কঠোৰ হাতেৰে দমন কৰিছিল। তেওঁ যে কথা কোৱা মতে কাম কৰিব সেইটো ধ্ৰুৱ।

দ্বিতীয় দিশটো হ'ল এয়ে যে চীন আৰু ভাৰতৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপনে ভাৰতত চলি থকা সন্ত্ৰাসবাদ কিছু পৰিমাণে হলেও দুৰ্বল কৰিব আৰু সন্ত্ৰাসবাদ নিৰ্মূল কৰাত ভাৰত চৰকাৰ পূৰ্বতকৈ কিছু শক্তিশালী হ'ব। কিয়নো এইটো এতিয়া সকলোৰে জনাজাত যে পাঞ্জাব আৰু কাশ্মীৰৰ উগ্ৰপন্থী সকলক পাকিস্তানৰ চৰকাৰে প্ৰত্যক্ষভাবে সহায় সহযোগ আগবঢ়াই আহিছে। পাঞ্জাব আৰু কাশ্মীৰৰ উগ্ৰপন্থী সকলে ব্যৱহাৰ কৰা অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰবোৰ সৰহ ভাগেই চীনত নিৰ্মিত। কিন্তু ভাৰতৰ সৈতে চীনৰ সম্পৰ্ক স্থাপন হলে স্বাভাৱিকতেই পাকিস্তানে পূৰ্বৰ দৰে পাঞ্জাব আৰু কাশ্মীৰৰ উগ্ৰপন্থী সকলক সহায় সহযোগ আগবঢ়োৱাৰ ক্ষেত্ৰত বাধা আহিব।

আনহাতে এইটোও কোৱা হয় যে উত্তৰ-পূৰ্বাঞ্চলৰ এন এছ চি এন, পি এল এ আদি উগ্ৰপন্থী সংগঠন কেইটাই চীনৰ পৰা অস্ত্ৰ-শস্ত্ৰ পাই আহিছে। চীন দেশৰ সৈতে মধুৰ সম্পৰ্ক স্থাপন হোৱাৰ লগে লগে ভাৰত চৰকাৰে নিশ্চয় এই বিষয়টোও চীন চৰকাৰৰ দৃষ্টি গোচৰ কৰিব। ফলস্বৰূপে উত্তৰ পূৰ্বাঞ্চলৰ এই উগ্ৰপন্থী সংগঠন কেইটাই এতিয়াৰে পৰা চীন দেশৰ পৰা অস্ত্ৰশস্ত্ৰ পোৱাটো কঠিন হ'ব। এইবোৰ দিশে ভাৰতৰ আভ্যন্তৰীণ ৰাজনীতিত পৰিবৰ্তন অনাৰো ইংগিত বহণ কৰিছে। ■





# আল্ফাঃ আন্তৰ্জাতিক চক্ৰৰ হাতৰ পুতলা?

গীতাৰ্থ পাঠক

এতিয়া ভাৰতবৰ্ষৰ তিনিখন ৰাজ্য সন্ত্ৰাসবাদক লৈ ব্যস্ত। ইয়াৰ ভিতৰত অসমো এখন। যি সময়ত এই ৰাজ্যসমূহৰ জনসাধাৰণে সন্ত্ৰাসবাদত বাদে আন কথা ভাবিব পৰা নাই সেই সময়ত বিশ্ব বেংকে ভাৰতবৰ্ষক হেঁচা দিছে যে ভাৰতে খাদ্য শস্যৰ উৎপাদন বৃদ্ধি কমাব লাগে, ভাৰতীয় খাদ্য নিগমৰ কাম-কাজ সংকুচিত কৰিব লাগে, খোৱা তেলৰ উৎপাদন কমাই পশ্চিমীয়া দেশৰ পৰা তেল কিনিব লাগে, সাৰৰ ওপৰত দিয়া ৰেহাই কৃষকক দিব নালাগে। মুঠতে বিশ্ব বেংকে ভাৰতবৰ্ষক সাহায্য আগবঢ়োৱাৰ প্ৰধান চৰ্ত দিছে যে ভাৰতে খাদ্য শস্যত স্বাৱলম্বী হোৱাটো এৰি দি পশ্চিমীয়া দেশৰ ওপৰত নিৰ্ভৰশীল হওক। ইতিমধ্যে আই, এম, এফে ভাৰতক ঋণ ধাৰ্য কৰাৰ বাবে কেতবোৰ নীতি নিৰ্দেশনা দিছিল, যিবোৰৰ ভালেমান ভাৰতে মানি লৈছে, তাৰ পিছতহে আই, এম, এফে ভাৰতক কিছু পৰিমাণে ঋণ দিবলৈ আগবাঢ়িছে। নক'লেও হব যে আই, এম, এফে দিয়া চৰ্তবোৰৰ উদ্দেশ্য হ'ল ভাৰতৰ বজাৰত বহুজাতিক নিগম সমূহৰ পুঁজি বিনা বাধাই বিনিয়োগৰ সুবিধা কৰা আৰু নানা প্ৰকাৰে দেশখনৰ অৰ্থনৈতিক স্বাধীনতা পশ্চিমীয়া দেশসমূহৰ ওপৰত নিৰ্ভৰ কৰোৱা। খাদ্য শস্যৰ ওপৰত ছোভিয়েত ইউনিয়নে ক্ৰমাগতভাবে স্বাৱলম্বিতা হেৰুৱাই এনে এটি অৱস্থা পাইছিল যে দেশৰ জনসাধাৰণ ক্ষমতাশীল কমিউনিষ্ট শাসকসকলৰ ওপৰত বিতুষ্ট হৈ উঠিছিল। বিশ্ববেংকে ভাৰতবৰ্ষৰ খাদ্য উৎপাদন ব্যৱস্থা ধ্বংস কৰাৰ বাবে যিবোৰ পৰামৰ্শ দিছে তাৰ উদ্দেশ্যও কিন্তু একেই।

যেতিয়া দেশ এনে এক ভয়াবহ অৱস্থাৰ সন্মুখীন তেতিয়া ভাৰতবৰ্ষৰ তিনিখন ৰাজ্যৰ লোকে এই ভয়াবহ সমস্যাৰ কথা সমূলি নাভাবি অন্য এক সমস্যাৰ পিছে পিছে দৌৰি ফুৰিছে। সন্ত্ৰাসবাদী সংগঠন সমূহৰ বলতেই এইটো সম্ভৱ হৈছে। আমাৰ দেশখনক যদি কোনো বাহিৰৰ শক্তিয়ে গিলিবলৈ আহে তেনেহ'লে সেই বাহিৰা শক্তিক বাধা নিদি আমি আন কথাত মত্ত থাকিলে কাৰ লাভ হয়? নিশ্চয় এই আগ্ৰাসী বাহিৰা শক্তিৰেই লাভ। সেই বাবে এই বাহিৰা শক্তিয়েও বিচাৰে ভাৰতৰ জনসাধাৰণ সন্ত্ৰাসবাদ, সাম্প্ৰদায়িকতাবাদ ইত্যাদিত ব্যস্ত থাকক। তেতিয়াহে তলে তলে তেওঁলোকে দেশখনৰ অৰ্থনীতি ঘুগুলা কৰিব পাৰিব। শতৰঞ্জকে খিলাড়ীত দেখুওৱাৰ দৰে ভাৰতবৰ্ষৰ মোগল সাম্ৰাজ্যৰ শেষ সম্ৰাট আৰু ৰজা মহাৰজাসকলে পাশা খেলি আনন্দ ফূৰ্তি কৰাৰ সুযোগতেই বৃটিছে যেনেকৈ ভাৰতক নিজৰ তলতীয়া কৰি ললে আজি আমাৰ দেশৰ প্ৰায় সেই অৱস্থা। আজিকালি এখন দেশৰ ৰাইজক শোষণ কৰাৰ বাবে শাসন দমন কৰাৰ বাবে বৃটিছৰ দৰে দেশ অধিকাৰ কৰিব নালাগে– আই, এম, এফ, বিশ্ববেংক আৰু আন্তৰ্জাতিক নিগম সমূহৰ অৰ্থনৈতিক জাল সমূহেই যথেষ্ট।

গতিকেই দেশখনৰ কেতবোৰ প্ৰান্ত অস্থিৰ কৰি তোলা এই সন্ত্ৰাসবাদী সকলক পশ্চিমীয়া আন্তৰ্জাতিক চক্ৰই গোপনে সহায় নকৰিব কিয়? অসমত আল্ফাই যি স্বাধীন অসমৰ দাবী তুলি যোৱা কেইবছৰে সন্ত্ৰাসবাদী কাৰ্য কলাপত লিপ্ত হৈছে সেই কাৰ্যই এই আন্তৰ্জাতিক চক্ৰটোকহে সহায় কৰিছে। প্ৰকাৰান্তৰে আল্ফা এই আন্তৰ্জাতিক চক্ৰৰ হাতৰ ক্ৰীড়নকত পৰিণত হৈছে। যদিহে পুলিচ বা সেনাবাহিনীৰ হাতত ধৰা পৰা আল্ফা সদস্য বা নেতাৰ স্বীকাৰোক্তি সমূহ সঁচা হয় তেনেহ'লে ড্ৰাগছৰ দৰে মাৰাত্মক দ্ৰব্য সৰবৰাহৰ সৈতে আল্ফাও জড়িত বুলি প্ৰমাণিত হব। এই আন্তৰ্জাতিক চক্ৰটোৱে বিশ্বৰ উন্নয়নশীল দুখীয়া দেশসমূহৰ ৰাইজৰ প্ৰতিবাদী কণ্ঠক পংগু কৰি পেলাবৰ বাবে এই সৰ্বনাশা নিচাযুক্ত দ্ৰব্যৰ প্ৰচলন কৰোৱাৰ বহু তথ্য পোৱা গৈছে। আল্ফাৰ দৰে সংগঠন সমূহে তেনেহ'লে এই আন্তৰ্জাতিক শোষক চক্ৰৰ হৈ কাম কৰিছে নেকি? অকল সেয়েই নহয় চৰকাৰে আল্ফা সদস্যৰ হাতত পোৱা কেতবোৰ নথি-পত্ৰৰ পৰা ইয়াৰ প্ৰমাণো পাইছে যে আল্ফাই কেইখনমান বিদেশী ৰাষ্ট্ৰৰ পৰা সাহায্য লৈছে। চৰকাৰে প্ৰকাশ কৰা নথি-পত্ৰবোৰ জাল বুলি আল্ফাই প্ৰমাণ কৰিব পৰা নাই। উল্লেখযোগ্য যে নিজকে কমিউনিষ্ট সংগঠন বুলি দাবী কৰা আল্ফাই সাহায্য লোৱা দেশ কেইখন অকল পুঁজিবাদী দেশেই নহয়, বৰং সাম্ৰাজ্যবাদী বৃহৎ শক্তিৰ চাৰণভূমি।

বিশ্বত ছোভিয়েত শক্তিৰ পতনৰ লগে লগে বিশ্বখন একমেৰুযুক্ত হৈ পৰিছে। কেৱল মাৰ্কিন মহাশক্তিয়েই বিশ্বৰ সকলো ক্ষেত্ৰতে প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰিছে। আজিকালি কোনো বৃহৎ দেশে যাতে মূৰ দাঙি উঠিব নোৱাৰে তাৰ বাবে বিশ্বৰ বৃহৎ শক্তিয়ে উঠিপৰি লাগিছে। ছোভিয়েত ইউনিয়নক সেই উদ্দেশ্যেই ভাগি দিয়া হৈছে। বিশ্বত যাতে ৰাষ্ট্ৰসমূহ ভাগি সৰু সৰু, ৰাষ্ট্ৰ হৈ পৰে তাৰ বাবে সাম্ৰাজ্যবাদী চক্ৰান্ত চলিছে। য'ত কেইবাখনো দেশ এক লগ হব বিচাৰিছে তাত সাম্প্ৰদায়িকতাবাদ, বৰ্ণবাদ আৰু প্ৰব্ৰজনৰ বিষবাষ্প বিয়পাই দিয়া হৈছে। বৰ্তমান একত্ৰিত হব খোজা ইউৰোপৰ প্ৰায় সকলোবোৰ দেশতে বৰ্ণ

আৰু প্ৰব্ৰজনীয় অশান্তি বিয়পাই দিয়া হৈছে। লে পেনৰ সৰ্বনাশা প্ৰব্ৰজন বিৰোধী তত্ত্বই ফ্ৰান্স, বেলজিয়াম, পোলেন্ড, চুইজাৰলেন্ড ইত্যাদি দেশ বিষময় কৰি তুলিছে। ইউৰোপৰ দেশ সমূহত এনে সোঁপন্থী ৰাজনৈতিক দলসমূহৰ সমৰ্থন বাঢ়ি গৈছে। বিশ্বৰ জনসাধাৰণক সাম্প্ৰদায়িক গোষ্ঠীগত, প্ৰব্ৰজন সংক্ৰান্ত সংঘৰ্ষত ব্যস্ত কৰাই জনসাধাৰণক সৰু সৰু গোষ্ঠীত বিভক্ত কৰি ৰাখি বিনাবাধায় সাম্ৰাজ্যবাদী শোষণ অব্যাহত ৰখাটো এটি গভীৰ চক্ৰান্ত। 'সৌটো চা' বুলি কৈ মনযোগ আনফালে ঘূৰাই দি ভাতৰ কাঁহীৰ পৰা মাছ বা মাংস লৈ যোৱা ল'ৰা-ছোৱালীৰ খেলৰ দৰেই এই চক্ৰান্ত। অসমত এই সাম্ৰাজ্যবাদী শক্তিয়ে আল্‌ফাক দেখুৱাই আমাৰ কাঁহীৰ ভাত কাঢ়ি নিয়াৰ ফন্দি কৰিছে। যিমানেই মহৎ উদ্দেশ্য লৈ আল্‌ফা গঢ়ি নুঠক কিয় এওঁলোক এই শক্তিৰ হাতৰ পুতলাত পৰিণত হব ধৰিছে।

## স্বাধীন অসম সম্পৰ্কে

ইতিমধ্যে কেইবাখনো কাকত আলোচনীত মতামত প্ৰকাশ পাইছে; কিন্তু অসমত 'স্বাধীন অসম'ৰ দাবীটো এতিয়াও কাল্পনিক অৱস্থাতেই আছে। আল্‌ফাৰ প্ৰতি সহানুভূতিশীল কেইবাটাও সংগঠনে 'স্বাধীন অসম'ৰ দাবীৰ ওপৰত আলোচনা চক্ৰ পাতিলেও সেইবোৰত ৰাইজৰ অংশগ্ৰহণ দেখা নগ'ল। 'বিদেশী নাগৰিক'ৰ দাবীটো যেনেদৰে আছুৱে নানা কৌশলেৰে অসমৰ সকলোৰে দাবী কৰি তুলিছিল আৰু তাৰ ভিত্তিত গণ আন্দোলন সংগঠিত কৰি তুলিছিল তেনেদৰে আল্‌ফাই স্বাধীন অসমৰ দাবীটোৰ ক্ষেত্ৰত জনসমৰ্থন আদায় কৰাত ব্যৰ্থ হৈছে। বৰং আল্‌ফাই স্বাধীন অসমৰ দাবীটোৰ ভিত্তিত জনসমৰ্থন আদায় কৰিব বিচৰাই নাই। আল্‌ফাই পোনতে অসম আন্দোলন বিৰোধী লোকসকলক হত্যা কৰি প্ৰতিশোধ লবলৈ ধৰে, এই প্ৰতিশোধৰ সময়ত 'স্বাধীন অসম'ৰ কথা প্ৰচাৰ কৰা হোৱা নাছিল। কালিপদ সেনৰ হত্যাৰ সৈতে স্বাধীন অসমৰ সম্পৰ্কই বা কি? আল্‌ফাই এতিয়ালৈকে যিমানটা বুলেট খৰছ কৰিছে, স্বাধীন অসমৰ দাবীৰ সমৰ্থনত সিমানখন প্ৰচাৰ পত্ৰও যদি বিলালেহেঁতেন তেনেহ'লে কিজানি অসমৰ কিছু ৰাইজে স্বাধীন অসমৰ দাবীৰ সমৰ্থনত ভাবিবলৈ আৰম্ভ কৰিলেহেঁতেন।

গতিকেই আল্‌ফাৰ স্বাধীন অসমৰ দাবীটো কাণখোৱাৰ দৰে বিমূৰ্ত বস্তু মাত্ৰ যিটো ব্যৱহাৰ কৰি সৰু ল'ৰা-ছোৱালীক টোপনি নিওৱাৰ দৰে কোনো বিশেষ উদ্দেশ্য হাচিল কৰা হয়।

ইতিমধ্যে আল্‌ফা সম্পৰ্কে বা অসমৰ সন্ত্ৰাসবাদ সম্পৰ্কে বহুতে ৰাইজক এটা অবাস্তৱ আৰু অস্পষ্ট ধাৰণা দি থৈছে। এচামে আল্‌ফাক এক মহান বৈপ্লৱিক শক্তি বুলি কৈছে। এচামে আকৌ আল্‌ফাৰ প্ৰতিটো কামকেই সাম্যবাদসন্মত বুলি দোহাৰিছে। এসময়ত আল্‌ফাক ৰবিনহুডৰ দৰে প্ৰতিচ্ছবিও দিয়া হৈছিল। অতি কমেইহে আল্‌ফা সম্পৰ্কে যুক্তিযুক্ত বিশ্লেষণ আগবঢ়াই আহিছে। বিভিন্ন বুদ্ধিজীৱীয়ে আল্‌ফা সম্পৰ্কে একাধিকবাৰ নিজৰ মত পৰিবৰ্তন কৰিছে। বহুতে আকৌ শেষলৈকে আল্‌ফাৰ গতিবিধি নিৰীক্ষণ কৰি মনে মনে আছে। প্ৰথম অৱস্থাৰ পৰাই অতি কম সংখ্যকেহে অসমৰ এই সমস্যাটো সম্পৰ্কে বস্তুনিষ্ঠভাবে আলোচনা আগবঢ়াই আহিছে।

আল্‌ফায়ো কেতিয়াবা বহুজাতিক নিগম, বিশ্ববেংক, আন্তৰ্জাতিক মুদ্ৰানিধি ইত্যাদিৰ শোষণৰ কথা কয়, কিন্তু তেওঁলোকে তাৰ বিৰুদ্ধে ৰাইজক সজাগ কৰি প্ৰতিবাদ সংগ্ৰামৰ কথা নকয়। তেওঁলোকে কয় যে 'স্বাধীন অসম' হ'লে এইবোৰ ঠিক হৈ যাব। যদিহে স্বাধীন অসম হয়গৈও তথাপি সেই স্বাধীন অসমৰ অৰ্থনীতি যে বিশ্ববেংকে অথবা আন্তৰ্জাতিক মুদ্ৰানিধিৰ হুকুম মতে নচলিব তাৰ কিবা নিশ্চয়তা আছেনে? সেই স্বাধীন অসমৰ বজাৰত বহুজাতিক তথা আন্তৰ্জাতিক ব্যৱসায়িক নিগম সমূহে ব্যৱসায় কৰি নথকাৰ কিবা নিশ্চয়তা আছেনে? যি আল্‌ফাই মাৰুতী গাড়ী, বিদেশী অত্যাধুনিক গাড়ী, কাপোৰ, জোতাত বাদে আন বস্তু ব্যৱহাৰ কৰিবই নোখোজে সেই আল্‌ফাই তেওঁলোকৰ স্বাধীন অসমৰ বজাৰত বৃহৎ আন্তৰ্জাতিক কোম্পানী সমূহে প্ৰস্তুত কৰা এইবোৰ বস্তু বিপনন নকৰিব বুলি আমি ভৰসা পাওঁ ক'ত? গতিকেই দেখা যায় যে আল্‌ফাই অসমৰ ৰাইজক মূল সমস্যাৰ পৰা আঁতৰাই ৰাখি ৰাইজক অনাহক উদ্বিগ্নতাত ব্যস্ত ৰাখি পুঁজিবাদী সাম্ৰাজ্যবাদী শক্তিসমূহক বিনাবাধাই শোষণ শাসন কৰাৰ পথ প্ৰশস্তহে কৰিছে। সেই বাবেই ধাৰণা হৈছে যে আল্‌ফা আন্তৰ্জাতিক শোষক চক্ৰৰ হাতৰ ক্ৰীড়নক মাত্ৰ।

## দেশপ্ৰেম

দেশপ্ৰেম হ'ল সামূহিক দায়িত্ব-বোধৰ এটা জীৱন্ত অনুভূতি। জাতীয়তাবাদ হ'ল মতা কুকুৰাই নিজৰ বিষ্ঠাৰ ওপৰত বহি কৰা চিঞৰ-বাখৰ।

*– ৰিচাৰ্ড এলডিঙ্‌টন*

মই উপলব্ধি কৰিছো যে দেশপ্ৰেমেই যথেষ্ট নহয়। মোৰ আচলতে কাৰো প্ৰতি ঘৃণা বা তিক্ততা থাকিব নালাগিব।

*- এডিথ কেভেল*

'ডেলি মেইল' পত্ৰিকাই এই কথা বিশ্বাস নকৰে যে ৰক্তপাতৰ দ্বাৰা দেশপ্ৰেম প্ৰমাণ কৰিব লাগিব। বিশেষকৈ আনৰ ৰক্তপাতৰ দ্বাৰা।

*– ফকলেন্ড যুদ্ধৰ সময়ত 'ডেলি মেইল'ৰ সম্পাদকীয় মন্তব্য (এপ্ৰিল, ১৯৮২)*

এসময়ত বিশ্বাস কৰা হৈছিল যে পুৰুষে মাত্ৰ এগৰাকী তিৰোতাকহে ভাল পাব লাগে। কিয় সেইটো হব লাগে সেই কথা মই যেনেকৈ বুজি নাপাওঁ, ঠিক তেনেকৈ মানুহে কিয় মাত্ৰ এখন দেশক ভাল পাব লাগে সেই কথাও মই বুজি নাপাওঁ।

*– জন কেনেথ গলব্ৰেইথ্*

মানৱ জাতিৰ মূৰৰ পৰা দেশপ্ৰেমৰ ধাৰণাটো বাহিৰ কৰি দিব নোৱাৰালৈকে পৃথিৱীখন শান্তিপূৰ্ণ হব বুলি কেতিয়াও আশা কৰিব নোৱাৰি।

*– জৰ্জ বাৰ্ণাৰ্ড শ্ব*






# কংগ্ৰেছৰ বিসম্বাদী ৰাজনীতি ছেদেলি-ভেদেলি

ৰাজ্যিক পৰিবহণ মন্ত্ৰী চিত্তৰঞ্জন পাটোৱাৰী আৰু ৰাজহুৱা প্ৰতিষ্ঠান খণ্ডৰ মন্ত্ৰী কেশৱ গগৈক অসম মন্ত্ৰী সভাৰ পৰা অপসাৰিত কৰাৰ পিছতেই কংগ্ৰেছ (ই) বিধায়িনী দলত গা কৰি উঠা বিসম্বাদী ৰাজনীতি সম্প্ৰতি ছেদেলি-ভেদেলি হোৱা বুলি জানিব পৰা গৈছে। বিসম্বাদী ৰাজনীতিৰ নেতৃত্ব দিয়া পাটোৱাৰী আৰু গগৈক বিধায়িনী দলৰ যি কেইজনে ভিতৰি ভিতৰি উৎসাহ-উদ্দীপনা যোগাইছিল তেওঁলোকেও এতিয়া এই বিষয়ে বিশেষ একো নজনাৰ ভাও জুৰিছে। বিসম্বাদী সকলে পাটোৱাৰীক মন্ত্ৰী সভাৰ পৰা অপসাৰিত কৰা বিষয়টোক অস্বাভাৱিক নহয় বুলি ধৰি লৈছিল। কাৰণ কংগ্ৰেছ মহলত পাটোৱাৰীৰ বিশেষ প্ৰভাৱ নথকাটো বিসম্বাদীসকলেও স্বীকাৰ কৰিছিল। কিন্তু বিসম্বাদীসকলে ধৰি লৈছিল যে অন্ততঃ গগৈক মন্ত্ৰী সভাৰ পৰা অপসাৰিত কৰিব নোৱাৰে। কাৰণ বয়োজ্যেষ্ঠ নেতা হিচাপে কংগ্ৰেছ মহলত তেওঁৰ কিছু প্ৰভাৱ আছে। বিসম্বাদী সকলৰ এই হিচাপ ভুল প্ৰমাণিত কৰি মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই গগৈকো মন্ত্ৰী সভাৰ পৰা অপসাৰিত কৰিলে।

গগৈক মন্ত্ৰী সভাৰ পৰা অপসাৰিত কৰাৰ পিছতো বিসম্বাদীসকলে মুখ ফুটাই কোনো কথা ক'বলৈ সাহস নকৰিলে। আনকি বিসম্বাদীসকলে হেনো ইজনে সিজনক সন্দেহ কৰিবলৈ লৈছে। বিসম্বাদী কেইজনে ইজন সিজনক শইকীয়াৰ চোৰাংচোৱা বুলি সন্দেহ কৰিবলৈ লৈছে। বিসম্বাদীসকলৰ দুই এজনে কোৱা মেলা কৰিছে যে কেইজনমানে উপৰোৱাকৈ শইকীয়াৰ বিৰুদ্ধে ক'ব আৰু ভিতৰি ভিতৰি শইকীয়াৰ হৈ চোৰাংচোৱাগিৰি কৰিব। গতিকে এতিয়া বিধায়িনী দলৰ কেইজনমানে অসন্তুষ্ট হৈ থাকিলেও শইকীয়াৰ সৈতে হাত মিলোৱাটোৱে শ্ৰেয় বুলি ভাবিছে।

অৱশ্যে পাটোৱাৰী আৰু গগৈ অকলশৰীয়া হৈ পৰিলেও তেওঁলোকে মুখ্য মন্ত্ৰী শইকীয়াৰ বিৰুদ্ধে জেহাদ অব্যাহত ৰখাৰ সিদ্ধান্ত কৰিছে। তেওঁলোক দুজনৰ সৈতে সংসদী সদস্য কিৰিপ চলিহা, ভূবনেশ্বৰ কলিতা, বলীন কুলি আদি লগ লাগিছে বুলি জানিব পৰা গৈছে। এই বাতৰি লিখাৰ পৰলৈকে পাটোৱাৰী আৰু গগৈ দিল্লীত বাহৰ পাতি আছে। সংসদী সদস্য কেইজনৰ সৈতে লগ লাগি তেওঁলোকে প্ৰধান মন্ত্ৰী নৰসিংহ ৰাওৰ ওপৰত প্ৰভাৱ বিস্তাৰৰ চেষ্টা চলাইছে। কিন্তু এই পৰ্যন্ত তেওঁলোক সফল হব পৰা নাই। আনকি প্ৰধান মন্ত্ৰীয়ে তেওঁলোকক সাক্ষাৎ কৰিবলৈকো বিচৰা নাই। জানিব পৰা মতে প্ৰধান মন্ত্ৰীয়ে ৰাজ্যখনৰ জটিল পৰিস্থিতিলৈ লক্ষ্য ৰাখি শইকীয়াক নেতৃত্বৰ পৰা আঁতৰোৱাৰ প্ৰৱণতা বা হেঁচা প্ৰয়োগ কৰাৰ কৌশলক উৎসাহ যোগাবলৈ বিচৰা নাই।

## মুখ্য মন্ত্ৰী নাথাকিলে মন্ত্ৰীও নাথাকে

দিছপুৰৰ জনতা ভৱনত এতিয়া এটা বিষয় সকলোৰে চকুত পৰিছে যে মুখ্য মন্ত্ৰী নাথাকিলে প্ৰায়বোৰ মন্ত্ৰী জনতা ভৱনত নাথাকে। অৰ্থাৎ মুখ্য মন্ত্ৰীয়ে ভ্ৰমণ কাৰ্যসূচী লোৱাৰ লগে লগে প্ৰায়বোৰ মন্ত্ৰীয়ে ভ্ৰমণ কাৰ্যসূচী লৈ দিছপুৰৰ পৰা নিজ সমষ্টি বা অন্য ঠাইলৈ গুচি যায়। ফলস্বৰূপে দূৰ দূৰণিৰ পৰা বিভিন্ন কাম লৈ মন্ত্ৰীৰ ওচৰলৈ অহা লোকসকল কোনো কাম নোহোৱাকৈ ঘূৰি গুচি যাব লগীয়া হয়। মুখ্য মন্ত্ৰী নথকাৰ লগে লগে জনতা ভৱনত শূন্যতাই বিৰাজ কৰে। কেৱল মন্ত্ৰীৰ কোঠাবোৰত ব্যক্তিগত সচিবকে ধৰি দুই এজন কৰ্মচাৰীক আড্ডা মাৰি থকা দেখা যায়। জনতা ভৱনত বিষয়া কৰ্মচাৰী সকলে মন্তব্য কৰা শুনা গৈছে যে মন্ত্ৰীসকলৰ খোৱা-বোৱা, থকা-মেলা সকলোবোৰ মুখ্য মন্ত্ৰী কেন্দ্ৰিক হৈ পৰিছে।

## সাংবাদিক হোৱাৰ ধুম

সম্প্ৰতি ৰাজ্যখনত সাংবাদিক হোৱাৰ ধুম উঠিছে। আনকি চৰকাৰী চাকৰিয়ালো সাংবাদিক হৈছে। কিছুসংখ্যক লোকে সাংবাদিকৰ পৰিচয় দি ব্যৱসায়-বাণিজ্য কৰিবলৈ লৈছে। সাংবাদিকৰ পৰিচয়েৰে মন্ত্ৰী বিষয়াৰ পৰা বিশেষ সা-সুবিধা আদায় কৰি থকা বুলিও জানিব পৰা গৈছে।

অলপতে মাজুলীত চৰকাৰী চাকৰিয়াল হৈও বে-আইনী ভাবে সাংবাদিক হোৱাৰ বাবে দুজন কৰ্মচাৰীক নিলম্বিত কৰা হৈছে। এই দুজন সাংবাদিকে গুৱাহাটীৰ পৰা প্ৰকাশিত দুখন সাপ্তাহিক কাকতৰ নকল পৰিচয় লৈ সাংবাদিকতা চলাই আছিল। ফলস্বৰূপে সাপ্তাহিক কাকত দুখনে উক্ত সাংবাদিক দুজন তেওঁলোকৰ সংৱাদদাতা নহয় বুলি চৰকাৰক জনাব লগীয়া হৈছে।

## সঞ্চালক ডাঙৰ নে বিষয়া?

ৰাজধানী দিছপুৰত এতিয়া যিটো বিষয় বেছিকৈ আলোচিত হৈছে, সেইটো হ'ল সঞ্চালক ডাঙৰ নে তেওঁৰ বিভাগতে কাম কৰা বিষয়া ডাঙৰ?

বিষয়টো হ'ল – তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালকজনে যোৱা দুমাহমানৰ আগেয়ে মহকুমা তথ্য আৰু জনসংযোগ পৰ্যায়ৰ বিষয়া এজনক গোলাঘাটলৈ বদলি কৰিছিল। জানিব পৰা মতে চৰকাৰৰ কিছুমান গোপন খবৰ সাংবাদিকক জনোৱাৰ বাবেই বিষয়াজনক দিছপুৰৰ পৰা বদলি কৰা হৈছিল।

কিন্তু ৰাজ্যিক মন্ত্ৰী এজনৰ আশীষ ধন্য এই বিষয়াজনে সঞ্চালকৰ বদলিৰ আদেশৰ প্ৰতি কেৰেপ নকৰি দিছপুৰতে আগৰ দৰে টিঘিল ঘিলাই থাকিল। বদলিৰ আদেশ স্থগিত বা সাল-সলনি নোহোৱা সত্ত্বেও তেওঁ কেনেকৈ যোৱা দুমাহে দিছপুৰতে টিঘিল ঘিলাই থাকিল সেই সন্দৰ্ভত বিভাগীয় কৰ্মচাৰীসকলে আশ্চৰ্য প্ৰকাশ কৰিছে। জানিব পৰা মতে এই বিষয়াজনে সঞ্চালকৰ অনুমতি নোলোৱাকৈয়ে সেই বিশেষ মন্ত্ৰীজনৰ সৈতে ভ্ৰমণত গুচি যায়। এই বিষয়াজনেই অগপ চৰকাৰৰ সময়তো প্ৰফুল্ল মহন্তৰ সোঁহাত বুলি কৈ দিছপুৰতে টিঘিল ঘিলাই আছিল।

বিষয়াজনে এতিয়া কৈ ফুৰিছে যে তেওঁ সঞ্চালকৰ নিৰ্দেশ মানি চলাৰ প্ৰয়োজন নাই। বৰং তেওঁ সঞ্চালকক বুঢ়া আঙুলিহে দেখুৱাব পাৰে। সঞ্চালকজনে ৰাজনৈতিক ভাবে আই এ এছ হব পাৰে। কিন্তু তেওঁৰ গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰদান কৰা ডক্টৰেট ডিগ্ৰী আছে।

জানিব পৰা মতে বিষয়াজনে জাৰ্নেলিজিমৰ ওপৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিছে।

ত্ৰিনয়ন

## মতামত

# বিষয়ঃ ডিব্রুগড় বিশ্ববিদ্যালয়

**অসমত দ্বিতীয়খন বিশ্ববিদ্যালয় ডিব্রুগড়ত স্থাপন কৰা হৈছিল অসমত খাপ খোৱাকৈ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতিৰ উদ্দেশ্যে। কিন্তু স্থাপন হোৱাৰ ২৫ বছৰৰ পাছতো ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অসমৰ প্ৰাকৃতিক সম্পদৰ ভিত্তিত কাৰিকৰী জ্ঞানৰ কোনো নতুনত্ব আনিব নোৱাৰিলে যেন ধাৰণা হয়। বিশ্ববিদ্যালয়খনৰ পৰা বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত নতুন বতৰা, নতুন গৱেষণা, নতুন সৃষ্টিৰ পৰিবৰ্তে কিছুদিন ধৰি দুৰ্নীতি আৰু অনিয়মৰ বতৰাহে ৰাইজে পাই আহিছে। সেই বুলি বিশ্ববিদ্যালয়খন যে স্থবিৰ হৈ গৈছে এনে নহয়। কিন্তু ইয়াৰ গতি মন্থৰ হৈ গৈছে, সেই কথা সত্য। বিশ্ববিদ্যালয়ৰ এই মন্থৰতাই অসমীয়া সমাজৰ উন্নতিও যে মন্থৰ কৰি তুলিব ই ধ্ৰুৱপ। বিশ্ববিদ্যালয়খনৰ উদ্দেশ্য, মন্থৰতাৰ কাৰণ আৰু ইয়াৰ নিৰাময়ৰ উপায় আদি প্ৰশ্নৰ ভিত্তিত বিশ্ববিদ্যালয়ৰ শিক্ষক, ছাত্ৰ, বিষয়া, কৰ্মচাৰীয়ে দিয়া উত্তৰ সমূহ তলত প্ৰকাশ কৰা হ'ল। সাক্ষাৎকাৰ যুগুতাইছে সূত্ৰধাৰৰ ষ্টাফ ৰিপ'ৰ্টাৰ স্বপ্না বেজবৰুৱাই**

### প্ৰশ্ন সমূহ

১। ডিব্ৰুগড় বিশ্ববিদ্যালয়খন যি উদ্দেশ্যে স্থাপন কৰা হৈছিল, সেই উদ্দেশ্য সফল হৈছে বুলি আপুনি ভাবেনে? ইয়াৰ বৰ্তমান অৱস্থা সম্পৰ্কে আপোনাৰ ধাৰণা কি?

২। এখন বিশ্ববিদ্যালয় বুলিলে শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ সমন্বয়ত যি উচ্চ মানদণ্ডৰ পৰিবেশ থাকিব লাগে সেই পৰিবেশ ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ত আছে বুলি আপুনি ভাবেনে? এনে পৰিবেশ গঢ়িবলৈ আপুনি কি পৰামৰ্শ আগবঢ়াব বিচাৰে?

৩। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শৈক্ষিক আৰু প্ৰশাসনিক দিশত বিভিন্ন খেলি মেলিৰ বিষয়ে প্ৰচাৰ মাধ্যমত স্থান পাই আহিছে। এই সম্পৰ্কে আপুনি কি কয়? বিশ্ববিদ্যালয়খনত মত প্ৰকাশৰ মুক্ত পৰিবেশ আছেনে?

## সমস্যাবোৰে প্ৰয়োজনীয় গুৰুত্ব নোপোৱাৰ পৰিবেশ এটা ইয়াত চলি আছে

ভুবন বৰুৱা
*অৰ্থনীতি বিভাগ*

১ বিশ্ববিদ্যালয় একোটাৰ কাম-কাজৰ, উদ্দেশ্যৰ সফলতা বিচাৰ কৰাৰ মাপকাঠি যদি প্ৰতি বছৰে শশ ছাত্ৰ-ছাত্ৰীক বিভিন্ন পৰীক্ষা আদিৰ অন্তত দিয়া ডিগ্ৰী, কিছু সংখ্যক শিক্ষক কৰ্মচাৰীৰ নিয়োগ, স্নাতকোত্তৰ মহলা আৰু কিছুমান বিষয়ৰ গৱেষণামূলক কাম-কাজৰ সুবিধা প্ৰদান আদি বুলি ধৰা হয় তেনেহ'লে সংখ্যাগত দিশৰ পৰা চালে যোৱা একুৰি পাঁচোটা বছৰ কালত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে তেনে দায়িত্ব পালন কৰি যে আহিছে তাত কোনো সন্দেহ নাই। কিন্তু ঘাই প্ৰশ্ন হ'ল, বিশ্ববিদ্যালয় একোটাৰ দায়িত্ব আৰু উদ্দেশ্য কেৱল মাথোন বছৰি কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীক পৰীক্ষাৰ বৈতৰণী পাৰ কৰাই দিয়াতে নাইবা যান্ত্ৰিক ভাবে কৰা জ্ঞান গৱেষণা চৰ্চাতে সীমাবদ্ধ হৈ থাকিব লাগেনে? বহল দৃষ্টিৰে চালে, মানৱতাবোধ, সহিষ্ণুতা, যুক্তি আৰু আদৰ্শেৰে সত্যৰ নিৰৱচ্ছিন্ন অন্বেষণেই হব লাগে বিশ্ববিদ্যালয়ৰ দৰে মহৎ অনুষ্ঠান একোটাৰ প্ৰধান অভিলাষী উদ্দেশ্য। এনে এটা দৃষ্টিভংগীৰে চালে এই বিশ্ববিদ্যালয়ে যুক্তি আৰু আদৰ্শেৰে সত্যৰ অন্বেষণত কেইখোজ আগুৱালে সেই সম্পৰ্কে সন্দেহৰ অৱকাশ আছে।

অসমৰ শিল্প উদ্যোগ বাণিজ্যৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ডিব্ৰুগড়ত মাৰোৱাৰী বণিকৰ দান বদান্যত আৰু প্ৰতিশ্ৰুত সাহায্যৰ (অৱশ্যে প্ৰাপ্তিৰ পৰিমাণ সামান্যহে) অৱলম্বনত বিশ্ববিদ্যালয় স্থাপন কৰা সময়ত জনসাধাৰণে 'হেঁপাহৰ চাটি মাৰলি খুঁটা' যোগাৰ কৰি দিয়াৰ আবেগিক অনুভূতি অনুভৱ কৰা নাছিল যদিও সম্পূৰ্ণ পাৰিবেশিক কাৰণত ই উচ্চমান বিশিষ্ট বিজ্ঞান প্ৰযুক্তি গৱেষণাৰ কেন্দ্ৰস্থল হৈ উঠিব বুলি, আৰম্ভণি কালত বহুতৰে মনত প্ৰত্যয় জন্মিছিল। ইয়াৰ ঘোষিত উদ্দেশ্যও নাছিল পৰিবেশৰ লগত সংগতি ৰাখি Science and technologically biased প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ। কিন্তু যোৱা পঁচিশ বছৰ কালত এই বিশ্ববিদ্যালয়ে জাকত জিলিকা হোৱা, নিজকে Centre of excellence হিচাপে দাবী কৰিব পৰা কোনো প্ৰেৰণাদায়ক নমুনা নিদৰ্শন আমি দেখিছোনে? জন্মলগ্নৰে পৰা নানা অপযশ, কলংক-কালিমা বদনামৰ ভাগীদাৰ হব লগীয়া হোৱা এই বিশ্ববিদ্যালয়ে উদ্দেশ্যৰ প্ৰধান thurst টো দুৰ্ভাগ্যজনক ভাবে হেৰুৱালে। বিজ্ঞান প্ৰযুক্তিৰ যিবোৰ দিশত ইয়াত আলোকসন্ধানী চিন্তা চৰ্চা হব বুলি আশা কৰা গৈছিল তাৰো অভাৱ কৰুণ ভাবেই স্পষ্ট হ'ল। গতিকে বিশ্ববিদ্যালয়ৰ কাম-কাজৰ পৰিধি ডিগ্ৰী প্ৰদানকাৰী প্ৰতিষ্ঠানতে সীমাবদ্ধ হৈ ৰ'ল। ইয়াত উপলব্ধ জ্ঞান-গৱেষণাই সমাজৰ কিমান হিত সাধন কৰিছে সেইটো এটা মুকলি প্ৰশ্ন হৈয়েই আছে। এই বিশ্ববিদ্যালয়ত যিবোৰ জ্ঞান-গৱেষণাৰ চৰ্চা হৈছে তাৰ সামাজিক প্ৰাসংগিকতা নাইবা শিল্প বাণিজ্য অৰ্থনৈতিক উন্নয়নৰ লগত সম্পৰ্কৰ বিষয়ে কোনোবাই প্ৰশ্ন কৰিলে দিবলৈ দ্বিধাবোধ হয়। বহুক্ষেত্ৰত গৱেষণামূলক কাম-কাজবোৰ শিক্ষক গৱেষকৰ Career-ৰ জখলাত বগাব পৰা আহিলাহে হোৱা বুলি ক'লে অতিশয়োক্তি নহব।

আজি কিছু বছৰৰ ভিতৰত এই বিশ্ববিদ্যালয়ৰ কাম-কাজত এক নিষ্প্ৰাণ স্থবিৰতা আৰু যান্ত্ৰিকতা অনুভৱ কৰিছো। সেইটো মোৰ বয়স বঢ়াৰ লক্ষণ নে অনুষ্ঠানটোৰ জঠৰতাৰ চিন তাকহে স্পষ্টভাবে ক'ব নোৱাৰো। ইতিমধ্যে পঁচিশ বছৰ কাল অতিক্ৰম কৰা এই বিশ্ববিদ্যালয়ৰ আবয়িক নাইবা একাডেমিক বিকাশৰ গতি অতি দুৰ্বল। এৰাবাৰী সদৃশ পৰিবেশ এটাত চলি থকা এই বিশ্ববিদ্যালয়ত এতিয়াও ছাত্ৰ-শিক্ষকৰ বাবে সাধাৰণ সা-সুবিধাৰ অভাৱ। ছাত্ৰ-ছাত্ৰীৰ, গৱেষকৰ হোষ্টেলৰ নাটনি, মাহজুৰি পতা পৰীক্ষাৰ বাবে ক্লাচ বন্ধ কৰিব লগীয়া অৱস্থা আদিৰ দৰে কথাই মনত কোনো আশাৰ ভাব সঞ্চাৰ নকৰে। পঁচিশ বছৰ কালত দেশ এখন গঢ়িব পাৰি, কিন্তু ডিব্ৰুগড় বিশ্ববিদ্যালয়ক পূৰ্ণাংগ ৰূপ কিয় দিব পৰা নগ'ল সেইটো মুকলি চিন্তাৰ বিষয়।

প্ৰসংগক্ৰমে উল্লেখ কৰিব খুজিছো যে, অসমৰ এটা মূৰত অৱস্থিত এই বিশ্ববিদ্যালয় দূৰ দিল্লীৰ UGC আৰু দিছপুৰৰ দ্বাৰা সমানেই উপেক্ষিত। প্ৰতিটো পৰিকল্পনাৰ বাবে UGC-এ দিয়া সীমিত পৰিমাণৰ অনুদানখিনিকে লৈ আমি আত্ম সন্তুষ্ট, অৱশ্যে তাৰো কিমান সদ্ব্যৱহাৰ হৈছে প্ৰশ্নৰ বিষয়। অসম চৰকাৰে এই বিশ্ববিদ্যালয়ৰ কাম-কাজৰ পৰ্যালোচনা, তদাৰকী যি ধৰণে কৰিব লাগিছিল তাক কৰা বুলি কোনোমতেই ক'ব নোৱাৰি। চৰকাৰে বাৰ্ষিক অনুদানখিনি দিয়েই দায়িত্ব ভাৰ সামৰিছে। বিশ্ববিদ্যালয়ৰ আচাৰ্য গৰাকীয়ে (১৯৭৬ চনৰ বিশেষ সমাবৰ্তন আৰু ১৯৯০-ৰ বাৰ্ষিক সমাবৰ্তনৰ বাহিৰে) যোৱা দুটা দশকত বিশ্ববিদ্যালয় পৰিদৰ্শন নকৰাটো বিস্ময়ৰ বিষয়। অথচ নিয়মানুসাৰে আচাৰ্য গৰাকীয়ে বাৰ্ষিক কোৰ্ট সভাত পৌৰহিত্য কৰিব লাগে। সন্দেহ নাই যে, মাননীয় আচাৰ্যই দূৰৈৰ পৰাই বিশ্ববিদ্যালয়ৰ কাম-কাজৰ গতিবিধি পৰ্যবেক্ষণ কৰি আছে, কিন্তু বছৰি এবাৰ তেওঁৰ উপস্থিতিয়ে আচাৰ্য গৰাকীক শিক্ষক-ছাত্ৰ কৰ্মচাৰীৰ ঘনিষ্ঠ কৰিলে-হেঁতেন। বিশ্ববিদ্যালয়টিৰ নীতি আৰু কাৰ্য পৰিচালনা কৰাৰ বাবে যিখনি কাৰ্যবাহী পৰিষদ আছে তাৰ পৰাও প্ৰেৰণামূলক নেতৃত্ব পোৱা বুলি একে আষাৰে ক'ব নোৱাৰি। সকলোবোৰ কথাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্বয়ংসম্পূৰ্ণ আৰু পূৰ্ণাংগৰূপ প্ৰাপ্তিত বাধা আৰোপ কৰিছে। পঁচিশ বছৰ সম্পূৰ্ণ কৰা এই অসম্পূৰ্ণ বিশ্ববিদ্যালয়ৰ কাম-কাজৰ এটা বস্তুনিষ্ঠ পৰ্যালোচনা হোৱা উচিত তেতিয়াহে উন্নতিৰ পথ উলিয়াব পৰা যাব।

২ প্ৰথম প্ৰশ্নটোৰ উত্তৰৰ মাজতে ২ নং প্ৰশ্নৰ উত্তৰো সোমাই আছে বুলি ভাবো। যিখন বিশ্ববিদ্যালয়ৰ সামগ্ৰিক পৰিবেশ নিষ্প্ৰাণ নিস্তৰংগ আৰু চতুৰ্দিশ স্থবিৰতাই আগুৰি ৰাখিছে তাত সাহিত্য, সংস্কৃতিৰ সমন্বয়মূলক বিকাশ সাধন হোৱাৰ সম্ভাৱনা ক'ত? উচ্চ মানদণ্ডৰ কথা বাদেই দিছো। বিজ্ঞান প্ৰযুক্তিৰ উচ্চ গৱেষণা, চিন্তা চৰ্চাৰ নামত সাহিত্য-সংস্কৃতিৰ সমন্বয়মূলক বিকাশৰ কথাটোয়ে সঠিক গুৰুত্ব নাপালে। এই বিশ্ববিদ্যালয়ত ভাষা সাহিত্যৰ যি কেইটা বিভাগ আছে সেইবোৰেও সামগ্ৰিক ভাবে বিশেষ অৰিহণা যোগাব পৰা নাই যেন লাগে। অৱশ্যে দুই চাৰি গৰাকী কৃতবিদ্য শিক্ষক গৱেষকৰ ব্যক্তিগত অৰিহণাৰ কথা সুকীয়া। ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এনে দিশত প্ৰেৰণামূলক প্ৰভাৱ পেলাবলৈ ব্যৰ্থ হোৱা যেনহে লাগে। ছাত্ৰ-শিক্ষকৰ সমন্বিত প্ৰচেষ্টাৰেহে সাহিত্য-সংস্কৃতিৰ বিকাশ সম্ভৱ, তাৰ বাবে প্ৰয়োজন সমূহীয়া প্ৰয়াসৰ। যোৱা কেইবছৰমানত এই বিশ্ববিদ্যালয়ত Community life-টো দুখ লগাকৈ fragmented হৈছে আৰু ই ক্ষতি সাধন কৰিছে।

৩ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় বিচ্যুতি, দুৰ্নীতি, নানা কেলেংকাৰি সম্পৰ্কে কাকতে পত্ৰই মাজে সময়ে প্ৰকাশ পাই থকা খবৰবোৰ স্বাভাৱিক কাৰণতে সকলোকে উদ্বিগ্ন কৰি আহিছে আৰু এনে কথাই, কলংক কালিমাবোৰে বিশ্ব-বিদ্যালয়ৰ সামগ্ৰিক চৰিত্ৰকে এন্ধাৰ কৰিছে। তাৰেই ফলত কিছুমান দিশত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ বিদ্যায়তনিক সফলতা, কৃতিত্ব আদিৰ কথা তল পৰি গৈছে। এই কথা মই পৰম প্ৰত্যয়ৰে বিশ্বাস কৰো যে, বিশ্ববিদ্যালয়ৰ দৰে অনুষ্ঠান একোটাক সঞ্জীৱিত কৰি ৰাখে শিক্ষক, ছাত্ৰ গৱেষকৰ অৱধাৰিত আৰু সমন্বিত প্ৰচেষ্টাইহে, তাৰ পৰা বিচ্যুতি ঘটিলেই উদ্দেশ্যৰ হানি বিঘিনি ঘটে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আৰম্ভণি কালৰে পৰাই এটা ওভোতা সোঁত পৰিলক্ষিত হৈছিল, প্ৰশাসন ব্যৱস্থাক সৰ্বাগ্ৰত ৰাখি কাম-কাজবোৰ চলাবলৈ ধৰা বাবে ছাত্ৰ-শিক্ষকৰ সমস্যাবোৰে প্ৰয়োজনীয় গুৰুত্ব নোপোৱাৰ অৱস্থা এটা ইয়াত চলি আহিছে। এইখিনিতে মনত পৰিছে শিক্ষা আয়োগৰ এটি মন্তব্য It is necessary to ensure that Universities do not become administration dominated. The dominance must be of the academic element. ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাম-কাজ সিদ্ধান্তৰ ক্ষেত্ৰত academic element-ৰ অভাৱ সততে পৰিলক্ষিত হয়। এই কথা দ্বিধাহীন ভাবেই ক'ব পাৰো যে, প্ৰশাসনীয় দিশত নানা ভাবে কলংকিত হ'লেও শৈক্ষিক, বিদ্যায়তনিক দিশত এই বিশ্ববিদ্যালয়ৰ কাম-কাজ একেবাৰে হীন বুলি ক'ব নোৱাৰি। কিন্তু এনে কাম-কাজৰ সঠিক মূল্যায়ন কৰাৰ চেষ্টা চলোৱা হোৱা নাই। আজি কিছু বছৰৰ ভিতৰত এই বিশ্ববিদ্যালয়ত একাডেমিক কাম-কাজ বহু পৰিমাণে স্তিমিত হৈ পৰিছে আৰু এনে এটা অৱস্থা সৃষ্টি হোৱাৰ কাৰণ পৰ্যালোচনা কৰাৰ আৱশ্যক হৈছে। বিশ্ববিদ্যালয়ৰ প্ৰথম অৱস্থাৰ উৎসাহ-



OKDISCD

জনক পৰিস্থিতি, পৰিবেশ এতিয়া ক্ৰমাৎ অন্তৰ্হিত হৈছে। চিন্তা চৰ্চা, শিক্ষা গৱেষণা সকলোকে যেন এটা মেকানিকেল, প্ৰাণহীন ভাবে আচ্ছন্ন কৰি পেলাইছে। ই পিছে অনুষ্ঠানটোৰ স্বাস্থৰ বাবে ক্ষতিকাৰক। জনসাধাৰণৰ অনুষ্ঠান হিচাপে এই বিশ্ববিদ্যালয় কলংক মুক্ত হোৱাটোকে সকলোৱে বিচাৰে।

## বিশ্ববিদ্যালয়খনক এজন ভাল গুৰিয়ালৰ প্ৰয়োজন

ড০ কবীন ফুকন
*অধ্যাপক, ইংৰাজী বিভাগ*

১ ডিব্ৰুগড় বিশ্ববিদ্যালয় আপোন উদ্দেশ্যাত দিনে দিনে অধিক জল্‌জল্ পট্‌পটকৈ বিফল হৈ আহিছে বুলি মই ভাবো। অসমৰ এই মূৰৰ সামূহিক জীৱনতে কেৱল নহয়, বহুতৰে ব্যক্তিগত জীৱনতো এই বিফলতা চৰম দুৰ্ভাগ্য হৈ পৰিছে, কাৰণ আমি বহুতেই এই শৈক্ষিক-বৌদ্ধিক, নৈতিক আৰু প্ৰশাসনিক ব্যৰ্থতাৰ অংশীদাৰ আৰু ভুক্তভোগী।

বৰ্তমানে এই বিশ্ববিদ্যালয় অকল জৰাত ভুগিছে। বৌদ্ধিক দিশত নিষ্ক্ৰিয় নিৰ্বিকাৰ এই বিশ্ববিদ্যালয় প্ৰশাসনৰ বেলিকা বৰ্তমানে শৃংখলা আৰু নীতিবোধহীন লগতে ক্ষমতাসীন গুৰিয়ালজনৰ আৰু সহযোগী প্ৰশাসকৰ লজ্জাহীন আক্ৰোশৰ বলি। এই কথাখিনি মুকলিকৈ কোৱাৰ কাৰণে কোনো লোকে মোৰ বিৰুদ্ধে মানহানিৰ গোচৰ তৰিলে তেওঁৰ বা তেওঁলোকৰ হানি হব পৰা মানেই যে নাছিল সেই কথা ৰাজহুৱাকৈ প্ৰমাণ কৰাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ মোৰ ভাল লাগিব। সকলোৱেই ভয়ত চকু কাণ মুদি থাকিলে দেশ নাথাকে বুলি মোৰ বিশ্বাস। ডিব্ৰুগড় বিশ্ববিদ্যালয়তো উচিত প্ৰতিৰোধৰ অভাৱত প্ৰশাসনীয় অযুক্তি আৰু ব্যভিচাৰৰ ধল নামি আহিছে বুলি মুখ খোলাৰ দৰকাৰ মই সদায়েই অনুভৱ কৰিছো, সদায়েই কৰিম।

২ প্ৰাণহীন, নীতিবোধ শূন্য, বিশৃংখল এখন বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত প্ৰশ্নটোত ব্যৱহাৰ কৰা বৰ বৰ কথা বৰ্তমানে নাখাটে নায়েই।

সুষ্ঠ পৰিবেশ সৃষ্টিৰ বাবে ছাত্ৰ-শিক্ষক বিষয়া-কৰ্মচাৰীৰ পূৰ্বে নিৰ্ধাৰিত, উদ্দেশ্যপূৰ্ণ, নিঃস্বাৰ্থ বৌদ্ধিক-প্ৰশাসনিক প্ৰচেষ্টা আশাশুধীয়াকৈ আৰু সমূহীয়াকৈ হব লাগে। তাৰ নেতৃত্ব দিবলৈ লাগে এজন প্ৰকৃততে সাধু, বৈধ প্ৰক্ৰিয়াৰে নিযুক্ত, কল্পনাশক্তিপূৰ্ণ আৰু বিদ্বান গুৰিয়ালৰ। যোৱা চাৰি বছৰে ব্যক্তিগত আক্ৰোশ অভিলাষৰ বাহিৰে আন কোনো নীতিকে উদ্ভাৱন কৰিব নোৱৰা প্ৰতিভাহীন এজন গুৰিয়ালে বিশ্ববিদ্যালয়ৰ সৰ্বনাশ কৰিলে। চৰকাৰ আৰু আচাৰ্যও হৈ থাকিল ধ্যানমগ্ন।

ভাল গুৰিয়াল এজন বিচাৰি উলিয়ালে বিশ্ববিদ্যালয়খনক ব্যাধিমুক্ত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা হব।

৩ প্ৰচাৰ মাধ্যমত প্ৰকাশ পোৱা খেলিমেলিবোৰৰ কথা নিতান্তই সঁচা। কিন্তু ভিতৰি কিমান গেলিছে তাৰ গোন্ধ ইয়াত থকাবোৰেহে অনবৰত পাই আছো।

অন্ততঃ এমুঠি হ'লেও বিবেকবান শিক্ষক ছাত্ৰ কৰ্মচাৰীৰ মত প্ৰকাশৰ স্বাধীনতা এতিয়ালৈকে কোনেও কিনি লব পৰা নাই। কিনি লবলৈ ওপৰ মহলৰ পৰা গুণ্ডা লগোৱাৰ দৃষ্টান্তও অৱশ্যে নোহোৱা নহয়।

## জনজাতীয় ভাষাসমূহ অধিক কাষ চপাই আনিব লাগিব

ড০ এ, আৰ, মজিবুৰ ৰহমান
*অধ্যাপক, বাণিজ্য বিভাগ*

১ ডিব্ৰুগড় বিশ্ববিদ্যালয়খন স্থাপন কৰাৰ সময়ত কাৰিকৰী আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰবৰ্তনৰ ওপৰত প্ৰধানকৈ গুৰুত্ব দিয়া হৈছিল। তদুপৰি উজনি অসমত অৱস্থিত তেল আৰু প্ৰাকৃতিক গেচ, চাহপাত, প্লাইউড উদ্যোগৰ বাবে প্ৰয়োজনীয় কাৰিকৰী শিক্ষা প্ৰচলন কৰাটোও উক্ত উদ্দেশ্যৰ মাজত সন্নিবিষ্ট হৈ আছে। মোৰ ধাৰণা এই উদ্দেশ্য কিছু পৰিমাণে সফল হৈছে কিয়নো পেট্ৰ'লিয়াম টেক্‌ন'ল'জি পাঠ্যক্ৰম (Petroleum Technology) আৰু প্ৰায়োগিক ভূ-তত্ত্ব পাঠ্যক্ৰম (Applied Geology) প্ৰবৰ্তনে উক্ত উদ্দেশ্য সাধনৰ পথত বিশ্ববিদ্যালয়খনক কিছুদূৰ হ'লেও আগুৱাই নিছে।

বিশ্ববিদ্যালয়খনৰ বৰ্তমান অৱস্থা সম্পৰ্কে মন্তব্য দিবলৈ হ'লে এফালৰ পৰা ক'ব লাগিব যে এতিয়াও ভালেখিনি কাম কৰিব লগীয়া আছে। বিশেষকৈ কেইটামান বিভাগৰ স্থায়ী ভৱন, প্ৰশাসনীয় ভৱন, গৱেষকসকলৰ হোষ্টেল, বৰ্ধিত চাহিদা অনুযায়ী ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ অভাৱ সহজেই অনুমেয়। আনহাতেদি এই কথাও ক'ব লাগিব যে সীমিত আৰ্থিক মঞ্জুৰিৰ যোগেদিও বিশ্ববিদ্যালয়খনে ইতিমধ্যে ভালেখিনি উন্নতি সাধন কৰিছে। সময়ৰ বৰ্ধিত চাহিদা অনুযায়ী ইয়াত কলা, বাণিজ্য আৰু বিজ্ঞান বিষয়ৰ বিভাগ সমূহ আৰম্ভ কৰা হ'ল। ইয়াৰ উপৰিও ফাৰ্মেচিউটিকেল চাইন্স (Pharmaceutical Science) পাঠক্ৰিম আৰু কম্পিউটাৰ কেন্দ্ৰ (Computer Centre) আৰম্ভ কৰাৰ বাদেও ভালে কেইটামান বিষয়ত থক [illegible] ফিল (M. Phil) পাঠ্যক্ৰম, স্নাতকো[illegible]ৰ বিভাগ সমূহৰ পৰা প্ৰকাশিত গৱেষ[illegible] পত্ৰিকা আৰু পি, এইচ, ডি পৰ্যায়ৰ গৱেষ[illegible] প্ৰকল্প আদি বিশ্ববিদ্যালয়খনৰ বৌদ্ধিক বিকাশৰ একো একোটা উদাহৰণ স্বৰূপ

বিশ্ববিদ্যালয়খনৰ উন্নতিৰ কাৰণে সময়োপযোগী ভাবে ইয়াৰ পৰিসৰ বৃদ্ধি কৰিব পাৰি। কৰ্মমুখী শিক্ষাৰ প্ৰচলন কৰিব লাগিব। অদূৰ ভৱিষ্যতে আৰম্ভ কৰিবৰ বাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই চেষ্টা কৰি আছে। বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগ আৰু ৰাজ্যিক চৰকাৰৰ পৰা প্ৰয়োজনীয় আৰ্থিক মঞ্জুৰিৰ অবিহনে বিশ্ববিদ্যালয়খনৰ উন্নতি সম্ভৱ হব নোৱাৰে। ইয়াৰ উন্নতিৰ কাৰণে কৰ্তৃপক্ষ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সমন্বিত প্ৰচেষ্টাৰো অতিশয় প্ৰয়োজন।

২ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া আৰু ইংৰাজী সাহিত্যৰ শিক্ষাদান কৰাৰ উপৰিও গৱেষণা কাৰ্যও চলি আছে। উল্লেখযোগ্য যে আহোম সকলৰ প্ৰাচীন ভাষা টাই ভাষাৰ পাঠদানৰ ব্যৱস্থাও এই বিশ্ববিদ্যালয়ত আছে। অন্যান্য শিক্ষাৰ সুবিধা থকাৰ কথাও ইতিমধ্যে উল্লেখ কৰা হৈছে। বিশ্ববিদ্যালয়খনত মণিপুৰ, অৰুণাচল প্ৰদেশ, নগালেণ্ড, মেঘালয় আদিৰ পৰাও ভালেমান ছাত্ৰ-ছাত্ৰী আহি শিক্ষা লাভ কৰি আছে। বিভিন্ন ভাষিক, ধৰ্মীয় আৰু জনজাতীয় গোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ একেলগে শিক্ষা আহৰণ কৰাৰ ফলত লোকৰ মাজত মানসিক আৰু সামাজিক ভাবে যোগসূত্ৰ সাধন হৈছে বুলি মই বিশ্বাস কৰো। এই পৰিবেশ গঢ়িবলৈ অৱশ্যে কিছুমান ব্যৱস্থাও হাতত লব লাগিব। উদাহৰণ স্বৰূপে উজনি অসমৰ জনজাতীয় ভাষাৰ পুথি প্ৰণয়ন আৰু ভাষা চৰ্চাৰ কাম আৰু অধিক ক্ষিপ্ৰতাৰে গ্ৰহণ কৰিব লাগিব। অসমীয়া ভাষাৰ সৈতে জনজাতীয় ভাষা সমূহক আৰু অধিক কাষ চপাই আনিব লাগিব। তদুপৰি বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয় সাধনৰ উদ্দেশ্যে সাংস্কৃতিক কাৰ্যসূচীও হাতত লব লাগিব।

৩ বিশ্ববিদ্যালয়খনত মুক্ত ভাবে মত প্ৰকাশৰ পৰিবেশ আছে নে নাই সেই বিষয়ে মন্তব্য দিবলৈ হ'লে বিশ্ববিদ্যালয়ৰ বিভিন্ন মঞ্চত সদস্যসকলে মত প্ৰকাশ কৰাৰ বাস্তৱ অৱস্থাটোৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিব লাগিব। বিশ্ববিদ্যালয়ৰ ক'ৰ্টসভা, একাডেমিক কাউঞ্চিল, পোষ্টগ্ৰেজুৱেট ব'ৰ্ড আৰু ৰিচাৰ্ছ কাউঞ্চিল আদিৰ সভাত কেতিয়াবা সদস্যসকলে নিজৰ ব্যক্তিগত মতভেদ প্ৰকাশ কৰাও মই নিজে দেখা পাইছো। ইয়াৰ ফলত সমিতি বিলাকৰ দ্বাৰা অধিক কাৰ্যকৰী আৰু ফলপ্ৰসূ সিদ্ধান্ত গ্ৰহণত যথেষ্ট সহায় হৈছে। মত প্ৰকাশৰ মুক্ত পৰিবেশ নথকা হ'লে এই কাৰ্য সম্ভৱ নহ'লহেঁতেন।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উল্লিখিত 'বিভিন্ন খেলিমেলি'ৰ কথাই প্ৰচাৰ মাধ্যমত স্থান পোৱাৰ কথা মই নাজানো। এই বিষয়ে মন্তব্য দিবলৈ হ'লে ইয়াৰ সৈতে জড়িত তলত দিয়া দিশসমূহ জানিব লাগিব। সেইবোৰ হৈছেঃ

(১) উক্ত বাতৰি প্ৰকৃততে সঁচানে?

(২) যদি সঁচা হয় তেনেহ'লে সেই কথা নিৰপেক্ষ ভাবে গঠনমূলক সমালোচনা ৰূপে প্ৰচাৰ মাধ্যমত স্থান পাইছিল নে একপক্ষীয় ভাবে আক্ৰমণাত্মক সমালোচনা ৰূপে প্ৰচাৰ হৈছিল?

বিষয়টোৰ উক্ত দিশ কেইটা নজনাৰ কাৰণে মই ভাবো এই সম্পৰ্কে বক্তব্য প্ৰকাশ কৰাটো সমীচীন নহব।

## বিশ্ববিদ্যালয়খন হ'ল এটা ডিগ্ৰী দিয়া ফেক্টৰী

ড০ হৰেন্দ্ৰ নাৰায়ণ দত্ত
*প্ৰাধ্যাপক (ৰীডাৰ) পৰিসংখ্যা বিজ্ঞান*

১ ১৯৪৭ চনতে গুৱাহাটী বিশ্ববিদ্যালয়খন "Teaching, Residential and affiliating"– এই উদ্দেশ্যেৰে প্ৰতিষ্ঠিত হৈছিল। ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমৰ উক্ত গুৱাহাটী বিশ্ববিদ্যালয় পৰ্যাপ্ত নাছিল বাবেই সম্ভৱত ডিব্ৰুগড় নিবাসী স্বৰ্গীয় লক্ষীপ্ৰসাদ দত্ত দেৱৰ আপ্ৰাণ প্ৰচেষ্টা আৰু বিশেষকৈ লক্ষীমপুৰ, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ সমূহ লোকৰ উচ্চ শিক্ষাৰ উদ্দেশ্যে ১৯৬৫-ত "Teaching, affiliating and Residential" উদ্দেশ্যেৰে ২য়খন বিশ্ববিদ্যালয় অসমত প্ৰতিষ্ঠিত হ'ল। একে উদ্দেশ্যৰ দুখন বিশ্ববিদ্যালয় ১৯৪৭ কিয় ভাৰতবৰ্ষৰ অন্যান্য বিশ্ববিদ্যালয় যেনে বেনাৰস হিন্দু বিশ্ববিদ্যালয় (১৯১৫), লক্ষ্মৌ বিশ্ববিদ্যালয় (১৯২১) আদিৰ দৰে বহু আগতে হব লাগিছিল। গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ প্ৰায় বিশ বছৰৰ পিছত একে উদ্দেশ্যেৰে আন এখন বিশ্ববিদ্যালয় হ'ল– সেই ফালৰ পৰা পলমকৈ হ'লেও উদ্দেশ্য সফল হ'ল বুলি ক'ব লাগিব। কিন্তু চাহ, তেল, কয়লা আদি প্ৰাকৃতিক সম্পদৰ ওপৰত অধ্যয়ন কৰি তাক ব্যৱহাৰিক ভাবে ৰাজ্যখনৰ উপকাৰত অহাকৈ বিষয়বোৰ থকা হ'লে ভাল আছিল বুলি ভাবো। অৰ্থাৎ বিশ্ববিদ্যালয়খন গুৱাহাটীৰ দৰে ডুপ্লিকেট নহৈ এখন Technical oriented বিশ্ববিদ্যালয় হব লাগিছিল! উদাহৰণ স্বৰূপে ক'ব পাৰোঃ নৰকাসুৰৰ যুগৰ পৰা একেবাৰে চুকাফাৰ নাতি-পুতিলৈকে কোনেওতো তেলৰ বিষয়ে জনা নাছিল! তেওঁলোকৰ প্ৰজাসমূহে বা নাতি পুতিয়ে অসমত যে তেল আছে, তাক নিজে খনন কৰি নিজৰ ৰাজ্যৰ উন্নতিৰ কাৰণে লগোৱাৰ শিক্ষা ক'ত পাব?

বৰ্তমান মোৰ ধাৰণা হ'ল বিশ্ববিদ্যাল[illegible]খন ডিগ্ৰী দিয়া এখন "Degree awardi[illegible]g Factory only."

২ চাওক, মই নিজে সাহিত্যিকো নহওঁ আৰু সাংস্কৃতিক দিশতো মই উচ্চ নীচ মানদণ্ডৰ বিচাৰক হব নোৱাৰো। শিক্ষাৰ মানদণ্ড নহলেনো ইয়াৰ ডিগ্ৰীধাৰী সকলক ডিগ্ৰী দিয়াৰ যুক্তিয়েই নাই। সেয়েহে একে আষাৰে নাই বুলি ক'লে মই অন্যায় কৰা হব। কিন্তু এয়া অপ্ৰিয় সত্য যে ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয় ঘূৰি যেনে Indian Institute of Technology, Indian Stotistical Institute, Benaras Hindu University, Osmaniya Laknow University আদিত যি অভিজ্ঞতা পাইছো সেইফালৰ পৰা অন্ততঃ ওপৰোক্ত প্ৰশ্নত জড়িত তিনিওটা বিষয়ৰ সমন্বয়ৰ ভেটিয়েই গঢ় নাই লোৱা বুলি ক'ব লাগিব। মানদণ্ডৰ কথা পিছৰ কথা। কাজেই পৰিবেশ গঢ় নাই লোৱা বুলিয়েই মই ভাবো। নিজা নিজা বিষয়ত বিশেষজ্ঞৰ কথাটো মই সাঙুৰিব খোজা নাই, কেৱল সমন্বয়ৰ কথাহে কৈছো।

পৰামৰ্শ দিবলৈ বিশেষ কি আছে? কোনোবা এজনৰ পৰামৰ্শৰ লগত বিষয়টো জড়িত নহয়। বিষয়টো জড়িত হৈছে অসমীয়াৰ কোনখিনি ভাষা-সাহিত্য-সাংস্কৃতিক ৰূপ দিলে এক নিজা বৈশিষ্ট্যৰে বিশ্বৰ ভিতৰতে ডিব্ৰুগড় বিশ্ববিদ্যালয়-খনৰ নিজা স্থান থাকে সেইটোহে আচল কথা। হাৰ্ভাৰ্ড, ৱাচিংটনৰ দৰে বিশ্ববিদ্যালয় কৰিবলৈ প্ৰচেষ্টা নকৰি সকলোৰে সামূহিক প্ৰচেষ্টাৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়খনক সাংস্কৃতিক, সাহিত্যিক আৰু শিক্ষাৰ দিশত এক স্বকীয় ৰূপ দিবলৈ চেষ্টা কৰাহে উত্তম পথ হব বুলি মই ভাবো।

৩ প্ৰচাৰ মাধ্যমৰ কামেই হৈছে বাতৰি আদি প্ৰচাৰ কৰা। প্ৰচাৰ নকৰিলে কেনেকৈ হব? ধৰক গড়কাপ্তানি বিভাগৰ বিষয়ে একো প্ৰচাৰ হোৱা নাই; সেই বুলি তাত খেলি মেলি নাইনে? গতিকে খেলি মেলি যিবোৰ প্ৰকাশ পাইছে সেই আটাইবোৰ বিষয়েই সঁচা বা আটাইবোৰ মিছা নহয়। মোৰ বিশ (২0) বছৰীয়া অভিজ্ঞতাৰ পৰা কেইটামান দিশত মন্তব্য কৰিব খুজিমঃ বিশ্ববিদ্যালয়ৰ আইনখন শুধৰাব লাগে, কাৰণ এই আইনৰ দফাতেই এজন পঞ্জীয়কক স্থায়ীকৈ নিযুক্তি দিয়াৰ বিষয় জড়িত আছে, ৰেক্টৰৰ ক্ষমতাৰ কথা আছে, আছে বিভিন্ন বিষয়া আৰু কৰ্তৃপক্ষৰ ক্ষমতাৰ কথা। সেয়েহে প্ৰশাসনিক খেলি মেলি হোৱাৰ মূল কাৰণ হৈছে বিশ্ববিদ্যালয় আইনখন। এইখনৰ মাধ্যমতে বিষয়া সকলক কোনো কোনোৱে অত্যুৎসাহী হোৱা, ক্ষমতাৰ অপপ্ৰয়োগ কৰা দেখা যায়। কোনে কিমান বহল ৰুম আৰু ডাঙৰ টেবুল পাইছে তাৰ মাপকাঠিও আছে। বিষয়াসকলৰ এই খাম-খেয়ালিৰ মাজত শিক্ষক মূলতঃ জড়িত নহয়। অৰ্থাৎ শিক্ষক এজনৰ মানদণ্ডৰ লগত বিষয়াৰ ক্ষমতাৰ যুঁজ পোনপটীয়াকৈ জড়িত নাই। বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক এজন কেতিয়াবা উপাচাৰ্যৰ দায়িত্বত থাকে। সেইজনক মানা-নামানালৈ বাতৰি কাকতত বিতৰ্কৰ সৃষ্টি হ'লে উপায় নাই। বিশ্ববিদ্যালয়ৰ সহকাৰী পঞ্জীয়ক

OKDISCD

(প্ৰশাসন) পৰীক্ষা নিয়ন্ত্ৰক (ভাৰপ্ৰাপ্ত) পৰ্যন্ত বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীসকলৰ পৰাই হৈছেগৈ; তাত শিক্ষকে মাত মতা নাই; আই এচ এচ বিষয়াও উপাচাৰ্য হৈছে তাতো শিক্ষকে গোট হিচাপে বিদ্ৰোহ কৰা নাই, ছাত্ৰ সংস্থায়ো বিৰোধিতা কৰি সংবাদ পত্ৰত বিবৃতি দিয়া নাই। এজন অধ্যাপক (জ্যেষ্ঠ) উপাচাৰ্যৰ দায়িত্বত থাকিলে যদি মানা নামানাৰ প্ৰশ্ন উঠে সেই মানসিকতাৰ বাবে শিক্ষক-ছাত্ৰ দায়ী নহয়। শিক্ষকে শিক্ষা দিয়ে আছে। ছাত্ৰয়ো লৈ আছে। কিন্তু পৰীক্ষা নিয়ন্ত্ৰকৰ কক্ষৰ পৰা কিবা হেৰুওৱা ফাইলৰ পিছে পিছে ছাত্ৰ শিক্ষক দৌৰা বিষয়বোৰ প্ৰশাসনৰ লগত জড়িত, সুনিয়ন্ত্ৰণৰ লগত জড়িত। উপাচাৰ্য হিচাপে ড০ বি আৰ শেঠ, শ্ৰীযুত জীতেন দাস আই এ এছ, ড০ শৈলধৰ গগৈ আৰু বৰ্তমান শ্ৰীযুত কমলেশ্বৰ বৰা আই এচ এচ দেৱৰ দিনবোৰ পাইছো আৰু এই গোটেই যুগটোৰ উপাচাৰ্যৰ দায়িত্বত থকা অধ্যাপক এচ্ চি শ্ৰীবাস্তৱ আৰু বৰ্তমানৰ ৰেক্টৰ অধ্যাপক কমল বৰুৱাকে প্ৰমুখ্যে অন্যান্য অস্থায়ী সকলোকো পাইছো। কাজেই আটাইবোৰ লোকৰ ভাল চিন্তা যে নাই সেয়া নহয়। বিশ্ববিদ্যালয়খন সকলোৰে। ব্যক্তিগত চিন্তা আৰু উন্নয়নৰ ধ্যান-ধাৰণাৰ লগত যদি সামূহিক বিশ্ববিদ্যালয়খনৰ উন্নতিৰ বাবেও সকলো পৰ্যায়ৰ কৰ্মী তথা শিক্ষক আৰু সচেতন নাগৰিকে মন দিয়ে তেহে উন্নতি হব; অৱস্থাৰো উন্নতি হব। I mean the Total Quality of the lot should be improved and involved কোনো এজনৰ ব্যক্তিগত সৎ প্ৰচেষ্টায়ো বিশ্ববিদ্যালয়খনৰ বা অন্যান্য বিশ্ববিদ্যালয় অনুষ্ঠান প্ৰতিষ্ঠানৰ উন্নতি সাধন নকৰে। প্ৰচাৰ মাধ্যমৰো গঠনমূলক সমালোচনাৰ প্ৰয়োজন, য'ত বিভিন্ন ব্যক্তিৰ পৰামৰ্শ সমূহ লব পাৰি।

মত প্ৰকাশৰ মুক্ত পৰিবেশ নাথাকিলে মই এইদৰে নকওঁ। কিন্তু মোৰ লগত বহুতৰ মত নিমিলিব পাৰে। কেতিয়াবা অৱশ্যে মত প্ৰকাশ কৰা য'ত ভুক্তভোগী হয়। প্ৰশাসনৰ মুৰব্বী কোনোৱেই ভবা উচিত নহয় যে সেইজনৰ চিন্তাই উৰ্ধ্বত। বিশ্ববিদ্যালয়খন এখন ফাৰ্ম (বা factory)। বাকী সমূহে একো ক'বৰ অধিকাৰ নাই। মই ব্যক্তিগত ভাবে চৰকাৰী গৱেষণা বিষয়াৰ চাকৰি নকৰি এই জীৱন বাছি লোৱা অৰ্থই হৈছে মনৰ ভাব প্ৰকাশৰ সুবিধা। সেই বুলি নিশ্চয় কোৱাৰো সীমা আছে। সেয়েহে ভাব প্ৰকাশৰ গঠনমূলক মতামত দিবলৈ কোনোৱে কুণ্ঠাবোধ কৰে আৰু কোনোৰ প্ৰতি প্ৰতিশোধ লব খোজে। এয়া বিশ্ববিদ্যালয়তে নহয়- আনকি ৰাজনৈতিক দলবোৰোতো। "মেলত থাকি নকয় উচিত, দোষে পায় কিঞ্চিত কিঞ্চিত।" যিসকলে মতামত নিদিয়ে সেই সকলৰ বাবেও অনেক সময়ত কৰ্তৃপক্ষ বিপদত পৰাৰ উদাহৰণ আছে। এই সম্পৰ্কে বহলাই ক'ব খোজা নাই– অন্যথা আপুনি কৰা ২য় প্ৰশ্ন প্ৰশ্ন হৈয়ে ৰ'ব, পৰিবেশ কাহানিও নহব, যদিহে মতামত ব্যক্ত কৰা নহয়, পৰামৰ্শ দিয়াও নহয়।

## বিশ্ববিদ্যালয়ত মত প্ৰকাশ কৰাৰ মুক্ত পৰিবেশ আছে

কেশৱ দত্ত

*কৰ্মচাৰী*

১ হয়, কাৰিকৰী শিক্ষা দানৰ উদ্দেশ্য আগত ৰাখি ডিব্ৰুগড় বিশ্ববিদ্যালয়খন স্থাপন কৰা হৈছিল। যিটো উদ্দেশ্য আগত ৰাখি স্থাপন কৰা হ'ল সেই দিশত অগ্ৰণী ভূমিকা লব পৰা নাই যদিও প্ৰায়োগিক ভূতত্ত্ব বিজ্ঞান, পেট্ৰোলিয়াম প্ৰযুক্তি বিজ্ঞান, ফাৰ্মাচিউটিকেল চায়েন্স আদি বিভাগ কেইটাই এই ক্ষেত্ৰত কিছু কাম কৰিব পাৰিব বুলি মোৰ ধাৰণা। আৰম্ভণি সময়ছোৱাত হয়তো পুঁজি পৰিকল্পনা আদি বিষয়ত বেমেজালি ঘটিল সেয়ে হয়তো লক্ষ্যত উপনীত হওঁতে খেলিমেলি লাগিল।

বৰ্তমান অৱস্থা সম্পৰ্কে সম্যক ধাৰণাৰ কথা কৈ দিয়াটো বৰ কঠিন যেন লাগে। আমি বিশ্ববিদ্যালয়ৰ কাৰণে সেই ধাৰণা দিয়াটো আৰু বেছি কঠিন। মই ভাবো সেই ধাৰণা বিশ্ববিদ্যালয়ৰ বাহিৰৰ পৰা আহিলেহে নিৰপেক্ষ আৰু যুক্তিযুক্ত হব।

২ এটা কথা সকলোৱে স্বীকাৰ কৰিব যে পৰিবেশ কেতিয়াও নিজে নিজে সৃষ্টি নহয়, ইয়াক সৃষ্টি কৰে মানুহে। যদিহে ইয়াক মানুহে সৃষ্টি কৰে, তেতিয়া হ'লে উচ্চ মানদণ্ডৰ পৰিবেশ নিশ্চয় আছে কাৰণ ইয়াৰ লগত জড়িত মানুহ চাম উচ্চ শিক্ষিত, সাহিত্য আৰু সংস্কৃতিৰ সাধক। গতিকে শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ উচ্চ মানদণ্ডৰ পৰিবেশ নাই বুলি কেনেকৈ কওঁ। তদুপৰি আপুনি বা মই যি শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি আগ্ৰহী, সকলো লোক তেনে শিক্ষা আৰু সংস্কৃতিৰ প্ৰতি আগ্ৰহী নহবও পাৰে কাৰণ প্ৰতিজন মানুহৰে ৰুচিবোধ বেলেগ বেলেগ। সকলো ব্যক্তি বা লোকৰে ৰুচিবোধ মোৰ বা আপোনাৰ দৰে হব লাগিব বুলি বাধ্য কৰিবও পৰা নেযায় আৰু দাবীও কৰিব নোৱাৰি। কথাতে কয় যে– ধানটোৱে প্ৰতি কণটো, মানুহটোৱে প্ৰতি মনটো।

শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ উচ্চ মানদণ্ডৰ পৰিবেশ এটাৰ গঢ় দিবলৈ পৰিবৰ্তনৰ দৰকাৰ। পৰিবৰ্তন মানে নিজে নিজকে পৰিবৰ্তন কৰাৰ কথা কৈছো। সকলোৱে নৈতিক ভাবে সজাগ হব লাগিব, নিজৰ দায়িত্ব পালনত অৱহেলা থাকিব নেলাগিব। আন্তৰিকতাৰে সাহিত্য আৰু সংস্কৃতি সাধনত ৰত হব লাগিব। তদুপৰি বিশ্ববিদ্যালয়ৰ লগত জড়িত সকলো ব্যক্তিৰে উমৈহতীয়া আন্তৰিক প্ৰচেষ্টাৰো প্ৰয়োজন আছে।

৩ প্ৰচাৰ মাধ্যমত ঠাই পোৱা প্ৰচাৰ সমূহত মই বিশেষ গুৰুত্ব দিব নিবিচাৰো, যদিহে ই গঠনমূলক নহয়। যদি কেতিয়াবা প্ৰকৃত খেলিমেলিৰ দৃষ্টিগোচৰ হয় তেতিয়া হ'লে কৰ্মী সংস্থাৰ সদস্য আৰু বিশ্ববিদ্যালয়ৰ এজন কৰ্মী হিচাপে প্ৰথমে মই কৰ্মী সংস্থাৰ দৃষ্টি গোচৰ কৰিম। মই ভাবো এই দিশত কৰ্মী সংস্থাই উচিত ব্যৱস্থা সময় সাপেক্ষে লৈ আহিছে আৰু ভৱিষ্যতলৈয়ো সতৰ্ক দৃষ্টি ৰাখিব।

বিশ্ববিদ্যালয়ত মত প্ৰকাশৰ মুক্ত পৰিবেশ নিশ্চয় আছে বুলি মই ভাবো। এই বিষয়ত কোনো দ্বিমত নাই। যদি কোনোবাই নাই বুলি ভাবে তেতিয়া হ'লে নিশ্চয় অভাৱ হব সৎ সাহস আৰু সততাৰ।

## বিভিন্ন পৰস্পৰ বিৰোধী শিবিৰত ভাগ হৈ পৰিছে

নীলকান্ত কোছ

*ভাৰপ্ৰাপ্ত উপপঞ্জীয়ক (বিত্ত)*

১ বিশ্ববিদ্যালয় এখন স্থাপনৰ উদ্দেশ্য কেৱল বিভিন্ন বিষয়ত বছৰি বছৰি এগাল ডিগ্ৰীধাৰী উলিয়াই পঠোৱাটোৱেই নহয়। ইয়াৰ লগত এখন ৰাজ্যৰ সমূহীয়া আৰু আঞ্চলিক আশা-প্ৰত্যাশাৰ কথাও জড়িত। ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠাত ৰাইজৰ প্ৰত্যাশা আছিল, ই এখন কাৰিকৰী বিষয় ভিত্তিক (Technical–biased) উচ্চ শিক্ষাৰ অনুষ্ঠান হব, য'ত উজনি অসমত পৰ্যাপ্ত পৰিমাণে পোৱা তেল, গেছ, কাঠ, কয়লা, চাহপাত আদি শিল্প উদ্যোগত কামত অহা বিষয় সমূহ শিক্ষাত অন্তৰ্ভুক্ত হব। কিন্তু কাৰ্যতঃ সাধাৰণ বিষয়বোৰ লৈয়েই বিশ্ববিদ্যালয় আৰম্ভ আৰু বিকাশ হ'ল। গতিকে উদ্দেশ্যৰ মূলতে উজটি খোৱা অনুষ্ঠানটোৰ উদ্দেশ্যৰ সফলতা বা বিফলতাৰ প্ৰশ্নটোৱেই অবান্তৰ। মুঠতে ইয়াকে ক'ব পৰা যায় যে বিশ্ববিদ্যালয়খন নিজস্ব গতি ধাৰাৰে বৰ্তি আছে, বৰ্তি থাকিব আৰু বৰ্তমান ই তাত্ত্বিক ভাবে বিকাশশীলতাৰ পথত অগ্ৰসৰ অৱস্থাত আছে।

২ নেভাবো। তেনে এটা পৰিবেশ গঢ় লৈ উঠাৰ উদ্যোগো কোনো দিশৰ পৰা কোনেও লোৱা পৰিলক্ষিত হোৱা নাই। বস্তুবাদী আৰু সংকীৰ্ণ আত্মকেন্দ্ৰিক দৃষ্টিভংগীৰ মোহাচ্ছন্নতাৰ পৰা মুক্ত হৈ এচাম শিক্ষকে এচাম ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষিত কৰি লৈ এই ক্ষেত্ৰত আগভাগ ললে প্ৰশাসনৰ ফালৰ পৰাও নিশ্চয় সহাঁৰি পাব আৰু এনে এক বাঞ্ছিত পৰিবেশ গঢ়ি তুলিব পৰা হব। পৰিবেশ গঢ়ি উঠিলে কৰ্তৃপক্ষৰ সহায়-সহযোগ পোৱাটো নিশ্চয় কষ্টসাধ্য নহব।

৩ প্ৰশ্নটো কোনো এক নিৰ্দিষ্ট বিষয়ৰ ওপৰত নহ'লে মন্তব্য দিয়াত অসুবিধা আছে। সংবাদ মাধ্যমত অনেক কথাই ওলাব পাৰে। কিন্তু সকলোবোৰ অভিযোগ কড়াই ক্ৰান্তিয়ে সঁচা নহবও পাৰে। বিচাৰ্য বিষয়, যিবোৰ উৎসৰ পৰা তথ্যবোৰ (অভিযোগবোৰ) সংগ্ৰহ কৰা হয় সেই উৎসবোৰ কিমান দূৰ নিৰপেক্ষ, authentic, বস্তুনিষ্ঠ আৰু গোষ্ঠীস্বাৰ্থ বিবৰ্জিত। শুনিবলৈ বেয়া হ'লেও এইটো এটা বেদনাদায়ক সত্য যে আজিৰ সমাজখন উমৈহতীয়া স্বাৰ্থ ৰক্ষাৰ হকে বাস কৰাৰ পথৰ পৰা ক্ৰমান্বয়ে পিছলি গৈ গোষ্ঠী আৰু গোটৰ স্বাৰ্থৰে বিভিন্ন পৰস্পৰ বিৰোধী শিবিৰত ভাগ ভাগ হৈ পৰিছে আৰু দৃষ্টিভংগীও প্ৰায় ক্ষেত্ৰতে পক্ষপাত দুষ্ট হৈ পৰিছে। বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে অনা অভিযোগৰ তথ্য যোগানকাৰী উৎসবোৰো ওপৰোক্ত দোষবোৰৰ পৰা মুক্ত নোহোৱাটোৱেই সম্ভাৱনা অধিক। অৱশ্যে নিৰ্দিষ্ট কেইখনমান সংবাদ পত্ৰত ওলোৱা বুলি শুনা কথাবোৰ মোৰ পঢ়াৰ সুযোগ ঘটা নাই; কাৰণ, সংবাদ পত্ৰবোৰৰ উৰ্ধ্বগামী মূল্য আৰু মোৰ আৰ্থিক সংগতিৰ মাজৰ ব্যৱধান আৰু সময়ৰ নাটনৰ বাবে নিজৰ ৰুচিৰ দুই-তিনিখন সংবাদ পত্ৰৰ বাহিৰে বাকীবোৰ পঢ়া নহয়। গতিকে 'খেলিমেলি' বুলি কোৱা কথাবোৰৰ সত্যাসত্যৰ বিষয়ে মন্তব্য দিব নোৱাৰিলো।

প্ৰশ্নটোৰ দ্বিতীয় অংশ অৰ্থাৎ মত প্ৰকাশৰ মুক্ত পৰিবেশ কথাটো কিছু অস্পষ্ট। সকলো অনুষ্ঠান প্ৰতিষ্ঠানতে চাকৰিয়াল সকলৰ বাবে কিছুমান বিধি-বিধান, কাৰ্য-পৰিধি আৰু অনুশাসনৰ বান্ধোনেৰে কাৰ্যনিৰ্বাহৰ পৰিসীমা আছে; বিশ্ববিদ্যালয়ৰ চাকৰিয়ালৰ ক্ষেত্ৰতো ই প্ৰযোজ্য। এই পৰিসীমাৰ উৰ্ধ্বলৈ গৈ বিশ্ববিদ্যালয়ৰ কোনো চাকৰিয়ালেই বিশ্ববিদ্যালয়ৰ কথাত মুকলি মতামত প্ৰকাশ কৰাটো নীতি বিৰুদ্ধ। এইটো পৰিবেশৰ কথা নহয় অনুশাসনৰহে কথা। অৱশ্যে ছাত্ৰ-ছাত্ৰী সকল এই পৰিসীমাৰ বাহিৰত। বিশ্ববিদ্যালয়ৰ এজন দায়িত্বশীল বিষয়া হিচাপে এই পৰিসীমাৰ ভিতৰত প্ৰশাসনীয় ক্ষেত্ৰত নিজস্ব মতামত নিৰ্ভীক ভাবে প্ৰকাশ কৰাৰ স্বাধীনতা মোৰ নিশ্চয় আছে; যদিওবা উচ্চ স্তৰত সেই মতামত সদায়েই বা সকলো ক্ষেত্ৰতে গ্ৰাহ্য নহবও পাৰে।

## সাংস্কৃতিক, শৈক্ষিক পৰিবেশৰ বাবে দীৰ্ঘম্যাদী ব্যৱস্থা লোৱা হোৱা নাই

যোগেশ খনিকৰ

*সম্পাদক, স্নাতকোত্তৰ শ্ৰেণী ছাত্ৰ সংস্থা*

১ ডিব্ৰুগড় বিশ্ববিদ্যালখন স্থাপন কৰা হৈছিল– ইয়াক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে। কিন্তু বাস্তৱত বিশ্ববিদ্যালয়-খনত পেট্ৰ'লিয়াম টেকন'লজীৰ ডিপ্লোমা ক'ৰ্চ আৰু প্ৰায়োগিক ভূ-তত্ত্ব বিদ্যাৰ বাহিৰে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ কোনো এটা আধুনিক বিভাগ এতিয়ালৈকে খোলা হোৱা নাই। গতিকে যি উদ্দেশ্যেৰে বিশ্ববিদ্যায়লখন স্থাপন কৰা হৈছিল সেই উদ্দেশ্য সফল হৈছে বুলি ভাবিব নোৱাৰি। তথাপিতো অসমৰ শিক্ষা আৰু সাংস্কৃতিক জগতলৈ বিশ্ববিদ্যালয়খনে যোৱা পঁচিশটা বছৰে যোগাই অহা অৰিহণা নুই কৰিব নোৱাৰি।

বৰ্তমান বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ ১৭টা বিভাগৰ পাঠদান চলি আছে যদিও স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ অনুপাতে উক্ত বিভাগ সমূহত আসনৰ সংখ্যা যথেষ্ট নহয়। স্নাঃ মঃ ছাঃ এঃ সভাই বিশ্ববিদ্যালয়খনত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ কেইটামান আধুনিক বিভাগ যেনে– কম্পিউটাৰ চায়েন্স, এম বি এ, এপ্লাইদ জিঅ' ফিজিক্স, প্লাইউড টেকন'ল'জী ইত্যাদি বিভাগ সমূহ খুলিবলৈ দাবী জনাইছো আৰু প্ৰাৰম্ভিক পৰ্যায়ত সফলতা অৰ্জন কৰিছো।

২ বিশ্ববিদ্যালয়খনত অতি উচ্চ মানদণ্ডৰ শৈক্ষিক বা সাংস্কৃতিক পৰিবেশ গঢ়ি উঠা নাই যদিও ইয়াত সাংস্কৃতিক পৰিবেশ একেবাৰে নাই বুলিও ক'ব নোৱাৰি। আচলতে শিক্ষানুষ্ঠান এটাৰ শৈক্ষিক বা সাংস্কৃতিক পৰিবেশ নিৰ্ভৰ কৰে ইয়াৰ লগত জড়িত সকলো পক্ষৰে ওপৰত (ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, কৰ্তৃপক্ষ, শুভাকাংক্ষী)। আমাৰ বিশ্ববিদ্যালয়খনত প্ৰথিতযশা শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী, গৱেষক আৰু কৃতী শিক্ষক আছে। তেখেতলোকৰ শিক্ষা, পৰামৰ্শ আৰু প্ৰেৰণাৰে উদ্বুদ্ধ হৈ আৰু আমাৰ মৌলিক চিন্তাধাৰাৰ বিকাশ ঘটাই আমি ছাত্ৰ-ছাত্ৰীসকলে বিশ্ববিদ্যালয়খনৰ শৈক্ষিক বা সাংস্কৃতিক মানদণ্ড উন্নত কৰিবলৈ যি আন্তৰিক প্ৰচেষ্টা কৰিব লাগিব সেয়া জানো কৰিছো! কৰ্তৃপক্ষৰ ফালৰ পৰাও বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক বা শৈক্ষিক পৰিবেশ উন্নয়নৰ কাৰণে আজিকোপতি কোনো ধৰণৰ দীৰ্ঘম্যাদী ব্যৱস্থা লোৱা দেখা নগ'ল। সংশ্লিষ্ট সকলো পক্ষৰে সমন্বয় আৰু আন্তৰিকতা অবিহনে বিশ্ববিদ্যালয়খনত উচ্চ পৰ্যায়ৰ সাংস্কৃতিক পৰিবেশ আশা কৰিব নোৱাৰি। যিহেতু ছাত্ৰ-ছাত্ৰী সকল মাত্ৰ দুবছৰৰ বাবেহে বিশ্ববিদ্যালয়লৈ আহে গতিকে বিশ্ববিদ্যালয়খনত স্থায়ী আৰু উচ্চ পৰ্যায়ৰ শৈক্ষিক আৰু সাংস্কৃতিক পৰিবেশ গঢ়ি তোলাৰ কাৰণে কৰ্তৃপক্ষইহে গুৰু দায়িত্ব পালন কৰিব লাগে। এই ক্ষেত্ৰত আমাৰ শিক্ষাগুৰু আৰু শুভাকাংক্ষীসকলৰ সু-পৰামৰ্শ আৰু প্ৰত্যক্ষ সহযোগিতাই ছাত্ৰ-ছাত্ৰী সকলক অনুপ্ৰাণিত কৰিব পাৰে।

স্নাঃ মঃ ছাঃ এঃ সঃ-ই বিশ্ববিদ্যালয়খনৰ শৈক্ষিক আৰু সাংস্কৃতিক পৰিবেশ উন্নয়নৰ কাৰণে নিয়মীয়া ভাবে আলোচনা চক্ৰ, কুইজ, তৰ্ক

প্ৰতিযোগিতা, সাহিত্য প্ৰতিযোগিতা আদি আয়োজনৰ ব্যৱস্হা কৰিছে আৰু এই ক্ষেত্ৰত সাংস্কৃতিক সঞ্চালকালয়ৰ লগতো যোগাযোগ কৰিছে। আমাৰ পৰবৰ্তী ছাত্ৰ একতা সভা সমূহেও এই প্ৰচেষ্টাৰ ধাৰাবাহিকতা ৰক্ষা কৰিলে আৰু সংশ্লিষ্ট সকলো পক্ষৰে সহযোগিতা পালে বিশ্ববিদ্যালয়খনৰ উচ্চ পৰ্যায়ৰ সাংস্কৃতিক পৰিৱেশ গঢ়ি উঠিব।

৩ বিশ্ববিদ্যালয়খনৰ শৈক্ষিক আৰু প্ৰশাসনিক দিশৰ বিভিন্ন খেলিমেলিৰ বিষয়ে প্ৰচাৰ মাধ্যম সমূহত প্ৰায়ে স্হান পাই আহিছে। এইবোৰে জনমানসত বিশ্ব-বিদ্যালয়খনৰ ভাবমূৰ্তিও ম্লান কৰিছে। স্নাঃ মঃ ছাঃ এঃ সঃ ই কৰ্তৃপক্ষৰ পৰা এইবোৰৰ স্পষ্টীকৰণ বিচৰাৰ লগতে বিভিন্ন অভিযোগৰ ওপৰত তদন্ত কৰিবলৈ এখনি তদন্ত কমিটি বিচাৰিছে।

বিশ্ববিদ্যালয়খনত মত প্ৰকাশৰ মুক্ত পৰিৱেশ আছে নে নাই সোধা প্ৰশ্নটো অপ্ৰাসংগিক। আপুনি তেনে পৰিৱেশৰ অভাৱ অনুভৱ কৰিছে নেকি?

স্নাঃ মঃ ছাঃ এঃ সঃ ই যিকোনো ধৰণৰ গঠনমূলক সমালোচনা, দিহা-পৰামৰ্শ বা মতামতক আদৰণি জনায়। কিন্তু মত প্ৰকাশৰ মুক্ত পৰিৱেশ থাকিলে বুলিয়েই বিশ্ববিদ্যালয়ৰ উন্নতিৰ পৰিপন্হী আৰু বিশ্ববিদ্যালয়ৰ ভাবমূৰ্তি ম্লান কৰিব বিচৰা উদ্দেশ্যপ্ৰণোদিত আৰু তথ্যহীন অভিযোগৰ প্ৰচাৰ হোৱাটোও ছাত্ৰ একতা সভাই কামনা নকৰে। এইখিনিতে প্ৰচাৰ মাধ্যম সমূহকো আমি আহ্বান জনাওঁ যাতে বিশ্ববিদ্যালয়ৰ দৰে মহৎ অনুষ্ঠান এটাৰ ওপৰত আলোকপাত কৰা যিকোনো অভিযোগ তথ্যভিত্তিক হয়।

# ডিব্রুগড় বিশ্ববিদ্যালয় একাধিক সমস্যাৰে আক্ৰান্ত

অনিল শইকীয়া
*ছাত্ৰ, অসমীয়া বিভাগ*

১ কেনে মাংগলিক উৰুলি ধ্বনিৰে লুইতৰ বহল পাৰত ডিব্রুগড় বিশ্ববিদ্যালয়ে জন্মৰ পোহৰ দেখিলে নাজানো। আধুনিক চিন্তা-চৰ্চা, জ্ঞান বিজ্ঞান, প্ৰযুক্তি বিদ্যাৰ গৱেষণা, অধ্যয়ন আদিয়ে আছিল ডিব্রুগড় বিশ্ববিদ্যালয়ৰ জন্ম লগ্নৰ মহৎ স্বপ্ন। ইয়াক বাস্তৱ ৰূপ দিয়াৰ ক্ষেত্ৰত যিমান দূৰ সফলতা অৰ্জন কৰিব লাগিছিল সেয়া হৈ নুঠাটো সঁচাকৈয়ে পৰিতাপৰ বিষয়। ৰূপালী জয়ন্তী বয়সীয়া ডিব্রুগড় বিশ্ববিদ্যালয়ৰ মাজ মজিয়াত থিয় হৈ আজি যদি কৃতিত্বৰ লেখ লোৱা হয় স্বাভাৱিকতে হতাশ হব লগীয়া হয়। কেৱল লক্ষ্য মহৎ হ'লেই নহব–প্ৰায়োগিক দিশত কিমান দূৰ বৰঙণি যোগাব পাৰিছে সেইটোহে আচল কথা। আগৰ তুলনাত বিশ্ববিদ্যালয়খনিত দুই এটা নতুন ভৱন গঢ় লৈ উঠিছে, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তুলনামূলক ভাবে বৃদ্ধি পাইছে, ই এক প্ৰকাৰ শুভ লক্ষণ। বিশ্ববিদ্যালয়ৰ উন্নতিৰ কথাটোৰ লগত কৰ্তৃপক্ষ, শিক্ষক, ছাত্ৰ, কৰ্মচাৰীৰ সমন্বিত ঐকান্তিক প্ৰচেষ্টাৰ দ্বাৰাইহে সম্ভৱ হৈ উঠিব পাৰে। বিশ্ববিদ্যালয় নামৰ উচ্চতম শিক্ষানুষ্ঠানটোৱে অসমীয়া জাতীয় জীৱনত কিমান দূৰ সাৰ্থক প্ৰতিনিধিত্ব কৰিব পাৰিছে এই বিষয়ে সচেষ্ট হোৱা অতীব প্ৰয়োজন। ডিব্রুগড় বিশ্ববিদ্যালয়ত শৈক্ষিক আৰু বৌদ্ধিক দিশত চিন্তা চৰ্চাৰ বাবে অনুকূল বাতাবৰণ গঢ়ি তোলা প্ৰয়োজন। ভাৰতৰ অন্যান্য আগশাৰীৰ বিশ্ববিদ্যালয় সমূহৰ আদৰ্শৰ প্ৰতি লক্ষ্য ৰাখি শৈক্ষিক দিনপঞ্জী ৰচনা কৰা প্ৰয়োজন।

২ বিশ্ববিদ্যালয় বুলি ক'লেই যি এক উচ্চ ধাৰণা মনত পুহি ৰাখিছিলো ডিব্রুগড় বিশ্ববিদ্যালয়ত প্ৰবেশ কৰি দেখা পালো তাৰ অন্য এক ৰূপ। শিক্ষা, সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰত ডিব্রুগড় বিশ্ববিদ্যালয়ৰ মান অনুজ্জ্বল বুলি ক'লে সত্যৰ অপলাপ হব। ১৯৬৫ চনত স্হাপিত হোৱা উজনি অসমৰ একমাত্ৰ উচ্চতম শিক্ষানুষ্ঠান হিচাপে ডিব্রুগড় বিশ্ববিদ্যালয়ে শৈক্ষিক ক্ষেত্ৰত বহুমূলীয়া সেৱা আগবঢ়াই আহিছে। সম্প্ৰতি ১৭টা বিভাগেৰে পূৰ্ণ ডিব্রুগড় বিশ্ববিদ্যালয়ত জাৰ্ণেলিজিম, লাইব্ৰেৰী চায়েন্স আদি বিষয় খোলাৰ অতীব প্ৰয়োজন হৈ পৰিছে। এক উপযুক্ত অধ্যয়নৰ পৰিৱেশ আছে যদিও ডিব্রুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্হালয়ত ছাত্ৰ-ছাত্ৰীৰ উপস্হিতি আশানুৰূপ নহয়। পুথি ভঁৰালত ছাত্ৰৰ উপস্হিতি বাধ্যতামূলক হব লাগে। বিভিন্ন বিভাগ সমূহত গতানুগতিক পাঠদানৰ ওপৰত ভিত্তি নকৰি সপ্তাহত সঘনাই আলোচনা চক্ৰ, প্ৰশ্নোত্তৰ অনুষ্ঠানৰ ব্যৱস্হা হব লাগে। সম্প্ৰতি ডিব্রুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ বৰঙণি আমাৰ বাবে সাঁথৰ স্বৰূপ। ডিব্রুগড় বিশ্ববিদ্যালয়ত এটি সাংস্কৃতিক মিউজিয়াম স্হাপনৰ প্ৰয়োজন আহি পৰিছে। কালৰ গৰাহত হেৰাই যাব ধৰা সাংস্কৃতিক সম্পদ সমূহৰ গৱেষণা চৰ্চা আৰু সংৰক্ষণৰ ব্যৱস্হা কৰাটো প্ৰয়োজন। ডিগ্ৰী সৰ্বস্ব মানসিকতাই বহু ছাত্ৰ-ছাত্ৰীক প্ৰতি মূহূৰ্ততে নিয়ন্ত্ৰণ কৰি ৰাখে যেন অনুমান হয় যাৰ ফলত ডিব্রুগড় বিশ্ববিদ্যালয়ত এক নিষ্প্ৰাণ পৰিৱেশ গঢ় লৈছে। সমসাময়িক পৰিস্হিতিয়ে এই উচ্চতম শিক্ষানুষ্ঠানটোত কেনে প্ৰতিক্ৰিয়া সৃষ্টি কৰিব পাৰে সেই বিষয়ে উমান পাবৰ উপায় নাই। এটি উচ্চতম শিক্ষানুষ্ঠান ডিগ্ৰী 'বনোৱা' কাৰখানাৰ হোৱাতকৈ গতানু-গতিকতাৰ বৃত্ত ভাঙি নতুন নতুন চিন্তা দৃষ্টিভংগীৰে বাট কাটি যাব পৰাটোহে পৰম সাৰ্থকতা বুলি ভাবো।

৩ শৈক্ষিক আৰু প্ৰশাসনিক দিশত ডিব্রুগড় বিশ্ববিদ্যালয় একাধিক সমস্যাৰে আক্ৰান্ত। ডিব্রুগড় বিশ্ব-বিদ্যালয়ৰ প্ৰশাসনীয় বেমেজালিৰ কথা সম্প্ৰতি সৰ্বজন বিদিত হৈ পৰিছে। বিভিন্ন সমস্যা সমূহ নিৰপেক্ষ ভাবে চালি জাৰি চাই পৰীক্ষা সমূহ উপযুক্ত সময়ত অনুষ্ঠিত কৰিব নোৱৰাটো কৰ্তৃপক্ষৰ দুৰ্বলতাৰ কথাই সূচায়। 'লাখ লাখ টকা খৰচৰ বিনিময়ত সাজি উলিওৱা ছাত্ৰাবাসৰ ভিতৰত বৰষুণ আহিলেই থাকিব নোৱৰা অৱস্হা, গৰুৰ গোবৰেৰে ভৰি থকা ডিব্রুগড় বিশ্ববিদ্যালয়ৰ চৌদহৰ পথ সমূহত ভৰি দিব নোৱৰা অৱস্হা, উৎকট স্বজনপ্ৰীতি, গাহৰি গড়াল সদৃশ অস্হায়ী প্ৰেক্ষাগৃহ, দাঁত নিকটাই থিয় হৈ থকা অৰ্দ্ধনিৰ্মিত প্ৰেক্ষাগৃহ (কোন শতিকাত শেষ হ'ব!) একাডেমিক কেলেন্ডাৰৰ কাম আৰু কামৰ সামঞ্জস্যহীনতা আদি বহু সমস্যা আমি প্ৰত্যক্ষ ভাবে লক্ষ্য কৰিছো। বিশ্ববিদ্যালয়খন দুৰ্নীতি মুক্ত হ'লে বিশ্ববিদ্যালয়ৰ মজিয়াত প্ৰতিবাদী ধ্বনিৰে মুখৰিত হব কিয়? ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন দাবী পূৰণৰ বাবে কৰা আন্দোলনক 'ল'ৰা-ধেমালি' হিচাপে নলৈ সমস্যা সমূহৰ মুকলি ভাবে আলোচনা হোৱা দৰকাৰ। সুখৰ বিষয় ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী লেতেৰা ৰাজনীতিৰ পৰা বহু নিলগত। সূ

বিঃদ্ৰঃ অহা সংখ্যাত 'ডিব্রুগড় বিশ্ববিদ্যালয় আৰু ইয়াৰ ভিতৰ চ'ৰা' সম্পৰ্কে বিশ্ববিদ্যালয়ৰ পঞ্জীয়কে দিয়া স্পষ্টীকৰণৰ ভিত্তিত অনুসন্ধান কৰি স্বপ্না বেজবৰুৱাই প্ৰস্তুত কৰা এক তথ্য ভিত্তিক প্ৰতিবেদন প্ৰকাশ পাব।




## শব্দ, চিত্ৰ ক্ৰমশঃ

হেমন্ত বৰ্মন

# মৃত্যুৰ দুৱাৰডলিত জীৱনৰ জয়গান

জীৱনটোক সম্পূৰ্ণ ৩৬ বছৰো নোপোৱা এক মহৎ প্ৰাণ মৃত্যুৰ দুৱাৰডলিত থিয় হৈয়ো জীৱনৰ জয়গান গাই যোৱাৰ ইতিহাস যোৱা দুই শতিকাৰ মানৱ সভ্যতাৰ অন্যতম পৰম সম্পদ। কোন সেই অমৰ প্ৰাণ যি মৃত্যু শয্যাতো মৃতকৰ বাবে সুৰ সৃষ্টিত ব্যস্ত আছিল? চাৰি বছৰ বয়সতে সুৰ সৃষ্টিৰ অসমি দক্ষতাৰ গৰাকী অষ্টিয়াৰ ম'জাৰ্টৰ সুৰৰ মায়াজাল কেৱল এখন দেশৰ ভৌগোলিক সীমাতে আবদ্ধ নহয়।

ম'জাৰ্টৰ সংগীত মনুষ্যত্বৰ পৰম সম্পদ। মানৱৰ সূক্ষ্ম অনুভূতিৰ অপূৰ্ব গাঁথা নিহিত আছে তেওঁৰ ৬৫০ টা ৰচনাত– সাধাৰণ মানুহৰ জীৱনত যাক শুনি শেষ কৰা সম্ভৱ নহয়। ৰজা-প্ৰজা উভয়ৰে প্ৰেম বৰ্ষিত তেওঁৰ সংগীতৰ আনন্দ লহৰীত নিজ অনুভূতিৰ সন্ধান আজিৰ মানুহৰ বাবেও জীৱন চৰ্যাৰ অংগ। আশাৰ বাণী। হতাশাৰ বিপৰীতে বিপনি বিধ্বস্ত মানৱ সংস্কৃতিৰ আশাৰ প্ৰদীপ। অপৰাজেয় মানৱ মনৰ এক সুদীৰ্ঘ পৰিক্ৰমা ম'জাৰ্টৰ সংগীত। তেওঁৰ চমু জীৱন আৰু সংগীতক লৈ জিজ্ঞাসাৰ অন্ত নাই। ম'জাৰ্টৰ সংগীতৰ বিষয়ে অতি কমেও দহ হেজাৰৰো অধিক গ্ৰন্হ ইতিমধ্যেই ৰচিত হৈছে। ইয়াৰ উপৰিও বছৰে দুশতকৈয়ো বেছি গ্ৰন্হ ৰচনা হৈ আহিছে।



কি মনুষ্যত্বৰ সন্ধানী ম'জাৰ্টৰ সংগীতত। ব্যাখ্যাতকৈয়ো উপলব্ধিহে ইয়াৰ উত্তৰ। 'আমাৰ সময়ৰ বাবে ম'জাৰ্টৰ সংগীতৰ গুৰুত্ব অসীম। কিয়নো তেওঁৰ সংগীতে আমাৰ অবদমিত ইচ্ছাৰ দুৱাৰ মুকলি কৰে যুক্তি আৰু আবেগৰ হেৰোৱা ভাৰসাম্যৰ সন্ধানত।' এগৰাকী জাৰ্মান সমালোচকৰ এই উক্তিয়ে প্ৰমাণ কৰে ম'জাৰ্ট আৰু তেওঁৰ অৱদান মনুষ্যত্বৰ বাবে কিমান প্ৰয়োজনীয়।

জীৱনৰ এক তৃতীয়াংশ সময় ম'জাৰ্টে সংগীত পৰিৱেশন কৰাৰ নামত কষ্টকৰ ভ্ৰমণৰ নামত কটাইছিল। প্ৰায় ৩৬ বছৰীয়া তেওঁৰ জীৱনৰ দহ বছৰ ২ মাহ ৮ দিন কটাইছিল কষ্টসাধ্য ভ্ৰমণত। ফলত তেওঁৰ শৰীৰত বাহ লৈছিল ভয়ংকৰ ৰোগে। ক্ষয়ৰ আবিলতাক তেওঁ উপলব্ধি কৰিছিল শান্তিৰ বাৰ্তাবাহক ৰূপে– কষ্ট আৰু বেদনা হিচাপে নহয়। সেয়ে ১৭৯১ চনৰ ৫ ডিচেম্বৰৰ আগৰ মৃত্যুৰ ক্ষণ গণা দিনতো তেওঁ ৰচনা কৰিছিল Requiem। মৃতকৰ বাবে ৰচা এই সংগীত তেওঁ সমাপ্ত কৰিব নোৱাৰিলে। মৃত্যুক জয় কৰা অসম্ভৱ কিন্তু জীৱন জয়ৰ যি প্ৰেৰণা ম'জাৰ্টে মানৱ জাতিক দি গ'ল তাৰ অফুৰন্ত ভাণ্ডাৰ তেওঁৰ উত্তৰ কালৰ মানুহৰ বাবে বিপুল বৈভৱ। মৃত্যুক তেওঁ উপলব্ধি কৰিছিল এইদৰে– "যিহেতু ই (মৃত্যু) আমাৰ জীৱনৰ শেষ সত্য আৰু উদ্দেশ্য সেয়ে যোৱা দুবছৰ জুৰি মই মৃত্যুৰ লগত আত্মীয়তাৰে কাম কৰি বাট বুলিছো। মৃত্যু হ'ল মানৱ জাতিৰ উত্তম আৰু প্ৰকৃত বন্ধু– মই কাম কৰি গৈছো যাতে এই মৃত্যুই মোক মৰম আৰু শান্তিৰে সাবটি লয়–সন্ত্ৰাসিত বা আতংকিত নকৰে।"

মৃত্যুৰ লগত আত্মীয়তা গঢ়ি তোলা এই গৰাকী শিল্পীৰ সংগীত মনুষ্যত্বৰ বাবে মাথো আশাৰ বাণী। দুশ বছৰ পিছতো আমাৰ মূৰ শ্ৰদ্ধাত নত হয় ম'জাৰ্টৰ সৃষ্টিৰ সমুখত। □

## মুকলিত ছবি চোৱাৰ আনন্দ

মুকলি ছবি চোৱাৰ আনন্দ বেলেগ। নবেম্বৰ মাহত গুৱাহাটীত নগাঁৱৰ দুখন বেচৰকাৰী স্কুলৰ ছাত্ৰ শিল্পী সকলৰ

চিত্ৰ প্ৰদৰ্শনীয়ে দৰ্শকক এই আনন্দকে দান কৰিলে। ছাত্ৰ শিল্পীৰ মাজত দেখা প্ৰচণ্ড আগ্ৰহ আৰু কৰ্ম চাঞ্চল্য এই প্ৰদৰ্শনীৰ মৰ্মবস্তু। আৰু ইয়াৰ আঁৰৰ মানুহজন হ'ল প্ৰণৱ বৰুৱা। বোম্বাইৰ জে জে স্কুলৰ ছাত্ৰ আৰু বিশিষ্ট শিল্পী প্ৰণৱ বৰুৱাৰ তত্বাৱধানত গঢ় লৈ উঠা "কল্লোল" আৰু "ৰূপৰংগ"ৰ এই প্ৰয়াসে আৰু শিল্প পৰিৱেশক আৰু সমৃদ্ধ কৰিব পাৰে। প্ৰদৰ্শনী চাই এই কথাই মনলৈ আহিছে।

সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ আৰ্ট স্কুল খনে চাহিদা পূৰাব নোৱাৰে। ইয়াৰ পয়ালগা অৱস্থাই কোনো শিল্প আন্দোলনো সৃষ্টি কৰিব পৰা নাই। এনে পৰিস্থিতিৰ বিপৰীতে কাম কৰা লোকৰ সংখ্যাও কিন্তু কম নহয়। অসমৰ ঠায়ে ঠায়ে গঢ়ি উঠা অনানুষ্ঠানিক এনে বিদ্যালয়ে সাময়িক ভাবে কিছু অভাৱ পূৰণ কৰিছে, কিছু শিল্পী সৃষ্টিতো অৰিহণা যোগাইছে। গুৱাহাটীৰ জিলা পুথি ভঁৰালৰ কাষৰ কংগ্ৰেছ কাৰ্যালয়ৰ সমুখৰ বাকৰিত যোৱা ১৫ নবেম্বৰৰ পৰা ২৯ নবেম্বৰলৈকে নগাঁৱৰ কল্লোল আৰু ৰূপৰংগ চিত্ৰাংকন বিদ্যালয়ৰ মুক্তাংগন চিত্ৰ প্ৰদৰ্শনীয়ে এনে এক প্ৰয়াসকে প্ৰতিফলিত কৰে। দুয়োখন অনানুষ্ঠানিক বিদ্যালয়ৰে গুৰি ধৰোতা হ'ল প্ৰণৱ বৰুৱা। গুৰু প্ৰণৱ বৰুৱাৰ প্ৰভাৱ তেওঁৰ শিষ্যসকলৰ চিত্ৰত স্পষ্ট। অংকন ৰীতিৰ পৰা ৰঙৰ ব্যৱহাৰলৈ ছাত্ৰৰ ছবিত প্ৰণৱ বৰুৱাৰ প্ৰভাৱ বিদ্যমান। কিন্তু ছাত্ৰ সকলক এতিয়াই এই প্ৰভাৱ সম্পৰ্কে সচেতন নকৰিলে নিজস্ব এক শৈলীৰ সন্ধান তেওঁলোকৰ বাবে কঠিন হৈ পৰিব।

মুকলিত ছবি চোৱাৰ সুযোগ দিয়া বাবে কল্লোল আৰু ৰূপৰংগ নিঃসন্দেহে ধন্যবাদৰ পাত্ৰ। আমাৰ আৰ্ট গেলেৰীৰ কাষতে পতা এনে প্ৰদৰ্শনীয়ে বোম্বাইৰ জাহাংগীৰ আৰ্ট গেলেৰীৰ চৌপাশত পতা প্ৰদৰ্শনীকে মনত পেলায় বা কলা মেলা জাতীয় এক অনুভৱ কঢ়িয়ায়।

প্ৰণৱ বৰুৱাই এই বিদ্যালয় দুখনৰ আদৰ্শৰ যোগেদি আজি নগাঁও জিলাৰ প্ৰায় তিনি হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীক শিল্প বিষয়ত আগ্ৰহী কৰি তোলাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। শিল্প চেতনাৰ এনে প্ৰচেষ্টাৰ দুটা দিশ থাকিলেও প্ৰাৰম্ভিক পৰ্যায় ৰূপে ইয়াৰ গুৰুত্ব অনস্বীকাৰ্য। এনে বিদ্যালয়ত প্ৰণালীবদ্ধ অধ্যয়নৰ সুযোগৰ অভাৱে কিছু ক্ষতি নকৰাকৈয়ো নাথাকে। সেয়ে শিল্প শিক্ষা আৰু আগ্ৰহৰ এনে সাৰুৱা ক্ষেত্ৰক চৰকাৰী আঁচনিৰে সমাৰি লোৱাৰ ব্যৱস্থা কৰিব পাৰি। অৰ্থাৎ প্ৰতিখন জিলাতে চৰকাৰে একোখনকৈ আৰ্ট স্কুল স্থাপন কৰি শিল্প শিক্ষাৰ এক নতুন দিগন্ত উন্মোচিত কৰিব পাৰে।

## তুলি ৰেখাৰ ভাবনা

এই বছৰতে বিশ্ব ভাৰতী বিশ্ব-বিদ্যালয়ৰ পৰা স্নাতক হোৱা যোৰহাটৰ তুলি ৰেখা ধৰে যোৱা ১২ নবেম্বৰৰ পৰা ১৬ নবেম্বৰলৈকে আৰ্ট গেলেৰীত ২১ খন চিত্ৰৰে এক প্ৰদৰ্শনী আয়োজন কৰি এক নিজস্ব ভাবনাৰ পৰিচয় দিছিল। পেন্সিল, টেম্পেৰা, পানী ৰং আৰু ৱাচ পদ্ধতিৰে কাম কৰা চৌপাশৰ বিষয় বস্তুই হ'ল তুলি ৰেখাৰ চিত্ৰৰ উপজীৱ্য। তুলি ৰেখাৰ অংকন ৰীতি, কম্পোজিশ্বন যিদৰে সহজ সৰল সেইদৰে চিত্ৰৰ বিষয় বস্তুতো জটিলতা কম। কলাছৰূমৰ প্ৰভাৱ আঁতৰাই এক নিজস্ব ৰীতিৰ গৰাকী হিচাপে নিজকে প্ৰতিপন্ন কৰিব নোৱাৰিলেও নাৰী ভাবনাৰ চানেকি তেওঁৰ ছবিত আছে। আমাৰ সমাজত নাৰী জীৱনৰ সীমিত ক্ষেত্ৰ, বিভিন্ন পাৰিপাৰ্শ্বিকতাত তেওঁলোকৰ ভাবনা, পৰিস্থিতিৰ লগত কৰা অসহায় আত্মসমৰ্পণ আদি চিন্তা তুলিকাৰ ছবিৰ উল্লেখযোগ্য আবেদন। এই ভাবনাৰ বিকশিত ৰূপে তুলিকাৰ চিত্ৰক অন্য আয়তন দিয়াৰ সম্ভাৱনা আছে। কিন্তু জিজ্ঞাসা আৰু সাধনাইহে তাক ধাৰাল কৰে। তাৰ দায়িত্ব নিশ্চিতকৈ তুলিকাৰ।

## চাৰু কাৰু কলা পৰিষদৰ মিছা অভিযোগৰ উত্তৰ

১-১৫ ছেপ্তেম্বৰ/৯১ সংখ্যা "সূত্ৰধাৰ"ত অসম চাৰু কাৰু কলা পৰিষদৰ সাধাৰণ সম্পাদক ৰাজেশ্বৰ শৰ্মাই ১৬-৩১ জুলাই/৯১ সংখ্যা "সূত্ৰধাৰ"ৰ নীলপৱন বৰুৱাৰ সাক্ষাৎকাৰটিত ভুল তথ্য পৰিৱেশন কৰা আৰু "পৰিষদৰ নামত কালিমা সানিব খোজা" বুলি আমাৰ বিৰুদ্ধে মিছা অভিযোগ উত্থাপন কৰিছে।

"সূত্ৰধাৰ"ৰ সম্পাদক হোমেন বৰগোহাঞিৰ অনুৰোধ মৰ্মে আমি লেখা "অসমৰ সাম্প্ৰতিক শিল্প কলা" শীৰ্ষক আলচটিৰ পৰিপূৰক ৰূপে অসমৰ তিনি গৰাকী বিশিষ্ট শিল্পীৰ সাক্ষাৎকাৰ সন্নিবিষ্ট কৰাৰ উদ্দেশ্য আছিল অসমৰ শিল্প কলাৰ পৰিবেশ, শিল্প সংগঠন, প্ৰতিষ্ঠান আৰু শিল্প চৰ্চা সন্দৰ্ভত পাঠকৰ সমুখত এখন সম্যক চিত্ৰৰ আভাস দাঙি ধৰা।

কিন্তু শৰ্মাই আমাক ভুল তথ্য পৰিৱেশনকাৰী আৰু কালিমা সানিব খোজা লেখক হিচাপেহে অভিযুক্ত কৰিলে। শৰ্মাৰ দুয়োটা অভিযোগেই ভিত্তিহীন, মনে সজা আৰু মৰ্যাদা হানিকৰ।

সাক্ষাৎ গ্ৰহণকাৰী হিচাপে আমি বৰুৱাৰ সাক্ষাৎকাৰটিত তেখেতে কৰা মন্তব্যহে প্ৰকাশ কৰিছিলো। আমি নিজে তথ্য পৰিৱেশন কৰাৰ প্ৰশ্নই নুঠে। শৰ্মাৰ মতে বৰুৱা পৰিষদৰ পৰা আঁতৰি যোৱাৰ তথ্য ভুল। কিন্তু সুদীৰ্ঘ এক বাণীবদ্ধ সাক্ষাৎকাৰত বৰুৱাই কৈছিল যে "মই অসম ফাইন আৰ্টছ এণ্ড ক্ৰেফ্‌টছ ছচাইটিৰ পৰা যোৱা বছৰ (অৰ্থাৎ ১৯৯০) আঁতৰি আহিছো।" আৰু বৰুৱাৰ এই কথাষাৰকে হুবহু সাক্ষাৎকাৰটিত তুলি দিয়া হৈছিল।

এই মন্তব্য বা তথ্য কোনোপধ্যেই যে লেখকৰ নহয়– নীলপৱন বৰুৱাৰহে সাক্ষাৎকাৰটি পঢ়িলে সহজেই বুজা যায়। তেনেস্থলত শৰ্মাই আমাক দায়ী কৰাৰ উদ্দেশ্য কি তাকহে নুবুজিলো। যদি সেই তথ্য ভুল তেনেহ'লে তাৰো দায়িত্ব সংগঠনটিৰহে। কিয়নো শৰ্মাই দাবী কৰা মতে "চাৰু কাৰু কলা পৰিষদৰ কাৰ্যকৰী সভাপতি ৰূপে কাৰ্যনিৰ্বাহ কৰি থকা" বৰুৱাইহে সাক্ষাৎকাৰত এই মন্তব্য কৰিছিল। বৰুৱাই কিন্তু প্ৰকাশিত এই সাক্ষাৎকাৰটিত তথ্যগত ভুল থকাৰ অভিযোগ আজিলৈকে অনা নাই। অৰ্থাৎ শৰ্মাই তেওঁলোকৰ সংগঠনৰ "কাৰ্যকৰী সভাপতি"ৰ মন্তব্যৰ বাবে আমাক জগৰীয়া কৰি সাংগঠনিক দুৰ্বলতা ঢাকিব বিচৰা নাইতো? ইয়াৰ পিছতো কিহৰ ভিত্তিত শৰ্মাই আমাক মনে সজা অভিযোগত অভিযুক্ত কৰিব বিচাৰিছে তাৰ কাৰণ দৰ্শাই উদ্দেশ্যৰ সততা প্ৰমাণ কৰিব পাৰিবনে?

দ্বিতীয়তে আমাক "পৰিষদৰ নামত কালিমা সানিব খোজা" লেখক ৰূপে পাঠকৰ আগত হেয় প্ৰতিপন্ন কৰাৰ উদ্দেশ্যে শৰ্মাই মৰ্যাদা হানিকৰ মন্তব্য কৰিছে। ইয়াৰ যথাযথ উত্তৰ শৰ্মাৰ পৰা আমি দাবী কৰিছো।



# এওঁলোকৰো জানো জীয়াই থকাৰ অধিকাৰ নাছিল

জীয়াই থকাৰ মানৱধিকাৰ অন্যায়ভাৱে কাঢ়ি লোৱাতেই উগ্ৰপন্থী সন্ত্ৰাসৰ কুৎচিৎ ৰূপ সীমাবদ্ধ নহয় । লক্ষীপথাৰৰ গণসমাধিত আবিষ্কৃত হাতবন্ধা অৱস্থাত থকা নৰকংকালৰ পৰা গুৱাহাটীৰ উজান বজাৰৰ নৃশংস বোমা আক্ৰমণত নিহত নিৰপৰাধ লোকৰ খণ্ড-বিখণ্ড হোৱা দেহলৈ, পাঁচবছৰীয়া শ্ববনম কলিতাৰ পৰা বয়োবৃদ্ধ সাংবাদিক কমলা শইকীয়ালৈ উগ্ৰপন্থীৰ পাশৱিক নিষ্ঠুৰতাৰ ছবি বিয়পি আছে ।

সশস্ত্ৰ উগ্ৰপন্থীয়ে কাপুৰুষতাৰে ঘেৰি লৈ নিৰ্মমভাৱে গুলিয়াই মাৰিছে নিৰস্ত্ৰ, অসহায়, নিৰপৰাধ অনেক লোকক । মাতৃৰ বুকুৰ পৰা কাঢ়ি নি গুলীৰে থকা-সৰকা কৰিছে অনেক সন্তানক । অনেক নিৰপৰাধ মহিলাৰ শিৰৰ সেন্দুৰ অকালতে মচি দিছে । নিঠৰুৱা কৰিছে হেজাৰৰো বেছি এমাডিমা শিশুক । নিৰ্মম, নৃশংসভাৱে হত্যা কৰি কাউৰী, শগুনে খাবলৈ দলিয়াই দিছে কাৰোবাৰ স্বামীক, কাৰোবাৰ পিতৃক, কাৰোবাৰ সন্তানক ।

হিংসা আৰু সন্ত্ৰাসৰ, উগ্ৰপন্থী নৃশংসতাৰ এই জুইকুৰা এতিয়াও আপুনি যদি নুমুৱাবলৈ যত্ন নকৰে, তেনেহ'লে সেই জুয়ে কাইলৈ আপোনাক, আপোনাৰ পৰিয়ালক, আপোনাৰ সন্তানকো চুবহি পাৰে।

## সৰ্বনাশী জুইকুৰা নুমুৱাওঁ, আহক

অসম চৰকাৰ

©KDCD

MACONS-PEOPLE

## স্ৰোতস্বিনী দুখ

নীৰেন বৰুৱা

*(হোমেন বৰগোহাঞি সমীপেষু)*

হৃদয়, মস্তিষ্ক, মন, নয়ন,
য'ত যেনেকৈ আছে তেনেকৈয়ে থাকক
খেলিমেলি নকৰিবা।

মস্তিষ্ক মূৰত থাকক
হৃদয়ত নহয়
হৃদয় হৃদয়তে থাকক
মস্তিষ্কত নহয়।

দৃশ্যমান পৃথিৱীখন যেনেকৈ আছে
অবিকল তেনেকৈ চোৱাৰ
নয়ন হওক এযুৰি উজ্জ্বল নক্ষত্ৰ মাথো
নয়নলৈ মনক নানিবা,
মন মন হৈয়ে থাকক
মনক নিদিবা
উজ্জ্বল নক্ষত্ৰৰ আলো।

হৃদয় হওক
স্থবিৰ প্ৰজ্ঞা আৰু বৈদায়তনিক জ্ঞানৰ
দাসত্বৰ বন্ধনৰ পৰা মুক্ত
বেদনাৰ এক চিৰ প্ৰবাহিত নদী
মোৰ আৰু লগতে সমগ্ৰ বিশ্বমানৱ জাতিৰ।
দুখ আৰু বেদনাৰে
সকলো ঋতুতে প্ৰবাহিত হৈ থাকক
হৃদয়ৰ বেগবতী নদী।

সকলোৰে দুখৰ কিছু কিছু চান কাঢ়ি
সকলোৰে বেদনাৰ কিছু কিছু মৌ চুহি
সকলোৰে যন্ত্ৰণাৰ কিছু কিছু পান কৰি
মই পৰিপুষ্ট কৰিব খোজো
মোৰ নিজৰ হৃদয়।
প্ৰোথিত দুখৰ তীব্ৰ অনুভূতিৰে
একমাত্ৰ দুখৰ অনুভূতিৰে
মই আয়ত্ত কৰিব খোজো
সীমাৰ সিপাৰৰ অসীমতাক।

দুখৰ নদীৰ গভীৰতাত ডুব মাৰি
মই হব খোজো
বিশ্বমানৱতাৰ
চৰম পৰিণতিৰ বিশিষ্ট অংশীদাৰ।

সুখৰ যদি কিবা সংজ্ঞা আছে
সুখৰ যদি কিবা আকাৰ আছে
সুখৰ যদি কিবা সুবাস আছে
তেনেহ'লে সি আছে
মোৰ স্ৰোতস্বিনী দুখৰ
অটল গভীৰতাত। □





## বন্ধ পথ

গীতাৰ্থ পাঠক

বন্ধ পথ। ইফালেও ঢাপ সিফালেও ঢাপ
মাজত ৰাউচি মৰে বিয়াগোম সাপ
পুহৰ বৰষুণ, শীতৰ ভেকুলি
উদুলি মুদুলি দুৰ্গতিনাশিনী আই
নদী, ডোং, খজুৰতি, দুখৰ দিনৰ এযাৰি মাত
বিৰম্বনা সংৰক্ষণ ছোটলোকৰ জাত
জাত পাত দুভাগ দুখন সমাজ
মন্দা শ্বেয়াৰ বজাৰ
শেৱালি ফুল যেন শাৰদীয় অক্টোপাছ
ধনশিৰি নহয় কলং নহয় হাতৰ এচলু পানী
সাপ নহয় জোতাৰ দীঘল লেচ
তিলটো তালটো, বুটাম টিপিলেই ছাৰখাৰ
অথিৰ পৃথিৱী বলুকামণ্ডল
ঔষধবিহীন এই ব্যাধিৰ অবধাৰিত শেষ
বুকুত শ্লেষ্মা উশাহত নিঃশেষ অক্সিজেন
যেন এয়ে শেষ পৃথিৱীৰ, ফুলৰ, গানৰ, অভিমানৰ
সময়ৰ বুকুত শেষ পদাঘাত, জীৱন আয়ৰ শেষ চেকপাত
কেঁকোৰা জীৱন মাকৰ বুকু কামুৰি আজুৰি খায়
নিষ্ঠুৰ নিৰ্মম নব প্ৰজন্মৰ আবহ ইলেক্ট্ৰন। □





আনহাতে এনেকুৱা কথাও ক'ব পাৰি যে যি ধৰণৰ ৰাজনৈতিক দৰ্শনক অসম জাতীয় মহাসভা বা সেই ধৰণৰ অন্যান্য সংগঠনে বাঙময় ৰূপ দিছিল সেই দৰ্শন স্বাধীনতাৰ পৰবৰ্তী কালৰ অসমৰ ৰাজনীতিতো অন্তঃ-সলিলা ফল্গুধাৰাৰ ৰূপত প্ৰবাহিত হৈ আহিছে। অসম আন্দোলনৰ আৰম্ভণিতেই বৰ্তমান ৰাজ্যসভাৰ সদস্যা বিজয়া চক্ৰবৰ্তীয়ে আসাম ট্ৰিবিউন কাকতত এখন চিঠি লিখি অসমক ভাৰতৰ পৰা বিচ্ছিন্ন কৰিবলৈ আহ্বান জনাইছিল। বিশিষ্ট অসমীয়া সাহিত্যিক আৰু সাহিত্য অকাডেমীৰ বৰ্তমান সভাপতি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰত অসমৰ ভৱিষ্যত নিৰাপদ হয়নে নহয় সেই বিষয়ে প্ৰশ্ন তুলি লিখিছিল:

Can ambition of Assam to remain a Hindu and Assamese state be fulfilled within the bonds of the secular constitution? This is the real question.

# অসম: বৰ্তমান আৰু ভৱিষ্যত ২

সুজিৎ চৌধুৰী

ভাৰতীয় জাতি বুলি ক'লে আজি যিটো কথা বুজায়, সি আচলতে ভাৰতৰ বিভিন্ন জাতি সত্তাৰ সমন্বিত প্ৰতিৰূপ সংক্ৰান্ত এটা কল্পিত ভাবাদৰ্শ মাত্ৰ। সি এতিয়াও সম্পূৰ্ণ ৰূপে বাস্তৱত পৰিণত হোৱা নাই। বস্তুতঃ ভাৰতীয় জাতীয় কংগ্ৰেছে যেতিয়া ১৯২৭ চনত মতিলাল নেহৰু কমিটিৰ প্ৰতিবেদনৰ ভিত্তিত ভাষা ভিত্তিক প্ৰদেশ গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল, সেই প্ৰস্তাৱতেই ভাৰতীয় জাতি সত্তাৰ এই বহুমুখী ৰূপটোক স্বীকৃতি দিয়া হৈছিল। ভাৰতীয় সংবিধানে ভাৰতীয় জাতীয়তাক এক ধৰণৰ আইনগত বৈধতা দিছে আৰু তাৰেই ভিত্তিত স্বাধীনতাৰ পৰবৰ্তী কালত এই জাতীয়তাক স্বতঃসিদ্ধ বুলি গ্ৰহণ কৰা সম্ভৱ হৈছে। সেই কাৰণে যিকোনো ধৰণৰ আঞ্চলিক আশা আকাঙ্ক্ষাক সন্দেহৰ চকুৰে চোৱাটোৱেই এটা নিয়ম হৈ পৰিছে। আঞ্চলিক আশা আকাঙ্ক্ষাৰ সমৰ্থনতো কিবা বক্তব্য যে থাকিব পাৰে সেই বিচাৰ বুদ্ধি ক্ৰমে ক্ৰমে নোহোৱাই হৈ আহিছে। মনত ৰখা দৰকাৰ যে জাতীয়তাবোধৰ বিকাশত আইনৰ বিধান এটা অৱলম্বনহে মাত্ৰ। সি তাৰ অবিচ্ছেদ্য অংগ নহয়। কিন্তু ভাৰতৰ বৰ্তমান ৰাজনৈতিক পৰিবেশত মানুহে এই সৰল সত্যটোকো অস্বীকাৰ কৰিবলৈ আৰম্ভ কৰিছে আৰু তাৰ ফলত নানা জটিলতাৰ সৃষ্টি হৈছিল।

স্বাধীনতাৰ আগতে কিন্তু পৰিস্থিতিটো এতিয়াতকৈ বহুত বেছি মুকলিমূৰীয়া আছিল। ভাৰতবৰ্ষৰ বিশেষ পটভূমিত জাতীয়তাবাদ যে এটা নিজে নিজে গঢ়ি উঠা বস্তু নহয় বৰং সি এটা গঢ়ি তুলিব লগীয়া বস্তুহে এই ধাৰণাটো তেতিয়াও সক্ৰিয় আছিল। আনফালৰ পৰা এই কথাও ক'ব পাৰি যে দেশৰ নেতাসকলৰ দৃষ্টিত যদি ভাৰতীয় জাতীয়তাবোধ এনেকুৱাই এটা অবিভাজ্য তথা পৱিত্ৰ বস্তু বুলি বিবেচিত হ'লহেঁতেন, তেনেহ'লে দেশৰ বিভাজন ঘটাই এক চতুৰ্থাংশ মানুহক জাতীয়তা সলনি কৰিবলৈ কোৱা নহ'লহেঁতেন। আচল কথাটো হ'ল এই যে যদি সৰ্বভাৰতীয় স্বাৰ্থৰ লগত আঞ্চলিক স্বাৰ্থৰ সংঘাত ঘটিব পৰা যি কোনো বাস্তৱ পৰিস্থিতি স্থায়ী ভাবে

বিৰাজমান হৈ থাকে, তেনেহ'লে এদিন নহয় এদিন আঞ্চলিক স্বাতন্ত্ৰ্যৰ কথা উঠিবই। আনহাতে যদি তেনে পৰিস্থিতিৰ অৱসান ঘটোৱাটো সম্ভৱ হয়, তেনেহ'লে জাতীয়তাৰ সৰ্বভাৰতীয় ৰূপটো পুষ্টি সাধনৰ প্ৰক্ৰিয়াটো কোনেও ৰোধ কৰিব নোৱাৰিব।

এতিয়া এই পৰিপ্ৰেক্ষিততেই অসমৰ বিশেষ পৰিস্থিতিৰ প্ৰশ্নটো সতৰ্কভাবে বিবেচনা কৰি চাব লাগিব। এই কথা সত্য যে স্বাধীনতাৰ পূৰ্বে সৰ্বভাৰতীয় চিন্তা আৰু চেতনাৰ লগত অসমক যুক্ত কৰাৰ প্ৰশ্নত অসমীয়াসকলৰ মনত কিছু দ্বিধাদ্বন্দ্ব আছিল। তাৰ সংগত কাৰণবোৰ নিৰ্ণয় কৰাও অসম্ভৱ নহয়। ঐতিহাসিক যুগত অসমীয়া জাতি সত্তাৰ বিকাশৰ প্ৰক্ৰিয়াটো বাৰে বাৰে বাধাপ্ৰাপ্ত হৈছিল। সেই বাধাৰ স্বৰূপ আৰু কাৰণ সম্পৰ্কে আন এঠাইত মই বিশদভাবে আলোচনা কৰিছো 'North East Times, Guwahati Genesis of Present Ethenic Unrest, June 21, 22'। এই অৰ্ধ গঠিত অসমীয়া জাতিয়ে যেতিয়া বৃটিছ শাসনৰ আৰম্ভণিতেই চিধাচিধিকৈ ৰাজশক্তিৰ সমৰ্থনপুষ্ট বিদেশী পুঁজি, আধুনিক ৰাষ্ট্ৰ সংগঠন আৰু এইবোৰৰ লগত জড়িত সকলো ধৰণৰ দেশী-বিদেশী প্ৰভাৱৰ সংস্পৰ্শলৈ আহিব লগা হ'ল সেই সময়ত অসমীয়া জাতি আত্মবিশ্বাসৰ অভাৱত দোদুল্যমান আৰু কিংকৰ্তব্য-বিমূঢ়। ১৮৭৪ চনত বৃটিছ সকলে যেতিয়া চিফ্ কমিছনাৰৰ দ্বাৰা শাসিত আসাম প্ৰদেশ গঠন কৰিলে, তেতিয়া বংগদেশৰ পৰা শ্ৰীহট্ট আৰু গোৱালপাৰা জিলাক কাটি আনি অসমৰ লগত যোগ কৰা হ'ল। অসমৰ লগত যোগ কৰা হ'ল ডিমাছা ৰাজ্যকো যাৰ সমতল অঞ্চলত তেতিয়াই শ্ৰীহট্টৰ সাংস্কৃতিক সম্প্ৰসাৰণ ঘটিবলৈ আৰম্ভ কৰিছিল। তাৰ পিছত ধীৰে ধীৰে দাঁতি-কাষৰীয়া পাৰ্বত্য অঞ্চলবোৰকো অসমৰ লগত যোগ কৰা হ'ল। এই গোটেই অঞ্চলটোৰ নাম দিয়া হ'ল অসম আৰু তাক গঢ়ি তোলা হ'ল অসমীয়া সকলৰ এক ভাষিক অঞ্চল হিচাপে। অসমীয়া জাতি সত্তাৰ বিকাশৰ প্ৰক্ৰিয়া যথেষ্ট জটিল বুলি ইতিমধ্যেই প্ৰমাণিত হৈছিল। এতিয়া নতুনকৈ আৰু কিছু জটিলতাৰ সৃষ্টি কৰা হ'ল। সকলো মিলাই অসমীয়া সমাজৰ অগ্ৰণী আৰু নেতৃস্থানীয় অংশটোক এটা অস্থিৰতাৰ মাজলৈ ঠেলি দিয়া হ'ল। এই অস্থিৰতাৰ ফলতেই অসমীয়া সমাজৰ অগ্ৰণী অংশটোৱে বহু ভাষিক ভাৰতৰ লগত অসমৰ সম্পৰ্ক নিৰ্ণয়ৰ প্ৰশ্নত আজিলৈকে কোনো স্থিৰ সিদ্ধান্তলৈ আহিব পৰা নাই।

স্বাধীনতাৰ প্ৰাক লগ্নত দেশৰ সৰু বৰ প্ৰায় প্ৰতিটো ভাষিক গোষ্ঠীয়েই নিজৰ অস্তিত্বৰ প্ৰশ্নত সংশয় অনুভৱ কৰিছিল। ক্ৰিপচ্ মিছনে প্ৰদেশবোৰৰ স্বতন্ত্ৰ স্বাধীনতা স্বীকাৰ কৰি লৈ সেই সংশয়ত এটা ভিত্তি দিবলৈ চেষ্টা কৰিছিল। এনেকুৱা অনুকূল পৰিবেশত অসমত ভাৰত বহিৰ্ভূত জাতীয়তাৰ চৰ্চা আৰু বিকাশৰ এটা ক্ষেত্ৰ প্ৰস্তুত হৈছিল। সেই পৰিবেশতেই স্বাধীন অসমৰ ধাৰণাটোৱেও গজালি মেলিবলৈ সুবিধা পাইছিল। Assam Tribes and Races Federation-এ ১৯৪৫ চনৰ মাৰ্চ মাহত শিলঙত এখত অভিবৰ্তন পাতি স্বাধীন অসমৰ যি দাবী তুলিছিল, ১৯৯১ চনৰ নবেম্বৰ মাহৰ প্ৰথমসংখ্যাৰসূত্ৰধাৰত তাৰ এটা বিবৰণ দিয়া হৈছে। অভিবৰ্তনৰ প্ৰস্তাৱত কোৱা হৈছিল– 'In view of the fact that the past history of Assam proper being never like that of the rest of India, this convention ........... Urge upon Government that Assam be separated from the rest of India, where, there are a number of divisions like, Pakistan, Hindustan, etc. and let Assam's destiny be guided by the people of India.'

১৯৪৫ চনত উত্থাপিত স্বাধীন অসমৰ এই দাবীৰ সমৰ্থকসকল আছিল ঘাইকৈ জনজাতীয় সম্প্ৰদায়ৰ মানুহ। দুজনমান আহোমো তাত উপস্থিত আছিল। কিন্তু তেওঁলোকক আহোম সম্প্ৰদায়ৰ আচল প্ৰতিনিধি বুলি ক'ব নোৱাৰি। অসমৰ আটাইতকৈ প্ৰভাৱশালী শ্ৰেণীটো হ'ল অসমীয়া বৰ্ণহিন্দু সম্প্ৰদায়। এওঁলোকে সেই সময়ত অসমৰ স্বাধীনতাৰ দাবী সমৰ্থন কৰা নাছিল। কিন্তু ১৯৪৭ চনৰ ক্ৰান্তিকালত দেশ বিভাজন যেতিয়া নিশ্চিত হৈ গ'ল তেতিয়া অসমীয়া বৰ্ণহিন্দুৰ এটা অগ্ৰণী অংশই জনসাধাৰণৰ সমুখত স্বাধীন অসমৰ স্বপ্ন দাঙি ধৰিছিল। পণ্ডিত প্ৰবৰ ড০ বিৰিঞ্চি কুমাৰ বৰুৱাই ১৯৪৭ চনৰ জুলাই মাহৰ এটা বক্তৃতাত কৈছিলঃ 'Culturally racially and lingustically, every non Assamese is a foreigner in Assam. In this connection we must bear in mind that Assam from the very ancient times never formed a part of India. Mythology and legendary allusious apart, viewed in this prospective, every foreigner who came to and resided in Assam for trade and other purposes after the occupation of the country by the British in 1826 A.D. might be treated as alien, if she wants to save herself from the grip of foreigner.'

(Assam Tribune, July 20, 1947)

এইটো বিৰিঞ্চি কুমাৰ বৰুৱাৰ কেৱল ব্যক্তিগত মতেই নাছিল। অসমীয়া জাতি সত্তাৰ প্ৰশ্নত আটাইতকৈ স্পৰ্শকাতৰ গোষ্ঠীটোৱে অসম জাতীয় মহাসভা নাম দি যিটো সংগঠন গঢ়ি তুলিছিল সেই সংগঠনৰ মঞ্চৰ পৰা সেই সময়ত এই কথাটো বাৰংবাৰ উচ্চাৰিত হৈছিল। এটা বিবৃতিত জাতীয় মহাসভাৰ নেতাসকলে কৈছিল– 'From the days of antiquity, Assam was not only free but also indomitable (Shillong Times, August 4, 1947)। কেবিনেট মিছনে বংগদেশৰ লগত অসমৰ যি গ্ৰুপিং কৰিছিল অসমে সেইটো প্ৰতিহত কৰিব পাৰিছিল। কিন্তু ভাৰতীয় যুক্তৰাষ্ট্ৰৰ লগত অসমৰ অন্তৰ্ভুক্তি প্ৰতিহত কৰিব পৰা নগ'ল। সেই বিষয়ে দুখ প্ৰকাশ কৰি সেই একেটা বিবৃতিতে কোৱা হৈছিল– 'But now she is grouped with the rest of India, a mightier force than the other.' শ্ৰীহট্টক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাত সন্তোষ প্ৰকাশ কৰি অসমৰ স্বাধীনতাৰ দাবীটো আকৌ উত্থাপন কৰা হ'লঃ Assam has grown smaller in area, but has attained greater homogeneity which has prompted Assam to be free and sovereign. Assam's sovereignity was a fact of ages ago and it should be of future. স্বাধীনতাৰ পিছতো ১৯৪৮ চনৰ ইংৰাজী নতুন বছৰত অসম জাতীয় মহাসভাই এখন ৰাজহুৱা সভাত একেটা বক্তব্যকে দোহাৰি ক'লে Assam should comeout of India and become an independent country like Burma or any other country. (Assam Tribune, January 4, 1948)

যি মূল্যবোধে আজিৰ সৰ্বভাৰতীয় জাতীয়তাবোধক নিয়ন্ত্ৰিত কৰে সেই মাপকাঠিৰে অসমৰ এই স্বাধীনতা কামনা হয়তো বিভ্ৰান্তিকৰ বুলি পৰিগণিত হব। কিন্তু অসমৰ বিশেষ পৰিস্থিতিত এই প্ৰশ্নটো ঠিক সেই মাপকাঠিৰে বিচাৰ কৰাটো সমীচীন নহব। সেই প্ৰসংগত দুটা কথা মনত ৰখা দৰকাৰ। প্ৰথমতে, অসমৰ বাস্তৱ পৰিস্থিতিত অসমীয়া জাতি সত্তাৰ ভৱিষ্যত সম্পৰ্কে সংশয় অনুভৱ কৰাৰ কিছু সংগত কাৰণ আছে আৰু সেই অশান্ত ক্ৰান্তিকালত তেনে সংশয় বাহিৰত প্ৰকাশ হৈ পৰাটো একো অস্বাভাৱিক কথা নাছিল। দ্বিতীয়তে গোপীনাথ বৰদলৈৰ নেতৃত্বাধীন অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে অসমীয়া জাতিৰ মূল সুঁতিটোক বৃহত্তৰ জাতীয় সুঁতিটোৰ ফালে বোৱাই দিবলৈ সমৰ্থ হৈছিল। সেই কাম কৰিবলৈ যাওঁতে প্ৰদেশ কংগ্ৰেছে অৱশ্যে অসমীয়া আঞ্চলিকতাবাদৰ লগত বহুতখিনি আপোচ কৰিবলৈ বাধ্য হৈছিল; কিন্তু সেই আপোচৰ মাজত এনেকুৱা কোনো উপাদান একেবাৰেই নাছিল যি ধৰণৰ উপাদানে ভাৰতীয়ত্বৰ লগত অসমীয়াত্বৰ সংঘাত অনিবাৰ্য কৰি তুলিব পাৰে।

আনহাতে এনেকুৱা কথাও ক'ব পাৰি যে যি ধৰণৰ ৰাজনৈতিক দৰ্শনক অসম জাতীয় মহাসভা বা সেই ধৰণৰ অন্যান্য সংগঠনে বাঙময় ৰূপ দিছিল সেই দৰ্শন স্বাধীনতাৰ পৰৱৰ্তী কালৰ অসমৰ ৰাজনীতিতো অন্তঃসলিলা ফল্গুধাৰাৰ ৰূপত প্ৰবাহিত হৈ আহিছে। অসম আন্দোলনৰ আৰম্ভণিতেই বৰ্তমান ৰাজ্যসভাৰ সদস্যা বিজয়া চক্ৰৱৰ্তীয়ে আসাম ট্ৰিবিউন কাকতত এখন চিঠি লিখি অসমক ভাৰতৰ পৰা বিচ্ছিন্ন কৰিবলৈ আহ্বান জনাইছিল। বিশিষ্ট অসমীয়া সাহিত্যিক আৰু সাহিত্য অকাডেমীৰ বৰ্তমান সভাপতি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰত অসমৰ ভৱিষ্যত নিৰাপদ হয়নে নহয় সেই বিষয়ে প্ৰশ্ন তুলি লিখিছিলঃ

Can ambition of Assam to remain a Hindu and Assamese state be fulfilled within the bonds of the secular constitution? This is the real question.

(Assam Tribune, April 14, 1980.)

অসম আন্দোলনৰ এটা পৰ্যায়ত সদৌ অসম ছাত্ৰ সংস্থাই নতুন দিল্লীত অনুষ্ঠিত গোষ্ঠী নিৰপেক্ষ সন্মিলনলৈ অহা ৰাষ্ট্ৰনায়ক সকলক আৰু ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানক যিখন স্মাৰক পত্ৰ দিছিল তাৰ মাজতো অসমৰ সাৰ্বভৌমত্বৰ অবদমিত চেতনাৰ প্ৰকাশ ঘটিছিল। এই কথা সত্য যে স্বাধীন অসমৰ স্বপ্নই কোনো সময়তেই অসমীয়া সমাজৰ সংখ্যা গৰিষ্ঠ অংশৰ সমৰ্থন লাভ কৰা নাই। কিন্তু লগতে এই কথাও সত্য যে অসমীয়া সমাজৰ এটি সংখ্যালঘু গোষ্ঠীৰ চেতনাত স্বাধীনতাৰ কামনা অতি গভীৰলৈকে প্ৰসাৰিত হৈছে আৰু কোনো সময়তেই তেওঁলোকে সেই স্বপ্নক মনৰ পৰা বিসৰ্জন দিয়া নাই। কাল্পনিক কিম্বা বাস্তৱ সংকটৰ চিন্তাই যেতিয়া অসমীয়া সকলৰ মন গ্ৰাস কৰি ধৰে তেতিয়া স্বাধীনতাৰ দাবীৰ প্ৰতি সমৰ্থনো সেই অনুপাতেই বৃদ্ধি পায়।

এই কথা স্বীকাৰ কৰা দৰকাৰ যে ইতিহাস আৰু ভূগোলৰ যি বিশেষ সংযোগৰ ফলত জাতীয়তাৰ ধাৰণাটো গঢ়ি উঠে সি কিন্তু দেশ-কাল-পাত্ৰ নিৰপেক্ষ নহয়। চিধা কথাত ক'বলৈ গ'লে জাতীয়তাৰ কোনো শাশ্বত

> যিসকলে আল্ফাক সমৰ্থন কৰে তেওঁলোকে বিচাৰ বিশ্লেষণ নকৰাকৈ আল্ফাক সমৰ্থন কৰে। আনহাতে যিসকলে আল্ফাৰ বিৰোধিতা কৰে তেওঁলোকেও বিৰোধিতাৰ কাৰণবোৰ বুজিবলৈ আৰু বুজাবলৈ কোনো চেষ্টা নকৰে।

অস্তিত্ব নাই। সময়ৰ প্ৰয়োজনত জাতীয়তা বা সেই ধৰণৰ গোষ্ঠী চেতনাৰ উত্থান আৰু পতন, ভঙা আৰু গঢ়া সেই আদি কালৰ পৰাই চলি আহিছে। সেই কাৰণে ভাৰতীয় জাতীয়তাৰ আধুনিকতম প্ৰচলিত ধাৰাটোক অজৰ, অমৰ আৰু অক্ষয় বুলি ভবাৰ কোনো কাৰণ নাই। অলপ আগতেই আমি দেখুৱাই আহিছো যে যি সকল লোক এই জাতীয়তাৰ সংৰক্ষক, তেওঁলোকেই দেশ বিভাগৰ জৰিয়তে ভাৰতৰ এক বিশাল জনগোষ্ঠীক ভাৰতীয়ত্বৰ গণ্ডীৰ পৰা স্বেচ্ছাই আৰু সানন্দে মুক্ত কৰি দিছিল। সেই কাৰণে কোনো জাতি সত্তাৰ অস্তিত্ব যদি চৰম ভাবে বিপন্ন হয় তেতিয়া হ'লে আত্মনিয়ন্ত্ৰণৰ অধিকাৰকো চৰম সীমালৈকে সম্প্ৰসাৰিত কৰাৰ মাজত অনৈতিক কিবা এটা আছে বুলি মই অন্ততঃ নাভাবো। কিন্তু তাৰ আগতে দুটা প্ৰশ্নৰ মীমাংসা কৰি লোৱা দৰকাৰ। প্ৰথমতঃ ভাৰতবৰ্ষৰ গণ্ডীৰ ভিতৰত, বা বীৰেন্দ্ৰ কুমাৰ ভট্টচাৰ্যৰ ভাষাতে ক'বলৈ গ'লে ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰত অসমীয়া জাতি সত্তাৰ বিপন্নতা সঁচাকৈয়ে চৰম পৰ্যায়ত গৈ উপনীত হৈছে নেকি? দ্বিতীয়তে সেই বিপন্নতাৰ পৰা পৰিত্ৰাণ পাবলৈ যিটো পথৰ সন্ধান কৰা হৈছে সেই পথ শুদ্ধ, বাস্তৱসন্মত আৰু অনিবাৰ্য হয় নে নহয়?

অসম আন্দোলনৰ আৰম্ভণিৰে পৰা আজিলৈকে প্ৰথম প্ৰশ্নটোক কেন্দ্ৰ কৰি কেইবা কোটি শব্দ মুদ্ৰাযন্ত্ৰত পিহি গুৰি কৰা হৈছে; কিন্তু সেই শব্দ সমষ্টি ৰচিত হৈছিল কেৱল তাৎক্ষণিক প্ৰয়োজনৰ তাড়নাত। ফলত সেই শব্দ সমষ্টিক প্ৰতিপাদ্য বিষয়ৰ যথাৰ্থতা নিৰূপণ কৰাৰ কামত ব্যৱহাৰ কৰাৰ পৰিবৰ্তে তাকেই অৰ্থাৎ সেই শব্দ সমষ্টিকেই স্বতঃসিদ্ধ বুলি প্ৰতিষ্ঠিত কৰিবলৈ চেষ্টা কৰা হ'ল। দুই এটা ব্যতিক্ৰম বাদ দি অসমীয়া জাতি সত্তাৰ সংকটৰ গুণগত আৰু পৰিমাণগত মূল্যায়ন নাই হোৱা বুলিয়েই ক'ব পাৰি। সেই কামত হাত দিয়াটো এতিয়া অত্যন্ত জৰুৰী হৈ পৰিছে। দ্বিতীয় প্ৰশ্ন অৰ্থাৎ স্বাধীন অসমেই অসমীয়া জাতি সত্তাৰ বিপদ মোচনৰ সৰ্বোৎকৃষ্ট পন্থা হয় নে নহয় সেই বিষয়ে বিচাৰ বিশ্লেষণ এটা টাবু (Taboo) অৰ্থাৎ নিষিদ্ধ বিষয় হিচাপেই সম্পূৰ্ণ বৰ্জিত হৈছে। যিসকলে আল্ফাক সমৰ্থন কৰে তেওঁলোকে বিচাৰ বিশ্লেষণ নকৰাকৈ আল্ফাক সমৰ্থন কৰে। আনহাতে যিসকলে আল্ফাৰ বিৰোধিতা কৰে তেওঁলোকেও বিৰোধিতাৰ কাৰণবোৰ বুজিবলৈ আৰু বুজাবলৈ কোনো চেষ্টা নকৰে। সেই কাৰণে আজি অসমৰ ৰণক্ষেত্ৰত বন্দুকধাৰী আল্ফা আৰু বন্দুকধাৰী সেনাবাহিনীয়ে পৰস্পৰৰ মুখামুখি হৈ কেৱল এই কথাকেই প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে যে বন্দুকৰ নলী কেৱল শক্তিৰেই উৎস নহয়; সি সমাজ বিবেকৰ সীমাহীন ব্যৰ্থতাৰো বাৰুদাশ্ৰিত প্ৰতিফলন। অতীব জৰুৰী এই প্ৰশ্ন দুটাৰ সু-মীমাংসা সহজ নহয়। কিন্তু কঠিন কাৰণেই সেই কামত হাত দিয়া নহব–তেনে এটা মনোভাবো অশ্ৰদ্ধেয়। সেই কাৰণে নিজৰ সীমাবদ্ধতা আৰু বিপদৰ সম্ভাৱনা থকা সত্ত্বেও এই প্ৰশ্ন দুটাৰ বিশ্লেষণ কৰিবলৈ আমি যথাসাধ্য চেষ্টা কৰিম।

*(আগলৈ)*

ODISCD


সূত্ৰধাৰ □ ১৬-৩১ ডিচেম্বৰ, ১৯৯১

# আপোনাৰ সন্তানটিৰ কাৰণেই আপুনি এইটো কৰিব লাগিব!

সৰু ল'ৰা-ছোৱালীয়ে সদায়
মাকবাপেকৰ আদৰ-যত্নখিনি
একচেতিয়াকৈ পাব বিচাৰে।
সিহঁতৰ সেই আবদাৰখিনি পূৰাই
আমিওতো ৰং পাওঁ—নহয় জানো?
তেনেকৈ পৰিপূৰ্ণ মনোযোগ দিয়াটো
তেতিয়াহে সম্ভৱ হয়, যেতিয়া
পিছৰ সন্তানটি, প্ৰথমটো স্কুললৈ
যাব পৰা হওঁতেহে উপজে।

পিছৰটো
পিছলৈ
থওক

আনজ বঢ়োৱাৰ বাবে নিশ্চিত,
উজু, নিৰাপদ উপায় অনেক
আছে।
যেই সেই এটা বাচি লওক

নিৰোধ, কোপাৰ টী আৰু
গৰ্ভনিৰোধক ঔষধ সমূহ



davp 91/435 Ass

ওচৰৰ
পৰিয়াল
কল্যাণ
কেন্দ্ৰলৈ
যাওক




# বহিৰাগতৰ সমস্যা

হোমেন বৰগোহাঞি

*অসমত বিদেশী-খেদা আন্দোলন আৰম্ভ হোৱাৰ ঠিক আগে আগে হোমেন বৰগোহাঞিয়ে অধুনা-লুপ্ত 'নাগৰিকত' 'বহিৰাগতৰ সমস্যা' নাম দি এলানি প্ৰবন্ধ লিখিছিল (জুলাই-ছেপ্তেম্বৰ ১৯৭৮) আৰু ১৯৭৯ চনৰ নৱেম্বৰ মাহত সেই প্ৰবন্ধমালা পুস্তিকা আকাৰে প্ৰকাশ হৈছিল। কলিকতাৰ এটি প্ৰতিষ্ঠানে সেই পুস্তিকাৰ ইংৰাজী অনুবাদ কৰি সমগ্ৰ ভাৰততে প্ৰচাৰ কৰিছিল। উক্ত প্ৰবন্ধমালাত হোমেন বৰগোহাঞিয়ে অসমৰ কাৰণে কাশ্মীৰৰ নিচিনা বিশেষ সাংবিধানিক ৰক্ষা-কবচ দাবী কৰিছিল। তেৱেঁই বোধহয় প্ৰথম অসমীয়া–যিজনে এনে দাবী উত্থাপন কৰিছিল। এই প্ৰবন্ধমালাৰ প্ৰাসংগিকতা এতিয়াও আছে বুলি অনুভৱ কৰি কেইবাজনো বিজ্ঞলোকে সেইবোৰৰ পুনৰ্মুদ্ৰণৰ কাৰণে পৰামৰ্শ দিছে। এই সংখ্যাৰ পৰা সূত্ৰধাৰত প্ৰবন্ধমালা ধাৰাবাহিক ভাবে প্ৰকাশ কৰা হৈছে।*

[৩]

ভৱিষ্যতৰ কথা ভৱিষ্যতে হ'ব। বৰ্তমানৰ কাৰণে এই কথা মনত ৰাখিলেই হ'ব যে বহিৰাগত সমস্যাটো হ'ল ক্ষুধাৰ্তৰ সমস্যা। বাংলাদেশত 'বিহাৰী' মুছলমানৰ কাৰণে ঠাই নাই। বাংলাদেশত বাঙালী মুছলমানৰ কাৰণেও ঠাই নাই সেই কাৰণেই সিহঁতে প্ৰাণৰক্ষাৰ কাৰণে প্ৰাণৰ মায়া ত্যাগ কৰি দুৰ্গম অৰণ্য পথেদি, নদী পথেদি দলে দলে অসমলৈ পলাই আহে। পশ্চিমবংগত বাঙালীৰ কাৰণে ঠাই নাই। দণ্ডকাৰণ্যত প্ৰতিকূল পৰিবেশত তিষ্ঠিব নোৱাৰি যিবোৰ বংগ-সন্তানে প্ৰাণৰক্ষাৰ কাৰণে প্ৰাণৰ মায়া ত্যাগ কৰি পশ্চিমবংগলৈ ঘূৰি আহিল, তেওঁলোকক পুলিচ মিলিটাৰী লগাই দণ্ডকাৰণ্যলৈ ঘূৰি যাবলৈ বাধ্য কৰা হ'ল। যিসকলে ঘূৰি যাব নুখুজিলে তেওঁলোকে আত্মহত্যা কৰিলে, অৰণ্যবাসী হ'ল, উন্মাদ হৈ গ'ল, এইবোৰ কথাৰ পৰা এটাই সত্য প্ৰমাণিত হয় যে ক্ষুধাৰ কোনো সীমান্ত নাই।

অৱশ্যে এই কথা কোৱাৰ অৰ্থ এই নহয় যে পৃথিৱীৰ সকলো ক্ষুধিতৰ কাৰণে অসমৰ সীমান্ত খুলি দিব লাগিব। বৰং অসমৰ সীমান্ত বহিৰাগত সোমাব নোৱৰাকৈ কেনেকৈ স্থায়ীভাবে বন্ধ কৰা যায়, সেই কথা আলোচনা কৰিবৰ কাৰণেই এই দীঘলীয়া প্ৰবন্ধৰ অৱতাৰণা।

অসমলৈ অহা বিদেশী বহিৰাগতৰ ভিতৰত বাঙালী হিন্দুও আছে, বাঙালী মুছলমানও আছে। কিন্তু এই দুয়োশ্ৰেণী লোকৰ প্ৰতি থলুৱা অসমীয়া সকলৰ মনোভাব একে নহয়। অসমীয়া উপ-জাতীয়তাবাদৰ (Sub-nationalism) মূল ঐক্যসূত্ৰ আৰু চালিকা শক্তি হ'ল অসমীয়া ভাষা। যিসকল লোকৰ দ্বাৰাই অসমীয়া ভাষাৰ স্বাৰ্থ ক্ষতিগ্ৰস্ত হ'ব পাৰে বুলি অসমীয়া সকলে অনুভৱ কৰে, তেনে লোকৰ প্ৰতি তেওঁলোকে সন্দেহপূৰ্ণ বৈৰিতাৰ দৃষ্টিৰে চায়। যিসকল লোকৰ পৰা অসমীয়া ভাষাৰ কোনো বিপদ আহিব নোৱাৰে বুলি তেওঁলোক নিশ্চিন্ত হৈ থাকে, সেই সকল বহিৰাগতৰ প্ৰতি থলুৱা অসমীয়াসকল অপেক্ষাকৃতভাবে সহনশীল। অৱশ্যে যেতিয়া অৰ্থনৈতিক স্বাৰ্থৰ সংঘাত হয়, তেতিয়া সুকীয়া কথা।

এই শতাব্দীত অসমলৈ বহিৰাগতৰ বৃহত্তম প্ৰব্ৰজন হৈছিল ত্ৰিশৰ দশকত – যেতিয়া ছাৰ ছাদুল্লাৰ মুছলিম লীগ চৰকাৰৰ আমোলত অসমৰ দুৱাৰ পূৰ্ববংগৰ লাখ লাখ মুছলমানৰ কাৰণে মুকলি কৰি দিয়া হৈছিল। অসমক মুছলমান প্ৰধান প্ৰদেশত পৰিণত কৰি কালক্ৰমত ইয়াক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাই আছিল ছাৰ ছাদুল্লাৰ উদ্দেশ্য। ফলত স্বাভাৱিকতেই বহিৰাগত মুছলমানৰ এই ব্যাপক প্ৰব্ৰজনৰ বিৰুদ্ধে অসমত তীব্ৰ জনমত গঢ়ি উঠিছিল। দৰাচলতে স্বাধীনতাৰ আগলৈকে অসমৰ আটাইতকৈ বিতৰ্কিত থলুৱা সমস্যা আছিল দুটাঃ অসমৰ পৰা শ্ৰীহট্ট জিলাক বিচ্ছিন্ন কৰাৰ দাবী, আৰু পমুৱা সমস্যা। যিহওক, অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিবলৈ ছাৰ ছাদুল্লাই যি সপোন দেখিছিল সি সপোন হৈয়েই থাকিল। দেশ বিভাজনৰ ফালত শ্ৰীহট্টও পাকিস্তানলৈ গ'ল। স্বাধীনতা লাভৰ বহু আগতেই কংগ্ৰেছে প্ৰতিশ্ৰুতি দি থৈছিল যে দেশ স্বাধীন হলে কংগ্ৰেছে ভাষাৰ ভিত্তিত ভাৰতৰ প্ৰদেশবোৰৰ পুনৰ্গঠন কৰিব। গতিকে দেশ স্বাধীন হোৱাৰ পিছতেই অসমৰ অসমীয়া নেতৃত্বৰ মনত এটা প্ৰধান প্ৰশ্ন হৈ উঠিল – এই ৰাজ্যত অসমীয়া ভাষী লোকৰ সংখ্যা আচলতে কিমান হ'ব? এনে এটা সন্ধিক্ষণত পূৰ্ববংগৰ পৰা আহি অসমত স্থায়ীভাবে বসতি কৰিবলৈ লোৱা কেইবালাখো বাঙালী মুছলমানে যদি বাঙালী হৈয়েই থাকিবলৈ ঠিক কৰিলেহেঁতেন, তেন্তে অসমৰ ইতিহাস কিজানি আজি বহুত বেলেগ হৈ গ'লহেঁতেন। কিন্তু বহু শতাব্দী ধৰি আনৰ শাসন শোষণত জৰ্জৰিত হৈ থকা এই লোক সকলে নিজৰ নিজৰ আশ্ৰয়-ভূমিৰ কাৰণে কোনো নতুন সমস্যাৰ সৃষ্টি কৰিব নুখুজি অসমীয়া সাহিত্যকে নিজৰ বুলি ঠিক কৰিলে। মুছলমানৰ ধৰ্মশাস্ত্ৰ কোৰাণৰ বিশ্বাসীসকলৰ প্ৰতি এই নিৰ্দেশ দিয়া আছে যে তেওঁলোকে যি দেশত বসতি কৰে, সেই দেশকে স্বদেশ বুলি আৰু সেই দেশৰ ভাষাকে নিজৰ বুলি গ্ৰহণ কৰিব লাগে। হয়তো এই শাস্ত্ৰীয় নিৰ্দেশেও তেওঁলোকৰ সিদ্ধান্ত সহজ কৰি তুলিলে। সি যি কি নহওক, আজি এই কথা পাহৰিলে নচলিব যে প্ৰায় ২৬ লাখ ন-অসমীয়া মুছলমান আৰু প্ৰায় সমান সংখ্যক চাহ মজদুৰ সম্প্ৰদায়ৰ লোকে নিজকে অসমীয়া ভাষী বুলি পৰিচয় নিদিয়া হলে আজি অসমত অসমীয়া ভাষা আৰু অসমীয়া উপ-জাতীয়তাবাদৰ অৱস্থা

কি হ'লহেঁতেন, সেইটো যথেষ্ট সন্দেহৰ কথা। আন কথাত কবলৈ গলে অসমীয়া ভাষিক জাতীয়তাবা দ আৰু অসমীয়া জাতিৰ দুটা প্ৰধান লাই-খুঁটা হ'ল ন-অসমীয়া মুছলমান আৰু চাহ মজদুৰ সম্প্ৰদায়। কিন্তু 'খিলঞ্জীয়া' অসমীয়া সকলে এই কথা সচেতনভাবে মনত ৰাখেনে?

নাৰাখে। মাজে মাজে হয়তো তেওঁলোকৰ মনত পৰে যে এই দুই সম্প্ৰদায়ৰ লোকে নিজকে অসমীয়া বুলি পৰিচয় দি অসমত অসমীয়াভাষী লোকৰ সংখ্যা বৃদ্ধিত সহায় কৰিলে আৰু তাৰ দ্বাৰাই অসমীয়া জাতিৰ স্বতন্ত্ৰ অস্তিত্ব ৰক্ষাত সহায় কৰিলে। সেই কথা মনত পৰি চাহ মজদুৰ আৰু ন অসমীয়া মুছলমানৰ প্ৰতি 'খিলঞ্জীয়া' অসমীয়া সকলে হয়তো কেই মুহূৰ্তমানৰ কাৰণে কৃতজ্ঞতাও অনুভৱ কৰে। কিন্তু সিমানেই। এটা বৃহৎ অসমীয়া জাতি গঠনত সহায় কৰা এই লোক সকলৰ প্ৰতি যে 'খিলঞ্জীয়া' সকলৰ আৰু কিবা কৰ্তব্য আছে, সেই কথা তেওঁলোকৰ মনলৈ নাহে। ৰাজনৈতিক দলবোৰে এই দুই সম্প্ৰদায়ৰ লোকক যেনেকৈ কেৱল ভোটৰ সময়তে মনত পেলায়, ঠিক তেনেকৈ অসমীয়া জাতীয়তাবাদী সকলেও এওঁলোকক মনত পেলায় কেৱল লোকপিয়লৰ সময়ত। বাকী সময়ত তেওঁলোক প্ৰয়োজনীয় নহয়, অসমীয়া নহয়। এই কথা কোনে নাজানে যে অসমৰ ভিতৰত এই দুই সম্প্ৰদায়ৰ লোকেই সকলোতকৈ অসহায়, অনুন্নত আৰু অবহেলিত? কিন্তু অসমীয়া জাতীয়তাবাদী সকলে এওঁলোকৰ মাজলৈ গৈ নিজ চকুৰে এওঁলোকৰ অৱস্থা চাবলৈ চেষ্টা কৰিছেনে? চাকৰি-বাকৰিত এওঁলোকক যে ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰি ৰখা হৈছে, তাৰ বিৰুদ্ধে অসমীয়া জাতীয়তাবাদী সকলে মাত মাতিছেনে? এওঁলোকৰ মাজত শিক্ষা প্ৰচাৰৰ কাৰণে বা বিনামূলীয়াকৈ অসমীয়া কিতাপপত্ৰ বিলাবৰ কাৰণে অসম সাহিত্য সভা আৰু সদৌ অসম ছাত্ৰ ইউনিয়নৰ নিচিনা অনুষ্ঠানবোৰে বেচৰকাৰী পৰ্যায়ত কিবা চেষ্টা কৰিছেনে? কোনোবা অসমীয়া জাতীয়তাবাদী অনুষ্ঠানে চাহ মজদুৰ আৰু ন-অসমীয়া মুছলমানৰ মেধাবী ছাত্ৰক উচ্চ শিক্ষাৰ কাৰণে বৃত্তি দিয়াৰ কথা ভাবি চাইছেনে? এই দুই সম্প্ৰদায়ৰ যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন পৰীক্ষাত অসমীয়া ভাষাত বেছি নম্বৰ পাই কৃতিত্বৰ পৰিচয় দিয়ে, তেওঁলোকক একোটা পুৰস্কাৰ দিয়াৰ কথা অসম সাহিত্য সভা বা অসম ছাত্ৰ ইউনিয়নে চিন্তা কৰিব নোৱাৰেনে? (প্ৰসংগতঃ এইখিনিতে এষাৰ কথা কৈ থবৰ মন গ'ল। বাতৰি কাকতৰ সম্পাদক হিচাপে মোৰ দহ বছৰীয়া অভিজ্ঞতাৰ পৰা এই কথা ডাঠি কব পাৰো যে বৰ্তমান অসমত আটাইতকৈ শুদ্ধ অসমীয়া লিখে চাহ-মজদুৰ সম্প্ৰদায়ৰ লেখক কেইজনে। প্ৰতিষ্ঠিত অসমীয়া লেখক কেইজনৰ বাহিৰে বাকী প্ৰায়সকল অসমীয়া লেখকৰ লেখা বহুত কটা-কুটা নকৰাকৈ ছপাশাললৈ পঠাব নোৱাৰি। কিন্তু চাহ মজদুৰ লেখক কেইজনৰ লেখাত কলম টোৱাবৰে দৰকাৰ নপৰে।)

শুনাত অপ্ৰাসংগিক যেন লাগিলেও ওপৰৰ কথাখিনি কোৱাৰ প্ৰয়োজন এই কাৰণেই হ'ল যে বহিৰাগতৰ সমস্যাৰ লগত অসমীয়া জাতি গঠনৰ প্ৰশ্নটো জড়িত হৈ আছে। বাহিৰৰ পৰা আহি অসমতে স্থায়ীভাবে বসতি কৰা যিসকল লোকে স্বেচ্ছাই আৰু সাগ্ৰহে অসমীয়া ভাষা-সাহিত্য গ্ৰহণ কৰি অসমীয়া হৈছে, তেওঁলোকে হৃদয়ৰ পৰা অসমীয়া জাতিৰ প্ৰতি sense of belonging অনুভৱ কৰিলেহে বৃহৎ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া ত্বৰান্বিত হ'ব। লোকপিয়লৰ সময়ত তাচা, গোৱালা, কৰ্মকাৰ, শেখ, আলি, খাঁ সকলোৱেই অসমীয়া, কিন্তু চাকৰি পোৱাৰ সময়ত কেৱল ফুকন, বৰুৱা, শৰ্মা, তালুকদাৰহে অসমীয়া - এনে মনোভাব চলি থকালৈকে অসমীয়া জাতীয়তাবোধৰ লগত এইসকল লোকৰ একাত্মবোধ কেতিয়াও সম্পূৰ্ণ নহয়।

কেৱল শ্লোগান, পেনপেনীয়া অনুভূতি আৰু সুবিধাবাদী

> আজি এই কথা পাহৰিলে নচলিব যে প্ৰায় ২৬ লাখ ন-অসমীয়া মুছলমান আৰু প্ৰায় সমান সংখ্যক চাহ মজদুৰ সম্প্ৰদায়ৰ লোকে নিজকে অসমীয়া ভাষী বুলি পৰিচয় নিদিয়া হলে আজি অসমত অসমীয়া ভাষা আৰু অসমীয়া উপ-জাতীয়তাবাদৰ অৱস্থা কি হ'লহেঁতেন, সেইটো যথেষ্ট সন্দেহৰ কথা। আন কথাত কবলৈ গলে অসমীয়া ভাষিক জাতীয়তাবাদে আৰু অসমীয়া জাতিৰ দুটা প্ৰধান লাই-খুঁটা হ'ল ন-অসমীয়া মুছলমান আৰু চাহ মজদুৰ সম্প্ৰদায়। কিন্তু 'খিলঞ্জীয়া' অসমীয়া সকলে এই কথা সচেতনভাবে মনত ৰাখেনে?

ৰাজনীতিৰ দ্বাৰা অসমীয়া ভাষা-সংস্কৃতিৰ বিকাশ সাধন কৰিব নোৱাৰি। সাহিত্যৰ এটা অৰ্থনৈতিক দিশো থাকে। চূড়ান্ত বিচাৰত সাহিত্যও এটা পণ্য-সামগ্ৰী, বজাৰত ইয়াৰ চাহিদা যিমানে বাঢ়িব, সিমানেই সাহিত্যৰ উৎপাদন আৰু গুণগত উৎকৰ্ষও বৃদ্ধি পাব। অৰ্থাৎ সাহিত্যৰ পাঠক সমাজ বাঢ়িব লাগিব। অসমীয়া সাহিত্য পয়া লাগি থকাৰ এটা অন্যতম প্ৰধান কাৰণ হ'ল এয়েই যে ইয়াৰ পাঠকৰ সংখ্যা নিতান্তই সীমাবদ্ধ। যিসকল লোকে অসমীয়া ভাষা-সাহিত্যৰ উন্নতি কামনা কৰে, তেওঁলোকে অসমীয়া সাহিত্যৰ পাঠক সমাজ বহলাবৰ কাৰণে প্ৰণালীবদ্ধভাবে চেষ্টা কৰা উচিত। হিন্দী ভাষাৰ সাম্ৰাজ্যবাদে যে অতি কূট-কৌশলেৰে অৰুণাচলক অসমৰ পৰা আঁতৰাই নিলে আৰু অসমীয়া ভাষাক তাৰ পৰা উৎখাত কৰিবলৈ চেষ্টা কৰি আছে, তাৰ প্ৰধান উদ্দেশ্য হ'ল হিন্দী ভাষা সাহিত্যৰ কাৰণে অৰুণাচলত নতুন বজাৰ সৃষ্টি আৰু মুকলি কৰা। উগ্ৰ হিন্দী প্ৰেমী সকলে ৰাষ্ট্ৰীয় ঐক্য বিপন্ন কৰি হলেও অহিন্দীভাষী অঞ্চলবোৰত যে ছলে বলে-কৌশলে হিন্দী জাপি দিবলৈ চেষ্টা কৰি আছে, তাৰ মূল কাৰণ হ'ল হিন্দী সাহিত্যৰ কাৰণে বজাৰ সম্প্ৰসাৰণ। অসমীয়া সকলে কাৰো ওপৰত অসমীয়া ভাষা জাপি দিব নালাগে। কিন্তু চাহ মজদুৰ আৰু ন-অসমীয়া মুছলমান আদি যিসকল লোকে স্বেচ্ছাই অসমীয়া ভাষা সাহিত্য গ্ৰহণ কৰি অসমীয়া হৈছে, তেওঁলোকৰ মাজত নিৰক্ষৰতা দূৰীকৰণ, উচ্চ শিক্ষাৰ বিস্তাৰ আৰু পুথিভঁৰাল আন্দোলন আদিৰ নিচিনা কাৰ্যসূচী গ্ৰহণ কৰি অসমীয়া সাহিত্যৰ পাঠক সমাজ বহলাবলৈ চেষ্টা কৰিলেহে অসমীয়া ভাষা সাহিত্যৰ ভৱিষ্যত উজ্জ্বল হ'ব। হিন্দী নাগৰী প্ৰচাৰিণী সমিতিয়ে সমগ্ৰ দেশতে হিন্দীৰ প্ৰচাৰৰ কাৰণে কাম কৰিছে; বৃটিছ কাউঞ্চিলৰ নিচিনা বে-চৰকাৰী অনুষ্ঠানে সমগ্ৰ বিশ্বতে ইংৰাজী সাহিত্যৰ বজাৰ বহলাবলৈ কাম কৰিছে। পশ্চিমবংগ নিৰক্ষৰতা দূৰীকৰণ সমিতিয়ে শিক্ষাৰ দ্ৰুত বিস্তাৰৰ লগে লগে বাঙলা ভাষাত 'বিশ্বকোষ' প্ৰণয়নৰ নিচিনা বৃহৎ প্ৰকল্প হাতত লৈছে। অসমীয়া ভাষা-প্ৰেমী আৰু জাতীয়তাবাদীসকলে কিন্তু ভাবে যে শ্লোগান দিয়া আৰু বাতৰি কাকতলৈ বিবৃতি দি থাকিলেই অসমীয়া ভাষা-সাহিত্য উন্নতিৰ জখলাত দোপত-দোপে উঠি গৈ থাকিব।



> বহিৰাগতৰ সমস্যাৰ লগত অসমীয়া জাতি গঠনৰ প্ৰশ্নটো জড়িত হৈ আছে। বাহিৰৰ পৰা আহি অসমতে স্থায়ীভাবে বসতি কৰা যিসকল লোকে স্বেচ্ছাই আৰু সাগ্ৰহে অসমীয়া ভাষা-সাহিত্য গ্ৰহণ কৰি অসমীয়া হৈছে, তেওঁলোকে হৃদয়ৰ পৰা অসমীয়া জাতিৰ প্ৰতি sense of belonging অনুভৱ কৰিলেহে বৃহৎ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া ত্বৰান্বিত হ'ব।

অসমীয়া জাতীয়তাবাদৰ প্ৰধান দুৰ্বলতা এয়েই যে কৰিবলৈ অন্তহীন কাম পৰি থকা সত্ত্বেও কোনেও কামৰ জৰিয়তে অসমীয়া জাতিৰ আৰু অসমীয়া ভাষা-সংস্কৃতিৰ উন্নতি সাধিবলৈ চেষ্টা নকৰি সেইটো কৰিবলৈ চেষ্টা কৰিছে কেৱল বক্তৃতা আৰু বিবৃতিৰ দ্বাৰা। সেই প্ৰসংগলৈ পিছত আকৌ আহিম।

কব খুজিছিলো যে বহিৰাগত মুছলমানসকলে অসমীয়া ভাষা সাহিত্যক নিজৰ বুলি গ্ৰহণ কৰাৰ কাৰণে তেওঁলোকৰ প্ৰতি থলুৱা অসমীয়াসকলৰ মনোভাব কিছু কোমল। মনোভাব কোমল হোৱাৰ আৰু এটা কাৰণ এই হ'ব পাৰে যে শিক্ষা-দীক্ষাত অনগ্ৰসৰতা আৰু চৰকাৰী বৈষম্যৰ কাৰণে মুছলমানসকলে চাকৰি-বাকৰি আৰু ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰত চহৰমুখী নব্য-শিক্ষিত অসমীয়া ডেকাৰ লগত প্ৰতিযোগিতা কৰিবলৈ নাহে। ফলত মুছলমানসকলক অসমীয়া 'শিক্ষিত নিবনুৱা ডেকাই' পথৰ কন্টক বুলি নাভাবে। যোৱা কেইবছৰমানত পূৰ্বপাকিস্তান তথা বাংলাদেশৰ পৰা অহা অনুপ্ৰবেশকাৰীৰ বিৰুদ্ধে অসমীয়া জনমত কঠোৰতৰ হৈ অহাৰ প্ৰধান কাৰণ হ'ল ভৱিষ্যতৰ কাৰণে দুশ্চিন্তা। মানুহ বাঢ়িছে, মাটি কমিছে, অসমীয়া মানুহ ঘৰতেই আলহী হৈছে। নতুনকৈ বহিৰাগত আহি থাকিলে থলুৱা অসমীয়াৰ কাৰণে কতো আৰু এচিকটাও মাটি নাথাকিবগৈ। সেইটো প্ৰথম ভয়। দ্বিতীয় ভয় হ'ল মুছলমান অনুপ্ৰবেশকাৰীৰ সংখ্যা বাঢ়ি গৈ থাকিলে অসমত হিন্দু-মুছলমানৰ বৰ্তমানৰ অনুপাত বিনষ্ট হোৱাৰ ভয়।

মুঠতে বহিৰাগত মুছলমানৰ পৰা থলুৱা খিলঞ্জীয়া লোক সকলে কোনো সাংস্কৃতিক বিপদৰ আশংকা নকৰে; তেওঁলোকৰ পৰা আহিব পৰা বিপদ ঘাইকৈ অৰ্থনৈতিক আৰু ৰাজনৈতিক।

আগতেই কৈ অহা হৈছে অসমীয়া উপ-জাতীয়তাবাদৰ মূল আধাৰ আৰু চালিকাশক্তি হৈছে ভাষা। গতিকে অসমীয়াসকলে আটাইতকৈ বেছি ভয় কৰে বহিৰাগত বাঙালী হিন্দুক, আটাইতকৈ অবাঞ্ছিত বুলি ভাবে বাঙালী হিন্দুক। বহিৰাগতৰ সমস্যা মানেই বহুতো অসমীয়াৰ কাৰণে বাঙালী হিন্দুৰ সমস্যা। কাৰণ অসমীয়াসকলে বিশ্বাস কৰে যে একমাত্ৰ হিন্দু বাঙালীসকলৰ পৰাই তেওঁলোকৰ সাংস্কৃতিক বিপদ আহিব পাৰে।

শক্তিশালী প্ৰতিবেশীক সকলোৱেই ভয় আৰু ঈৰ্ষাৰ চকুৰে চায়। গতিকে বাঙালীসকলে একো নকৰিলেও তেওঁলোকে সদায় ভয় আৰু ঈৰ্ষাৰ পাত্ৰ হৈ থাকিলহেঁতেন। কিন্তু বৃটিছ শাসনৰ আৰম্ভণিৰে পৰা ১৮৭০ চনলৈকে বঙলা ভাষাই যে অসমীয়াক স্থানচ্যুত কৰি ইয়াত উঠি ৰজা-বহি ৰজা হৈ বহিছিল, তাৰ স্মৃতিয়ে অসমীয়াসকলৰ কাৰণে এটা স্থায়ী মনস্তাত্ত্বিক সমস্যাৰ সৃষ্টি কৰি ৰাখিছে। দ্বিতীয়তে, যিমান দিন শ্ৰীহট্ট জিলা অসমৰ লগত আছিল, সিমান দিনলৈকে চাকৰি বাকৰিৰ ক্ষেত্ৰত তীব্ৰ প্ৰতিযোগিতাৰ দ্বাৰা অসমীয়া বাঙালীৰ সমস্যাক এটা জীৱন্ত সমস্যাত পৰিণত কৰি ৰাখিছিল। সেই স্মৃতিও বাঙালী-ভীতিৰ এটা স্থায়ী উৎস। দেশ স্বাধীন হোৱাৰ পিছত যেতিয়া ভাষাভিত্তিক ৰাজ্য গঠনৰ কাম আৰম্ভ হ'ল, তেতিয়া গোৱালপাৰা জিলাক অসমৰ পৰা ফালি নি পশ্চিমবংগত লগ লগাবলৈ চেষ্টা চলাৰ ফলত আৰু সেই চেষ্টাত ডাঃ বিধান চন্দ্ৰ ৰায়ৰ নিচিনা মানুহেও হাত উজান দিয়াৰ ফলত অসমীয়াৰ মনৰ ঘা সম্পূৰ্ণকৈ শুকাবলৈ নৌ পাওঁতেই নতুনকৈ তাত আঁচৰ পৰিল। সেই ঘাৰ পৰা নতুনকৈ তেজ ওলাল। কিন্তু সাম্প্ৰতিক কালত অসমীয় বাঙালীৰ সম্পৰ্কই তিক্ততম ৰূপ ললে ১৯৬০ চনত –যেতিয়া ৰাজ্যভাষাৰ প্ৰশ্নত অসমীয়া আৰু বাঙালী সকলৰ মতান্তৰ ঘটিল। এতিয়াও যিহেতু অসমীয়াৰ পিছতে বঙলা ভাষাই হ'ল অসমৰ দ্বিতীয় বৃহত্তম ভাষা অৰ্থাৎ দ্বিতীয় সংখ্যা-গৰিষ্ঠ লোকৰ ভাষা, আৰু যিহেতু সাংস্কৃতিক সম্প্ৰসাৰণবাদ বাঙালী সকলৰ এটা জাতীয় লক্ষণ বুলি সকলোৱেই বিশ্বাস কৰে, সেই কাৰণে অসমলৈ নতুনকৈ বাঙালী আহিলেই থলুৱা অসমীয়া মানুহ স্বাভাৱিকতে আতংকিত হৈ উঠে। তেওঁলোকৰ ভয় হয় যে প্ৰব্ৰজনৰ দ্বাৰা অসমত এনেকৈ বাঙালীৰ সংখ্যা বাঢ়ি গৈ থাকিলে অদূৰ ভৱিষ্যতত এদিন অসমীয়া ভাষাই নিজৰ অস্তিত্ব আৰু মৰ্যাদা ৰক্ষাৰ কাৰণে নিজৰ ঘৰতে বঙলা ভাষাৰ তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব।

এই সমস্যাৰ দুটা দিশ আছে। এটা হ'ল অসমত ইতিমধ্যে স্থায়ীভাবে বসতি কৰা বাঙালী সকলৰ সমস্যা – তেওঁলোক ৰুদ্ৰ সিংহৰ দিনতেই অহা হওক বা দেশ বিভাজনৰ পিছত শৰণাৰ্থী ৰূপে আহি অসমত পুনৰসংস্থাপিত হোৱা বাঙালীয়েই হওক। আনটো হ'ল অসমলৈ নতুনকৈ অহা বাঙালীৰ সমস্যা – তেওঁলোক হিন্দুৱেই হওক বা মুছলমানেই হওক, বাংলাদেশৰ পৰা অহাই হওক বা দণ্ডকাৰণ্যৰ পৰা অহাই হওক। এই দ্বিতীয়টো সমস্যাৰ এটাই কাৰণ আছেঃ জাতি ধৰ্ম-ভাষা নিৰ্বিশেষে অসমৰ সকলো শ্ৰেণীৰ ৰাইজৰ মংগলৰ স্বাৰ্থত এনেকুৱা আৰু এজন মানুহকো অসমত সোমাবলৈ দিব নালাগিব; যিসকল ইতিমধ্যেই সোমাইছে তেওঁলোকক বিচাৰি খুচাৰি উলিয়াই নিজ নিজ ঠাইলৈ ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰিব লাগিব।

প্ৰথমটো সমস্যা আৰু তাৰ সমাধানৰ বিষয়ে আলোচনা কৰাৰ আগতে এটা প্ৰাসংগিক কথা কৈ লওঁ। মানভগনৰ সময়ত মাত্ৰ কেইশমান অসমীয়া মানুহ নিজ ঠাইৰ পৰা পলাই কাছাৰত আশ্ৰয় লৈছিল গৈ। সেইবিলাক মানুহৰ শিক্ষা-দীক্ষা বুলিবলৈ একো নাছিল; সাহিত্য চেতনা বা এটা সাহিত্যিক ঐতিহ্যৰ গৰ্ব বোধো নিশ্চয় নাছিল; কেৱল নিজৰ মাতৃভাষাৰ প্ৰতি অসীম মৰমতে সেই এমুঠিমান মানুহে আজিলৈকে অসমীয়া মাত কথা আৰু আচাৰ-ব্যৱহাৰ ৰক্ষা কৰি চলিছে। তাৰ কাৰণে সদৌ অসমীয়া জাতিয়ে তেওঁলোকক লৈ গৰ্ববোধ কৰে, তেওঁলোক যাতে চিৰকাল অসমীয়া হৈ থাকে তাৰ কাৰণে চেষ্টা কৰে। যি ধৰণৰ মনোভাব আৰু হৃদয়াবেগৰ বশবৰ্তী হৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়াসকলে কাছাৰৰ এমুঠিমান অসমীয়াক চিৰকাল অসমীয়া হৈ থকাটো বিচাৰে, সেই একে মনোভাব আৰু একে হৃদয়াবেগৰ বশবৰ্তী হৈয়েই আনসকললোকেও নিজৰ ভাষা-সংস্কৃতিক জীয়াই ৰাখিবলৈ বিচাৰে। অসমৰ বাঙালী সকলৰ সমস্যাক আমি এই দৃষ্টিৰেই চাব লাগিব।

(আগলৈ)

# বিদ্যাসাগৰ স্মৰণ

গীতিমল্লিকা শইকীয়া

প্ৰবীণ চিন্তাবিদ হীৰেন মুখাৰ্জীয়ে কৈছে যে প্ৰাতঃস্মৰণীয় ব্যক্তি বুলি যদি আমি কাৰোবাক স্মৰণ কৰিব লাগে তেন্তে সেই ব্যক্তি– মৃত্যুৰ এশ বছৰৰ পিছতো, নিঃসন্দেহে ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ। কুৰি শতিকাৰ শেষ দশকতো বিদ্যাসাগৰৰ বৌদ্ধিক উদাৰতা আৰু নাৰীৰ মানৱিক অধিকাৰ প্ৰতিষ্ঠাৰ বাবে তেওঁৰ প্ৰচেষ্টাৰ গুৰুত্ব অলপো কমা নাই।

ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ মহত্বৰ মূলতে আছিল তেওঁৰ অসামান্য মনুষ্যত্ববোধ। বিদ্বান আৰু দাতা হিচাপেও অতুলনীয় ঈশ্বৰচন্দ্ৰৰ নামৰ লগত 'বিদ্যাসাগৰ' আৰু 'দয়াৰ সাগৰ' এই বিশেষণ দুটা অবিচ্ছেদ্যভাবে ৰৈ আছে। এই মানুহজনৰ আত্মপ্ৰত্যয় ইমান প্ৰবল আছিল যে সমাজৰ কৌটিকলীয়া অথচ যুক্তিহীন আৰু অমানৱীয় নিয়ম-নীতি আচাৰ-প্ৰথাৰ বান্ধোন ভাঙিবলৈ তেওঁ প্ৰায় অকলশৰেই যুঁজিছিল। এই ক্ষেত্ৰত তেওঁ সমযোগ্য সহযোগীৰ অভাৱ সদায় অনুভৱ কৰিছিল। ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাত বিদ্যাসাগৰ 'যথাৰ্থ মানুহ' আৰু তেওঁৰ জীৱনত 'অনন্যসুলভ মনুষ্যত্বৰ প্ৰাচুৰ্য সৰ্বোচ্চ গৌৰৱৰ বিষয়।'

ঈশ্বৰচন্দ্ৰৰ ব্যক্তিত্বৰ এনে দুৰ্জেয় শক্তি আছিল যাৰ বাবে তেওঁৰ মত বিৰোধিতা কৰা সকলেও তেওঁক শ্ৰদ্ধাৰ চকুৰেই চাইছিল। ভাৰতীয় শাস্ত্ৰ সমূহৰ গভীৰ জ্ঞানে আন বহুতক কৰাৰ দৰে ঈশ্বৰচন্দ্ৰক ৰক্ষণশীল কৰা নাছিল। বৰং সেইবোৰৰ পৰা তেওঁ কুসংস্কাৰবোৰ আঁতৰ কৰাৰ উপায় সংগ্ৰহ কৰিছিল। ঈশ্বৰচন্দ্ৰ সংস্কৃত শাস্ত্ৰৰ বিদগ্ধ পণ্ডিত অথচ পশ্চিমীয়া আধুনিক শিক্ষাৰ প্ৰচাৰক আৰু পৃষ্ঠপোষক। নিজে কুলীন ব্ৰাহ্মণ হৈয়ো তেওঁ কুলীনপ্ৰথাৰ বিৰুদ্ধে যুঁজি প্ৰায় সৰ্বস্বান্ত হৈছিল; বহুবাৰ লাঞ্ছিত হব লগাও হৈছিল। সংস্কৃত কলেজৰ অধ্যক্ষ হোৱাৰ পিছত সেই কলেজত কেৱল ব্ৰাহ্মণ ছাত্ৰইহে শিক্ষা লব পৰাৰ পূৰ্বৰ যি নিয়ম আছিল তাক উঠাই শূদ্ৰ সকলকো সেই কলেজত পঢ়িব পৰাৰ নিয়ম কৰিছিল। অৱশ্যে, সংস্কৃত কলেজৰ দুৱাৰ সকলো সম্প্ৰদায়ৰ বাবে তেওঁ মুকলি কৰি থৈ যাব নোৱাৰিলে। আচাৰ-আচাৰণ বেশভূষাত অত্যন্ত সাধাৰণ হৈও তেওঁ আছিল অত্যন্ত আধুনিক।

ঈশ্বৰচন্দ্ৰৰ পিতাক ঠাকুৰদাস বন্দোপাধ্যায়ো অসাধাৰণ চৰিত্ৰ বলৰ গৰাকী। দৰিদ্ৰ ঠাকুৰদাস বন্দোপাধ্যায়ৰ আত্মসম্মানবোধ আৰু নিষ্ঠাৰ অলেখ চিত্ৰ ঈশ্বৰচন্দ্ৰৰ সহোদৰ ভাতৃ শম্ভু চৰণ বন্দোপাধ্যায়ৰ 'বিদ্যাসাগৰ জীৱন চৰিত'ত পোৱা যায়। ঠাকুৰদাস বন্দোপাধ্যায় আৰু ভগৱতী দেৱীৰ প্ৰথম সন্তান ঈশ্বৰচন্দ্ৰৰ জন্ম হয় ১৮২০ চনৰ ২৬ ছেপ্তেম্বৰত বংগদেশৰ মেদিনীপুৰ জিলাৰ বীৰসিংহ গাঁৱত। ভগৱতী দেৱী দয়াৰ মূৰ্তি। তেওঁ গাঁৱৰ মানুহৰ দুখ কষ্ট দেখি অকণো ঠিৰেৰে থাকিব নোৱাৰিছিল। গাঁৱৰ মানুহে জাৰত লেপ লবলৈ সমৰ্থ নোহোৱাৰ বাবে তেওঁ নিজেও জাৰত লেপ নোলোৱাকৈ আছিল। সুযোগ্য পুত্ৰ ঈশ্বৰচন্দ্ৰই গাঁৱৰ প্ৰত্যেকৰ ঘৰে ঘৰে লেপৰ যোগান দিয়াৰ পিছতহে ভগৱতী দেৱীয়ে গাত লেপ লৈছিল। চৈধ্য-পোন্ধৰ বছৰ বয়সতে ঠাকুৰদাস বন্দোপাধ্যায়ে উপাৰ্জনৰ পথ বিচাৰি কলিকতালৈ আহি সামান্য ইংৰাজী শিকিছিল। এবাৰ তেওঁ নিজৰ পেটৰ ক্ষুধা দূৰ কৰিবৰ উপায় নাপাই তেওঁৰ একমাত্ৰ সম্বল পিতলৰ থাল-ঘটিবোৰ বেচিবলৈও গৈছিল। এনে এক দৰিদ্ৰ পিতৃৰ পুত্ৰ ঈশ্বৰচন্দ্ৰ বংগদেশৰ মহা ঐশ্বৰ্যশালী দাতা, ত্ৰাণকৰ্তা আৰু মাইকেল মধুসূদন দত্তৰ ভাষাত 'কৰুণাৰ সিন্ধু'।

কোনো অলৌকিক শক্তিৰে নহয়, অত্যন্ত মানৱিক শক্তিৰ বলতে ঈশ্বৰচন্দ্ৰ প্ৰতিকূল পৰিবেশতো উন্নতশিৰে থিয় হৈ থাকিব পাৰিছিল। দয়াৰ সাগৰ বিদ্যাসাগৰে 'অন্নসত্ৰ' স্থাপন কৰি দৰিদ্ৰক ভোজন কৰাইছিল। বিদ্যাসাগৰ জীৱন চৰিতত ঈশ্বৰচন্দ্ৰৰ দয়াৰ বহুত ঘটনাই উল্লেখ আছে। কিন্তু কাশীলৈ যাওঁতে ধৰ্মৰ নামত পাণ্ডাসকলে যেতিয়া বিদ্যাসাগৰৰ পৰা ভিক্ষা বিচাৰিলে তেতিয়া এই কোমল মনৰ মানুহজনৰ মন নগলিল। কপটভক্তি দেখুৱাই তেওঁ পাণ্ডাসকলৰ প্ৰাৰ্থনা পূৰ্ণ কৰা নাছিল।

১৮৯১ চনৰ ২৯ জুলাইত কলিকতাত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ মৃত্যু হয়। মৃত্যুৰ এশ বছৰৰ পিছতো বিদ্যাসাগৰৰ প্ৰাসংগিকতা অলপো কমা নাই। দেশৰ মংগলৰ কথা চিন্তা কৰি তেওঁ কৈছিল, "এই দেশ উদ্ধাৰ হবলৈ আৰু বহু বাকী। পুৰণিকলীয়া প্ৰকৃতি আৰু প্ৰবৃত্তি বিশিষ্ট মানুহৰ ফছল উঠাই সাতহাত মাটি তুলি পেলাই দি নতুন মানুহৰ ফছল কৰিব পাৰিলেহে যদি এই দেশৰ মংগল হয়।"

বিদ্যাসাগৰে বিচৰা নতুন মানুহৰ সৃষ্টি কৰিবলৈ হ'লে যে প্ৰথমেই দেশৰ শিক্ষা সংস্কাৰ আৰু মানুহৰ মাজত আধুনিক শিক্ষাৰ প্ৰচাৰ কৰিব লাগিব সেই কথা তেওঁ জানিছিল। ভাৰতবৰ্ষৰ জাতীয় আৰু যুগোপযোগী শিক্ষা নীতিৰ প্ৰয়োজনীয়তাৰ কথা বিদ্যাসাগৰেই পোনপ্ৰথমে উপলব্ধি কৰিব পাৰিছিল। তেওঁৰ ধাৰণাই স্পষ্ট ৰূপ পাবলৈ সময় লাগিছিল যদিও বিদ্যাসাগৰক আমাৰ দেশৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ বাটকটীয়া বুলি ক'ব পাৰি। প্ৰাচীন ভাৰতীয় সংস্কৃত সাহিত্যৰ বিদগ্ধ পণ্ডিত বিদ্যাসাগৰৰ নবযুগৰ মানৱতাবাদী আদৰ্শৰ ওপৰত অবিচল নিষ্ঠা আছিল। প্ৰাচীন শিক্ষা পদ্ধতি আৰু নীতিৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা থাকিলেও তাৰ আদৰ্শৰ প্ৰতি অন্ধ অনুৰাগ তেওঁৰ নাছিল। শাস্ত্ৰত সুপণ্ডিত লোকক তেওঁ যিদৰে শ্ৰদ্ধা কৰিছিল তেওঁলোকক কুসংস্কাৰৰ পৰা মুক্ত কৰিবলৈ তেওঁ চেষ্টা নকৰাকৈ নাছিল। তেওঁ বিচাৰিছিল দেশত এনে পণ্ডিত সৃষ্টি হওক যি শাস্ত্ৰজ্ঞ হৈও কুপমণ্ডুক নহব। 'সংস্কৃত ভাষা আৰু সংস্কৃত সাহিত্য শাস্ত্ৰ বিষয়ক প্ৰস্তাৱ'ৰ আদি ৰচয়িতা আছিল বিদ্যাসাগৰেই। অথচ প্ৰাচীন সংস্কৃত বিদ্যাৰ বহুত অংশ যে সাৰশূন্য আৰু অপ্ৰয়োজনীয় সেই কথা তেওঁ নিঃসংকোচে ব্যক্ত কৰিছিল। 'বেদান্ত' আৰু 'সাংখ্য' দৰ্শন 'ভ্ৰান্ত' বুলি ঈশ্বৰচন্দ্ৰই নিৰ্ভীক ভাবে মত দাঙি ধৰিছিল। পঁচিশ বছৰ বয়সতে তেওঁ আধুনিক ভাৰতৰ শিক্ষা নীতিৰ আঁচনি তৈয়াৰ কৰিছিল। 'পশ্চিমীয়া জগতৰ বিজ্ঞান আৰু সভ্যতা'ৰ ভেটিত ভাৰতৰ শিক্ষানীতি গঢ়ি তোলাই আছিল বিদ্যাসাগৰৰ শিক্ষাদৰ্শৰ মূল কথা।

পাশ্চাত্য আৰু ভাৰতীয় বিদ্যাৰ সমন্বয় যদিও তেওঁ বিচাৰিছিল, শিক্ষা পদ্ধতিৰ ক্ষেত্ৰত তেওঁ মনে-প্ৰাণে পশ্চিমীয়া পদ্ধতিকে সমৰ্থন কৰিছিল। ধৰ্ম আৰু আধ্যাত্মিকতাৰ প্ৰভাৱৰ পৰা ভাৰতীয় শিক্ষাক যিমান দূৰ পৰা যায় মুক্ত কৰিবলৈকে তেওঁ চেষ্টা কৰিছিল। সংস্কৃত কলেজৰ অধ্যক্ষ পদত যোগ দিয়াৰ পিছৰ পৰাই ঈশ্বৰচন্দ্ৰৰ শিক্ষা সংস্কাৰৰ কাম আৰম্ভ হয়। সংস্কৃত কলেজৰ অধ্যক্ষ হিচাপে তেওঁ দাখিল কৰা শিক্ষা সম্পৰ্কীয় প্ৰতিবেদন কেইখনত বিদ্যাসাগৰৰ আধুনিক চিন্তাৰ স্পষ্ট আভাস পোৱা যায়। শিক্ষাৰ যোগেদি দেশবাসীক কু-সংস্কাৰ মুক্ত কৰি প্ৰকৃত মানুহ কৰিব পৰাৰ ব্ৰততে বিদ্যাসাগৰ ব্ৰতী আছিল। কু-সংস্কাৰ দূৰ কৰিবৰ উদ্দেশ্যাই তেওঁ পূৰ্বে প্ৰতিপদ আৰু অষ্টমী তিথিত সংস্কৃত কলেজ বন্ধ থকাৰ যি নিয়ম আছিল সেই নিয়ম উঠাই ইংৰাজী স্কুলবোৰৰ দৰে দেওবাৰে বন্ধ ৰখাৰ নিয়ম কৰিলে। প্ৰসিদ্ধ গৱেষক বিনয় ঘোষে কৈছে যে বিদ্যা চৰ্চাৰ ক্ষেত্ৰত বিদ্যাসাগৰে কোনো দেশীয় ভৌগোলিক সীমা মানিবলৈ প্ৰস্তুত নাছিল। জ্ঞান বিদ্যাৰ কোনো সীমা বা ৰাষ্ট্ৰীয় বন্ধন থাকিব নোৱাৰে। সেই বাবে তেওঁ প্ৰাচ্যবিদ্ (Orientalists) আৰু পাশ্চাত্যবিদ্ (Anglicists) সকলৰ বিতৰ্কত যোগ দিয়া নাছিল। তেওঁ আছিল সমন্বয়বাদী– পূব আৰু পশ্চিমৰ বিদ্যাৰ সমন্বয় সাধন আছিল তেওঁৰ কাম্য।

বিভিন্ন স্তৰৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰয়োজনীয় পাঠ্যপুথি ৰচনা কৰাৰ দায়িত্ব ঈশ্বৰচন্দ্ৰই নিজে লব লগা হৈছিল। এই পাঠ্যপুথি ৰচনাৰ মাজেদি বঙলা ভাষাৰ 'শিল্পী' বিদ্যাসাগৰে প্ৰতিষ্ঠা লাভ কৰিলে। উল্লেখযোগ্য যে তেওঁ ৰচনা কৰা পাঠ্যপুথি সমূহত তেওঁৰ মানৱতাবাদী চিন্তাই প্ৰকাশ পাইছে।

ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰক আধুনিক বঙলা গদ্যৰ স্ৰষ্টা বুলি কোৱা হয়। তেওঁ কৈছিল– "বংগদেশত শিক্ষাৰ তত্ত্বাৱধানৰ ভাৰ যিসকলে লৈছে তেওঁলোকৰ প্ৰথম লক্ষ্য হোৱা উচিত সমৃদ্ধ আৰু উন্নত বঙলা সাহিত্য সৃষ্টি কৰা।"

সৰুৰে পৰাই দুখ-কষ্টৰ লগত হোৱা পৰিচয়ে বিদ্যাসাগৰক সমাজৰ সমস্যাবোৰ গভীৰ ভাবে ভাবিবলৈ শিকাইছিল। ৰাজনৈতিক দল সংগঠন কৰি সমাজ সেৱা কৰাৰ কৌশল তেতিয়াও আমাৰ দেশত চলা নাছিল। সেই দিনত সমাজ সেৱা প্ৰকৃত অৰ্থতে আছিল সমাজ সংস্কাৰৰ বাবে সংগ্ৰাম। বিদ্যাসাগৰে তেওঁৰ সকলো বিদ্যা-বুদ্ধি আৰু জীৱনৰ উপাৰ্জন ব্যয় কৰিছিল সমাজ সংস্কাৰৰ কামত। ভাবিলে আচৰিত হব লাগে যে জীৱনৰ আদি ছোৱাতে সামাজিক প্ৰতিষ্ঠা লাভ কৰিও ৰাজহুৱা বক্তৃতাৰ ওপৰত তেওঁৰ আস্থা নাছিল। সুকুমাৰ সেনৰ মতে বিদ্যাসাগৰৰ এই ভাষণবিমুখিতা 'বঙালী অসুলভ প্ৰবৃত্তি।' তেওঁৰ ভাষণতকৈ কৰ্মত আস্থা আছিল বেছি। প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা বিদ্যাসাগৰে উপলব্ধি কৰিছিল 'সংস্কাৰ' কু-সংস্কাৰ হ'লেও সংস্কাৰ, ইয়াক কেইটামান দশকত বা শতিকাত এটা উন্নত আদৰ্শৰ দ্বাৰা সম্পূৰ্ণ আঁতৰ কৰিব পৰা নাযায়। সেয়েহে সমাজ সংস্কাৰৰ নানা কামত শিক্ষিত শ্ৰেণীৰ মাজতো যেতিয়া নানা সংশয় আৰু সংকোচ দেখিলে তেতিয়া তেওঁ ব্যথিত হৈছিল কিন্তু বিচলিত হোৱা নাছিল।

ভাৰতৰ নাৰী মুক্তি ভাবনাৰ কথা ক'বলৈ গ'লেই প্ৰধানকৈ দুজন ব্যক্তিৰ কথা ক'ব লাগিব। এজন ৰাজা ৰামমোহন ৰায় আৰু আনজন ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ।

ভাৰতবৰ্ষত পশ্চিমীয়া শিক্ষা প্ৰচাৰৰ ফলত যিবোৰ যুগান্তকাৰী ঘটনা ঘটিছিল সেইবোৰৰ ভিতৰত নাৰী মুক্তি ভাবনা অন্যতম। এই ভাবনা প্ৰথমে বংগদেশতেই আৰম্ভ হয়। ৰাজা ৰামমোহন ৰায়ৰ সতীদাহ প্ৰথা বিৰোধী আন্দোলনৰ মাজেদি মানৱীয় চিন্তাৰ উন্মেষ ঘটিছিল। ৰামমোহন ৰায় আৰু ঈশ্বৰচন্দ্ৰৰ মাজত প্ৰায় দুটা পুৰুষৰ ব্যৱধান আছিল যদিও তেওঁলোক দুয়োৰে চিন্তা আৰু কৰ্মই ভাৰতীয় সমাজত অতি গভীৰ প্ৰভাৱ পেলাইছিল।

সমাজৰ ৰক্ষণশীলতা আৰু কু-সংস্কাৰবোৰ দেখি ঈশ্বৰচন্দ্ৰ চিন্তিত হৈছিল আৰু ভাৰতীয় শাস্ত্ৰৰ মাজতে সেইবোৰ দূৰ কৰাৰ উপায় বিচাৰিছিল। হিন্দু সমাজত এটা বদ্ধমূল ধাৰণা আছিল যে লিখা-পঢ়া শিকিলে তিৰোতাসকল বিধৱা হয়। অসমতে ১৮৮৬ চন মানলৈকে স্ত্ৰীশিক্ষা বিপদজনক বুলিয়ে জনসাধাৰণে ভাবিছিল আৰু লিখিব পঢ়িব পৰা ছোৱালীক কোনেও বিয়া কৰাবলৈ আগ ন্যবাঢ়িছিল বুলিয়ে জনা যায়। হেনৰী ডিৰোজিও আৰু তেওঁৰ ইয়ং বেংগাল গোষ্ঠীয়ে যেতিয়া হিন্দু সমাজত প্ৰচলিত নানা প্ৰথাৰ যুক্তিযুক্ততা সম্পৰ্কে প্ৰশ্ন তুলিলে আৰু স্ত্ৰীশিক্ষা প্ৰচাৰ, বিধৱা বিবাহ প্ৰচলন আৰু বাল্য বিবাহ, কুলীন প্ৰথা বন্ধ কৰাৰ বাবে দাবী জনালে তেতিয়া বিদ্যাসাগৰে ইয়ং বেংগলৰ আন্দোলনৰ লগত সহমৰ্মিতা প্ৰকাশ কৰিলে। স্ত্ৰীশিক্ষা প্ৰচাৰ প্ৰচেষ্টা বংগৰ নবজাগৰণৰ আন এটা বৈশিষ্ট্য।

কেৱল স্ত্ৰীশিক্ষাৰ দ্বাৰাহে যে নাৰীসকলে সমাজত ব্যক্তি মৰ্যাদা লাভ কৰিব পাৰিব সেই কথা ঈশ্বৰচন্দ্ৰই ভাল দৰে বুজিছিল বাবেই তেওঁ স্ত্ৰীশিক্ষা প্ৰচাৰত মনোনিবেশ কৰিলে। হিন্দু সমাজৰ উচ্চ স্তৰত স্ত্ৰীশিক্ষা লাহে লাহে প্ৰচলন হৈছিল যদিও সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালীবোৰক স্কুলত পঢ়িবলৈ পঠাবলৈ সমাজৰ বহুতো গণ্যমান্য লোকে প্ৰস্তুত নাছিল। বিৰোধিতা সত্বেও ১৮৪৭ চনত বাৰাছাতত এখন বালিকা বিদ্যালয় স্থাপন হয়। এইখনেই বঙালীৰ দ্বাৰা প্ৰতিষ্ঠিত প্ৰথম বালিকা বিদ্যালয়। ১৮৪৯ চনত শিক্ষা সংসদৰ সভাপতি ড্ৰিংকৱাটাৰ বেথুনে স্থাপন কৰা 'কলিকতা ফিমেল স্কুল' খনৰ পৰিচালনাৰ ভাৰ বেথুনে নিজেই বিদ্যাসাগৰৰ হাতত অৰ্পণ কৰে। বিদ্যাসাগৰে অবৈতনিক ভাবে এই ভাৰ গ্ৰহণ কৰিছিল। বেথুনৰ মৃত্যুৰ পিছত এই স্কুলৰ নাম 'বেথুন স্কুল' ৰখা হ'ল। ভাৰতৰ

স্ত্ৰীশিক্ষা আন্দোলনত বেথুন স্কুলে অগ্ৰণী ভূমিকা লৈছিল। অসমৰ নবজাগৰণৰ প্ৰাণ পুৰুষ গুণাভিৰাম বৰুৱাই তেওঁৰ কন্যা স্বৰ্ণলতাক উচ্চ শিক্ষা লাভৰ বাবে এই স্কুলতেই ১৮৮০ চনত ভৰ্তি কৰিছিল। দূৰৰ ছাত্ৰীবোৰক স্কুললৈ অনা-নিয়া কৰিবৰ বাবে বেথুনে ব্যৱস্থা কৰি দিয়া ঘোঁৰা গাড়ীখনৰ গাত বিদ্যাসাগৰে 'কন্যাপ্যেবং পালনীয়া শিক্ষা নীয়াতি যত্নতঃ" – এই শাস্ত্ৰ বচন ফাকি লিখাই দিছিল। বিদ্যাসাগৰে জানিছিল শাস্ত্ৰৰ দোহাই দিহে এই দেশৰ মানুহক কিবা বুজাব পৰা যায়।

উনৈশ শতিকাৰ চল্লিছ আৰু পঞ্চাছৰ দশকত স্ত্ৰীশিক্ষাক কেন্দ্ৰ কৰি যথেষ্ট তৰ্ক-বিতৰ্ক চলিছিল। সনাতন হিন্দু সমাজৰ প্ৰবক্তা সকলে স্ত্ৰীশিক্ষাক বিদ্ৰূপ কৰি ৰচনা প্ৰকাশ কৰিছিল। স্ত্ৰীশিক্ষাৰ উদ্যোগী সকলক পাৰিলে সমাজচ্যুত কৰিবলৈও তেওঁলোকে চেষ্টা কৰিছিল। অসমতো স্ত্ৰীশিক্ষাক লৈ আলোচনা সমালোচনা হৈছিল। বিলাতত শিক্ষা লাভ কৰা ইঞ্জিনিয়াৰ বলিনাৰায়ণ বৰাই স্ত্ৰীশিক্ষা 'ভয়ানক' বুলি ভাবিছিল। হেমচন্দ্ৰ বৰুৱাই স্ত্ৰীশিক্ষা সমৰ্থন কৰি তেওঁৰ আধুনিক মনৰ পৰিচয় দিছিল।

সকলো বাধা নেওচি বিদ্যাসাগৰে স্ত্ৰীশিক্ষা প্ৰচাৰত উঠি পৰি লাগিল। ১৮৫৭ চনৰ নবেম্বৰ মাহৰ পৰা ১৮৫৮ চনৰ মে' মাহলৈকে ছমাহতে বিদ্যাসাগৰে ৩৫ খন বালিকা বিদ্যালয় স্থাপন কৰিছিল। পিছত এই স্কুলবোৰ চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হোৱাত সেইবোৰ চলোৱাৰ ব্যয় তেওঁ নিজেই বহণ কৰিছিল। বাধা, বিদ্ৰূপ, আহুকাল, কটুসমালোচনাৰ সমুখতো বিদ্যাসাগৰ ক্লান্ত হৈ পৰা নাছিল।

সেই যুগটো আছিল ভাৰতৰ ইতিহাসৰ এনে এটা যুগ যি যুগত নাৰীসকল সাধাৰণ মানৱীয় অধিকাৰৰ পৰাও বঞ্চিত আছিল। সমাজখন আছিল ৰক্ষণশীল য'ত নাৰীসকল গৃহবন্দী হৈ থকাটোৱেই সাধাৰণ নিয়ম আছিল। কোনো ভদ্ৰলোকে নিজৰ স্ত্ৰী বা আত্মীয়াৰ লগতো প্ৰকাশ্যে ৰাজপথ বা সভা সমিতিলৈ যাব নোৱাৰিছিল। এবাৰ ব্ৰাহ্ম সমাজৰ নেতা কেশবচন্দ্ৰ সেন সস্ত্ৰীক তেওঁৰ ঘৰৰ পৰা পাল্কিত উঠি জোড়াসাঁকোৰ ঠাকুৰবাড়ীলৈ যোৱাৰ কথা আছিল দেৱেন্দ্ৰনাথ ঠাকুৰৰ আচাৰ্যপদ অভিষেক অনুষ্ঠানৰ বাবে। ৰক্ষণশীল প্ৰতিপক্ষই তেওঁৰ ঘৰ ঘেৰাও কৰি তেওঁলোকক প্ৰথমে বাধা দিবলৈ চেষ্টা কৰিলে। বিৰোধী সকলৰ বিৰাট সমাবেশৰ বাধা অতিক্ৰম কৰি কেশবচন্দ্ৰই তেওঁৰ স্ত্ৰীৰ সৈতে দেৱেন্দ্ৰ নাথৰ ঘৰলৈ ৰাজ আলিয়েদি যাত্ৰা কৰিলে। এতিয়া অকল্পনীয় আৰু হাস্যাস্পদ যেন লাগিলেও ১৮৬২ চনৰ ১৩ এপ্ৰিলৰ ৰাজ পথেদি স্বামী-স্ত্ৰীৰ একেলগে ফুৰিবলৈ যোৱা এই ক্ষুদ্ৰ ঘটনাটোৱেই সেই দিনত এটা বিৰাট বিতৰ্কৰ সৃষ্টি কৰিছিল। এখন ৰক্ষণশীল সমাজৰ পটভূমিত বিচাৰ কৰি সেই যুগৰ ধ্যান-ধাৰণা চেৰাই গৈ এক উচ্চ আদৰ্শ আগত লৈ হাজাৰ বাধা-বিঘিনি নেওচি বিদ্যাসাগৰে কেনেকৈ নতুন যুগৰ সূচনা কৰিলে ভাবিলেই আচৰিত হব লাগে।

বিধৱা বিবাহ প্ৰবৰ্তন বিদ্যাসাগৰে তেওঁৰ জীৱনৰ অতি পবিত্ৰ কৰ্ম বুলি জ্ঞান কৰিছিল। তেওঁ কৈছিল সেই সংস্কাৰ কৰ্ম তেওঁৰ জীৱনৰ "সৰ্বপ্ৰধান সৎকৰ্ম।" তেওঁৰ জীৱনৰ কষ্টোপাৰ্জিত সকলো সঞ্চয় ক্ষয় হৈছিল এই সমাজ সংস্কাৰৰ কামত।

বহু নাৰীৰ বাবে বাল্য বিবাহ, বহু বিবাহ আৰু কুলীন প্ৰথাৰ প্ৰায় নিশ্চিত পৰিণতি আছিল অকাল বৈধব্য। সোতৰ আৰু ওঠৰ শতিকাত এই কু-প্ৰথাবোৰে কদৰ্য আকাৰ ধাৰণ কৰিছিল। সমাজৰ সু-প্ৰতিষ্ঠিত পৰিয়ালবোৰতে বালবৈধব্যৰ সমস্যা আছিল অধিক ভয়াবহ। বিদ্যাসাগৰৰ আন্দোলনৰ প্ৰায় এশ বছৰৰ আগৰে পৰা বিক্ৰমপুৰৰ ৰজা ৰাজবল্লভ প্ৰমুখ্যে অনেকে সময়ে সময়ে বাল-বিধৱা কন্যাৰ দুখ দেখি বিধৱাৰ পুনৰ্বিবাহ প্ৰচলন কৰিবলৈ চেষ্টা কৰিছিল। ১৮১৫ চনত স্থাপন কৰা ৰামমোহন ৰায়ৰ 'আত্মীয় সভা'তো বালবিধৱাৰ সমস্যাটো আলোচনা হৈছিল। পণ্ডিত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে সমাজৰ এই বিক্ষিপ্ত প্ৰচেষ্টাবোৰক সংগঠিত ৰূপত পৰিচালনা কৰিলে। সেয়ে বিদ্যাসাগৰকহে আমি বিধৱা বিবাহৰ প্ৰবৰ্তক বুলি কওঁ। তেওঁৰ একমাত্ৰ পুত্ৰলৈকো তেওঁ বিধৱা বিবাহ কৰাইছিল। ১৮৫৫ চনত ঈশ্বৰচন্দ্ৰই লিখা "বিধবা বিবাহ প্ৰচলিত হওয়া উচিত কিনা" নামৰ পুস্তিকা এখন প্ৰকাশ হয়। তাৰ পিছতে তেওঁ বিধৱা বিবাহ বিধিবদ্ধ কৰিবৰ বাবে ভাৰত চৰকাৰৰ ওচৰত আবেদন জনায়। বিধৱা বিবাহৰ সপক্ষে বিদ্যাসাগৰে শাস্ত্ৰ যুক্তি দাঙি ধৰাৰ উপৰিও মানৱিক আবেদন জনাইছিল। সমাজ সংস্কাৰৰ কাৰণে এই মানৱিক আবেদন সামাজিক ইতিহাসৰ এক মূল্যবান সম্পদ।

বিধৱা বিবাহ সম্বন্ধে বিদ্যাসাগৰৰ পুস্তিকাখন প্ৰকাশ পোৱাৰ পিছত সমাজত আলোড়নৰ সৃষ্টি হ'ল। প্ৰাচীন পন্থী পণ্ডিতসকলে ঈশ্বৰচন্দ্ৰৰ বক্তব্যৰ বিৰুদ্ধে কেইবাখনো পুস্তিকা প্ৰকাশ কৰিলে। অৱশেষত বিদ্যাসাগৰে বিচৰা মতে ১৮৫৬ চনৰ ২৬ জুলাইত বিধৱা পুনৰ্বিবাহ আইন পাছ হ'ল। উক্ত আইন মতে প্ৰথমখন বিধৱা বিবাহ ১৮৫৬ চনৰ ৭ ডিচেম্বৰত অনুষ্ঠিত হ'ল। সংস্কৃত কলেজৰ অধ্যাপক শ্ৰীশচন্দ্ৰ বিদ্যাৰত্নই দহ বছৰীয়া বালিকা কালীমতী দেৱীক বিয়া কৰালে। ভাৰতৰ সমাজ সংস্কাৰৰ ইতিহাসত সেইটো এটা স্মৰণীয় দিন। প্ৰথম বিধৱা বিবাহখনত বিদ্যাসাগৰে অকলে সেইদিনত দহ হাজাৰ টকা ব্যয় কৰিছিল। এই স্মৰণীয় উৎসৱত গুণাভিৰাম বৰুৱাও উপস্থিত আছিল। ভাৰতবৰ্ষত বহুত ৰজা মহাৰজা সাধকৰ জন্ম হৈছে কিন্তু দুৰ্ভগীয়া বিধৱা সকলৰ কথা কোনেও বিদ্যাসাগৰৰ নিচিনাকৈ চিন্তা কৰা নাই। মানুহৰ মুখে মুখে উচ্চাৰিত হ'ল– "বিদ্যাসাগৰ চিৰজীৱী হোৱা।" কবি শঙ্খ ঘোষে ঠিকেই কৈছে সতীদাহ প্ৰথা বন্ধ কৰি ৰামমোহন ৰায়ে বিধৱাৰ জীয়াই থকাৰ ব্যৱস্থা কৰিলে। কিন্তু মৰণৰ পথ বন্ধ হ'লেও জীৱনৰ পথ মুকলি কৰিলে বিদ্যাসাগৰে।

বিধৱা বিবাহ প্ৰবৰ্তন কৰিবলৈ গৈ বিদ্যাসাগৰে কম নিৰ্যাতন সহ্য কৰিব লগা নহৈছিল। বিৰোধী সকলে তেওঁক প্ৰাণ নাশ কৰিবলৈকো চক্ৰান্ত কৰিছিল।

বহু বিবাহ প্ৰথা বন্ধ কৰিবলৈকো বিদ্যাসাগৰে সমান নিষ্ঠাৰেই কাম কৰি গৈছিল। সেইটো আছিল এনে এটা সময় যেতিয়া পঞ্চানব্বৈ বছৰ বয়সীয়া বৃদ্ধই আশীখনলৈকে বিয়া পাতিছিল। ওঠৰ বছৰীয়া ল'ৰাৰ একৈশ, পয়ত্ৰিছ বছৰীয়া কোনোজনৰ চল্লিছ বা বাৰ বছৰীয়া বালকটিৰো পাঁচ গৰাকী পত্নী থকাত আচৰিত হব লগা একো নাছিল। ঈশ্বৰচন্দ্ৰই গাঁৱে গাঁৱে ঘূৰি ঘূৰি এই হিচাপবোৰ সংগ্ৰহ কৰিছিল। দৰিদ্ৰতাৰ পৰা সাময়িকভাৱে মুক্তি পাবৰ খুব এটা সহজ উপায় হৈ পৰিছিল বহু বিবাহ। বহুতো কুলীন ব্ৰাহ্মণে প্ৰধানকৈ ব্যৱসায় ৰূপে বিয়া পাতিবলৈ আৰম্ভ কৰিছিল। ১৮৭১ চনত বিদ্যাসাগৰে লিখা "বহু বিবাহ বন্ধ কৰা উচিত নে অনুচিত" নামৰ এখন পুস্তিকা প্ৰকাশ পোৱাত পণ্ডিত সমাজত আকৌ হুলস্থূল লাগিল। বিদ্যাসাগৰে বহু বিবাহ প্ৰথা শাস্ত্ৰ নিষিদ্ধ বুলি প্ৰতিপন্ন কৰিলে। বহু বিবাহ প্ৰথা বন্ধ কৰিবৰ বাবে আইন প্ৰণয়নৰ চেষ্টা কৰিলে।

বহু বিবাহ নিবাৰণৰ বাবে চৰকাৰী আইন প্ৰণয়নৰ চেষ্টাত বিদ্যাসাগৰ ব্যৰ্থ হৈছিল যদিও তেওঁৰ প্ৰচেষ্টা তেনেই অথলে যোৱা নাছিল। বহু বিবাহ নিবাৰণ আন্দোলনে শিক্ষিত সমাজত বিশেষ ভাৱে প্ৰভাৱ পেলাইছিল। যিসকলে বহু বিবাহ শাস্ত্ৰসন্মত বুলি কৈছিল, তেওঁলোকেও কুলীন প্ৰথা আৰু বহু বিবাহ যে সমাজৰ পক্ষে কল্যাণকৰ নহয় সেই কথা উপলব্ধি কৰিছিল।

মহিলাসকলৰ অসহায়তাৰ কথা ভাবি বিদ্যাসাগৰে আৰু এটি ব্যৱস্থা হাতত লৈছিল; সেয়া হৈছে 'হিন্দু ফেমিলি এনুইটি ফাণ্ড' প্ৰতিষ্ঠা। সাধাৰণ গৃহস্থৰ মৃত্যুৰ পাছত বেছি ভাগ সময়তেই মৃতকৰ পৰিবাৰ একেবাৰে নিৰুপায় হৈ পৰে। তাৰ প্ৰতিকাৰৰ বাবে বিদ্যাসাগৰে ১৮৭২ চনত এই ফাণ্ড প্ৰতিষ্ঠা কৰে।

আমাৰ সমাজৰ আন এটা কু-প্ৰথা আছিল– বাল্য বিবাহ প্ৰথা। এই প্ৰথা এতিয়াও সম্পূৰ্ণ ভাৱে বিলোপ পোৱা নাই। ঈশ্বৰচন্দ্ৰৰ নিজৰো চৈধ্য বছৰ বয়সতে আঠ বছৰীয়া দুৰ্গামণিৰ লগত বিয়া হৈছিল। বিদ্যাসাগৰৰ কথাই নাই, বিশিষ্ট ব্যক্তি দেৱেন্দ্ৰনাথ ঠাকুৰে চৈধ্য বছৰত, বংকিমচন্দ্ৰ চট্টোপাধ্যায়ে এঘাৰ বছৰত, ভূদেব মুখোপাধ্যায়ে ষোল্ল বছৰত আৰু অমৃতলাল বসুৱে পোন্ধৰ বছৰ বয়সত বিয়া পাতিছিল। ঈশ্বৰচন্দ্ৰই কম বয়সতে বিবাহৰ কুফল সম্পৰ্কে জনমত গঠন কৰিবলৈ বিচাৰিছিল। বিদ্যাসাগৰৰ মানৱতাবাদী যুক্তি সমাজে অগ্ৰাহ্য কৰিব নোৱাৰিছিল।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ এটি মন্তব্যৰে আমাৰ এই আলোচনাৰ সামৰণি মাৰিছো– "দয়া নহয়, বিদ্যা নহয়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ চৰিত্ৰৰ প্ৰধান গৌৰৱ তেওঁৰ অজেয় পৌৰুষ, তেওঁৰ অক্ষয় মনুষত্ব ............।"


সূত্ৰ নিৰ্দেশঃ

১। বিনয় ঘোষ– বিদ্যাসাগৰ ও বাঙালী সমাজ। কলিকতা, ১৯৮৪ (অখণ্ড সংস্কৰণ)

২। বিমান বসু (সম্পাঃ) প্ৰসংগ বিদ্যাসাগৰ, কলিকতা ২৬ ছেপ্টেম্বৰ, ১৯৯১।

৩। স্বপন বসু দেশ, ২৭ জুলাই ১৯৯১।

৪। শঙ্খ ঘোষ বঙলাৰ মনীষা (২য় খণ্ড)




## গ্ৰন্থবাৰ্তা

আমাৰ যি কেইগৰাকী লেখকৰ কিতাপ প্ৰকাশৰ বাবে পঢ়ুৱৈসকলে আগ্ৰহেৰে বাট চাই থাকে সেই কেইগৰাকীৰ অন্যতম হৈছে শ্ৰীহোমেন বৰগোহাঞি। শ্ৰীবৰগোহাঞিয়ে গল্প-উপন্যাস-প্ৰবন্ধ-সংবাদ ধৰ্মী ৰচনা – যিয়েই নিলিখক আমাৰ পাঠকসকলে আগ্ৰহেৰে পঢ়ে – এনে এটা ধাৰণা ইতিমধ্যে প্ৰতিষ্ঠিত হৈ পৰিছে।

জনা সকলে নিশ্চয় জানে লেখক শ্ৰীবৰগোহাঞি এগৰাকী ৰসজ্ঞ পাঠক আৰু স্পষ্টভাষাত কবলৈ হলে কিতাপ তেখেতৰ অন্যতম মনৰ আহাৰ। গোটেই জীৱন ধৰি তেখেতে বিভিন্ন বিষয়ৰ কিতাপ পঢ়িছে সেই কথা তেখেতৰ ৰচনাৱলী পঢ়া সকলে নিশ্চয় অনুভৱ কৰিব পাৰিছে।

পাঠক সকলে জানি আনন্দিত হ'ব যে 'কিতাপ পঢ়াৰ আনন্দ' বুলি এখন কিতাপ শ্ৰীবৰগোহাঞিয়ে লিখি পেলাইছে আৰু কিতাপখন আগন্তুক গ্ৰন্থমেলাৰ সময়তে পঢ়ুৱৈ সকলৰ হাতত পৰিব। আজিকালি বৰকৈ গল্প নেলেখিলেও ৰামধেনু যুগতে গল্পৰেই অসমীয়া সাহিত্যত আলোড়ন সৃষ্টি কৰা শ্ৰীবৰগোহাঞিৰ নিৰ্বাচিত গল্পৰ সংকলন এটাও গ্ৰন্থমেলাৰ সময়তে পাঠক সকলে পঢ়িবলৈ পাব। পিছে এই সংকলনৰ গল্প নিৰ্বাচন গল্পকাৰ গৰাকীয়ে নিজে কৰা নাই। নিৰ্বাচন আৰু সম্পাদনা কৰিছে তেখেতৰ এগৰাকী অনুৰাগীয়েহে। সংকলনটোৰ নাম থোৱা হৈছে 'অস্তিত্বৰ জ্যোতিৰ্ময় চেতনা'। তদুপৰি 'সূত্ৰধাৰ' কাকতৰ আৰম্ভণিতে আৰম্ভ কৰি অনিবাৰ্য কাৰণত বন্ধ কৰি থব লগা হোৱা উপন্যাস 'জীৱন-মৃত্যু'ৰ ৰচনাৰ কামত শ্ৰীবৰগোহাঞিয়ে আকৌ ধৰিছে। কিছু দিনৰ পিছতে উপন্যাসখনৰ ৰচনা সম্পূৰ্ণ হৈ উঠিব।

আমাৰ পাঠক সকলে জানি নিশ্চয় আনন্দিত হ'ব যে শ্ৰীবৰগোহাঞিৰ সুখ্যাত উপন্যাস 'অস্তৰাগ' হিন্দী আৰু বাংলা ভাষালৈ অনূদিত হৈছে। আগ্ৰা বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীমহেন্দ্ৰ নাথ ডুবেই অনূদিত গ্ৰন্থখন প্ৰকাশ কৰিছে ভাৰতীয় জ্ঞানপীঠে আৰু ইতিমধ্যে কিতাপখন পাঠকৰ হাতত পৰিছেগৈ। বাংলাখনো কলিকতা পুস্তকমেলাত প্ৰকাশ পাব। অনুবাদ অধ্যাপিকা ভাৰতী ভট্টাচাৰ্যৰ।

সাহিত্যদূত

## ঘোষণা

অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা সূত্ৰধাৰত অৰবিন্দ শৰ্মাৰ এখন নতুন ধাৰাবাহিক উপন্যাস 'বৃন্তচ্যুতি'প্ৰকাশ পাব। সূত্ৰধাৰৰ পাঠকৰ বাবে থূলমূলকৈ কাহিনীৰ চমু আভাস দাঙি ধৰা হ'লঃ

একুৰি পোন্ধৰ বছৰ কাল দিল্লীত কটোৱাৰ পিছত চাকৰিৰ পৰা অৱসৰ লৈ জয়ন্ত বৰুৱাই মাতৃভূমি অসমলৈ উভতিছে। গোটেই ৰেল যাত্ৰাটোৰ তেওঁৰ সংগী হৈছে তাহানি উৎকল বিশ্ববিদ্যালয়ত লগ পোৱা গীতাঞ্জলি মহাপাত্ৰ।

............... দিল্লীত থকা কালছোৱাত ক'ত যে ভিন্ন পৰিস্থিতিৰ সমুখীন হব লগা হৈছিল জয়ন্ত বৰুৱা। মহানগৰীৰ সৰ্বসাধাৰণ মানুহৰ যানবাহন ডি টি চি বাছৰ অভিজ্ঞতা, ৰূপহী ষ্টেনোগ্ৰাফাৰ ৰুবী চাউলাৰ অস্বাভাৱিক মৃত্যু, বিয়াৰ এবছৰ নৌহওঁতেই সন্তানৰ পিতৃ হোৱা বাবে সহকৰ্মী সকলে তেওঁৰ প্ৰতি কৰা ব্যংগসূচক মন্তব্য, বোমাৰ বিস্ফোৰণত তেওঁৰ মৰমৰ বন্ধু মদন লালৰ মৃত্যু আদি অনেক অভিজ্ঞতা তেওঁ লাভ কৰিছিল।

............... ওপজা মাটিৰ পৰশৰ পৰা কিছু বছৰ বঞ্চিত হৈ জয়ন্তই ইতিহাস ঐতিহ্যমণ্ডিত কীৰ্তি চিনেৰে ভৰা সৰু চহৰখনৰ প্ৰাচীন স্মৃতি বিজৰিত স্থানবোৰ চাবলৈ পিছদিনাই ওলাই আহিল। পৰিবৰ্তনশীল জগতৰ নিয়মক উলংঘা কৰিও চহৰখনৰ কিছু বস্তু ঠিক একেদৰেই আছে, আগৰ দৰে।

............... জয়ন্তই ভাবে ওপজা মাটিৰ পৰশ বিচাৰি উলটি আহি সি ভুল কৰা নাই। অক্ষত মূল কোঁহটোৱে সুস্পষ্ট ভাবে তেওঁৰ চকুৰ আগত ধৰা দি যায়।

# আত্মনিয়ন্ত্ৰণ

কানাই গগৈ



অংকনঃ চম্পক বৰবৰা

এইটো আমাৰ ডেছপাচ্চ পইন্ট – ইয়াৰ পৰাই ৰেল আৰু ট্ৰাকৰ দ্বাৰা কয়লাবিলাক বিভিন্ন গ্ৰাহকলৈ পঠোৱা হয়। গ্ৰাহকবিলাক হ'লঃ ষ্টীল প্লান্ট, চিমেন্ট ফেক্টৰী, পেপাৰ মিল, টি গাৰ্ডেন, ৰেলৱে আদি। ইয়াত কয়লা উৎপাদন হয় প্ৰধানকৈ অ'পেনকাষ্ট মাইনিঙৰ যোগেদি। ইয়াৰ বাবে তিনিটা বৃহৎ বৃহৎ কোম্পানীক কন্ট্ৰেক্ট দিয়া হৈছে। এইটো হ'ল কলিয়েৰীৰ গেৰেজ। ৰেলৰ ডবাবিলাকৰ আগে আগে কয়লা জমা কৰিবলৈ আৰু অন্যান্য বস্তু-বাহানি অনা-নিয়া কৰিবৰ বাবে আৱশ্যক হোৱা টিপাৰ বিলাকৰ (Tipper) ৰিপেয়াৰিঙৰ কাম ইয়াতেই কৰা হয়।.......

দুসপ্তাহমানৰ আগতে কয়লা খনিৰ সঞ্চালক অৰ্থাৎ মেনেজাৰে তাৰ আগত কোৱা এই কথাবোৰ পৰাগৰ এতিয়াও মনত আছে। সেইদিনা সি খনি অভিযন্তা হিচাপে নিযুক্তি লৈ এই খনিটোলৈ আহিছিল। মেনেজাৰে কাৰ্যালয়ত তেওঁৰ নিজস্ব কোঠাত তাক সন্মুখত বহুৱাই লৈ তাৰ পৰিচয় লৈছিল; তাৰ ব্যক্তিগত পৰিচয়ৰ উপৰিও তাৰ ঘৰৰ কথাও তাক সুধিছিল। এইদৰে এঘন্টামান অতিবাহিত হোৱাৰ পাছত মেনেজাৰে তাক লগত লৈ কয়লা খনিৰ বিভিন্ন কাৰ্যৰ লগত তাক পৰিচয় কৰাই দিছিল। ইয়াৰ আগেয়ে সি এইখন ঠাইলৈ অহা নাছিল। তথাপিও ঠাইখন তাৰ বাবে চকুৰ অপৰিচিত হলেও মনৰ অপৰিচিত নাছিল। কাৰণ এইখন ঠাইত অপেনকাষ্ট মাইনিঙৰ জৰিয়তে হোৱা তথাকথিত প্ৰদূষণৰ সন্দৰ্ভত মাজে মাজে হৈ থকা আলোচনা-বিলোচনাবোৰৰ বিষয়ে সি কাকতে-আলোচনীয়ে প্ৰায়েই পঢ়িবলৈ পাইছিল। আৰু হয়তো সেই বাবেই সি প্ৰয়োজনতকৈ অধিক উৎসুকতা আৰু মনোযোগেৰে নিজৰ কাম-কাজবোৰ বুজি লবলৈ যত্ন কৰিছিল।

বৰ্তমানে সি অকলশৰীয়াকৈ তাৰ বাবে নিৰ্দিষ্ট কৰি দিয়া কামবোৰৰ তত্ত্বাৱধান কৰে। কামবিলাকো বিভিন্ন ধৰণৰ। কয়লা বোজাই কৰা ঠাইখণ্ডৰ (স্থানীয় ভাষাত, 'ঢালাই') কাষত ষাঠিটামান ৰেলৰ ডবা ৰাখিব পৰাকৈ ৰেলপথৰ ব্যৱস্থা কৰা হৈছে। ৰেল বিভাগে দিনটোৰ (চব্বিশ ঘন্টা) যিকোনো সময়ত এটা নিৰ্দিষ্ট সময়ৰ বাবে ডবাবোৰ থৈ যায়হি। ডবাবোৰ আহি পোৱাৰ লগে লগে ঢালাইত খদমদম লাগি পৰে। ইতিমধ্যে জমা কৰি ৰখা কয়লাবোৰ পে'-ল'ডাৰেৰে (Pay-loader) টিপাৰ-বিলাকত উঠোৱা হয় আৰু টিপাৰবিলাকে কয়লাবোৰ আনি ডবাবোৰৰ আগে আগে জমা কৰি যায়। ইতিমধ্যে ওচৰতে বাহৰ পাতি থকা উড়িয়া লোক সকলক ডবাবোৰত কয়লা বোজাই কৰিবলৈ মাতি অনা হয়। এই উড়িয়া সকলে ঠিকাদাৰৰ অধীনত কাম কৰে। ৰেলৰ উপৰিও বিভিন্ন গ্ৰাহকৰ পৰা ট্ৰাকবোৰ কয়লা নিবলৈ আহে। ট্ৰাকবোৰত অৱশ্যে কয়লা খনিৰ পে-ল'ডাৰবিলাকেই কয়লা উঠাই দিয়ে।

বেছি ৰাতিৰ সময়ত বা বৰষুণ আদি হৈ থাকোতে ৰেলৰ ডবাবিলাক আহিলে সেইবোৰ বোজাই কৰোতে ৰেল বিভাগে নিৰ্দিষ্ট কৰি দিয়া সময়তকৈ বেছি সময় লাগে। এনেবোৰ ক্ষেত্ৰত কয়লা খনিয়ে জৰিমনা ভৰাটো নিয়ম যদিও অন্য এটা উপায়েৰে এই সমস্যাৰ সমাধান হৈ যায়। ঢালাইত কেৱল কয়লাৰ বোজাই তত্ত্বাৱধান কৰিবৰ বাবে এজন কৰ্মচাৰী (কয়লা খনিৰ ভাষাত, 'ঢালাই-বাবু') আছে। মানুহজন বহুত দিনৰ পৰা এই কামৰ লগতে জড়িত। তেৱেঁই ব্যৱস্থাটো কৰি দিয়ে। ঠিকাদাৰৰ পৰা কিছু পইছা লৈ ইঞ্জিনৰ চালক আৰু তেওঁৰ লগত অহা চাৰি-পাঁচ জন মানুহৰ প্ৰত্যেককে এশ-ডেৰশকৈ টকা দিয়া হয়। ইয়াৰ লগতে চাহ-তামোল আদি খুৱাই দিয়াৰ পাছত ৰেল বিভাগৰ লোক সকল আৰু কিছু দেৰি অপেক্ষা কৰিবলৈ সন্মত হৈ পৰে। ঢালাই বাবুৱে পৰাগক কোৱা মতে এইদৰেই হেনো অতীজৰে পৰা চলি আহিছে। গতিকে পূৰা বোজাই নোহোৱা ডবাবোৰ নিবলৈ ইঞ্জিন আহি গলেও ঢালাই বাবুক চিন্তিত হোৱা দেখা নাযায়।

দিনবোৰ ব্যস্ততাৰ মাজেৰে পাৰ হৈ যায়, পৰাগে গমকে ধৰিব নোৱাৰে। ইতিমধ্যে ৰাজহুৱা খণ্ডৰ এই বৃহৎ প্ৰতিষ্ঠানটোৰ আনবোৰ কয়লা খনিত কাম কৰি থকা আন আন বিষয়া সকলৰ লগতো তাৰ চিনা পৰিচয় হ'বলৈ ধৰিছে। তাৰ বন্ধুত্ব বাঢ়িছে বিশেষকৈ একেখন মহাবিদ্যালয়ৰ পৰাই উত্তীৰ্ণ হৈ আহি দুবছৰমানৰ আগতে চাকৰিত সোমোৱা সৌৰভৰ লগত। সৌৰভৰ লগত কথা পাতিলেই বুজা যায় যে তাৰ ইতিমধ্যে যথেষ্ট অভিজ্ঞতা হৈছে।

অভিজ্ঞতা অৱশ্যে পৰাগৰো নোহোৱাকৈ থকা নাই। এই কেইদিনতে সি বহুত কিবাকিবি দেখিছে, শুনিছে; বহুত কিবাকিবি শিকি পেলাইছে। এতিয়া বাৰিষা বতৰ। বৰষুণৰ ওপৰত নিৰ্ভৰশীল অপেনকাস্ট মাইনিঙত এতিয়া কয়লাৰ উৎপাদন প্ৰায় সম্পূৰ্ণৰূপে বন্ধ। ইতিমধ্যে জমা কৰি ৰখা কয়লাখিনিও এতিয়া প্ৰায় শেষ হওঁ হওঁ। গতিকে টিপাৰ-চালক সকলৰো কাম-কাজ বিশেষ নাই। তেওঁলোক গতানুগতিক ভাবে কামলৈ আহে, অথচ কাম নোহোৱাত সম্পূৰ্ণ আঠ ঘন্টা সময় শুই-বহি কটোৱাৰ দৰেই কটায়।

পৰাগে কেতিয়াবা চালক সকলক সোধেঃ

– এইদৰে কাম নকৰাকৈ দৰ্মহা লবলৈ আপোনালোকৰ কেতিয়াও সংকোচ নহয়?

তাৰ কথা শুনি শুই-বহি থকা চালক সকলে তালৈ এনেদৰে আচৰিত হৈ চায় যেন সি নাভূত-নাশ্ৰুত কথা এষাৰহে কৈ পেলাইছে। তাৰ পাছত শকত-আৱত মানুহ এজন তাৰ ফালে আগবাঢ়ি আহে। মানুহজন অসমীয়া আৰু কাৰোবাৰ মুখত পৰাগে শুনিছিল যে তেওঁ হেনো কোনোবা এটা শ্ৰমিক সংগঠনৰ উপনেতা। মানুহজনে তাক এবাৰ নিৰীক্ষণ কৰি লৈ কৈ যাবলৈ ধৰেঃ

– চাৰ, আপুনি ইয়াত নতুনকৈ জইন কৰিছে, আপুনি এতিয়াও বহুত কথা নাজানে। এই কোম্পানীত কি কি ঘটনা ঘটি থাকে, কিছুদিনৰ পাছত আপুনি নিজেই জানিব পাৰিব। তথাপিও এষাৰ কথা আপোনাক কৈ থওঁঃ আমাক কামত এংগেজড্ কৰাটো কোম্পানীৰ কাম। কোম্পানীয়ে আমাক কাম দিব নোৱাৰিলে আমি শুই-বহিয়েই কটাম – তাত আমাক কোনেও দুষিব নোৱাৰিব।

– মইযে এতিয়াও এই কোম্পানীত নতুন, মইযে এতিয়াও বহুত কথা নাজানো – এইষাৰ কথা ময়ো স্বীকাৰ কৰিছো – অলপ উষ্মাৰে পৰাগে কবলৈ ধৰে – কিন্তু মোৰ লগতে আপোনালোকেও এষাৰ কথা বুজি পায় যে কাম নকৰাকৈ দৰ্মহা লোৱাটো সৎ মানুহৰ স্বভাৱ নহয়। এটা উদাহৰণ দিওঁ। আপোনালোকক বহিবলৈ-কৰিবলৈ আৰু খানা খাবলৈ চালি এখনৰ দৰকাৰ। অথচ কলিয়েৰীত কাৰ্পেন্টাৰ সংখ্যা কম।

– মইযে এতিয়াও এই কোম্পানীত নতুন, মইযে এতিয়াও বহুত কথা নাজানো – এইষাৰ কথা ময়ো স্বীকাৰ কৰিছো – অলপ উষ্মাৰে পৰাগে কবলৈ ধৰে – কিন্তু মোৰ লগতে আপোনালোকেও এষাৰ কথা বুজি পায় যে কাম নকৰাকৈ দৰ্মহা লোৱাটো সৎ মানুহৰ স্বভাৱ নহয়। এটা উদাহৰণ দিওঁ। আপোনালোকক বহিবলৈ-কৰিবলৈ আৰু খানা খাবলৈ চালি এখনৰ দৰকাৰ। অথচ কলিয়েৰীত কাৰ্পেন্টাৰৰ সংখ্যা কম। গতিকে আপোনালোকে এনেয়ে শুই-বহি থাকি কুৎসা-ৰটনা কৰি থকাতকৈ সকলোৱে লাগি-ভাগি চালি এখনকে দি ল'ব পাৰে। কাৰণ চালিখন হ'লে আপোনালোকৰে সুবিধা হয়–

– চাৰ, চাওক – শ্ৰমিক সংগঠনৰ উপনেতা জনে পুনৰ কবলৈ ধৰে – চালিখন আমি দি লব পাৰো, আৰু আমিও জানো যে চালিখন হলে আমাৰে সুবিধা হয়। কিন্তু কোম্পানীয়ে আমাৰ ডেজিগনেশ্বন দিছে টিপাৰ-ড্ৰাইভাৰৰ; গতিকে আমি চালি সাজিবলৈ যাম কিয়? তদুপৰি আজি যদি আমি চালিখন সাজি উলিয়াওঁ, তেন্তে কাইলৈ কোম্পানীয়ে আমাক অন্য কামত লগাবলৈ সুবিধা পাব। – এইখিনিতে উপনেতা জন অলপ ৰয়; তাৰ পাছত কথাৰ সুৰ সলাই পুনৰ কবলৈ ধৰে – কিন্তু আপোনাৰ কেৱল আমাৰ ওপৰতহে চকু কিয়? কোম্পানীৰ ৰিকগনাইজড্ ইউনিয়নৰ লীডাৰবোৰক আপুনি কেতিয়াবা কামলৈ অহা দেখিছেনে? আৰু আহিলেও কলিয়েৰীত দহ মিনিটৰ বেছি সময় উপস্থিত থকা দেখিছেনে? অথচ সিহঁতে মাহৰ শেষত দৰ্মহাৰ উপৰিও অভাৰ-টাইমো পাই আছে। সিহঁতক কোম্পানীয়ে একো কৰিব নোৱাৰে কিয়?

ইয়াৰ উত্তৰ পৰাগৰ ওচৰত নাই। আচলতে সি এইবোৰৰ বিষয়ে একোৱেই জনা নাছিল। সি বুজি পাইছে যে তাৰ জানিবলগীয়া কথা এতিয়াও বহুত বাকী আছে।

অৱশ্যে চালক সকলৰ মতি-গতিৰ একো সলনি নহয়। পৰাগে লক্ষ্য কৰিছে যে শ্বিফ্‌ট-অৰ আৰম্ভণিতে টিপাৰবিলাক চোৱা-চিতা কৰাৰ সময়ত এক-দুই ঘন্টা সময় অযথা নষ্ট হয়। টিপাৰৰ সংখ্যাৰ তুলনাত মেকানিকৰ সংখ্যা কম। আৰু চালক সকলেও টিপাৰবিলাকৰ চোৱা-চিতাৰ কামত মুঠেও সহায় কৰি নিদিয়ে। তাৰ কেতিয়াবা চালক সকলক ক'বলৈ মন যায়ঃ

– লাখ লাখ টকাৰ মেশ্বিনেৰী এটা এক মিনিট আইডল হৈ বহি থাকিলে কোম্পানীৰ কিমান টকাৰ লছ হয় – তাক আপোনালোকে জানেনে? আপোনা-লোকেতো টিপাৰবিলাকৰ চোৱা-চিতাৰ





OKDISCD

কামত অলপ হলেও সহায় কৰি দিব পাৰে! আপোনালোকে কিয় ভাবি লয় যে লছ হলে কেৱল কোম্পানীৰহে হয়, আপোনালোকৰ নহয়? এই মেন্টেলিটিৰ কাৰণেইতো দেশখন ৰসাতলে গ'ল! আমি চেষ্টা কৰিব লাগে যাতে কোনো এটা মানুহ, কোনো এটা মেশ্বিনেৰী এক মিনিটো আইডল্ হৈ বহি নাথাকে। তেতিয়াহে দেশত প্ৰডাকশ্বন বাঢ়িব, দেশৰ জনগণৰ জীৱনৰ মানদন্ড উন্নত হ'ব।........


অৱশ্যে ইয়াৰ সম্ভাব্য উত্তৰ কি হ'ব পাৰে, সেইটোও পৰাগে এই কেইদিনৰ অভিজ্ঞতাৰে অনুমান কৰিব পাৰে। শ্ৰমিক সংগঠনৰ উপনেতা জনে নিশ্চয় তাক ক'বঃ

.– আমাৰ কাম টিপাৰ চলোৱা, সেইবোৰ ৰিপেয়াৰিং কৰা নহয়। আমি যদি আজি টিপাৰৰ ৰিপেয়াৰিঙৰ কাম কৰোঁ, তেন্তে কাইলৈৰ পৰা কোম্পানীয়ে আমাৰ হতুৱাই এইবোৰ কামো কৰোৱাবলৈ ল'ব।

গতিকে কথাবোৰে কেৱল তাৰ মনতে পাকঘূৰণি খাই থাকি যায়। অৱশ্যে সি কথাবোৰ সৌৰভৰ আগত নোকোৱাকৈ থাকিব নোৱাৰে। তাৰ কথা শুনি সৌৰভে মুখত ৰহস্যময় হাঁহি এটা লৈ তালৈ কিছু সময় চাই থাকে; তাৰ পাছত কয়ঃ

–ৱৰ্কাৰ বিলাকক অঁকৰা বা বুৰ্বক বুলি কাহানিও নাভাবিবা। সিহঁত অত্যন্ত চালাক মানুহ। তোমাৰ-মোৰ দৰে মানুহক সিহঁতে বেচি খাব! অকণমান কিবা এটা ঘটনা হ'বলৈ দিয়াচোন, সিহঁতে আইনৰ কথা কিমান উলিয়াব! আৰু ৱৰ্কাৰৰ ভিতৰত আটাইতকৈ চালাক আৰু বদমাছ হ'ল এই ড্ৰাইভাৰৰ জাতটো! নজনা মানুহ পালে সিহঁতে টিপাৰৰ অমুকটো বেয়া, তমুকটো বেয়া, টিপাৰখন নচলিব বুলি কৈ গোটেই শ্বিফ্‌টো তেনেকৈয়ে শুই-বহি কটাব। আৰম্ভণিতে আমাকো সিহঁতে এনেকৈ বহুত বাৰ ঠগিলে। পাছত উপায় নাপাই আমি টিপাৰ চলাবলৈ শিকিলো, ইঞ্জিনৰ আটাইবোৰ খুটি-নাটি বুজি উঠিলো। এতিয়া আমাক কোনো এটা ড্ৰাইভাৰেই ফাকি দিবলৈ চেষ্টা নকৰে।

সৌৰভৰ লগে লগে অৱশ্যে কয়লা খনিৰ মেনেজাৰৰ লগতো পৰাগৰ বন্ধুত্ব গাঢ় হবলৈ ধৰিছে। মেনেজাৰজন অনাঅসমীয়া; কিন্তু বহুত দিনৰ পৰা অসমত থাকি থাকি অসমবাসীৰে এজনৰ দৰে হৈ পৰিছে। অসমীয়া ভাষাটোও তেওঁ সুন্দৰকৈ কয়। মানুহজনৰ বয়স পঞ্চাশৰ ওচৰা-ওচৰি, অথচ এতিয়াও তেওঁ অবিবাহিত। ঘৰত বুঢ়ী মাকৰ বাহিৰে তেওঁৰ কোনো নাই। অসমলৈ



অহাৰ পাছৰ পৰা কোনেও তেওঁক নিজৰ প্ৰদেশলৈ যোৱা দেখা নাই। মানুহজন কেৱল 'অসমবাসীয়েই' নহয়, অসমৰ সমস্যা-বিলাকৰ লগতো তেওঁ একাত্মবোধ কৰে। মাজে মাজে তেওঁ পৰাগক কয়ঃ

– হেম বৰুৱাৰ পাছত আৰু অসমৰ হকে মাত মাতোতা এজনো পলিটিশ্বিয়ান নোলাল। বাকীবোৰে অসমৰ ৰাইজৰ কেৱল ধাৰ খাই আছে। কাৰোৰে কতো মাত এষাৰ শুনিবলৈ পোৱা নাযায়।

– হেম বৰুৱাৰ দৰে অসমৰ হকে মাত নামাতিলেও দীনেশ গোস্বামীয়ে অসমৰ বাবে কিবা-কিবি কৰাৰ চেষ্টা কৰিছিল – আত্মপক্ষ সমৰ্থন কৰাৰ দৰে পৰাগে কয়।

– দীনেশ গোস্বামী আছিল অত্যন্ত ভদ্ৰ মানুহ। আৰু ভদ্ৰভাবে দিল্লীৰ ওচৰত কিবা বিচাৰিলে, কোনেও একো নাপায়। অসমৰ বাবে দিল্লীৰ ওচৰত কিবা বিচাৰিবলৈ হলে ৰাফ হ'বই লাগিব, নহ'লে দিল্লীৰ নোমকে নলৰে! অসমত গুলি নফুটালৈকে দিল্লীয়ে গমকে নাপায় যে ভাৰতত অসম বুলিও ৰাজ্য এখন আছে। অসমত গুলি ফুটিলেহে দিল্লীৰ টোপনি ভাগে আৰু লগে লগে চি-আৰ-পি, মিলিটেৰী এগাল অসমলৈ পঠাই দিয়ে–

মেনেজাৰৰ কথা শুনি পৰাগ মুগ্ধ হয়। অসমৰ সমস্যাক নিজৰ সমস্যা বুলি ভাবিব পৰা অনাঅসমীয়া লোক সি আগেয়ে লগ পোৱা তাৰ মনত নপৰে। মানুহজনৰ প্ৰতি তাৰ শ্ৰদ্ধা-ভক্তি বাঢ়ি যায়। মেনেজাৰে অৱশ্যে এইবোৰৰ প্ৰতি ভ্ৰূক্ষেপ কৰা যেন নালাগে। তেওঁ কৈ যায়ঃ

– ৰাজ্যখনত উদ্যোগ প্ৰতিষ্ঠাৰ বাবে কিমান পৰিমাণৰ আৰু কিমান ধৰণৰ কেঁচামাল আছে, অথচ বাহিৰৰ পৰা কেঁচামাল আনি ইয়াত উদ্যোগ প্ৰতিষ্ঠা কৰাটো দূৰৰে কথা, ইয়াৰ কেঁচামালখিনিৰেই সদ্ব্যৱহাৰ হোৱা নাই। অসমৰ প্ৰাকৃতিক সম্পদ চাহ-তেল-কয়লা-কাঠক লৈ কিমান ধৰণৰ উদ্যোগ প্ৰতিষ্ঠা কৰিব পৰা গ'লহেঁতেন! অসমৰ কেঁচামাল নি অন্য ৰাজ্যত উদ্যোগ পাতিছে; অন্য ৰাজ্যক চহকী কৰিছে আৰু সেইবোৰ ৰাজ্যৰ নিবনুৱা সমস্যা কিছু পৰিমাণে হলেও দূৰ কৰিছে। কিন্তু অসমৰে কেঁচামালৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্মাণ হ'বলগীয়া এটা উদ্যোগৰ বাবে অসমে আন্দোলন কৰিব লগীয়া হৈছে। অথচ এইবোৰৰ প্ৰতি দিল্লীৰ কাণসাৰ নাই। অসমৰ এম পি বিলাকেও কাণত তেল দি শুই থাকে। এই অঞ্চলটোত ইলেক্টিচিটিৰ কিমান ক্ৰাইছিছ! এই কোম্পানীত উৎপাদিত কয়লাখিনিকে ব্যৱহাৰ কৰি ইয়াৰ এটা থাৰ্মেল পাৱাৰ ষ্টেশ্বন নিৰ্মাণ কৰিব পৰা গ'লহেঁতেন, আৰু তেতিয়া এই অঞ্চলৰ বিদ্যুতৰ নাটনিও বহুত কমি গ'লহেঁতেন। কিন্তু কোনে এইবোৰৰ প্ৰতি চিন্তা কৰে!!

বিদ্যুতৰ প্ৰসংগৰ পৰাই পৰাগৰ কথা এষাৰলৈ মনত পৰি যায়। সৌৰভে এদিন তাক কৈছিলঃ

– এ এছ ই বি-ৰ মানুহবিলাক কিজানি বেছি দিন জীয়াই নাথাকে। সন্ধিয়া হোৱাৰে পৰা এ এছ ই বি-ৰ মানুহখিনিয়ে ল'ৰা-বুঢ়া আটাইৰে পৰা অলপ গালি আৰু শাওপাত খায় নেকি!

অৱশ্যে বিভিন্ন প্ৰসংগ লৈ মেনেজাৰৰ লগত আলোচনাবিলাক আবেলিৰ ফালেহে হয় – বিশেষকৈ শ্বিফট্-ৰ শেষত। ৰাতিপুৱা কয়লা খনিৰ কাৰ্যালয়ত ইতিমধ্যে হৈ যোৱা কামবিলাকৰ খবৰ-খাতি লৈ নতুন কামৰ কাৰ্যসূচী ঠিক কৰি সি ঢালাইলৈ ওলাই আহে। আৰু তাতে প্ৰায় প্ৰতিদিনে সি শ্ৰমিক সংগঠনৰ উপনেতাজনৰ মুখামুখি হয়। উপনেতাজনে অৱশ্যে আজিকালি তাক বিশ্বাসত লোৱা যেন পৰিলক্ষিত হৈছে। হয়তো পৰাগো অসমীয়া কাৰণেই। উপনেতাজনে মাজে সময়ে তাৰ আগত অভিযোগৰ সুৰত কয়ঃ

– চাৰ, আপুনি অসমীয়া কাৰণেহে নিজৰ বুলি দুই-এটা কথা আপোনাক কওঁ। – এইখিনিতে উপনেতাজন অলপ ৰৈ পৰাগৰ আগ্ৰহ আৰু উৎসুকতা সন্দৰ্ভত নিশ্চিত হৈ লয়। তাৰ পাছত পুনৰ কৈ যাবলৈ ধৰে –আপুনি চাগে ইমান দিনে গম পাই গৈছে যে অসমৰ মাটিত থকা এই কোম্পানীটোত অসমীয়া মানুহৰ সংখ্যাই আটাইতকৈ কম! আগতে অসমীয়া মানুহবিলাকে চাকৰি-বাকৰি খুব এটা বিচৰা নাছিল। অসমীয়া মানুহৰ সেই দুৰ্বলতাৰ সুযোগ লৈ অনাঅসমীয়া বিলাকে অসমৰ চুকে-কোণে সোমাই আটাইবোৰ চাকৰি-বাকৰি লৈ ল'লে। এই কোম্পানীটোতো অসমীয়া-বিলাক তেনেকৈয়ে এঘৰীয়া হৈ থাকি গ'ল। আৰু এতিয়া অসমীয়া মানুহে যেতিয়া চাকৰি-বাকৰি বিচাৰিছে, তেতিয়া অনাঅসমীয়াবিলাকে একগোট হৈ অসমীয়াই চাকৰি পোৱাৰ আটাইবোৰ বাট বন্ধ কৰি পেলাইছে। আনকি যি দুই এজন অসমীয়া ইয়াত কেনেবাকৈ চাকৰিত সোমাল, সিহঁতকো চাকৰিত উন্নতি কৰাত অনাঅসমীয়া বিলাকে বাধা দি আহিছে। ইয়াত ভাল ভাল প'ষ্টবিলাকৰ দেখিব – আটাইবোৰ অনাঅসমীয়া মানুহ। কোম্পানীৰ পলিচি-মেকিং, প্লেনিং আদি গুৰুত্বপূৰ্ণ কামবিলাকত আপুনি এখন অসমীয়া মানুহৰ মুখ দেখিবলৈ নাপাব। অসমীয়াখিনিক সেইবোৰ প'ষ্টৰ ওচৰে চাপিবলৈ দিয়া নহয়। অসমৰ মাটিত থকা কয়লা, সেই কয়লাৰ উৎপাদন কি পদ্ধতিৰে আৰু কিমান পৰিমাণৰ কৰা হ'ব আৰু সেই কয়লা ক'ত, কেনেকৈ ব্যৱহাৰ কৰা হ'ব – এইবোৰৰ ওপৰত সিদ্ধান্ত আমি অসমীয়াখিনিয়েই লবলৈ নাপাওঁ। আমি অসমৰ মাটিত জন্ম ললো বাবে অসমৰ মাটিতে থকা বস্তু এটাৰ প্ৰতি আমাৰ এটা স্বাভাৱিক মোহ আছে আৰু সেই বাবেই অসমত সম্পদবিলাকৰ অপচয় হবলৈ দিবলৈ আমাৰ সত নাযায়। কিন্তু অনাঅসমীয়া খিনিয়েতো তেনেকৈ নাভাবে। তেওঁলোক অসমলৈ আহিছে কেৱল টকা ঘটিবলৈ। অসমৰ সম্পদৰ অপচয় হয় নে সদ্ব্যৱহাৰ হয় – সেই লৈ তেওঁলোকৰ মূৰৰ কামোৰণি নুঠে। তেওঁলোকে অসমত খাইছে আৰু হাগিছে আৰু অসমত ঘটা পইছাবোৰ ৰাজ্যৰ বাহিৰলৈ পঠাই আছে। এই মাইনিং ইন্ডাষ্ট্ৰিটো চিৰকাল ধৰি ইয়াত চলি থাকিব নোৱাৰে, কাৰণ কয়লাৰ ভান্ডাৰ এদিন শেষ হ'বই। আৰু অসমত কয়লা উভৈনদী হৈ থকা নাই যে ইয়াত কয়লা শেষ হলে অন্য ঠাইত গৈ কয়লাৰ ইন্ডাষ্ট্ৰি খুলিব পৰা হ'ব। গতিকে অসমৰ বুকুত থকা সামান্য পৰিমাণৰ কয়লাখিনিৰ সদ্ব্যৱহাৰৰ কথা আমি অসমীয়াখিনিয়েই ভাবিব লাগিব। এই ক্ষেত্ৰত মেনেজমেন্টৰ ওপৰত আশা পালি থাকিলে আমাৰ একো লাভ নহয়, কাৰণ মেনেজমেন্টৰ পলিচিবিলাক তৈয়াৰ হয় অন্য ক'ৰবাত – কলিকতাত, দিল্লীত। এটাই উপায় আছিল – ট্ৰেড ইউনিয়নৰ ফালৰ পৰা এইবোৰত আগভাগ লোৱা। কিন্তু ট্ৰেড ইউনিয়নৰ লীডাৰ বিলাকো হ'ল অনাঅসমীয়া! সেইটোতো বাদেই, ভাৰতৰ আটাইতকৈ ডাঙৰ এই ইউনিয়নটোৰ লীডাৰবিলাকে বৰ্তমানে কেৱল ছলে-বলে-কৌশলে ধন সম্পত্তি ঘটাত ব্যস্ত হৈ আছে। চৰকাৰৰ লগত হোৱা চুক্তি অনুসৰি ৱৰ্কাৰবিলাকৰ দৰ্মহাৰ পৰাই দুটকাকৈ বৰঙনি কাটি থকা হৈছে আৰু ৱৰ্কাৰৰ প্ৰতি থকা লীডাৰবিলাকৰ দায়িত্বও ইয়াতেই শেষ হৈছে। অথচ ৱৰ্কাৰবিলাকে বিচাৰিলে প্ৰতিবাদো কৰিব নোৱাৰে, কাৰণ ৱৰ্কাৰবিলাকক ঠান্ডা কৰিবৰ বাবে দৰকাৰ হোৱা আটাইবোৰ উপায় লীডাৰবিলাকৰ জনা আছে। মাজতে লীডাৰবিলাকৰ অতপালি ইমান বাঢ়িছিল যে বিদ্ৰোহ কৰা ৱৰ্কাৰবিলাকক সিহঁতে বহুত দিনলৈকে মাইনিং-শ্বু, হেল্‌মেট আদি নিদিয়াকৈ আছিল। অথচ এইবোৰ বস্তু পোৱাৰ অধিকাৰ সকলোৰে আছে। ৱৰ্কাৰবিলাকে ভয়তে সিহঁতৰ নেতাগিৰী মানি চলিছে, কিন্তু কেইজনমানক বাদ দি বাকী আটাইবোৰেই সিহঁতৰ ওপৰত ৰুষ্ট। কিছুদিনৰ পাছত আপুনি নিজেই এইবোৰ কথা গম পাব। আমি সেই বাবে ইয়াত এটা নতুন ইউনিয়ন খোলাৰ যো-জা কৰিছো। কিন্তু ইয়াত দেখিছো মানুহবিলাকক কন্‌ভিন্স কৰাই মুস্কিল। মানুহবিলাক খুব ভয়াতুৰ। তদুপৰি সিহঁতৰ বেছিভাগেই অনাঅসমীয়া বাবে আমি অসমীয়াখিনিক সিহঁতে সম্পূৰ্ণ বিশ্বাসত ল'ব পৰা নাই। আপুনি, চাৰ, অসমীয়া মানুহ; সেইবাবে পৰাপক্ষত আমাক সহায় কৰিবলৈ চেষ্টা কৰিব। নহ'লে ইয়াত অসমীয়াৰ উন্নতি নাই।

উপনেতাজনে নিজৰ সুদীৰ্ঘ বক্তব্যখিনি শেষ কৰিলে। পৰাগে সেইদিনা উপনেতাজনক একো প্ৰতিশ্ৰুতি দিব নোৱাৰিলে।

উপনেতাজনক একো প্ৰতিশ্ৰুতি দিব নোৱাৰিলেও তেওঁৰ কথাবোৰে পৰাগক ভাবিবলৈ বাধ্য কৰিলে। দিন বাগৰাৰ লগে লগে উপনেতাজনে কোৱা কথাবোৰৰ কিছু প্ৰমাণো সি পালে। নিজে অসমীয়া নহৈও অসমীয়াৰ হৈ দীঘল দীঘল বক্তৃতা দিয়া মেনেজাৰ জনকে এইবোৰ কথা শুনোৱাৰ এটা তীব্ৰ প্ৰতিশোধ প্ৰৱণ ইচ্ছা পৰাগৰ মনত জাগিল। কিন্তু ইয়াৰ বাবে আৱশ্যক এটা সুযোগৰ।

আৰু এদিন সঁচাকৈয়ে তেনেকুৱা এটা সুযোগে পৰাগৰ ওচৰত ধৰা দিলে। কয়লা খনিৰ কাৰ্যালয়ত কৰ্মচাৰী এজনৰ পদ এটা খালি হৈছিল; কিন্তু যোগ্য থলুৱা প্ৰাৰ্থী থকা সত্ত্বেও সেই পদত অনাঅসমীয়া এজনকহে মকৰল কৰা হ'ল। ইয়াৰ পাছত আৰু পৰাগৰ বাবে মনে মনে থকা অসম্ভৱ হৈ পৰিল। এদিন আবেলি কাৰ্যালয়ত উপযুক্ত প্ৰসংগ পাই পৰাগে মেনেজাৰক ক'লে–

– অসমৰ কথা চিন্তা কৰিলে আমি অসমীয়াবিলাকক অনাঅসমীয়াবিলাকে শ্বভিনিষ্ট বুলি কয়; আমি ৰিজনেলিজিম কৰিছো বুলি আটায়ে চিঞৰ-বাখৰ কৰে। কিন্তু সকলোৱে যেতিয়া কেৱল নিজৰ নিজৰ ৰাজ্য, নিজৰ নিজৰ ভাষা-সংস্কৃতি, নিজৰ নিজৰ জাতৰ কথাহে ভাবে, তেতিয়া 'শ্বভিনিষ্ট' হোৱাত বাদে অসমীয়াৰ অন্য

OKDISCD

উপায় নাথাকেগৈ। 'সকলোৱেই যেতিয়া অসম আৰু অসমীয়াক বঞ্চিত কৰাৰ কথাহে ভাবে, তেতিয়া 'ৰেজনোলিজিম' কৰাত বাদে অসমীয়াৰ সন্মুখত অন্য ৰাস্তা খোলা নাথাকে। অসমৰ উন্নতিৰ বাবে অসমীয়ায়েই ভাবিব লাগিব, তাৰ বাবে আনে আমাক যি বুলিয়েই আখ্যা নিদিয়ক লাগে–

মেনেজাৰে স্থিৰ নেত্ৰে পৰাগৰ কথাবোৰ শুনি গ'ল। তেওঁৰ মুখত আশ্চৰ্য কৌতুক-ক্ৰোধৰ এক মিশ্ৰিত অভিব্যক্তি। পাছত তেওঁ ক'লে –

– তোমাৰ আগত এইবোৰৰ পাঠ কোনে পঢ়িছে, সেইটো মই ভালদৰেই জানো–

– মোৰ আগত কোনেও পাঠ পঢ়া নাই, অলপ উষ্মাৰে পৰাগে বাধা দি কলে– আৰু অসমীয়াৰ আগত এইবোৰৰ পাঠ কোনেও পঢ়িবও নালাগে–

– ৰ'বা, ৰ'বা – এইবাৰ মেনেজাৰে বাধা দি কলে– তুমিযে কথাই প্ৰতি অসমীয়া অসমীয়া কৰি আছা – কোনটো অসমীয়াই অসমৰ বাবে কি কৰিছে, মোক এটা হিচাপ দিয়াচোন! তুমি নিজেও ইমান দিনে অসমৰ বাবে কি কৰিলা, মোক ক'ব পাৰিবানে? তোমালোক অসমীয়া বিলাকেই অসমৰ বাবে একো কৰিব নোখোজা। বেছি দূৰলৈ নাযাওঁ, এইখন কলিয়েৰীৰ পৰাই মই তোমাক ইয়াৰ বহুত উদাহৰণ দিব পাৰো। এই 'ঢালাইতে' উড়িয়া সকলে ৱেগন ল'ডিং কৰি পোৱা হাজাৰ হাজাৰ টকা অসমৰ বাহিৰলৈ পঠাই আছে। তোমালোক অসমীয়াবিলাকে এইবোৰ কাম কৰি পইছাবোৰ অসমতে ৰাখিব নোৱৰা কিয়? আৰু যিটো উপনেতাৰ ভাষণ শুনি তুমি আজি মোক এইবোৰ কথা কৈছা, সেইটো উপনেতাকে সুধিবাচোন, সি নিজে অসমীয়া হৈও অনাঅসমীয়া লীডাৰ এটাক নিজৰ মূৰৰ ওপৰত বহুৱাই লৈ ফুৰিছে কিয়? অসমীয়া মানুহৰ মাজত নেতা হ'ব পৰাৰ গুণ নাই নেকি যে বাহিৰৰ পৰা এজন নেতাৰ আমদানি কৰিব লগা হ'ল? তোমালোক অসমীয়া বিলাকে কেৱল মুখেৰে বলকিব জানা, কিন্তু হাতে-কামে একো কৰি দেখুৱাব নোৱৰা। মই অনাঅসমীয়া হৈও অসমৰ বাবে তোমালোক অসমীয়াখিনিয়ে কৰাতকৈ বহুত বেছি কৰিছো। তুমি হয়তো ইতিমধ্যে জানিব পাৰিছা যে কলিয়েৰীৰ পৰা ডেছ্পাচ্চ হোৱা প্ৰতিটো টন কয়লাৰ বাবদ অসম চৰকাৰে এশ আঠ টকাকৈ লেভী পায়। অসমৰ পৰা কয়লা ডেছ্পাচ্চ হোৱাৰ ইমান প্ৰব্লেম থকা সত্ত্বেও আমি বিভিন্ন উপায়েৰে সেই কয়লা ডেছ্পাচ্চ কৰি অসম চৰকাৰক লেভীখিনি দি আছো। কিন্তু অসমীয়া বিলাকে কৰিছে কি? ইয়াতে লোকেল দাদা কেইটামান আছে, সিহঁত হাড়ে-হিমজুৱে অসমীয়া। সিহঁতে প্ৰায় প্ৰতিদিনে কলিয়েৰীৰ পৰা এক ট্ৰাকমানকৈ কয়লা চুৰ কৰোৱায়। এক ট্ৰাকত কমেও আঠ টন কয়লা যায়। পাছত এই কয়লাখিনি সিহঁতে ক'ৰবাত সস্তা দামত বেচি এনেয়ে পোৱা টকাখিনি ভোগ কৰে; – মদ খায়, বেশ্যাৰ ওচৰলৈ যায়। দিনত সিহঁতে ঠিকা-ঠুকলি কৰে আৰু ৰাতি কৰে কয়লা চুৰি। আৰু কেৱল কয়লাই নহয়, কলিয়েৰীৰ পৰা ইলেকট্ৰিক মটৰ, লোহা-লক্কৰ আদিও সিহঁতে চুৰ কৰে। অৱশ্যে এইবোৰ কামত কলিয়েৰীত কাম কৰা দুই-এটা মানুহো জড়িত থাকে। সিহঁতক মেনেজমেন্টেও একো কৰিব নোৱাৰে, কাৰণ পুলিচ-কাছাৰী আটাইবোৰ সিহঁতৰ হাতৰ মুঠিত। তদুপৰি কোনোবা সিহঁতৰ পিছত লাগিলে পিছত লাগোতাক চিধা কৰাৰ সকলোবোৰ উপায় সিহঁতৰ জনা আছে। অথচ সিহঁতৰ বাবেই যে অসম চৰকাৰে লেভীৰ আকাৰত বহুত টকা হেৰুৱাব লগা হৈছে, সেইফালে কাৰোৰে চকু নাই–

পৰাগ কাকত-আলোচনী পঢ়া মানুহ, দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ খা-খবৰ ৰখা মানুহ। এইবোৰ প্ৰসংগত তাৰো নিজস্ব মন্তব্য থাকে। সি ক'লেঃ

– এখন ৰাজ্যই নিজৰ প্ৰাকৃতিক সম্পদৰ বিনিময়ত কেন্দ্ৰৰ পৰা পোৱা লেভী, টেক্স, ৰয়েল্টি আদি ধাৰণাবোৰ আচলতে ৰাজ্যখনৰ জনগণৰ বাবে খুব লাজৰ কথা। ৰাজ্যখনত থকা সম্পদৰ ওপৰত ৰাজ্যখনৰ জনগণৰ সম্পূৰ্ণ অধিকাৰ থাকিব লাগে। অসমে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ পালে অসমৰ পৰা এইদৰে কেঁচামালৰ আকাৰত ৰাজ্যৰ সম্পদ বাহিৰলৈ নাযাবই, সেই কেঁচামালেৰে ইয়াতেই উদ্যোগ আদি প্ৰতিষ্ঠা হ'ব। মাত্ৰ ফিনিশ্বড্ প্ৰডাক্টহে অসমৰ বাহিৰলৈ যাব–

এইবাৰ মেনেজাৰ যেন আৰু বেছি উত্তেজিত হৈ পৰিল। উত্তেজিত হৈ প্ৰায় চিঞৰি-চিঞৰি কোৱাৰ দৰে তেওঁ কৈ যাবলৈ ধৰিলেঃ

– অসমৰ বাবে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ কোনে বিচাৰিছে? এই লোকেল দাদাখিনিৰ দৰে কিছুমান মানুহেইতো! আৰু অসমে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ পালে এই দাদাখিনিৰ দৰেই মানুহবোৰে অসমখন লুটি-পুটি নাখাবনে?

ইয়াৰ পাছত মেনেজাৰ কিছু সময়লৈ মৌন হৈ ৰ'ল। পৰাগৰ মুখৰ পৰাও একো কথা নোলাল। সিও যেন হঠাতে কিবা এটা চিন্তাত মগ্ন হৈ পৰিল।

মুখ খুলিলে মেনেজাৰেই। তেওঁৰ কন্ঠত এতিয়া আগৰ উত্তেজনা নাই। লাহে লাহে তেওঁ কৈ যাবলৈ ধৰিলেঃ

– আত্মনিয়ন্ত্ৰণৰ অধিকাৰ পোৱাৰ আগতে প্ৰথমে আত্ম অৰ্থাৎ নিজকে নিয়ন্ত্ৰণ কৰিব পাৰিব লাগিব। নহলে কেৱল আত্মনিয়ন্ত্ৰণৰ অধিকাৰ পালেই ৰাজ্যৰ অৱস্থা নদন-বদন হৈ নপৰে। অথবা জেনেৰেল পাব্লিকৰো জীৱনৰ মানদন্ডৰ একো পৰিবৰ্তন নহয়। সেয়েহে প্ৰথমে ৰাজ্যৰ সম্পদখিনিৰ সদ্ব্যৱহাৰৰ কথা চিন্তা কৰিব লাগিব – আৰু সদ্ব্যৱহাৰ মানে নিজৰ ব্যক্তিগত বেংক বেলেন্স বঢ়োৱা নহয় – দেশত উদ্যোগ আদি প্ৰতিষ্ঠাৰ কামত আগভাগ ল'ব লাগিব। অসমীয়া মানুহৰ মাজত এই গুণটোৰেই অভাৱ। ঠিকাদাৰ, ছাপ্লায়াৰ আদি যিকোনো মানুহেই হ'ব পাৰে, তাৰ বাবে বিশেষ গুণৰ আৱশ্যক নহয়। আৰু বিশেষকৈ যদি বডীগাৰ্ড হিচাপে – ৰেডিও-টিভিৰ ভাষাত – বন্দুকধাৰী কোনোবা পাছত থাকে, তেতিয়াতো কথাই নাই! জীৱনত উন্নতি কৰিবলৈ হলে পৰিশ্ৰম কৰিবই লাগিব। কিন্তু অসমীয়া মানুহে বিনা পৰিশ্ৰমতে অৰ্থ-সম্পত্তিৰ অধিকাৰী হ'ব বিচাৰে। যোৱা দহ-বাৰটা বছৰত অৱশ্যে পৰিশ্ৰম নকৰাকৈয়ে বহুত মানুহ অৰ্থ-সম্পত্তিৰ মালিক হ'ল। কিন্তু কোনোবাই এটা উদ্যোগ প্ৰতিষ্ঠাৰ কথা চিন্তা কৰিলেনে? অসমত আত্মনিয়ন্ত্ৰণৰ অধিকাৰ বিচাৰিছে এই ধৰণৰ কিছুমান সুবিধাভোগী মানুহেই। উপযুক্ত আঁচনি নোহোৱাকৈ অসমে এই অধিকাৰ পালে এইবোৰ মানুহেই অসমখনক লুটি-পুটি খাই শেষ কৰিব। জেনেৰেল পাব্লিকৰ ইয়াৰ পৰা একো লাভ নহ'ব। আৰু সাধাৰণ মানুহে স্বাধীনতা কি, পৰাধীনতা কি – কিবা বুজি পায় জানো?

পৰাগে এইবাৰো একো মাতিব নোৱাৰিলে।

একো মাতিব নোৱাৰিলেও পৰাগে কিন্তু এটা কথা উপলব্ধি কৰিলে যে এই প্ৰসংগত আলোচনাৰ মাত্ৰ এয়া সূত্ৰপাতহে হৈছে। এই আলোচনা আগলৈকো চলিব। ■



## গ্ৰন্থজগত

নলিনীধৰ ভট্টাচাৰ্য

# উপন্যাসত কনকলতা

*মৃত্যু গচকি আনা জয় জিনি*
*বীৰেন বৰকটকী*
*প্ৰকাশকঃ ষ্টুডেন্টচ্ ষ্ট'ৰচ*
*কলেজ হোষ্টেল ৰোড*
*গুৱাহাটী-৭৮১০০১*
*অসম*

উপন্যাস মানৱ-জীৱনৰে ব্যাপক আৰু গভীৰ চিত্ৰ। মানুহৰ জীৱনত বিক্ষিপ্ত, বিশৃংখল আৰু অসংবদ্ধ অভিজ্ঞতাৰ সমাবেশ হয়। ঔপন্যাসিকে সেই খেলিমেলি হৈ পৰা উপাদানবোৰকে চপাই আনি তাৎপৰ্যৰ সূতাৰে বান্ধি পেলায় আৰু তাক এটা বৃহৎ পৰিণতিৰ ফালে লৈ যায়। এখন উপন্যাসত প্লট, চৰিত্ৰ নিৰ্মাণ, পৰিবেশ সৃষ্টি আৰু লেখকৰ পৰোক্ষ উপস্থিতি –এইবোৰৰ প্ৰয়োজন হয়। তদুপৰি, তাত লাগে বৰ্ণনাকুশলতা। কেতিয়াবা বৰ্ণনা আৰু সংলাপৰ সাৰ্থক ৰসায়নো অপৰিহাৰ্য হৈ উঠে। লেখক হয়তো দেখ দেখ্কৈ থাকিব নোৱাৰে, কিন্তু স্ৰষ্টা নিৰুপাধিক ব্ৰহ্ম নহয় – পৰোক্ষভাবে তেওঁৰ বিশ্ববীক্ষা ক্ৰিয়াশীল হোৱাটো একো আচৰিত কথা নহয়। উপন্যাসত চৰিত্ৰ-নিৰ্মাণো এটা ঘাই কথা; চৰিত্ৰবোৰৰ দ্বন্দ্ব-সংঘাতৰ ভিতৰলৈ সোমাব পৰা শক্তি লেখকক লাগে।

বীৰেন বৰকটকী দেৱৰ 'মৃত্যু গচকি আনা জয় জিনি' নামৰ উপন্যাসখন পঢ়ি এনেবোৰ কথা মনলৈ আহিছে। এইবোৰ বৈশিষ্ট্যৰ ফালৰ পৰা চালে উপন্যাসখন আঁসোৱাহমুক্ত নহয়। উপন্যাসৰ কাহিনীৰ ভেটি হ'ল বিয়াল্লিচৰ আন্দোলন – সেই আন্দোলনতে মৃত্যু বৰণ কৰিছিল কনকলতাই। কনকলতাক কেন্দ্ৰ কৰিয়েই কাহিনীৰ আদি, মধ্য আৰু অন্ত সজোৱা হৈছে। কনকলতাৰ সোতৰ বছৰীয়া জীৱনীৰো আভাস দিবলৈ লেখকে যত্ন কৰিছে। ইতিহাস গুৰিত আছে যেতিয়া ই ঐতিহাসিক উপন্যাস হ'ব পাৰে, অথবা জীৱনীৰ ইংগিত দিয়ালৈ চাই ইয়াক জীৱন-ভিত্তিক উপন্যাসো বুলিব পাৰি। কিন্তু উপন্যাসখন কোন শাৰীত পৰিব তাক নিৰ্দিষ্ট কৰা টান। উপন্যাস বুলিলে সি সুসংবদ্ধ গাঁথনি আশা কৰা যায়, চৰিত্ৰ নিৰ্মাণৰ যি উদ্যোগ দেখা যায় – 'মৃত্যু গচকি আনা জয় জিনি'ত সেইবোৰৰ অভাৱ অনুভৱ কৰিছো। এই কথা ঠিক যে বিয়াল্লিচৰ আন্দোলনত লেখক ছাত্ৰাৱস্থাতে জড়িত হৈছিল; তেওঁৰ পৰিয়ালৰো ভালেকেইজনে এই আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। জীৱনৰ অপৰাহ্নত তেওঁৰ সেইবোৰ স্মৃতি হৈ পৰিছে। সম্ভৱত এই স্মৃতিয়েই কাহিনীৰ উৎস। চতিয়া, গহপুৰ, ঢেকীয়াজুলি – এই অঞ্চলবোৰত সেই সময়ত জ্যোতিপ্ৰসাদ, লক্ষীধৰ, অমিয় দাস, পুষ্পলতা দাস, বিজয় ভাগৱতী – আদি লগ লাগি আন্দোলনৰ গুৰি ধৰিছিল আৰু উদ্বুদ্ধ জনতাও ওলাই আহিছিল। এই পৰিবেশত ডাঙৰ-দীঘল হৈছিল কনকলতা। লেখকে দেখুৱাইছে, সৰুৰে পৰা অনন্যা কনকলতাই জ্যোতিপ্ৰসাদ, নবীন বৰদলৈৰ গান, বিশ্ব-বিজয়ী ত্ৰিৰংগ প্যাৰা আদিৰ সাৰমৰ্ম বুজি পাইছিল। কনকলতাহঁতৰ ঘৰত সেই সময়ত হোৱা আলোচনাবোৰেও তাইক প্ৰেৰণা যোগাইছিল। তাইৰ কথা মানুহৰ মুখে মুখে – চৰাইহে সৰু লয় হোলোং গছত বাহ। বয়সত কোমল হলে কি হ'ব? চিন্তা আৰু কামত বুঢ়াৰ দৰে। তাই আনবোৰ ছোৱালীতকৈ আগবঢ়া। সত্যাগ্ৰহীৰ বাবে চাউল-পাত গোটোৱা, সূতা-কটা আদি কামত তাই আগৰণুৱা আছিল আৰু লগৰ ছোৱালীকো তেনে কামলৈ আনিব পাৰিছিল। চতিয়াৰ ভূমিধৰ বৰদলৈৰ কাছাৰীত পতাকা উত্তোলন কৰা ঘটনাই কনকলতাক সাহস যোগাইছিল। এনেদৰেই কনকলতা সাজু হৈছিল শীৰ্ষ-বিন্দুৰ. বাবে। অৱশ্যে ককাক ঘনকান্ত বৰুৱাৰো ভূমিকা নোহোৱা নহয়। শেষৰ সেই ভয়ংকৰ মৃত্যুৰ বাবে কনকলতাৰ যি সহজ মানসিক প্ৰস্তুতি চলিছিল তাত ককাকৰো পৰোক্ষ অৱিহণা আছিল। দেখ দেখকৈ উৎসাহ নোযোগালেও, ককাকে পৰোক্ষভাৱে কনকলতাৰ চিন্তা আৰু কৰ্মত বিধিপথালি নিদিছিল। নাতিনীলৈ অত্যধিক মৰম থকা হেতুকে, তেওঁ তাইক হকা-ধৰা কৰিবলৈ টান পাইছিল। উপন্যাসখনত এই এটা মাত্ৰ চৰিত্ৰ – যি আদিৰে পৰা অন্তলৈকে আছে, আৰু শেষৰ দৃশ্যতো নাতিনীৰ কৰুণ অথচ মহান মৃত্যুক ধৈৰ্যেৰে প্ৰত্যক্ষ কৰিছে। আন চৰিত্ৰবোৰৰ ভিতৰত গাওঁবুঢ়াৰ আন্দোলন-বিৰোধী চৰিত্ৰ কিছু পৰিমাণে প্ৰকাশ পাইছে, তাৰ বাহিৰে আনবোৰৰ চৰিত্ৰৰ ভূমিকা কিবা থাকিলেও খন্তেকীয়া। কেন্দ্ৰীয় চৰিত্ৰ কনকলতাও কিছু পৰিমাণে নিষ্প্ৰভ। তাইৰ মনত কোনো দ্বিধা-দ্বন্দ্বও দেখা নেযায়। জ্যোতিপ্ৰসাদৰ অজ্ঞাতবাসৰ বৰ্ণনা থকা অধ্যায়টোৰ ভাষা সুন্দৰ আৰু পৰিবেশৰ দ্যোতক।

ইতিহাসৰ প্ৰক্ৰিয়াক ভেটি কৰা হৈছে যদিও, আন্দোলনৰ পটভূমিত সামাজিক গাঁথনিৰ পৰিবৰ্তন, ৰাজনৈতিক ঘটনাৱলী আৰু ব্যক্তিগত ভাগ্যৰ সম্পৰ্ক নিৰ্ণয়, ৰাইজ বা ব্যক্তিৰ নৈতিকতাৰ সূক্ষ্ম চিত্ৰ, চিন্তা, ভাব, অনুভূতিৰ সাল-সলনি –এনেবোৰ ইতিহাসবোধৰ সংকেতৰ অভাৱ হোৱা বাবে, উপন্যাসখনক ঐতিহাসিক উপন্যাস বুলি একে আষাৰেই কোৱা টান। আনহাতে কনকলতাৰ জীৱনীৰ সমলৰ অভাৱৰ হেতু উপন্যাসখন কনকলতা কেন্দ্ৰিক হৈ নুঠিল। গতিকে, জীৱনী ভিত্তিক উপন্যাস বুলিও তাক আখ্যা দিব নোৱাৰি। মূল কথাত ভেঁজা দি কনকলতাৰ চৰিত্ৰ সম্পৰ্কে এটা পৰিকল্পনা কৰাৰ থল আছিল যদিও, লেখকে সেই কাম কৰা নাই। ঠায়ে ঠায়ে কল্পনাৰ ৰহণ আছে, কিন্তু সি ৰহণ হে, সূক্ষ্ম অন্তৰ্দৃষ্টি তাত নাই। ইত্যাদি কাৰণত, উপন্যাসখন বাস্তৱৰ উপৰিভাগৰ বৰ্ণনাতে সীমাবদ্ধ হৈ থাকিল যেন লাগিল।

অৱশ্যে, কম পৰিসৰৰ ভিতৰতে, লেখকে অসমীয়া জন-বিশ্বাস, লোক ভাষা, প্ৰৱাদ-প্ৰবচনেৰে কাহিনীৰ বৰ্ণনা ৰসাল আৰু সুখপাঠ্য কৰি তুলিছে। বৰ্ণনা আৰু সংলাপৰ মাজেৰে আগবঢ়া কনকলতাৰ কাহিনীৰ বিভিন্ন অংশৰ যোগসূত্ৰ হ'লগৈ –ঘনকান্তৰ চৰিত্ৰটো: কেৱল এই চৰিত্ৰটোৰহে বিশেষ আবেদন আছে। ঘনকান্তৰ ব্যক্তিত্বক লেখকে মানৱীয় মাত্ৰাৰে বিভূষিত কৰিবলৈ সক্ষম হৈছে।

সি যি কি নহওক, সু-প্ৰতিষ্ঠিত কবি আৰু লেখক বৰকটকীয়ে কাহিনী ক'ব জানে; বিয়াল্লিচৰ জোৱাৰত দেশৰ স্বাধীনতাৰ হকে প্ৰাণ আহুতি দিয়া গাভৰু কনকলতাৰ তাৎপৰ্যপূৰ্ণ মৃত্যুক ভাস্বৰ কৰি তোলাৰ উপৰিও তেওঁ এই পুথিখনত নিজৰ স্মৃতি আৰু সত্তানিহিত স্বদেশ-প্ৰাণতাৰো ইংগিত দিছে। জ্যোতিপ্ৰসাদৰ গানৰ কলিৰে পুথিৰ নামকৰণ প্ৰসংগ উপযুক্ত হৈছে। পুথিখনৰ ছপা-বন্ধা ভাল, অৰ্থপূৰ্ণ বেটুপাতেৰে পুথিখন হাতত লৈ পাঠকে নিশ্চয় ভাল পাব আৰু পঢ়ি উপকৃত হ'ব।

# ন-পুৰণি কবিতা

**শশীকান্ত গগৈৰ কবিতা**
*প্ৰকাশকঃ গিৰিজা প্ৰসাদ বৰুৱা*
*শিৱসাগৰ*

**শোকাকুল উপত্যকাঃ সমীৰ তাঁতী**
*প্ৰকাশকঃ মুকুতা প্ৰকাশন*
*গুৱাহাটী-১*

**বেলি ফুলৰ চকুপানীঃ জ্যোতিমালা গোঁহাই**
*প্ৰকাশকঃ সংঘমিত্ৰা প্ৰকাশন*
*চাবুৱা*

ড০ মহেশ্বৰ নেওগৰ বাল্যবন্ধু সহপাঠী শশীকান্ত গগৈৰ কবিতা সমূহ একে থুপতে ছপা কৰি উলিয়াইছে গগৈৰ আন এগৰাকী বন্ধু গিৰিজা প্ৰসাদ বৰুৱাই। পুথিখনি আৰু গ্ৰন্থখনৰ চিনাকি কৰি দিছে নেওগ ডাঙৰীয়াই। পুথিখনত শতাধিক কবিতা আছে আৰু এই কবিতা সমূহ, প্ৰসংগানুযায়ী, চাৰিটা বেলেগ বেলেগ খণ্ডত (দেহ গংগা, নিয়ৰ, সুৰৰ পোহাৰ, অনন্ত বেদনা) ভাগ কৰা হৈছে। কবিতাৰ লগতে তেওঁৰ দুই-এটা গীতো অৱশ্যে সংযোজিত হৈছে। আমাৰ ৰোমান্টিক যুগৰ শেষ পৰ্যায়ৰ এই কবিজন মূলত প্ৰেমৰ কবি; প্ৰকৃতি, দেশপ্ৰেম আদি বিষয়ো তেওঁৰ কবিতাত নোহোৱা নহয়। তথাপি প্ৰেমৰ কবি হিচাপেই তেওঁ জনাজাত – সাৱলীল ছন্দ, লিৰিকেল বৈশিষ্ট্য আৰু সেইকালৰ কাব্য ভাষাৰ অপূৰ্ব প্ৰয়োগেৰে তেওঁৰ কবিতা সম্পদশালী যদিও, তেওঁ অগ্ৰজ সকলৰ বিশেষকৈ গণেশ গগৈ, দুৱৰা, দেৱকান্ত বৰুৱা আদিৰ প্ৰভাৱৰ পৰা মুক্ত নহয়। সেয়ে হলেও প্ৰেম সম্পৰ্কে তেওঁৰ বহু স্তৰ বিশিষ্ট কাব্যিক ভাবনা আছে। সেই কথা আমি নুই কৰিব নোৱাৰো। পুথিখনৰ সৰহভাগ কবিতাই ব্যৰ্থ প্ৰেমৰ অঞ্জলি; প্ৰাথমিক 'উলাহ-যাত্ৰা'ৰ আনন্দ ক্ৰমাৎ স্তিমিত হৈ সি হৈ পৰিছে স্মৃতি আৰু নীৰৱ পূজাৰ (নীৰৱে পূজিম মই তোমাৰ মূৰতি/জগতৰ কেৱে নেজানিব) নৈবেদ্য। প্ৰিয়াৰ ৰূপ-সৌন্দৰ্য হিয়াত থাপি নীৰৱে পূজা কৰা কবিৰ বেজাৰ আছে সঁচা, কিন্তু তেওঁ তাক অতিক্ৰমি কৈছেঃ নোটোকো কদাপি মই অশ্ৰু বেজাৰৰ/সকলোটি মধুময় সুন্দৰ বিশ্বৰ।' বেজাৰ আৰু আনন্দৰ এই বিপৰীত অন্তৰ্দৰ্শন সত্ত্বেও তেওঁ অভিমান, বিৰহ, ব্যথাৰ পৰা নিজক মুক্ত কৰিব পৰা নাই। এনে দুখ-বেদনাত তেওঁক আনন্দ দিব পাৰে কল্পনাই–

স্ৰষ্টা হৈ সৃষ্টি কৰো, বাস্তৱত
নোহোৱা জগত
ময়ে তাৰ মহাৰাজ, তুমি ৰাণী
বহিছা লগত।

কিন্তু নিঃসংগ কাল্পনিক জগত দিঠকে ভাঙি পেলায়, কবি আকৌ ব্যথিত হয়। দুৱৰাৰ দৰেই 'ভাগ্যহীন জীৱনৰ সুৰহীন গান' গাই তেওঁ দুখ পাতলাব; 'সুৰ আজি শেষ কৰি সুৰহীন মই তোমাৰ লগতে।' কবিৰ প্ৰেমত তুৰীয় স্পৰ্শ নাই, সি ৰক্ত-মাংসৰ পাৰ্থিৱ হা-হুতাশ মাত্ৰ। আমাৰ এই প্ৰসংগত দেৱকান্ত বৰুৱালৈ মনত পৰে। তেওঁৰ মতে, 'তুমি আৰু মই সজা প্ৰেমৰ পৃথিৱী এয়া, মৃত্যু তাৰ সীমা।' গগৈৰ কবিতাতো তাৰ প্ৰতিধ্বনি আছেঃ 'জীৱনে বিচাৰে মোৰ তুমি মানৱীক।' কিন্তু এই বিচৰাৰ শেষ নাই, শেষত সি 'অনন্ত বেদনা'ৰ হাহাকাৰত পৰিণত হৈছে। মনে মিলন-সৰগৰ কথা কল্পনা কৰিলেও, সেই সৰগৰ অস্তিত্ব সম্বন্ধে কবিৰ সন্দেহো প্ৰবল। তেওঁৰ কবিতাত মুকলিমুৰীয়া চৰাইৰ আনন্দ নাই, আছে বেদনা-জৰ্জৰ বন্দী বিহংগৰ কাতৰোক্তি।

প্ৰকৃতি সম্পৰ্কীয় কবিতাতো তেওঁৰ অনুভূতিৰ পৰশ লাগিছে। 'নিয়ৰ' কবিতাটো আবেদনপূৰ্ণ। খৰিভাৰী, ভিক্ষাৰী আদি কবিতাতো কবিৰ সহানুভূতিশীল অন্তৰৰ পৰিচয় আছে। স্বৰ্গীয় শশীকান্ত গগৈৰ এই কবিতাবোৰত ৰোমান্টিক উচ্ছ্বাস থকাটো একো অস্বাভাৱিক নহয়; কিন্তু তেওঁৰ যে ভাষাৰ ওপৰত দখল আছিল এই কথা অস্বীকাৰ কৰিব নোৱাৰি। নিঃসংগ বেদনাৰ কবি হলেও, তেওঁ মানুহ আৰু পৃথিৱীক নিষ্ঠাৰে ভাল পাইছিল। এই কথা পাহৰিব নোৱাৰি।

বৰুৱাই পুথিখন উলিয়াই প্ৰশংসনীয় কাম কৰিছে। ছপা-বন্ধা ভাল। আমি আশা কৰিছো পাঠকে আমাৰ ৰোমান্টিক কাব্য পৰম্পৰাৰ এই উজ্জ্বল কৃতিক আদৰ জনাব।

'শোকাকুল উপত্যকাৰ' কবি সমীৰ তাঁতীৰ কবিতাত মিহলি হৈ আছে সামাজিক গতি-প্ৰকৃতি সম্বন্ধে ব্যথা আৰু বেদনাৰ সংযত অথচ আকৰ্ষণীয় উপলব্ধি। সমীৰৰ প্ৰথম সংকলন 'যুদ্ধভূমিৰ কবিতা'তো সমাজ-চেতনা আছিল। এই সংকলনখনতো বহিৰ্মুখিতাৰে আভাস আছে যদিও ভাষা অধিক ঘৰুৱা, প্ৰাণবান আৰু জীৱন্ত। অভিজ্ঞতাৰ, কাব্যিক ৰূপ দিবলৈ যাওঁতে তেওঁ আনিছে লোক ভাষাৰ ঐশ্বৰ্য – যাৰ ফলত কবিৰ মধ্যবিত্ত মানস লোক মানসৰ সতে জড়িত হৈ পৰিছে। সংকলনখনত এই বৈশিষ্ট্য প্ৰকট। কবিৰ জনতাৰ ওপৰত বিশ্বাস প্ৰবলঃ 'তোমালোক দৰিদ্ৰবোৰৰ হাতত/পৃথিৱীৰ পঞ্চমখন বেদ। জনসাধাৰণেই যে ইতিহাস স্ৰষ্টা এই বিশ্বাসৰ ভেটিত তেওঁ কবিতা লিখে, আৰু য'তেই এই বিশ্বাসৰ অভাৱ ত'তেই মহাজীৱনৰ নিৰ্মাণ স্তব্ধ হয়। তাতেই জুই জ্বলে, মানৱীয় মূল্যবোধ মৰহি যায়ঃ

ৰুৰুৱাই জ্বলিছে জুই
তোমাকো পুৰিব দেশকো পুৰিব সি
তেজৰ বৰণ কি অ' বান্ধে
তেজৰ বৰণ কি

সামাজিক দ্বন্দ্ব সম্বন্ধেও তেওঁ সচেতন –দ্বন্দ্ব – সংঘাতৰ পৰা পৃথিৱী মুক্ত নহয়। 'কাৰো সতে কাৰো বিৰোধ নথকাহেঁতেন/কোনেও কাকো খুলি পঢ়ি নেচালেহেঁতেন।' বিৰোধ থকা বাবেই জিজ্ঞাসাৰ জন্ম হৈছে আৰু উত্তৰণৰ আশাও সম্ভৱ হৈছে। সেইবাবে পৰিৱৰ্তনো অসম্ভৱ নহয়ঃ

এদিন সোণৰ সিংহাসনো নোহোৱা হ'ব
পাৰে
কালিৰ মগনীয়া হ'বগৈ পাৰে কাইলৈ
ৰাজঘোষক

কিন্তু স্বাৰ্থৰ ঘন কুঁৱলীত বাট-পথ একোকে নমনি। কোনেও কাৰো কথা নেভাবে, সকলো স্বাৰ্থপৰ, দায়িত্বহীনঃ 'তুমি ক'লা এহ্ লোকৰহে মৰিছে মৰক/আমি শলাগিলো এৰা, আমাৰনো আহে যায় কি।' এখন দেশত থাকিও মানুহ আজি দেশহীন। ক'লা পৰি যোৱা শিপাৰ মুখত জীৱনৰ উছৱ এতিয়া আশা কৰিব নোৱাৰি। অভাৱ, অনাটন, ৰোগ, আৰু সংস্কৃতিহীনতাৰ মাজত অৱক্ষয় সম্পূৰ্ণ হৈছেঃ

অ'ত ত'ত পৰি আছে
কাঁহী, পাট কাপোৰ
পূঁজ লগা বেণ্ডেজ
খঞ্জৰী আৰু বাঁহী

ইপাৰ সিপাৰ লুইতৰ দুপাৰ গিয়াতিৰ বুকুৰ তেজেৰে তুমৰলি হৈছে। আমি আবেগত যাক শত্ৰুৰু বুলি শালি পেলাওঁ, সি শত্ৰুৰু নহয়। এই ভুলো আমাৰ হৈছে। তথাপি আশা আছেঃ

মেঘবোৰে আকৌ কথা ক'ব
মৰুভূমিৰ বুকুত
সেউজীয়াই হাঁহিব।

সমীৰৰ কবিতাক জীৱনৰ সমালোচনা বুলিব পাৰি। আততায়ীহঁতক মহাপুৰুষ বুলি শলাগ লোৱা এই দিনবোৰৰ সম্পৰ্কে সূক্ষ্ম অনুভৱ সমূহ তেওঁ কলাসুলভ ভাবে দাঙি ধৰিছে। নান্দনিক বোধ তেওঁৰ প্ৰখৰ, অৱশ্যে, দুই-এটা কবিতাত অভিজ্ঞতা, অনুভূতি প্ৰতীক, অনুষংগৰ ঐক্য প্ৰতিষ্ঠা নাই হোৱা যেন লাগিছে। 'ঘৰলৈ অহাৰ আগতে কাৰো ঠিকনা নাছিল' কবিতাটোৰ বিভিন্ন চিত্ৰকল্প সমূহৰ মাজত সংহতি আছে বুলি ধাৰণা নহয়। সেইদৰে পাহাৰখনৰ সিপাৰে – এই কবিতাটো ব্যঞ্জনাক্ষম হৈছে বুলি ক'ব নোৱাৰি। আকৌ 'গাঁৱত নহ'লে শইচ' নামৰ কবিতাত শব্দ-বাহুল্য দেখা যায়। এনেকুৱা সৰু-সুৰা আসোঁৱাহ বাদ দিলে সমীৰৰ কবিতাৰ এই নতুন আঙ্গিকৰ পৰীক্ষা সাৰ্থক হৈছে। 'কি যে এক কালিকা লগা সপোন'ৰ খণ্ড কবিতাবোৰ' 'ধাবিয়া থামিছলৈ', আজান ফকিৰ, 'বাঁহীবাদক শুক্ৰেশ্বৰ ঘাট আদি কবিতা সুখপাঠ্য আৰু আবেদনপূৰ্ণ। আঙ্গিকৰ দিশত নীলমণি ফুকনৰ প্ৰভাৱ সামান্যভাবে হলেও অনুভৱ কৰিব পাৰি যদিও, তাৰ পৰা মুক্ত হোৱাৰ চেষ্টা সমীৰৰ আছে। 'শোকাকুল উপত্যকা' তেওঁৰ অভিজ্ঞতাৰ সাৰ্থক প্ৰতীক হৈছে, কাৰণ কেবল শোকেই তেওঁৰ লক্ষ্য নহয়, শুকান উপত্যকাক সেউজীয়া কৰাৰ ব্যঞ্জনাৰেও প্ৰতীকটো সমৃদ্ধ। আমি আটক ধুনীয়া পুথিখনৰ বহুল প্ৰচাৰ কামনা কৰিছো।

'ভৱিষ্য যেতিয়া সূৰ্য সম্ভৱা/ আমৃত্যু জাগি ৰ'ব হৃদয়ৰ ৰক্তাক্ত প্ৰতিজ্ঞা' – এনেধৰণৰ উক্তিৰ পৰাই জ্যোতিমালাৰ স্বদেশ-চিন্তা কিমান প্ৰবল তাক অনুভৱ কৰিব পাৰি। অনুভৱ কৰিব পাৰি, ই যোৱা অসম আন্দোলনত জীৱন উছৰ্গা কৰা নাৰী-পুৰুষ, যুৱক-যুৱতী, কিশোৰ-কিশোৰীৰ কৰুণ স্মৃতিয়ে তেওঁৰ মনত কি প্ৰবল আবেগ উৎকন্ঠাৰ সৃষ্টি কৰিছে। যৌৱন অপমানিত হ'ল, বহু কুমাৰীৰ সৰ্বস্ব অপহৃত হ'ল –চৰকাৰী সন্ত্ৰাসৰ এইবোৰ বেদনাদায়ক অপকীৰ্ত্তিয়েও তেওঁক যে অতিশয় দুখ দিছে তাৰ চিন-মোকাম 'বেলি ফুলৰ চকুপানী' নামৰ সংকলনটিৰ সৰহভাগ কবিতাতে পোৱা যায়। তলৰ স্তৱক সমূহেই আমাক তাৰ ইংগিত দিয়েঃ

১। ঘূৰাই দিয়া মোক প্ৰতিবিন্দু ৰক্ত
মোৰ ভ্ৰাতৃ আৰু মাতৃৰ
পিতৃ আৰু ভগ্নীৰ
অপমানিত যৌৱন আৰু লুন্ঠিত
কুমাৰীত্ব

২। মই কেনেকৈ ক'ম
এই দেশ মোৰ স্বতন্ত্ৰ স্বদেশ? আজি
নিৰ্জন চেলত
উৰি অহা শুনা পাওঁ হুক্হুক্ বুকুৰ
কান্দোন
মোৰ আইৰ

কিন্তু জ্যোতিমালাই কেৱল দুখহে কৰিছে এনে নহয়; ভৱিষ্যত সম্বন্ধেও তেওঁ সজাগ। তেওঁ জানে বীভৎসতাই বীৰত্ব নহয়। তেওঁ উপলব্ধি কৰিছে এই শৃংখল এদিন ছিগি যাব আৰু জ্বলি উঠিব ভৱিষ্যৰ তীক্ষ্ণ সপোনঃ

এতিয়া কাণ পাতিলেই বুজি পাওঁ
বন্দিত্বৰ লৌহ শৃংখল ছিঙি বকত
কেনেদৰে জ্বলি উঠে ভৱিষ্যৰ
তীক্ষ্ণ সপোন।

কিন্তু, জ্যোতিমালাৰ ব্যথা-বেদনা আৰু আশাবাদী মনোভাব যি ভংগীত ব্যঞ্জিত হৈছে, সি পুৰণি – 'সূৰ্য' বহু ব্যৱহৃত প্ৰতীক: প্ৰকাশ/ৰীতিত সেইবাবে অভিনৱত্ব আছে বুলিব নোৱাৰি। তদুপৰি, দেশপ্ৰেমৰ কবিতা সমূহৰ ভাষা প্ৰকৃত অৰ্থত কাব্যিক হোৱা নাই। সি সাধাৰণ গদ্যৰ ভাষাহে, কাব্য গন্ধী গদ্যৰ নিৰ্মাণ তেওঁৰ বাবে এতিয়াও সহজ-সাধ্য হৈ উঠা নাই। আনহাতে ব্যক্তিগত অনুভূতিৰ কবিতা সমূহত, ভাষা অনুভূতিময় হৈ উঠিছে – কিন্তু তাৰ শব্দ-সংহতি গভীৰ তাৎপৰ্য মণ্ডিত হোৱাগৈ নাই। 'প্ৰেম', 'শাশ্বত' 'দুপৰৰ উপলব্ধি' আদি কবিতা অৱশ্যে আকৰ্ষণীয়। জ্যোতিমালাই কবিতাৰ ভাষাৰ অলংকৰণ বাদ দি যদি সৰল ব্যঞ্জনাময় কৰি তুলিব পাৰে, তেন্তে তেওঁৰ কবিতা অধিক আদৰণীয় হ'ব বুলি মোৰ বিশ্বাস। চুটি কবিতাবোৰ সুখপাঠ্য যদিও কম কথাত বহু ভাব প্ৰকাশ কৰাৰ কৌশল তাত ফুটি ওলোৱা নাই। সংযোজিত গীতবোৰত সুৰ দিলেহে তাৰ মাধুৰ্য বাঢ়িব। 'বেলি ফুলৰ চকুপানী'ৰ কৰুণ ব্যঞ্জনা একেবাৰে অসাৰ্থক হোৱা নাই, কিন্তু কবিয়ে এটা স্বকীয় নিৰ্মাণ ৰীতি আৱিষ্কাৰ কৰিবলৈ যত্ন কৰিলে তেওঁ নিজেও সুখী হ'ব আৰু কাব্যমোদীয়েও পঢ়ি তৃপ্তি পাব। আমি এই আশা নিশ্চয় কৰিব পাৰো। পুথিখন হাতত লৈ আমাৰ ভাল লাগিছে। আগ্ৰহী পাঠকেও পঢ়ি নিশ্চয় আনন্দ পাব।

সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব।
বছৰেকীয়া বৰঙণিঃ ১৩২ টকা (২৪ টা সংখ্যা)
ছমহীয়া বৰঙণিঃ ৬৬ টকা (১২ টা সংখ্যা)
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমাণ্ড ড্ৰাফট অথবা চেক যোগে পূৰবী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওকঃ
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
ঘনশ্যাম হাউচ, মতিলাল নেহৰু পথ,
পানবজাৰ, গুৱাহাটী-৭৮১০০১

# সাংস্কৃতিক বীজ আৰু মাটি

নলীন বৰঠাকুৰ

আজি ভাৰতবৰ্ষত বহুতো জনগোষ্ঠীয়ে নিজৰ সাংস্কৃতিক অস্তিত্ব ৰক্ষা আৰু তাৰ আলমত আধুনিক জাতি হিচাপে গঢ় ল'বলৈ চেষ্টা কৰিছে। এই প্ৰচেষ্টাৰ বাবে প্ৰয়োজন হয়, বাহিৰৰ কি সম্পদ কেনেদৰে গ্ৰহণ কৰা উচিত সেই সম্পৰ্কে এক স্বচ্ছ মোটামুটি ধাৰণা। এই শতিকাৰ আৰম্ভণিতে স্বামী বিবেকানন্দই আমাৰ বাবে উদাহৰণ থৈ গৈছে কেনেকৈ এটা প্ৰাচীন ধৰ্মৰ পৰা প্ৰাণশক্তি আহৰণ কৰি এটা জাতিৰ আধুনিক সময়লৈ উত্তৰণ হ'ব পাৰে।

আমাৰ দেশত বৰ্তমান মূৰ দাঙি উঠা বিভিন্ন জাতিৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ মূলতে অৰ্থনৈতিক কাৰণ বুলি দৰ্শালেও অস্তিত্বৰ সংকটৰ ভয়কো উলাই কৰিব নোৱাৰি। অস্তিত্বৰ সংকটে পৰোক্ষভাবে ভাৰতবৰ্ষ আৰু ওচৰৰ দেশ সমূহত ধৰ্মীয় মৌলবাদৰ জন্ম দিছে। আমাৰ দেশত মাথো হিন্দু আৰু ইছলামী মৌলবাদেই নহয়, হিন্দু সমাজৰো বিভিন্ন পথৰ উপাসক সকলৰ মাজতো ধৰ্মীয় অসহিষ্ণুতা বাঢ়ি আহিছে। এই অসহিষ্ণুতাই জন্ম দিছে ধৰ্মীয় মৌলবাদ সমৰ্থক আৰু জাতি একোটাৰ অস্তিত্ব ৰক্ষাৰ সমৰ্থক সকলৰ প্ৰেৰণাত লালিত সন্ত্ৰাসবাদৰ।

অস্তিত্বৰ সংকটৰ সমস্যাই এখন সমাজক সততে ভবাই তোলে। যেতিয়া পৰিবৰ্তনৰ ঢৌ আহে তেতিয়া সমাজত সোমাই পৰে পৃথিৱীৰ আন আন জাতিৰ ধৰ্মীয় আৰু সাংস্কৃতিক উপাদান সমূহ। সাগৰৰ ঢৌৱে যিদৰে সাগৰৰ এক অংশৰ উপাদান সমূহ আন এক অংশলৈ কঢ়িয়াই নিয়ে সেই দৰেই বৰ্তমানৰ আধুনিক যোগাযোগ ব্যৱস্থা, টেলিভিশ্যন, ৰেডিঅ' আৰু আন প্ৰচাৰ মাধ্যমেও এঠাইৰ সম্পদ আন ঠাইলৈ কঢ়িয়াই নিয়ে। ইয়াৰ ফলত আমাৰ ধাৰণাৰ 'বিশুদ্ধ' সমাজ এখনৰ অস্তিত্বৰ সংকট সৃষ্টি কৰে। কিন্তু সংকটৰ ভয়ত আমি সাগৰৰ বিশালতা, উজ্জ্বলতা অনুভৱ নকৰি প্ৰাণপূৰ্ণ সোঁতৰ পানীত স্নান নকৰিমনে? সেইবাবে অস্তিত্বৰ সংকটৰ কথা এনে পটভূমিত চিন্তা কৰিব নোৱাৰি য'ত ঢৌৰ মাজত থাকি ঢৌৰ স্পৰ্শ গাত নলগাকৈ থাকে। এইটো অসম্ভৱ। পৰিবৰ্তনৰ জলধাৰাই আমাক স্পৰ্শ কৰক, মলিনতা

> ওচৰৰ ৰাষ্ট্ৰৰ পৰা হোৱা ভয়াবহ প্ৰব্ৰজনে অসমত সৃষ্টি কৰা ভয়াবহতা বোধ কৰিবৰ বাবে মাথো সাংস্কৃতিক নহয়, ৰাষ্ট্ৰই অতি কঠোৰ আৰু দৃঢ় পদক্ষেপ লোৱা প্ৰয়োজন। প্ৰব্ৰজনে সৃষ্টি কৰা সমস্যাৰ বাদেও অসমীয়া ভাষী সমাজখনৰ বৰ্তমানৰ সাংস্কৃতিক অস্তিত্বৰ সংকট লক্ষ্য কৰিবৰ বাবে এক বহল ভাৰতীয় পটভূমিৰ প্ৰয়োজন।

আঁতৰাই নিয়ক আৰু স্নানৰ পাছৰ সজীৱতাই আমাৰ মন আনন্দেৰে ধুৱাই নিয়ক। কিন্তু লক্ষ্য ৰাখিব লাগিব যাতে ঢৌৱে আমাক আথাউনি পানীত নিক্ষেপ কৰিব নোৱাৰে। সাগৰৰ ঢৌত উটি নোযোৱাকৈ থাকিবলৈ হলে আমি দৃঢ় ভাবে প্ৰোথিত খুঁটা এটাত ধৰি থাকিব লাগিব। প্ৰতি সমাজৰ এই দৃঢ় খুঁটাটো সমাজখনৰ সংস্কৃতি, ধৰ্ম আদি প্ৰাণময় মানসিক সম্পদ সমূহেৰে গঠিত। অস্তিত্বৰ কথা চিন্তা কৰোতে আমি এই কথাটো মনত ৰাখিব লাগিব। আমাৰ সংস্কৃতি বৰগছৰ দৰে দলৈ প্ৰোথিত শিপাৰ দ্বাৰা শক্তিশালী হ'ব লাগিব যাতে তাক ঢৌৱে মেটেকাৰ দৰে উটুৱাই নিব নোৱাৰে।

ওচৰৰ ৰাষ্ট্ৰৰ পৰা হোৱা ভয়াবহ প্ৰব্ৰজনে অসমত সৃষ্টি কৰা ভয়াবহতা বোধ কৰিবৰ বাবে মাথো সাংস্কৃতিক নহয়, ৰাষ্ট্ৰই অতি কঠোৰ আৰু দৃঢ় পদক্ষেপ লোৱা প্ৰয়োজন। প্ৰব্ৰজনে সৃষ্টি কৰা সমস্যাৰ বাদেও অসমীয়া ভাষী সমাজখনৰ বৰ্তমানৰ সাংস্কৃতিক অস্তিত্বৰ সংকট লক্ষ্য কৰিবৰ বাবে এক বহল ভাৰতীয় পটভূমিৰ প্ৰয়োজন।

হিন্দু সকলৰ সংস্কৃতি ধৰ্মভিত্তিক। ধৰ্ম মানে মাথো কিছুমান আচাৰ নহয়। ধৰ্মই এখন সমাজৰ মানসিক চাহিদা পূৰণ কৰাৰ বাদেও ভৱিষ্যতৰ বাবে পাথেয় দিয়ে। যি ধৰ্মই এই পাথেয় দিব নোৱাৰে সি মৃত হ'বলৈ বাধ্য।

ঊনৈশ শতিকাত হিন্দু ধৰ্ম আচাৰ, জাতিভেদ, অস্পৃশ্যতা আদি আৱৰ্জনাৰ হেঁচাত মৃতপ্ৰায় হৈছিল। হিন্দু ধৰ্মৰ এই অৱস্থা দেখি বিবেকানন্দই স্বামী ব্ৰহ্মানন্দলৈ এখন চিঠিত লিখিছিল – 'ধৰ্ম কি আর ভারতে আছে দাদা! জ্ঞানমার্গ, ভক্তিমার্গ, যোগমার্গ সব পলায়ন। এখন আছেন কেবল ছুঁৎমার্গ – আমায় ছুয়ো না, আমায় ছুয়ো না। দুনিয়া অপবিত্র, আমি পবিত্র। সহজ ব্রহ্মজ্ঞান! ভালা মোর বাপ!! হে ভগবান! এখন ব্রহ্ম হৃদয়কন্দরেও নাই, গোলোকেও নাই, সর্বভূতেও নাই – এখন ভাতের হাড়িতে......।'

[দিলীপ কুমাৰ ৰায় – চিন্তানায়ক বিবেকানন্দ, পৃঃ ৫৭; ৰামকৃষ্ণ মিশ্যন ইনষ্টিটিউট অব কালচাৰ – কলিকতা ১৯৮৮]





তথাপিও হতাশ নহৈ উপনিষদৰ জ্ঞানৰ আলোকত আলোকিত বিবেকানন্দই হিন্দু মনলৈ নতুন প্ৰেৰণা আনিলে।

যদিও এইবোৰ কথা প্ৰায় সকলোৱে জানে তথাপি বিবেকানন্দৰ প্ৰসংগ ইয়ালৈ টানি অনাৰ এক উদ্দেশ্য আছে। এটা প্ৰাচীন ধৰ্মৰ পৰা প্ৰাণশক্তি আহৰণ কৰি আধুনিক জগতত জীয়াই থাকিব কেনেকৈ পাৰি তাৰ উদাহৰণ বিবেকানন্দই আমাৰ বাবে থৈ গৈছে। তদুপৰি তেওঁ পাশ্চাত্যৰ পৰা প্ৰয়োজনীয় উপাদান আনি স্বকীয় সত্তা নেহেৰুৱাকৈ গ্ৰহণ কৰাৰ দৃষ্টান্তও ৰাখি গৈছে। বাহিৰৰ ঢৌৰ পৰা কি দৰে নতুন আৰু প্ৰয়োজনীয় উপাদান গ্ৰহণ কৰিব লাগে অথচ নিজৰ সংস্কৃতিৰ দৰ্শিপা থকা বৰগছ জোপাত আশ্ৰয় ল'ব লাগে এই দুৰূহ কামটো বিবেকানন্দই কৰি থৈ গৈছে। তেওঁ নবীন সকলক দেখুৱাই গৈছে কিদৰে প্ৰাচীন আৰু বহিৰ্বিশ্বৰ মানসিক উপাদানৰ সংযোগৰ বাবে সেতু ৰচনা কৰিব লাগে।

প্ৰাচীনৰ সৈতে নবীনৰ সেতু ৰচনাৰ সাহসী দায়িত্ব লবলৈ এজন ব্যক্তিৰ বাবে নিজৰ জাতি, ধৰ্ম আৰু সংস্কৃতিক সামগ্ৰিক ভাবে অধ্যয়ন কৰি বিশ্বৰ পটভূমিত চাব পৰা শক্তি আৰু দৃষ্টিৰ প্ৰয়োজন। যেতিয়া এখন সমাজত সংকট হয় সেই সমাজক পথ দেখুৱাবলৈ সাহ কৰি ওলাই আহে একোজন বা এদল জ্ঞানী ব্যক্তি। এই ব্যক্তি সকলে ইতিমধ্যে অৰ্জন কৰে নিজৰ সমাজ, সংস্কৃতি, জাতিৰ অভিজ্ঞতা, অধ্যয়নপুষ্ট এক সামগ্ৰিক ধাৰণা, বহিৰ্বিশ্বৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰিব পৰা নিৰ্মোহ বিশ্লেষণৰ ক্ষমতা আৰু কৰ্মত জঁপিয়াই পৰাৰ শক্তি। তদুপৰি তেওঁলোকৰ দৃষ্টি বিচ্যুত নহয় ধ্ৰুৱতৰাৰ দৰে দিক নিৰ্ণয়কাৰী বিশ্বৰ সকলোৰে প্ৰতি কৰুণা আৰ মমত্ববোধৰ পৰা। এইখিনি গুণ আহৰণ নকৰাকৈ যিসকল ব্যক্তিয়ে সমাজক উদ্ধাৰ কৰিম বুলি হেঁচা ঠেলা লগায়, তেওঁলোকে সমাজলৈ সুদিনৰ পৰিবৰ্তে দুৰ্দিনহে আনে।

পশ্চিমৰ প্ৰভাৱত ঊনৈশ শতিকাৰ হিন্দু সমাজ দিকভ্ৰান্ত হৈছিল। বিবেকানন্দৰ সময় এক ভঙাগঢ়াৰ সময়। 'স্বামীজী যে যুগের মানুষ, সেই যুগটা এক ভাঙা-গড়ার যুগ। পাশ্চাত্য প্রভাবের ফলে ভারতের মানস জগতে তখন দারুণ এক দ্বন্দ্ব দেখা দিয়েছে। শিক্ষিত ভারতবাসী পুরাতন ঐতিহ্যকে অস্বীকার করে পাশ্চাত্যের অন্ধ অনুকরণে মত্ত। সর্বত্র তখন প্রচন্ড বিতর্ক প্রাচ্যও পাশ্চাত্যকে কেন্দ্র করে এবং স্বভাবতেই পাশ্চাত্যের প্রাধান্য স্বীকৃত। বলা বাহুল্য, স্বামীজীও এই যুগ প্রভাব থেকে মুক্ত ছিল না। তারও মনে নানা দ্বন্দ্ব, নানা প্রশ্ন।'

[স্বামী লোকেশ্বৰানন্দ – চিন্তানায়ক বিবেকানন্দ, পৃঃ ৭৩]

পাশ্চাত্যৰ প্ৰভাৱে ভাৰতীয় সমাজত যি দ্বন্দ্ব সৃষ্টি কৰিছিল তাৰ ফলত কিছুমান ভাৰতীয়ই পাশ্চাত্যৰ সকলোবোৰ বেয়া বুলি দলিয়াই পেলাব খুজিছিল। আনহাতে আন এচামে পাশ্চাত্যৰ সকলো ভাল আৰু ভাৰতবৰ্ষৰ সকলো বেয়া বুলিও গণ্য কৰিছিল। ৰবীন্দ্ৰনাথে 'গোৰা'ত এই সমস্যাৰ পূৰ্ণ প্ৰতিফলন ঘটাইছে।

> প্ৰাচীনৰ সৈতে নবীনৰ সেতু ৰচনাৰ সাহসী দায়িত্ব লবলৈ এজন ব্যক্তিৰ বাবে নিজৰ জাতি, ধৰ্ম আৰু সংস্কৃতিক সামগ্ৰিক ভাবে অধ্যয়ন কৰি বিশ্বৰ পটভূমিত চাব পৰা শক্তি আৰু দৃষ্টিৰ প্ৰয়োজন। যেতিয়া এখন সমাজত সংকট হয় সেই সমাজক পথ দেখুৱাবলৈ সাহ কৰি ওলাই আহে একোজন বা এদল জ্ঞানী ব্যক্তি।

ৰবীন্দ্ৰনাথৰ মতে 'বীজ পাওয়া যায়, কিন্তু মাটি পাওয়াই কঠিন।' বাহিৰৰ পৰা ভাল ভাবৰ বীজ আমি আনিব পাৰো, কিন্তু তাক গজাই লবলৈ আমাৰ নিজৰ মাটিৰ প্ৰয়োজন হয়। ভাল ভাব, ভাল চিন্তাৰ বীজৰ ফল পাবৰ বাবে আমাৰ মাটি প্ৰস্তুত কৰি লব লাগিব। বাহিৰৰ ভাল ভাব আৰু দেশৰ মাটিৰ মাজৰ সম্পৰ্ক এটা সৰু উদাহৰণেৰে ৰবীন্দ্ৰনাথে দেখুৱাই গৈছে। 'গাছ যদি সহসা বুদ্ধিমান কিম্বা অত্যন্ত সহৃদয় হয়ে ওঠে তা হলে সে মনে মনে এমন তর্ক করতে পারে যে, মাটিই আমার জন্মস্থান, অতএব কেবল মাটির রস আকর্ষণ করেই আমি বাঁচব। আকাশের রৌদ্র-বৃষ্টি আমাকে ভুলিয়ে আমার মাতৃভূমি থেকে আমাকে ক্রমশই আকাশের দিকেই নিয়ে যাচ্ছে, অতএব আমরা নব্যতরু সম্প্রদায়েরা একটা সভা করে এই সতত চঞ্চল পরিবর্তনশীল রৌদ্র-বৃষ্টি-বায়ুর সংস্পর্শ বহু প্রযত্নে পরিহার পূর্বক আমাদের ধ্রুব অটল সনাতন ভূমির একান্ত আশ্রয় গ্রহণ করব। কিম্বা সে এমন তর্কও করতে পারে যে, ভূমিটা অত্যন্ত স্থূল হেয় এবং নিম্নবর্তী, অতএব তার সংগে কোনো আত্মীয়তা না রেখে আমি চাতকপাখীর মতো কেবল মেঘের মুখে চেয়ে থাকব। দুয়েতেই প্রকাশ পায় বৃক্ষের পক্ষে যতটা আবশ্যক তার চেয়ে তার অনেক বুদ্ধির সঞ্চার হয়েছে।' [য়ুরোপ যাত্রীর ডায়েরি –রবীন্দ্রনাথ, পৃঃ ৫৪]। বাহিৰৰ বীজ দেশৰ মাটিত বপন কৰা আৰু গছৰ বাবে মাটি আৰু পোহৰ-বায়ুৰ প্ৰয়োজনীয়তাৰ পৰিপ্ৰেক্ষিততহে বিবেকানন্দৰ অৱদান ভাস্বৎ হৈ উঠে।

আমেৰিকালৈ ১৮৯৩ চনত গৈ বিবেকানন্দই আদান প্ৰদানৰ যোগেৰে ভাৰতবৰ্ষ আৰু পাশ্চাত্যৰ মহৎ উপকাৰ সাধন কৰিলে। তেওঁ পশ্চিমৰ পৰা যিদৰে সমাজ সেৱাৰ বীজ ভাৰতবৰ্ষলৈ কঢ়িয়াই আনিলে, সেইদৰে পশ্চিমক আধ্যাত্মিক চিন্তাক গুৰুত্ব দিবলৈ প্ৰেৰণা দিলে। ".......Vivekananda had two messages to deliver; one to the East, the other to the West. In the United States and in England, he preached the universality of religious truth, attacked materialism and advocated spiritual experiment, as against dogma and tradition. In India, on the other hand, we find that he preferred to stress the idea of social service. To each, he tried to give what was most lacking."

[Christopher Isherwood; Vedanta for the Western World; p. 30; Unwin Books, 1963]

বিবেকানন্দই পশ্চিমক ভাৰতৰ সৰ্বোত্তম চিন্তা দি আমাৰ ধৰ্ম আৰু সংস্কৃতিক বিশ্বত মূৰ তুলিবলৈ শক্তি দিলে। আনহাতে তেওঁ ভাৰতলৈ আনিলে সমাজৰ প্ৰতি মানুহৰ থাকিব লগা দায়িত্ববোধৰ চেতনা। পাশ্চাত্যৰ 'মিশ্যন'ৰ আৰ্হিত তেওঁ 'ৰামকৃষ্ণ মিশ্যন' স্থাপন কৰে আৰু প্ৰকৃত অৰ্থত সহায়ৰ হাত আগবঢ়াই দিবলৈ ভাৰতবাসীক

শিক্ষা দিয়ে। 'মানৱ সেৱাই ঈশ্বৰ সেৱা'ৰ ধাৰণাৰ বীজ তেওঁ ভাৰতবৰ্ষত বপন কৰে। পুণ্যৰ আশা নকৰি মাথো আনৰ ৰোগ, ক্লেশ, অশিক্ষা, কৰ্মহীনতা আদি আঁতৰাই মানুহক শিক্ষা, চিকিৎসা সেৱা আদি আগবঢ়াই সেৱা কৰাত গুৰুত্ব দিছিল। এই ক্ষেত্ৰত তেওঁ ঐহিকতকৈ দৈহিক উন্নতি সাধনত অধিক গুৰুত্ব দিছিল। মানৱ সেৱাৰ প্ৰেৰণাতে কলিকতাত কলেৰা ৰোগী আক্ৰান্ত অঞ্চলবোৰত তেওঁ আৰু ভগিনী নিবেদিতাই দিনে নিশাই ৰোগীৰ সেৱা কৰিছিল। এই কাৰ্যৰ দ্বাৰা বিবেকানন্দই দেখুৱালে হিন্দু সংস্কৃতি আৰু ধৰ্মত সকলো প্ৰাণী আৰু উদ্ভিদক – অৰ্থাৎ নিজৰ বাদেও আনক ভালপোৱাৰ শিক্ষা কিদৰে পাশ্চাত্যৰ সমাজ সেৱাৰ সঁজুলি ব্যৱহাৰ কৰি মানৱ তথা ঈশ্বৰ সেৱাত ব্যৱহাৰ কৰিব পৰা যায়। বৈদান্তিক চিন্তাৰ ই এক সফল প্ৰয়োগৰ নিদৰ্শন। বিবেকানন্দই বোধহয় প্ৰথম ভাৰতীয় যি সমস্যা এটা হৃদয়েৰে অনুভৱ কৰি মগজুৰে বিশ্লেষণ কৰাতে ক্ষান্ত নাথাকি সমস্যাৰ সমাধানৰ বাবে হাতে কামে লাগিছিল আৰু এই শিকনি আনকো দিছিল। হৃদয়, মন আৰু হাতৰ ব্যৱহাৰৰ শিক্ষাই স্বদেশী আন্দোলনৰ সময়ত বংগদেশত শিল্প উদ্যোগত ব্ৰতী এচাম মানুহৰ সৃষ্টি কৰিছিল যাৰ ফলত দেশ স্বাধীন হোৱালৈকে বংগদেশ ভাৰতবৰ্ষৰ আটাইতকৈ উন্নত আৰু শিল্প উদ্যোগত অগ্ৰণী প্ৰদেশত পৰিণত হৈছিল।

আনহাতে বিবেকানন্দই পাশ্চাত্যক জনালে হিন্দু ধৰ্মত থকা ঈশ্বৰ আৰু প্ৰাণীৰ মাজৰ মমত্ববোধৰ কথা, যাৰ ফলত মানুহ ঈশ্বৰৰ অংশ আৰু ঈশ্বৰৰ সকলো গুণৰ অধিকাৰী। তেওঁ কৈছিল 'জীবজগত ঈশ্বৰৰেই প্ৰকাশ; প্ৰতিটি জীৱই আসলে শিৱ।' তেওঁ ভাৰতীয় সকলকো কলে যে মানুহ প্ৰাণীজগতৰ কেন্দ্ৰত আছে আৰু মানুহেই সকলোতকৈ মৰ্যাদা সম্পন্ন। অৰ্থাৎ এই বিশ্বৰ যদি সৎ উদ্দেশ্য থাকে তেনেহলে মানুহেইহে তাত গুৰুত্ব পাব লাগিব। ইউৰোপৰ নৱজাগৰণৰ সময়ত যিদৰে মানুহে পৃথিৱীত নিজৰ মৰ্যাদা বুজি অনুপ্ৰাণিত হৈছিল, সেইদৰে বিবেকানন্দয়ো কুৰি শতিকাৰ আৰম্ভণিত ভাৰতীয় সকলক মানুহ হিচাপে নিজৰ মহত্ব সম্পৰ্কে সচেতন কৰিছিল।

হিন্দু আৰু খৃষ্ট ধৰ্মত মানুহ আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্ক পৃথক ধৰণৰ। খৃষ্ট ধৰ্ম মতে মানুহ সৃষ্টি কৰি ঈশ্বৰে কৈছিল যে, মানুহৰ বংশবৃদ্ধি হওক আৰু তেওঁলোকৰ সতি-সন্ততিয়ে পৃথিৱী আৰু সকলো প্ৰাণীৰ ওপৰত প্ৰভুত্ব খটাওক। কিন্তু বিবেকানন্দই কৈছিল যে যদিও মানুহ পৃথিৱীৰ কেন্দ্ৰবিন্দুত তথাপি মানুহ কাৰো প্ৰভু নহয়। এই মানুহে অন্তৰত অনুভৱ কৰে যে সকলো প্ৰাণী আৰু উদ্ভিদ মানুহৰ বন্ধু। এই মহান ভাৰতীয় চিন্তাৰ এক উজ্জ্বল মুহূৰ্ত প্ৰতিভাত হৈছিল যেতিয়া যুধিষ্ঠিৰে স্বৰ্গযাত্ৰাৰ পথত বাটৰ সংগী কুকুৰটোক এৰি ইপ্সিত স্বৰ্গলাভো প্ৰত্যাখ্যান কৰিছিল।

**হিন্দু আৰু খৃষ্ট ধৰ্মত মানুহ আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্ক পৃথক ধৰণৰ। খৃষ্ট ধৰ্ম মতে মানুহ সৃষ্টি কৰি ঈশ্বৰে কৈছিল যে, মানুহৰ বংশবৃদ্ধি হওক আৰু তেওঁলোকৰ সতি-সন্ততিয়ে পৃথিৱী আৰু সকলো প্ৰাণীৰ ওপৰত প্ৰভুত্ব খটাওক। কিন্তু বিবেকানন্দই কৈছিল যে যদিও মানুহ পৃথিৱীৰ কেন্দ্ৰবিন্দুত তথাপি মানুহ কাৰো প্ৰভু নহয়। এই মানুহে অন্তৰত অনুভৱ কৰে যে সকলো প্ৰাণী আৰু উদ্ভিদ মানুহৰ বন্ধু। এই মহান ভাৰতীয় চিন্তাৰ এক উজ্জ্বল মুহূৰ্ত প্ৰতিভাত হৈছিল যেতিয়া যুধিষ্ঠিৰে স্বৰ্গযাত্ৰাৰ পথত বাটৰ সংগী কুকুৰটোক এৰি ইপ্সিত স্বৰ্গলাভো প্ৰত্যাখ্যান কৰিছিল।**

মানুহৰ লগত সকলোকে সমদৰ্শিতাৰ দৃষ্টিৰে চাবলৈ শিক্ষা দিয়া হিন্দু দৰ্শনৰ চিন্তাধাৰা প্ৰকাশিত হৈছে বৰ্তমানৰ পাশ্চাত্যৰ পৰিবেশ আৰু পাৰিপাৰ্শ্বিকতা ৰক্ষাৰ আন্দোলনত। সকলো প্ৰাণী আৰু উদ্ভিদৰ জীয়াই থকাৰ যে অধিকাৰ আছে এই নীতি মানি লোৱাটো হৈছে প্ৰকৃতিক ধ্বংস নকৰি ৰক্ষা কৰাঁৰ এক পূৰ্বচৰ্ত। এই নীতিৰ আশ্ৰয়ত নিজসৃষ্ট পাৰিপাৰ্শ্বিকতা ধ্বংসৰ পৰা মানুহে ৰক্ষা পোৱাৰ উপায় দেখিছে। আমাৰ ধৰ্মৰ এই সামগ্ৰিকতাৰ ধাৰণাতকৈ আধুনিক চিন্তা সতকাই পাবলৈ টান।

আমি পুৰণিৰ মাজত আধুনিক চিন্তা কৰা দোষৰ কথা নহয়। অৱশ্যে এই পুৰণিৰ পৰা আমি এনে চিন্তা গ্ৰহণ কৰিব নালাগিব যাৰ দ্বাৰা কু-সংস্কাৰ, ধৰ্মীয় মৌলবাদ আৰু সাম্প্ৰদায়িকতাৰ জন্ম হ'ব পাৰে। আমি আগবাঢ়ি যাবলৈ আৰু আত্মপ্ৰকাশৰ বাবেও প্ৰয়োজন অনুসৰি অৱলম্বন লওঁ সময়ৰ কষটি শিলত পৰীক্ষা কৰা প্ৰাচীন যুগৰ চিন্তাধাৰাৰ – যি চিন্তাধাৰাই আমাৰ বৰ্তমানৰ সমস্যাৰ সমাধান দি তৃষ্ণা পূৰণ কৰিব পাৰে। প্ৰয়োজন হলে নিজৰ সাংস্কৃতিক বিকাশৰ বাবে, নিজৰ বক্তব্যত সহায় হ'বৰ বাবে আনৰ পৰা চিন্তা ধাৰ কৰিব লগাও হয়।

কিন্তু সকলো সময়তে আধুনিকতা বাহিৰৰ পৰা আনি সফল হ'ব নোৱাৰি। কিয়নো বাহিৰৰ পৰা ভাবৰ বা চিন্তাৰ ডাল এটা আনি তাক সংযোজন কৰিবলৈ (grafting) আমাৰ নিজৰ উপযুক্ত গছ এজোপা লাগিব। আমাৰ গছজোপাৰ শিপাই আমাৰ মাটিৰ ৰস গ্ৰহণ কৰি বাহিৰৰ পৰা অনা 'কলম' ডালক জীয়াই ৰাখিব লাগিব। বাহিৰৰ কলমটোক ৰস যোগান দিবৰ বাবে যদি আমাৰ নিজৰ গছৰ শিপা আৰু মাটি নাথাকে তেনেহলে সেই কলম মৰিবলৈ বাধ্য। এই ক্ষেত্ৰত ঐতিহ্যই হ'ল শিপাডাল – যি বাহিৰৰ আৰু আমাৰ অৱদানৰ মাজত সংযোগ ৰক্ষা কৰিব পাৰে। বাহিৰৰ পৰা কলমৰূপী চিন্তা বা সাংস্কৃতিক সম্পদ আনি আমাৰ নিজৰ ধৰণে সজাই ল'ব নোৱাৰিলেও সি বিসদৃশ হৈ পৰে। সেই বাবে বাহিৰৰ পৰা সাংস্কৃতিক সম্পদ আনিলেই নহ'ব, তাক নিজৰ ঐতিহ্য আৰু সংস্কৃতিৰ সহায়ত গ্ৰহণ কৰিব পাৰিবও লাগিব।

উনৈশ শতিকাৰ হিন্দু সমাজ যেতিয়া বুটিছ তথা পাশ্চাত্য সংস্কৃতিৰ তাৰুণ্য, প্ৰাণশক্তি আৰু আধুনিকতাৰ ভয়ত পলাই ফুৰিছিল, বাহিৰৰ পৰা নিজকে আঁতৰাই ৰাখিছিল, আনকি সাগৰ পাৰ হৈ যোৱাৰ ওপৰতো নিষেধাজ্ঞা জাৰি কৰিছিল তেতিয়া বিবেকানন্দই দেখুৱালে কেনেকৈ নিজৰ ধৰ্ম, সংস্কৃতি আৰু ঐতিহ্যৰ মাজত আধুনিকতাৰ অন্বেষণ কৰি, তাক উলিয়াই আনি বাহিৰৰ প্ৰাসংগিক আধুনিক চিন্তাধাৰাৰ সৈতে সমন্বয় সাধন কৰি নিজৰ সমাজৰ আত্মবিশ্বাস জগাই তুলি দৃপ্ত খোজেৰে পৃথিৱীত আগুৱাই যাব পৰা যায়। তেওঁৰ এই সাহসী পদক্ষেপৰ বাবে হিন্দু সমাজ স্থবিৰ হৈ নাথাকি, অস্তিত্বৰ সংকট অতিক্ৰম কৰি প্ৰাচীন জৰাজীৰ্ণ সাজ দলিয়াই আধুনিক জাতিলৈ ৰূপান্তৰিত হ'ল। অৱশ্যে এই প্ৰক্ৰিয়া এতিয়াও সম্পূৰ্ণ হোৱা নাই। তেওঁৰ সাহসী পদক্ষেপৰ অবিহনে হয়তো ভাৰতীয় হিন্দু সমাজ কুসংস্কাৰ, জাত-পাতৰ বিচাৰৰ আৰু হেঁচাত মৃত হ'লহেঁতেন। আজি প্ৰায়বোৰ ইছলামী সমাজ এই সংকটত পৰিছে। তুৰ্কীত বাদে প্ৰায়বোৰ ইছলামী সমাজ আধুনিকতাৰ পথত আগুৱাব পৰা নাই। অথচ ইউৰোপত বিজ্ঞানৰ বিকাশ হৈছিল আৰব বিজ্ঞানৰ সহায়তহে। যি জাতিয়ে নিজৰ সংস্কৃতি, ঐতিহ্যৰ মাজত আধুনিকতাৰ সন্ধান নাপায় সেই জাতিৰ বাবে 'অস্তিত্বৰ সংকট' অৱধাৰিত। কিয়নো আধুনিকতাৰ নিজস্ব শিপাডাল যদি বিচাৰি উলিয়াব পৰা নহয় তেনেহলে বাহিৰৰ আধুনিকতাৰ সৈতে নিজৰ সংস্কৃতি আৰু ঐতিহ্যৰ সমন্বয় নঘটি বিকৃতি জন্ম দিয়াৰহে সম্ভাৱনা অধিক।

আজিৰ পৃথিৱীৰ এক জ্বলন্ত সমস্যা সন্ত্ৰাসবাদৰ কথালৈ আঙুলিয়াব পাৰি। সন্ত্ৰাসবাদ যিবোৰ সমাজত সোমাইছে সেইবোৰ সমাজ আৰু জাতি আজি বিব্ৰত আৰু দিশহাৰা। ইয়াৰ কাৰণ হ'ল সন্ত্ৰাসবাদে যদিও সমাজৰ পৰিবৰ্তন আৰু উন্নতি বিচাৰে, তথাপি ই কল্যাণময় পথ গ্ৰহণ নকৰে। সন্ত্ৰাসবাদে এক নতুন সভ্যতা, এক নতুন সমাজ গঢ়াৰ বাবে কাম কৰে সঁচা, কিন্তু তাৰ বাবে সম্পূৰ্ণৰূপে ধ্বংস কৰিবলৈ বিচাৰে বৰ্তমানৰ মানুহ আৰু সভ্যতা। সন্ত্ৰাসবাদৰ এই বিধ্বংসী ৰূপৰ বাবেই ধৰ্ম আশ্ৰিত সংস্কৃতিৰ বাহক বিভিন্ন মানৱ সমাজে সন্ত্ৰাসবাদ গ্ৰহণ নকৰে – কাৰণ বিবেকানন্দৰ ভাষাত 'মানুহৰ বাবে সভ্যতা, সভ্যতাৰ বাবে মানুহ নহয়' – এতিয়াও সত্য। আজি হিন্দু সমাজত বাহিৰৰ যি চিন্তাধাৰা গ্ৰহণ কৰা হৈছে সেয়া কল্যাণকৰ অথচ আধুনিক। কল্যাণ বাদ দিয়া চিন্তাধাৰা গ্ৰহণযোগ্য নহয়। ধৰ্মভিত্তিক সভ্যতাৰ কল্যাণময় আশ্বাস আৰু নিৰাপত্তাৰ বাবেই আজি ঈশ্বৰ বিহীন ভাবধাৰাৰ দ্ৰুত অৱক্ষয় হৈছে। সন্ত্ৰাসবাদৰ প্ৰাণকেন্দ্ৰ ইউৰোপৰ পৰা সন্ত্ৰাসবাদহে নালাগে কমিউনিজমেও মেলানি মাগিছে কাৰণ ইয়াক পৃথিৱীৰ কোনো ধৰ্মভিত্তিক সংস্কৃতিৰ শিপাই আহাৰ পানী যোগাবলৈ প্ৰস্তুত নহয়।

আশীৰ দশকত পিটাৰ বুক নামৰ এজন দুৰ্ধৰ্ষ জাৰ্মান সন্ত্ৰাসবাদীয়ে পুলিচৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। এওঁৰ এটা দীঘলীয়া সাক্ষাৎকাৰ এখন বিখ্যাত জাৰ্মান আলোচনীয়ে গ্ৰহণ কৰিছিল। সন্ত্ৰাসবাদৰ প্ৰয়োজনীয়তা সম্পৰ্কে লাহে লাহে নিজেই সন্দিহান হৈ পৰা পিটাৰ বুকে RAF বা ৰেড আৰ্মি এৰি দিয়াৰ পাছত লক্ষ্য কৰিলে যে জাৰ্মান সমাজত এক নতুন ধৰণৰ প্ৰতিবাদ আৰম্ভ হৈছে। এই প্ৰতিবাদ তেওঁ দেখিলে পৰিবেশ সুৰক্ষাৰ বাবে, পাৰমাণৱিক ৰিয়েক্টৰৰ বিৰুদ্ধে, পাৰমাণৱিক অস্ত্ৰশস্ত্ৰৰ বিৰুদ্ধে, কম ভাৰাত ঘৰ পাবৰ বাবে কৰা আন্দোলনত। তেওঁ দেখিলে যে এই নতুন আন্দোলনৰ প্ৰেৰণা হ'ল সকলোৰে বাবে কল্যাণকৰ কাম কৰা। ধ্বংসৰ মাজত নহয় সকলোৰে বাবে কল্যাণকৰ, মংগলময় কাম কৰাৰ মাজত যেন জাৰ্মানীৰ যুৱক-যুৱতীয়ে বিচাৰি পালে কাম কৰাৰ নতুন প্ৰেৰণা। এই যে, সকলোৰে কল্যাণৰ বাবে কাম কৰাৰ কথা, সকলো প্ৰাণী আৰু উদ্ভিদৰ প্ৰতি থাকিব লগা সমদৰ্শিতাৰ কথা – এইবোৰ দেখোন হিন্দু সকলে হাজাৰ বছৰৰ পূৰ্বেই কৈ গৈছে। ■


## সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১00% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।

সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।

সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

**জেউতি ছেক্স ক্লিনিক**


এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১০০৯
ৰেলগেট নং - ৬

**ডাঃ এ, নেছাৰ**

এম, বি, বি, এছ; এম, ডি (গৌ)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)

# ডিকচৈন

দীপক কুমাৰ বৰকাকতী



অংকন: চম্পক বৰুৱা

এ সপ্তাহমান চেষ্টা কৰিও ৰেমাক লগ নাপাই ল'মা এদিন লোৱাংমোৱালত থকা ৰেমনা-ৰুণ ওলালহি। সি ক'লে–ক'চোন–ক । তই অফিচলৈ এদিন গৈয়ে চাকৰিটো কিয় বাদ দিলি?

ল'মাৰ কথাৰ পৰা ৰেমাই বুজি পালে সি নিশ্চয় খুমীৰ পৰা তাৰ কথা গম পাইছে। সি মূৰটো আনফালে ঘূৰাই ক'লে– এনেয়ে।

ল'মা খন্তেক নীৰৱে ৰ'ল। তাৰ পাছত কোমলকৈ ক'লে– চা, কাৰণটো মই নুবুজা নহয়। আৰু তই মোক নকব বুলিও জানো। মই হোৱা হ'লেও কিজানি তোৰ দৰেই কৰিলোহেঁতেন।

ৰেমাই ল'মালৈ চালে। ল'মা তাৰ ল'ৰালিৰ বন্ধু হৈয়ে আছে। তাৰ মনৰ ব সি বুজাৰ লগে লগে উপলব্ধিও কৰিব পাৰিছে।

– মানুহৰ আত্মসন্মানটো ডাঙৰ কথা। –ল'মাই ক'লে। – এই বিষয়ে সচেতন যি কোনো মানুহে তাৰ বিক্ৰীতকৈ লঘোনে ভোকে মৰাটোকে বাছি লব।

ৰেমাৰ ভাল লাগিল। কিন্তু সি একো নক'লে। ল'মাই পুনৰ কৈ গ'ল – তহঁতৰ ওঠৰ-কুৰি বছৰৰ কষ্ট ত্যাগ কিহৰ কাৰণে আছিল? আত্ম-সন্মানৰ বিনিময়ত এমুঠি খাবৰ জোখাৰে আয় কৰিবলৈ সুবিধা পোৱাৰ বাবেই নেকি?

ৰেমাই ল'মালৈ স্থিৰ হৈ চাই ৰ'ল। লমাই যেন তাৰ অন্তৰৰ কথা কৈছে। যোৱা কেইবাদিনো ৰেমাক এনে ধৰণৰ চিন্তাই জুমুৰি দি ধৰিছে। সি বাৰে বাৰে নিজক প্ৰশ্ন কৰিছে, সিহঁতৰ ইমান দিনৰ কষ্ট, ত্যাগ, মৃত্যুৰ লগত যুঁজ কিহৰ বাবে আছিল? অভাৱ অনুভৱ নকৰাকৈ আত্ম-সন্মানেৰে জীয়াই থকাৰ বাবে নহয়নে? পিটাৰ লালজীকা জংঘললৈ যোৱা নাছিল, ৰ'থানপুইয়াৰ পৰিয়ালৰো কোনেও মৃত্যুৰ সমুখীন হোৱা নাছিল। সিহঁতে কোনো ধৰণৰ কষ্ট বা ত্যাগ কৰা নাই। কিন্তু সিহঁতৰ অভাৱ কিবা আছেনে? টকা-পইছা, খোৱা-পিন্ধা, গাড়ী-মটৰৰ? এয়াই জংঘলত থাকোতে দেখা সিহঁতৰ আনন্দ উপভোগৰ সপোন নহয়নে? কিন্তু কিমান দিন হ'ল? এবছৰেই হবৰ হ'লহি জংঘলৰ পৰা অহাৰ। এতিয়ালৈকে সিহঁতৰ কোনো থান-থিতেই নালাগিল।

ল'মাই পুনৰ কৈ গ'ল– মই বন্ধু হিচাপে তই ভালদৰে থান-থিত লাগি আত্ম-সন্মানেৰে জীয়াই থকাটো বিচাৰো। কিন্তু তোৰ বৰ্তমানৰ এই অৱস্থা মই সহিব পৰা নাই। ইয়াৰ বাবে তই কিমান দায়ী মই ক'ব নোৱাৰো। কিন্তু তহঁতৰ নেতাবোৰ দায়ী। তহঁতে যদি কিবা কৰিছ নেতাবোৰৰ নিৰ্দেশতে। কিবা যদি কষ্ট খাইছ, মৃত্যুৰ সমুখীন হৈছ সিহঁতৰ কথা ৰাখিবলৈ গৈয়েই। এতিয়া সেই নেতাবোৰেই নিজৰ পজিচন ঠিক কৰি সমাজত খোপনি পুতিছে। কিন্তু তহঁতলৈ ভালদৰে এবাৰো চোৱা নাই।

পু-ভটক দেখাৰে পৰা ৰেমাৰ মনটো খেলি-মেলি হৈ আছিল। চাকৰিটো পাই সি সেইবোৰ পাহৰিব বুলি ভাবিছিল। কিন্তু চাকৰিটো পায়ো সি কৰিব নোৱাৰিলে। কিমিহঁতৰ আগত সি লঘু হব নোৱাৰে। সি এতিয়ালৈকে সন্মানেৰে কৰিব পৰা কাম বিচাৰি পোৱা নাই। ল'মাই কোৱা কথাই হয়তো ঠিক, সিহঁতৰ নেতাবোৰেহে চৰকাৰৰ পৰা লোভনীয় সুবিধাবোৰ আদায় কৰি লৈছে। ল'মাক ক'লে– তোৰ কথাবোৰ সঁচা হব পাৰে!

ল'মা উৎসাহিত হ'ল। সি ক'লে– সঁচা হব পাৰেমানে? সঁচা হয়েই। আমাৰ হাতত এই সকলোবোৰৰ প্ৰমাণ আছে।

ল'মাই উৎসাহেৰে ৰেমাৰ আগত ৰাজনৈতিক কাৰণত গোটাই থোৱা বাতৰিবোৰ ক'বলৈ ধৰিলে। ল'মা স্থানীয় ৰাজনৈতিক দল পিপল্‌ছ কন্‌ফাৰেন্সৰ সক্ৰিয় সদস্য। গতিকে এই সকলোবোৰ খবৰ তাৰ জিভাৰ আগত। কিছুমান কথা শুনি ৰেমাই ৰং পালে। কিছুমান আমোদজনক, কিছুমান আশ্চৰ্যকৰ। সিহঁতৰ নেতাবোৰে সিহঁত সাধাৰণ গৰিলাবোৰক কি চতুৰতাৰে সাধাৰণ কাম দিয়াৰ যোগেৰে সন্তুষ্ট কৰি ৰাখিব খুজিছে কথাবোৰ শুনি ৰেমাই সঁচাকৈয়ে বিস্ময় মানিলে। কথাবোৰ বুজাব পাৰিছে বুলি জানি ল'মাৰ আনন্দ লাগিল। সি ক'লে–ৰেমা, তোক এটা কথা কওঁ। তই মোৰ লগত ব'ল। আমাৰ প্ৰেচিডেন্টৰ ঘৰলৈ যাওঁ। তই একো ক'ব নালাগে। মাত্ৰ মোৰ লগত থাকিবি। মই তোৰ কথাবোৰ কম।

ৰেমাই একো নামাতিলে।

– চা। এই আন্দোলনৰ বাবেই তোৰ মেট্ৰিক পৰীক্ষা দিয়া নহ'ল। জেললৈ গলি আৰু পাছত মৃত্যুৰ লগত যুঁজ দি সোতৰ ওঠৰ বছৰ বনে-জংঘলে ঘূৰি ফুৰিলি। এতিয়া অহাৰ পাছত তোৰ সপোনৰ তিলমানো বাস্তৱত পৰিণত হ'লনে? তই যে এই সকলোবোৰ লৈ হতাশাগ্ৰস্ত তাকে আমাৰ প্ৰেচিডেন্টক বুজাই দিলেই হ'ল। তেওঁ তোক সকলো ধৰণেৰে সহায় কৰিব।

ল'মাৰ কথাত ৰেমাই আপত্তি নকৰিলে। ল'মাই পুনৰ ব'ল বুলি কোৱাত সিয়ো বহাৰ পৰা উঠিল।

আহি থাকোতে ৰেমাৰ ধাৰণা হ'ল সি হয়তো ল'মাৰ লগত যাবলৈ ওলাই ভাল কৰা নাই। কথাবোৰ সি নিজে ভালদৰে চালি জাৰি চোৱা নাই। সি মানুহৰ মাজেৰে কিছু দূৰ আগবঢ়াৰ পাছত ক'লে– ল'মা, আজি মই নাযাওঁ নেকি! অহাকালিলৈ গ'লে নহবনে?

ল'মাই তালৈ অলপ সময় চাই থাকি ক'লে– ঠিক আছে তেনেহ'লে। কালিলৈয়ে যাম। আগবেলা মোৰ ক্লাছ আছে। বাৰ বজাত তই ওলাই থাকিবি। তোক লৈ আহিম।

বিদায় লোৱাৰ আগতে ল'মাই ৰেমাক পুনৰ সোঁৱৰালে– কথাবোৰ কাণ চোৱালে তোৰ অপকাৰ নহয়। বৰঞ্চ উপকাৰহে হব। অহা ইলেক্‌চনত আমিয়েই চৰকাৰ গঠন কৰিম।

পাছদিনা ৰেমা নগ'ল। ল'মা চাৰে বাৰমান বজাত জীপ এখন লৈ ওলাইছিলহি। লগত দুটা মানুহো লৈ আহিছিল। তাক বেছ উৎসাহিত দেখা গৈছিল। কিন্তু ৰেমাই তাৰ উৎসাহত চেঁচা পানী ঢালিলে। সি ক'লে– ল'মা। মই নাযাওঁ বুলিয়েই ঠিক কৰিছো।

ল'মা অবাক হ'ল। সি ৰেমাক ক'লে–কিয় ক'চোন?

ৰেমাই একো উত্তৰ নিদিলে। ল'মাই পুনৰ আগদিনা কোৱা কথা কিছুমানকে ক'বলৈ ধৰিলে। ৰেমাৰ তাহানিতে দেখা আৰু ঘটা ঘটনাবোৰ মনত পৰিল। আংপুই গাঁৱত দেখা মিটিঙত লম্‌কিমাৰ বাকপটুতা, না-থীয়াল গ্ৰুপ চেন্টাৰত পু-ভটৰ বিৰুদ্ধে পু-থানয'মাৰ উচটনি আৰু এতিয়া ল'মাৰ সিহঁতৰ দলৰ ভিতৰ চ'ৰালৈ তাক নিয়াৰ প্ৰচেষ্টা একেই ৰাজনৈতিক চাতুৰী যেন তাৰ বোধ হ'ল। তাৰ কথাবোৰ নিশ্চয় ল'মাহঁতৰ দলে ৰাজনৈতিক লাভৰ বাবে প্ৰয়োগ কৰিব। তাৰ উপৰি সি ল'মাৰ লগত যোৱা মানেই ইমান দিনৰ সহচৰ যুৱালা, ত্মুৱাঙাকে আদি কৰি এম এন এফ-ৰ সকলোকে বিশ্বাসঘাতকতা কৰা হব। ৰেমাই কথাবোৰ ল'মাৰ আগত ভাঙি-পাতি ক'ব নোৱাৰে। সি গালৰ কটা দাগটো মোহাৰি মোহাৰি ল'মাক মাত্ৰ ক'লে– তই এইবোৰ কৈ লাভ নাই। মই ইতিমধ্যে নোযোৱাটোকে ঠিক কৰিছো।

ল'মাৰ খং উঠিল। সি সম্ভৱ লগত যোৱা মানুহ দুটাৰ বাবে লাজো পালে। সি যোৱাৰ আগতে ৰেমাক টানকৈ ক'লে– ইমানদিনৰ মূৰত তোক লগ পাই আৰু তোৰ অৱস্থা দেখি আমাৰ কিবা সহায় কৰিবলৈ মন নাযায় নেকি? আমাৰ সহায়ো তোক নালাগে। তইহে এম এন এফ কৰিলি, আমি এম এন এফ-ত নাছিলোৱেই। এই টুপি তই আঁতৰাব লাগিব। এই দাড়ি তই খুৰাই চিকুণ হব লাগিব। তেতিয়াহে এম এন এফ-ৰ ভূত তোৰ গাৰ পৰা আঁতৰিব।

যোৱাৰ আগতে ল'মাই আৰু দুটামান কথা কৈ গ'ল– তহঁতৰ নেতাবোৰৰ বাবেই মই মোৰ জীৱনৰ তিনিটাকৈ বছৰ হেৰুৱালো। শিক্ষাৰ ক্ষেত্ৰত পাঁচ বছৰ পিচুৱাই গ'লো। তাৰ বাবে মোৰ কিমান লোকচান হ'ল সেয়া মইহে বুজিছো। মই কলেজৰ অধ্যাপক হ'লেও এই পাঁচ বছৰ হেৰুৱাৰ বেজাৰ আঁতৰাব পৰা নাই। ইলেক্‌চনত তহঁতৰ দলক হৰুৱাব পাৰিলেহে মই হয়তো কিছু শান্তি পাম।

ল'মা যোৱাৰ পাছত ৰেমাৰ দুখ লাগিল। ইমানদিনৰ মূৰত তাক লগ পালে, তাৰ লগত মতভেদহে হ'ল।

ৰেমা দুদিনমান কলৈকো নোলাল। কেম্পতে থাকিল। কেম্পটোতো মানুহ অলপ কমি আহিছে। কেইটামান চাকৰি লৈ চৰকাৰী কোৱাৰ্টাৰলৈ গৈছে। কিছুমানে নিজৰ ব্যৱসায় বাণিজ্য আৰম্ভৰ পৰিকল্পনা লৈ আঁতৰি গৈছে। আন কেইটামান নিজা গাঁৱলৈ উলটিছে।

খুমীয়ে ল'মাৰ পৰা বাতৰি পাই ৰেমাক লগ ধৰিলেহি। তাই তাক ক'লে– চাকৰিটো পালি, তাকো নকৰিলি। ল'মাই তোক কিবা সহায় কৰিব খুজিছিল, তাকো অৱজ্ঞা কৰিলি। তইনো কি কৰিব বিচাৰিছ?

ৰেমাই তাইক বিশেষ একো ক'ব

OKDISCD

নোৱাৰিলে। খুমীয়ে যোৱাৰ আগতে তাক ক'লে– তোক মই বুজিবই পৰা নাই। মই আৰু তোৰ ওচৰলৈ নাহো। কিবা আৱশ্যক হ'লে মোক খবৰ দিবি।

খুমী কেম্পটোৰ পৰা ওলাই যোৱা সি চাই থাকিল।

নিশা বিছনাত পৰি ৰেমা অসহ্য যন্ত্ৰণাত চট্‌ফটাবলৈ ধৰিলে। ৰেমনা-কণটো অশান্তিৰ আবাস যেনহে তাৰ লাগিবলৈ ধৰিলে।

ৰেমাক গালি পাৰি তাৰ ওচৰলৈ আৰু নাহো বুলি খুমীয়ে কৈ গৈছিল যদিও তাই এমাহৰ পাছতে ৰেমাক বিচাৰি হঠাতে কেম্প ওলালহি। ৰেমা তাৰ বিছনাখনত ওপৰমুৱাকৈ শুই চিলিংখনলৈ চাই আছিল।

– ৰেমা!

দুৱাৰমুখত খুমীক দেখি ৰেমা বিছনাখনতে উঠি বহিল।

– আহ, ভিতৰলৈ সোমাই আহ। – ৰেমাই ক'লে।

খুমী দুৱাৰমুখতে অলপ সময় থিয় হৈ ৰ'ল। তাই আন দিনাতকৈ গহীন। তাই ক'লে– মোৰ লগত আৰু মানুহ আহিছে। তোক লগ পাবলৈ।

ৰেমা কোঠাটোৰ বাহিৰলৈ আহি থৰ হৈ ৰ'ল। বাৰান্দাত ডাইপ'লা আৰু ছঙ্‌ভূঙী বৈ আছে। ডাইপ'লা তেনেই বুঢ়া হ'ল। মূৰত মেৰিয়াই লোৱা কাপোৰখনে তাৰ পকা চুলিখিনি ঢাকিব পৰা নাই। তাৰ কঁকালত মেৰিয়াই লোৱা কাপোৰখন আঠুলৈকে পৰা। তাৰ ওপৰৰ চোলাটোৰ ওপৰত বুঢ়াই কাৰোবাৰ পুৰণা ক'লা কোট এটা পিন্ধি আহিছে। ভৰিত হাৱাই চেন্দেল এযোৰ। তাৰ ওপৰত দগহা আৰু বেঁকা আঙুলিবোৰ আৰু ডাঠ ভৰিৰ পতাৰ ফটা গেৰুৱা। ভৰিৰ আঙুলিৰ দুটামান নখ মৰা। বুঢ়াৰ কান্ধত এটা নতুন জাপানী বেগ।

ছঙ্‌ভূঙীও তেনেই বুঢ়ী হ'ল। মুখৰ ছালবোৰ শোতোৰা-শোতোৰ হৈ পৰিছে। ভৰিৰ সৰু গাঁঠিলৈকে ওলমাই পিন্ধা কঁকালৰ নতুন পোৱানখনৰ ওপৰত পুৰণা ব্লাউজ এটা পিন্ধি আহিছে। তাইৰ ডিঙিত জাংফাইৰ ডাঙৰ মালা এডাল। মলিয়ন ভৰিত ডাঙৰ হাৱাই চেন্দেল এযোৰ।

ৰেমাক দেখা পাই বুঢ়া-বুঢ়ীৰ চকুবোৰ আনন্দত সৰু হৈ পৰিল। সিহঁতৰ মুখত হাঁহি বিৰিঙিল। বুঢ়ীয়ে তাক মাতিলে– ৰেমা!

ৰেমাই সিহঁতলৈ নিৰ্বাক হৈ চাই থাকিল। বুঢ়ীৰ চকুৰ পৰা সি মুখখন নমাই আনিলে। অলপ ৰৈ ক'লে– আহ, ভিতৰলৈ সোমাই আহ।

ভিতৰলৈ আহিবলৈ লৈ বুঢ়া ডাইপ'লা মুখৰ হৈ পৰিল। সি কৈ গ'ল– আমাৰ চাপ্ৰাচীটোৱে আকৌ খবৰ দিলে তই বোলে মিনিষ্টাৰেই হ'লি নেকি?

ৰেমাৰ তেতিয়াহে মনত পৰিল তাৰ নামৰ মিনিষ্টাৰ এজন মন্ত্ৰী সভাত আছে।

– খবৰ পায়েই মই এইক ক'লো বোলো ব'ল জী-জোঁৱাইক চাই আহো। ঘৰৰ পৰা ওলাওঁ বুলিলেইতো আৰু ওলাব নোৱাৰি। ওলাওঁতে ওলাওঁতেই ধেৰ দিন গ'ল। আইজ'ল আকৌ ইমান দূৰ বুলি ভবাই নাছিলো। পাওঁতেই চাৰিদিন লাগিল। যোৱা দুদিন তইঁতক বিচাৰি গোটেইখন চলাথ কৰিলো। গাড়ী-মটৰ মানুহো চহৰখনত কমনে? উশাহ-নিশাহেই বন্ধ হব খোজে। কোনো মতে মানুহ এটাই নি এইৰ ওচৰ পোৱালেগৈ। তাইহে খবৰ বাতৰি লৈ তোৰ ওচৰলৈ আহিছে।

বুঢ়াই পিঠিত কঢ়িয়াই অনা গধুৰ জাপানী বেগটো নমাই থলে।

বুঢ়ীয়ে ৰেমাক সুধিলে– তাইক দেখা নাই দেখোন! তাই ক'ত?

ৰেমা নিমাতে থিয় হৈ ৰ'ল।

– নাতিটোৱে সৈতে আছে চাগে' বাহিৰত ক'ৰবাত। তইনো ততা-তৈয়া লগাইছ কিয়? – বুঢ়াই ক'লে।

অুৱাঙাইঁতক মাতিবলৈ খুমী লৰা-লৰিকৈ ওলাই গ'ল।

কোঠাটোৰ ইফালে সিফালে চাই বুঢ়াই ক'লে– ঘৰটোতো ভালেই লাগিছে। ঘৰবোৰ তইঁতৰে নেকি?

ৰেমাই অলপ সময় মনে মনে থাকি ক'লে– হুঁ।

বুঢ়া-বুঢ়ীয়ে ভাবিলে ৰেমা আগৰ দৰেই আছে। সি আগৰ দৰেই কম কথা কয়।

খুমীয়ে অুৱাঙাক নাপাই অুৱাঙাৰ ঘৈণীয়েককে লৈ উভতি আহিল। সিহঁত দুজনীয়ে চাহ কৰিবলৈ যো-জা কৰিলে। আয়োজনটো দেখি ছঙ্‌ভূঙীৰ গা চেবালে। তাই ক'লে– ছিংপুই আছে যদি তইঁতে চাহ কৰিব লাগিছ কিয়?

খুমীয়ে ক'লে – বাৰু চাহ খাই ল'চোন।

খুমীহঁতে চাহ কৰি সিহঁতৰ সমুখত থ'লেহি। তেতিয়ালৈ বুঢ়ীৰ মনটো আশংকাৰে ভৰি পৰিছে। তাই খুমীলৈ চাই সুধিলে– ক'চোন – অ' আই! তাইৰ কিবা অপায় অমংগল হ'ল নেকি?

অুৱাঙাৰ ঘৈণীয়েক বুঢ়ীৰ কাষতে বহি পৰিল। তাই আৰু কথাটো লুকুৱাই ৰাখিব নোৱাৰিলে। তাই ক'লে– হয় অ' কা-পী! ছিংপুই ঢুকাল। আজি প্ৰায় সাত বছৰেই হ'ল ঢুকোৱা। তাইক ময়েই কিমান পতি নকৰিলো! তাইক বচাব নোৱাৰিলো।

তাইৰ মাতটো থুকা-থুকিহৈ ভাঙি পৰিল। বুঢ়া-বুঢ়ী নিথৰ হৈ ৰ'ল। অলপ পাছত বুঢ়ীয়ে ফেকুঁৰিবলৈ ধৰিলে। তাইৰ শোতোৰা শোতোৰ গালৰ ভাঁজবোৰেৰে চকুলো বৈ আহিল।

বুঢ়া-বুঢ়ীহাল গাঁৱলৈ উলটি যোৱাৰ পাছৰ পৰা ৰেমাৰ একোতে ৰুচি নোহোৱা হ'ল। খোৱা-বোৱা, কাম-কাজ একোতে সি মন বহাব নোৱৰা হ'ল। নিশা টোপনিও নহা হ'ল। সি বিছনাতে অসহ্য যন্ত্ৰণাত ছট্‌ফটাই থাকিবলৈ ধৰিলে।

এদিন ৰেমাক লগ পাবলৈ ভায়েক ৰোৱাটা আহিল। সি সাজে-পোছাকে, চেহেৰাই পাতিয়ে পাষ্টৰ হৈ পৰিছে। সি ক'লে সি হেনো মিচনৰ কামত দুবছৰমানৰ বাবে বিদেশলৈ যাব। যোৱাৰ আগতে ৰেমাক লগ পাই যাওঁ বুলি আহিছে। ৰেমাৰ অৱস্থা দেখি তাৰ বেজাৰ লাগিল। সি ৰেমাৰ বাবে প্ৰাৰ্থনা কৰিলে। তাৰ পাছত ক'লে– কিংডম্ হল অৱ জেহভাজ্ উইট্‌নেছেছ-ত সপ্তাহত এবাৰকৈ প্ৰাৰ্থনা হয়। তই তালৈ মাজে মাজে যাবি।

ৰেমাই একো উত্তৰ নিদিলে।

তাৰ কাষৰ পৰা আঁতৰি যোৱাৰ আগতে ৰোৱাটাই তাক দঢ়াই দঢ়াই গাঁৱলৈ উলটি যাবলৈ কৈ গ'ল। ৰেমাই কথাষাৰ শুনিলেহে, মনত হ'লে ঠাই নিদিলে।

ছিংপুইৰ কথাটো খুমীয়ে আগতে জনা নাছিল। তাইক ৰেমাই কিবা বন কুঁৱৰী পোৱা আৰু হেৰুওৱাৰ কথা এদিন কৈছিল। তাই কিন্তু বিশ্বাস কৰা নাছিল। ছিংপুইৰ মাক বাপেকক লগ পোৱাৰ পিছতহে তাই কথাবোৰ গম পালে। বুঢ়া-বুঢ়ীহালক দেখি খুমীৰ ফাকি দিবৰ মন নগ'ল। তাই ৰেমাৰ কাষলৈ লৈ গ'ল। বুঢ়া-বুঢ়ী যোৱাৰ পাছত হোৱা ৰেমাৰ অৱস্থা তাই বুজি পালে। সময় সুবিধা পালেই তাই সপ্তাহ-পষেকে তাৰ ওচৰলৈ আহি থাকিল।

জংঘলৰ পৰা অহাৰ পাছত ৰেমাৰ স্বাস্থ্যৰ অলপ উন্নতি হৈছিল। কিন্তু এবছৰৰ ভিতৰতে তাৰ স্বাস্থ্য পুনৰ ভাঙি পৰিল। সেই সময়তে যুৱালাই গ্ৰান্টৰ দ্বিতীয় কিস্তিটো [illegible]বৰটে দলেহি। টকাখিনি আনি যুৱালাই গাছিবলৈ যোৱাটো ঠিক কৰিলে। গাছিবখন যুৱালাৰ নিজৰ গাঁ[illegible]। এতিয়াইৰ হোৱাদি হ'ল। আইজ'ল শিলচৰ পথছোৱাৰ বাছবোৰ চাহ-ভা[illegible]ৰ বাবে [illegible]তেই ৰয়। যুৱালাই বোলে তাত দোকানখন দিব। সি কথাটো সিহঁতৰ কা[illegible] চোৱালে, তাৰ দুদিন পিছতে পৰিয়াল[illegible]লৈ সি বেপটো এৰি কলাছিবলৈ গ'লেই

ৰেমাই যুৱালা যোৱা[illegible]ৰ [illegible]াছত বৰ অকলশৰীয়া অনুভৱ কৰিবলৈ ধৰিলে। অুৱাঙা আছে যদি যুৱালাৰ দৰে উৎপাত কৰি দুখৰ মাজত [illegible]নন্দ ফূৰ্তি কৰি থাকিব নোৱাৰে। এদিন হ[illegible]তো অুৱাঙাও তাক এৰি গুচি যাব। তাৰো পৰিয়াল আছে, দায়িত্ব আছে। তাৰ উপ[illegible] দ্বিতীয় কিস্তিৰ টকা আনি সিয়ো নানা ৰণৰ কল্পনা কৰিবলৈ ধৰিছে।

ৰেমাৰ চিন্তাজুৰুলা দুৰ্বল শৰীৰটো কাহ হৈ আৰু দুৰ্বলহে পৰিল। মাজে মাজে জ্বৰো উঠিবলৈ ধৰিলে। কেই সপ্তাহমানৰ পাছত তাৰ এদিনঠাতে বুকুখন বিষাবলৈ ধৰিলে। দুদিনলৈ কথাটো অুৱাঙাইঁতৰ আগত নক'লে। [illegible]ন্তু তাৰ পিছদিনা অসুখ বেছি হোৱাত মহবোৰে সকলো গম পালে!

খবৰ পাই খুমী [illegible]াতু খাই আহিল। তাই গাড়ী এখন যোগাৰ [illegible]ৰি ৰেমাক হস্পিটেলত ভৰ্তি কৰিলেগৈ।

খুমী অহা দেখি [illegible]ৰমা বিছনাখনতে উঠি বহিল। হস্পিটেলখৰ জেনেৰেল ৱাৰ্ডটোত বিছনা বহুতো। তৰ এখনত ৰেমা শুই আছিল। যোৱা চাৰি[illegible]পাঁচ দিনে ডাক্তৰে তাৰ বিভিন্ন পৰীক্ষা ক[illegible]িছে। বুকুৰ এক্স-ৰেও লৈছে। জ্বৰ মাজে [illegible]জে কমিছে। কাহটো আছেই। কাহিলেই বুকুখনো বিষাই উঠে। বিভিন্ন ঔষধ পাতিখুমীয়ে যোগাৰ কৰি দিছে। আন নাৰ্চবোৰেও তাৰ বেছ যতন লৈছে।

খুমী ৰেমাৰ বিছা[illegible]ৰ কাষত ৰ'লহি। তাইৰ লগত পৰিপা[illegible] পোছাকেৰে ডেকা এজন। খুমীয়ে হাঁহি মুখৰে সুধিলে– কেনে পাইছ এতিয়া?

– জ্বৰটো নাই। কা[illegible]টো পিছে আছেই। –ৰেমাই ক'লে।

– হব, ভাল হব। – খুমীয়ে লগত অহা ডেকাটোক দেখুৱাই ৰেমাক সুধিলে– ইয়াক চিনি পাইছনে?

ৰেমাই ডেকাটোৰ মুখলৈ চালে। বেছ চফল। বাইছ তেইছ বছৰীয়ামান। ৰেমাই তাক চিনিব নোৱাৰিলে।

খুমীয়ে হাঁহিলে। – ক'তনো চিনি পাবি? এইটো ৰিণঅ'মা। উ-ছাঙৰ ল'ৰা। জব্বলপুৰত মেডিকেল পাছ কৰি ডাক্তৰ হৈ তিনিদিনৰ আগতে ইয়াত জইন কৰিছেহি।

ৰেমাৰ শেঁতা মুখখন উজ্জ্বল হৈ পৰিল। উ-ছাঙৰ ল'ৰা ডেকাই নহয় ডাক্তৰো হ'ল। ৰেমাৰ বৰ ভাল লাগিল।

– যোৱা দুদিনে মই তাক বিচাৰি ফু[illegible]ৰিছো। যেতিয়াই মই যাওঁ সি নাথাকে, সি থা[illegible]িলে মই ব্যস্ত হৈ থাকো। তয়ো যোৱা এস[illegible]তাহে মোক কম নগুৰ নাগতিখন নকৰিছনে? –খুমীয়ে যে ৰিণঅ'মাক লগ পাই বৰ ভাল পাইছে তাইৰ কথাত ওলাই পৰিল।

–ই ডাক্তৰে তোৰ কথা সকলো জানে। এতিয়া পাত তইঁতে কথা। – খুমীয়ে ক'লে।

[illegible]মো কিছুসময় নিমাত হৈ ৰ'ল। তাৰ পাছ[illegible] সি সুধিলে– তই মাৰক লগ পাইছনে?

–নাই। আহিয়েই জইন কৰিছোহি। কিছুদিনৰ পাছত সময় পালেহে ঘৰৰ পৰা আহিগৈ। – ৰিণঅ'মাই ক'লে।

–[illegible]াৰক মোৰ কথা কবি। আমি উলটি অহা[illegible] পাছত মাৰক এদিন লগ পাইছিলো। কিমা[illegible] দিন হ'ল জানো? ডেৰ বছৰ মানেই হ'ল [illegible]কি? – ৰেমাই ক'লে।

অপ সময় ৰৈ ৰিণঅ'মাই সুধিলে– কি হৈছো?

ৰিঅ'মাৰ চাকৰিৰ আৰম্ভণিৰ সংকোচ এতি[illegible]ও যোৱা নাই। সি বিছনাখনৰ এমূৰে আঁৰি[illegible]থোৱা চাৰ্টখনৰ ফালে চালে। কিন্তু নিজেআগুৱাই গৈ তুলি নানিলে। খুমীয়ে কথা[illegible] বুজি সহজাত তৎপৰতাৰে তিনি চাৰিখাজ দি চাৰ্টখন আনি ৰিণঅ'মাৰ হাত[illegible]তুলি দিলে।

ৰিঅ'মাই কিছুসময় কাগজ-পাতিবোৰ চাই [illegible]কি খুমীক সুধিলে– এক্স-ৰেৰ ৰিপৰ্ট অহা[illegible]ই নেকি?

–[illegible]াই। আজি পোৱাৰ কথা।

ৰিঅ'মাই হাঁহি মাৰি ৰেমাক ক'লে– এ[illegible]কেচিন্তা নকৰিব। কেইদিনমান জিৰণি ল'লে ভাল হৈ যাব।

ৰিঅ'মা যাবলৈ ওলাল। এইটো ডাক্তৰ অহা[illegible]সময় নহয়। সি ৰেমাৰ লগত চিনাকি হবহে আহিছিল। ৰিণঅ'মাৰ লগত খুমী[illegible]যাবলৈ ওলাল। তাই ৰেমাক ক'লে– তই,[illegible]ই আজলমঠালি নকৰিবি। বিছনাত শুই থাকিবি। টেবলেটটো আবেলিৰ গাখীৰ খায়েই খাবি। মই পু-ৰ'থানপুইয়াৰ ঘৰলৈ যাব লাগে। সন্ধিয়া আহিম।

খুমীও ৰিণঅ'মাৰ লগত ৱাৰ্ডৰ বাহিৰলৈ আহিল। ৰিণঅ'মাই ক'লে– ৰিপৰ্টবোৰ চাই টিবি হৈছে বুলি মোৰ ধাৰণা হোৱা নাই। প্লুৰেচী হোৱাৰ সম্ভাৱনাই বেছি। অৱশ্যে এক্স-ৰে ৰিপৰ্ট চোৱাৰ পাছতহে কথাটো খাটাংকৈ ক'ব পৰা যাব।

খুমীয়ে ক'লে– সি আন্দাৰগ্ৰাউণ্ডত থাকোতে গা-মন তেনেই জুৰুলা হৈ পৰিছিল। কিনো খাইছিল, কিনো বৈছিল ভগৱানেহে জানে।

অলপ ৰৈ তাই হাঁহি মৰি ৰিণঅ'মাক ক'লে– মই পু-ৰ'থানপুইয়াৰ ঘৰলৈ যাওঁ। তোৰ মনত আছেনে পু-মোৱাকাৰ ল'ৰা ৰ'থানপুইয়া যে! তেওঁৰ ল'ৰাটো– তোতকৈ তিনি-চাৰি বছৰমানৰ ডাঙৰ হব যেন পাইছো– সি ড্ৰাগ এডিকটেড্। আমি বেছ যত্ন কৰিছো এৰুৱাবলৈ। সি কেইবাৰমান কেইদিনমানলৈ এৰিছিলে। কি কষ্ট সেই কেইদিন তাক থিৰেৰে ৰখাৰ! তাৰ পাছত সুৰুঙা পালেই পুনৰ ড্ৰাগ খাবলৈ ধৰে। তোক দুই-এদিনতে তালৈ লৈ যাম ৰ'–

খুমীয়ে হঠাতে কিবা এটা মনত পৰাৰ দৰে ক'লে– অ' এক্স-ৰে ৰিপৰ্টটো সাজু হৈ থাকিব পাৰে। ৰ'চোন চাই যাওঁ।

ৰিণঅ'মাও তাইৰ লগতে গ'ল। ৰিপৰ্টটো সাজু হৈয়ে আছিল। ৰিপৰ্টটো চাই ৰিণঅ'মাই ক'লে– মোৰ ধাৰণাই ঠিক হব পাৰে। যদি হয় পু-ৰেমাক কিন্তু হস্পিটেলত এসপ্তাহৰ বেছি নাৰাখে। তাৰ পাছত কিন্তু ৰেষ্ট আৰু ভাল খাদ্যৰ দৰকাৰ হব। কেম্পত পাব জানো?

– ক'ত পাব? তেনে ধৰণৰ কথা হ'লে সি মোৰ তাতে থাকিব পাৰিব। – কোনো জড়তা নোহোৱাকৈ খুমীয়ে তপৰাই ক'লে– মোৰ ঘৰটোৰ দুটা কোঠা এনেয়ে থকাৰ দৰে। তাতে যেনে-তেনে থাকিব আৰু!

ৰিণঅ'মাই খুমীলৈ চালে। সি মেডিকেল পঢ়ি থাকোতে বাহিৰৰ জগত দেখিছে। বিভিন্ন মানুহৰ সংস্পৰ্শলৈ আহিছে। অবিবাহিত তিৰোতা এজনীয়ে বাহিৰৰ মতা মানুহ এটা লগত ৰাখিবলৈ আগ্ৰহ প্ৰকাশ কৰাটো বৰ আচহুৱা। কিন্তু খুমীৰ মুখলৈ চাই তাইক তাৰ তাহানিৰ মিজো তিৰোতা এজনীৰ দৰেই লাগিল। বহুদিন আঁতৰত থকাৰ বাবে সি নিজৰ মানুহৰ মাজৰ মাদকতা এটা নতুনকৈ উপলব্ধি কৰিলে।

*ক্ৰমশঃ*